● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৪০ তম সংখ্যা ●
গুৱাহাটী ● মঙলবাৰ ৩ আহিন ১৪২৯ ভাস্কৰাব্দ ২০ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 20 September 2022 মূল্য ঃ ৯.০০ টকা

Azadi Ka Amrit Mahotsav

অসম চৰকাৰ

প্ৰতিশ্ৰুতি মতেই...

বানপানীত ক্ষতিগ্ৰস্ত প্ৰতিগৰাকী বন্যাৰ্তৰ কাষত

অসম চৰকাৰ

সাম্প্ৰতিক বানত সম্পূৰ্ণৰূপে ঘৰ-বাৰী উটি যোৱা
৩০৮টা দুৰ্ভগীয়া পৰিয়াললৈ
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ
নিয়মীয়া পুনৰ্সংস্থাপন অনুদানৰ **উপৰি**
মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা **অতিৰিক্ত**
১ লাখ টকাকৈ অনুদান

তেজপুৰত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত
শোণিতপুৰ জিলাৰ বানত ঘৰ-বাৰী উটি যোৱা লোকসকলক অনুদান প্ৰদান কৰিব
অসমৰ মাননীয় মুখ্যমন্ত্ৰী
ড° হিমন্ত বিশ্ব শৰ্মাদেৱে

স্থান : তেজপুৰ । সময় : পুৱা ১১ বজাত । তাৰিখ : ২০ ছেপ্টেম্বৰ ২০২২

উক্ত দিনাই বানত ঘৰ-বাৰী উটি যোৱা অন্যান্য ১৪খন জিলাৰ লোকক
জিলা সদৰত আনুষ্ঠানিকভাৱে অনুদান প্ৰদান কৰা হ'ব

অনুদান লাভ কৰিবলগীয়া ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা

জিলা	পৰিয়ালৰ সংখ্যা	জিলা	পৰিয়ালৰ সংখ্যা
বজালী	২০	কামৰূপ	১৩
বাক্সা	০৩	মৰিগাঁও	০১
বৰপেটা	০২	নগাঁও	২৪
বঙাইগাঁও	৪৫	নলবাৰী	০২
কাছাৰ	২৮	শোণিতপুৰ	৪৪
ধেমাজি	৬১	তামুলপুৰ	১৭
গোলাঘাট	১৪	ওদালগুৰি	১২
হোজাই	২২		

মুঠ ৩০৮

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত । আমাক অনুসৰণ কৰক /@diprassam https://dipr.assam.gov.in/
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ত Assam লিখি ৱাটছএপ কৰক

জনসংযোগ/ডি/১২৫২৫/২২

২৫ দিনে সন্ধানহীন হৈ আছে কলিয়াবৰৰ দুই কিশোৰীসহ এজন কিশোৰ

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ১৯ ছেপ্টেম্বৰ ঃ বিগত ২৫ দিনে সন্ধানহীন হৈ আছে কলিয়াবৰৰ দুই কিশোৰীসহ এজন কিশোৰ। এই পৰ্যন্ত আৰক্ষীয়ে কোনো শুংসুত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই নিৰুদ্দিষ্ট দুই কিশোৰীসহ এজন কিশোৰৰ। কোনো দুষ্ট চক্ৰৰ কবলত পৰাৰ সন্দেহ কৰিছে পৰিয়ালৰ লোকে। বিগত ২৪ আগষ্টৰ বিয়লিৰ পৰা সন্ধানহীন হৈ আছে কলিয়াবৰৰ কুড়িমাৰী গাঁৱৰ ৰশ্মি সৰকাৰ, দীপিকা দাসৰ লগতে চুলুঙৰ দুই নম্বৰ ভূৰবন্ধাৰ দীপক ৰাজভৰ নামৰ কিশোৰজন। ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চুবুৰীয়া বান্ধৱী দীপিকা দাসৰ সহযোগত ৰশ্মি সৰকাৰ নামৰ নৱম শ্ৰেণীৰ ছাত্ৰীগৰাকীক লৈ অন্তৰ্ধান হ'ল দীপক ৰাজভৰ নামৰ কিশোৰজন। নিৰুদ্দিষ্ট ৰশ্মি সৰকাৰৰ পিতৃ বংকিম সৰকাৰে ইতিমধ্যে চুলুঙ আৰক্ষী টহলদাৰী চকীত এক এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে নিৰুদ্দিষ্ট ৰশ্মি সৰকাৰৰ বন্ধু-বান্ধৱীক কৰে সোধ-পোছ। তাৰ পৰাই এই তথ্য পোহৰলৈ আহে যে, চুবুৰীয়া বান্ধৱী দীপিকা দাসৰ সহযোগত ৰশ্মি সৰকাৰ নামৰ কিশোৰীগৰাকী লৈ অন্তৰ্ধান হ'ল দীপক ৰাজভৰ নামৰ কিশোৰজন; কিন্তু সেইদিন ধৰি তিনিওৰে কোনো শুংসুত্ৰ পোৱা নাই। কোনো দুষ্ট চক্ৰৰ হাতত জীয়ৰী ৰশ্মি সৰকাৰক বিক্ৰী কৰাৰ সন্দেহত বান্ধৱী দীপিকা দাস আৰু দীপক ৰাজভৰ বিৰুদ্ধে পিতৃয়ে এজাহাৰ দাখিল কৰাৰ পাছতো আৰক্ষীয়ে বিগত ২৫ দিনে কোনো সন্ধান উলিয়াব পৰা নাই তিনিওৰে। সেয়েহে কন্যা ৰশ্মি সৰকাৰক বিচাৰি উলিয়াবলৈ আৰক্ষী-প্ৰশাসনৰ লগতে স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তক কাতৰ আহ্বান জনাইছে পিতৃ বংকিম সৰকাৰে।

লংকা-দগাঁও সমবায় সমিতি লিমিটেডৰ বাৰ্ষিক সভা

অগ্ৰদূত বাৰ্তা
কাকী, ১৮ ছেপ্টেম্বৰ ঃ হোজাই জিলাৰ লংকা মৌজাৰ অধীনস্থ লংকা-দগাঁও সমবায় সমিতি লিমিটেডৰ ২০২১-২২ বিত্তীয় বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন অহা ২১ ছেপ্টেম্বৰত আহ্বান কৰা হৈছে। পুৱা ১১ বজাত বৰদলং নেপালী বস্তি এলপি স্কুলৰ চৌহদত অনুষ্ঠিত হ'বলগীয়া সভাখনত সমিতিৰ সকলো অংশীদাৰ ৰাইজক উপস্থিত থাকিবলৈ এক বিবৃতিযোগে অনুৰোধ জনাইছে সমিতিখনৰ সভানেত্ৰী সুশীলা মালাকাৰ আৰু সম্পাদক লুটফুৰ ৰহমানে।

শুধৰণি

মোৰ H.S.L.C. ADMIT আৰু MARKSHEET ত ভুলক্ৰমে মোৰ নামটো MD DULAL UDDIN হৈ আছে। আচলতে মোৰ শুদ্ধ নাম DULAL UDDIN হে হ'ব লাগে আৰু সেয়া AFFIDAVITৰ জৰিয়তে শুদ্ধ কৰা হ'ল।

DULAL UDDIN
VILL-SOLAGURI
DHING, NAGAON.

LOST

I have lost my H.S.L.C Admit Card Roll-G-40, No-203, year 1986.

Kusha Konwar
S/o-Bangshi Konwar
P.O-Kopati, P.S-Dalgaon
Dist-Darrang (Assam)

NOTICE

It is for general information of all concerned that as per this office advertisement published vide No. Janasanyog/D/6308/20 Dated 1st November, 2020 and in pursuance of Govt. approval vide letter No. AEE 297/2020/100 dated 13th May, 2022 the list of category wise selected candidates with their following Roll Numbers in different categories of Non-gazetted vacant posts under the Directorate of SCERT, Assam, is hereby declared and the selected candidates are requested to be present in the ceremonial distribution of appointment letter at the Veterinary College Playground, Khanapara, Guwahati-22 on 23rd September, 2022 at 9.00 A.M. to take their appoint letters. The result is also available in the official website http://scert.assam.gov.in of SCERT, Assam.

Category I	105620, 101538, 107396, 108198, 102399, 105524, 100243, 100835, 108565, 107149, 106707
Category II	200623, 201439, 200406, 202326, 201604, 202142, 201145, 201320, 202621, 201296, 202512, 200716
Category III	300602, 300627, 300620, 300601, 300063, 300437
Category IV	400257
Category IV	500486, 500068, 500484, 500096

Director,
SCERT, Assam, Guwahati – 19

Janasanyog/D/12442/22

No. EE/UBD'I`D/TMC1022-23/809

PRESS NOTICE

The Superintending Engineer, PWD, Tezpur Building Circle. Tezpur on behalf of the Governor of Assam, invites Bids with approximate Bid Price of Rs. 61,06,400.00 (Rupees Sixty One lakhs Six thousand Four hundred) only for each school for "Construction of 4 (four) nos. of Additional Classroom, Laboratory, Kitchen, Toilet Block and cycle stand Model Tea Garden School at 1. Bhootiachang T.E., 2. Panery T.E., 3. Ambika T.E., 4. Betali T.E., 5. Dhansiri T.E. in Udalguri District." with a validity of 180 (One hundred eighty) days from the date of opening of the tender from registered PWD (Bldg.) Contractor/ Firm/Pvt. Limited Co. Class-I (A,B&C) category and Class-II category (Registered under Tezpur Building Circle). Details of the Bid and Detail Notice Inviting Bid may be seen in the P.W.D. portal assamtenders.gov.in.

The Bidders must be registered with the E-tendering system (ETS) of the Govt. of Assam. (website http://assamtenders.gov.in)

The Press Notice will be a part of the Bidding Documents.

Executive Engineer P.W D.,
Udalguri and Baksa Territorial,
Building Division.
Udalguri.

Janasanyog/C/10419/22

CORRIGENDUM

The e-tender published vide tender ID 2022AHVD26793 I dated 30/08/2022 and tender reference DD/E-15/ Civil works/2022-23/1595-98 for 'Providing water supply arrangements at Directorate of Dairy Development Assam Khanapara, Guwahati-22', the bid submission end date in www.assamtenders.gov.in is extended up to 2.00 PM of 20/08/2022 instead of 19/9/2022 due to some administrative reason.

The other terms and condition will remain same.

Sd-
Director
Dairy Development, Assam
Khanapara, Guwahati-22

Janasanyog/C/10348/22

AUCTION NOTICE OF VEHICLE

SEALED TENDERS affixing Court Fee Stamp of Rs.8.25 accompanied DV an earnest money of Rs.3000/ (Rupees: Three thousand) only pledged to the undersigned in the shape of Bank Draft drawn on **State Bank of India, Nagaon** are invited for disposal of the following vehicle on **AMY 1548** basis from the intending bidders. The description of the vehicle is:-

Mahindra Petrol Jeep
Regn. No. AMY 1548
Chassis No. PJ 4847
Engine No. PJ 4847
Date of purchase. 07/11/1986

Intending buyers may inspect the vehicle in the premises of the office of the undersigned during office hours on 22nd September, 23rd September & 26th September'2022 The bid value of the vehicle is **Rs.6500/(Rupees: Six thousand & five hundred) only**

Tenders will be received by the undersigned up to 4pm on 26th September/2022 and will be opened on the next day i.e 27th September/2022 at 2.pm in presence of tenders or their autharized representatives. The successful bidder will be required to take delivery of the vehicle on payment of balance bid money in cash with in 29th September/2022 failing which earnest money will stand forfeited.

The earnest money will be refunded to the unsuccessful bidders only.

The undersigned hereby reserves the right to accept or reject any or all the tenders or postpone the sale without arising any reason thereof.

Assistant Controller of Legal
Metrology,Nagaon
Assistant Controller
Legal Metrology, Nagaon

Janasanyog/C/10369/22

ASSAM ELECTRICITY GRID CORPORATION LIMITED

[illegible]

1. NIT No: [illegible] Dated: 21.09.2022
2. Name of work: Diversion of existing water supply pipeline to [illegible]
3. [illegible]
4. [illegible]

[illegible]

Sd/-, Deputy General Manager,
[illegible]

জ্যোতিষী

আপুনি কেনেকুৰা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।

আচাৰ্য ডি শৰ্মা
(M) 8099336044.

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ **ৰত্নসাগৰ** জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।

জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
ড° ত্ৰিকাল ৰাজগুৰু
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
(M) **9954021556,**
9957066469.

LOST

I have lost my All Assam Darul Ulum Ahle Sunnati Saiyadia Madrassa samity(Academy) Original Registration Certificate bearing Reg.No DAR/247/151of 1996-1997.

Babul Hoque
S/O Lt Rahtul
Seikh,kanaichuba,
Mangaldai, Darrang

AFFIDAVIT

I Manju Das w/o Sri Tilak Das ,Azara Thakuriapara,Ghy-17,P.S. Azara, Dist.Kamrup (M), Assam, do hereby declared by an affidavit before the Judicial Magistrate 1st Class Kamrup (M) at Guwahati dt.16/9/2022, that in the birth certificate of my son Nilu Das, my name has been written as Mamani Das instead of Manju Das . So Manju Das and Mamani Das is the same and one person i.e. myself.

বিজ্ঞাপনৰ বিশেষ ৰেহাই

বিজ্ঞাপন বিভাগ
দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ
ফোন ঃ ৯৮৬৪৮৯৭১৭৫
৯৮৬৪৬২০০৬৫
ই-মেইল ঃ
agradoot@gmail.com

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুৱেলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৩ আহিন মঙলবাৰ ২০ ছেপ্টেম্বৰ

সূৰ্যোদয় ঃ ঘঃ ৫।১৪।১৭, **সূৰ্যাস্ত ঃ** ঘঃ ৫।২০।২৩। **তিথি ঃ** কৃষ্ণা দশমী, দং ৩৮।২৫।২৭ ৰাঘঃ ৮।৩৬।২৮। **নক্ষত্ৰ ঃ** পুনৰ্বসু, দং ৪০।৪৬।৫২ ৰাঘঃ ৯।৩৩।২। **যোগ ঃ** বৰীয়ান, দং ১২।০।৪২ ঘঃ ১০।২।৩৪। **কৰণ ঃ** বনিজ। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ, বাহৰৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী বৃহস্পতিৰ দশা, ঘঃ ২।৫৩।৫৪ যোৱাত কৰ্কটৰাশি, বিপ্ৰবৰ্ণ, বায়ুযোগ ৰাঘঃ ৯।৩৩।২ যোৱাত মেষৰ অস্থি, বিংশোত্তৰী শনিৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া কান্তা যোগ। **মৰণত দোষ ঃ** ত্ৰিপদ, ৰাঘঃ ৯।৩৩।২ যোৱাত এপদ। **যোগিনী ঃ** উত্তৰত, ৰাঘঃ ৮।৩৬।২৮ যোৱাত অগ্নিকোনত। **যাত্ৰা ঃ** নাই, দিনদগ্ধা দোষ, ৰাঘঃ ৮।৩৬।২৮ যোৱাত পাপযোগ দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** কলমৌ, ৰাঘঃ ৮।৩৬।২৮ যোৱাত উৰহী খোৱা নিষেধ।

মেষ ঃ বিদ্যা শুভ। মানসিক শান্তি, মামলা মোৰ্কদমা জয় লাভ। শৈশৱৰ স্মৃতি ৰোমন্থন, ভ্ৰমণত শুভ। শুভ ৰং বগা, শুভ সংখ্যা ২।

বৃষ ঃ কৰ্মস্থানত ব্যস্ততা বৃদ্ধি; শিৱ মন্দিৰ দৰ্শনত শুভ হ'ব ঃ পূৰ্বে দূৰ ভ্ৰমণ নকৰিব; বন্ধু বৰ্গৰ পৰা সাৱধান, শুভ ৰং মুগা, শুভ সংখ্যা ৬।

মিথুন ঃ কৰ্ম বিদ্যাত শুভ, বন্ধুবৰ্গৰ পৰা উপকৃত হ'ব। সা-সম্পত্তি লাভ কৰিব পাৰে। পাৰিবাৰিক মাধ্যম, পাতল নীলা শুভ ৰং, শুভ সংখ্যা ৮।

কৰ্কট ঃ প্ৰভাৱশালী লোকৰ সহযোগিতা পাব; দু-সাহসি কামত আনৰ উৎসাহ পাব। কৰ্মস্থান নিজৰ স্থিতি বজাই ৰাখক, ব্যয় বৃদ্ধি, বগা শুভ ৰং, শুভ সংখ্যা ২।

সিংহ ঃ আৰ্থিক বিষয়ত চিন্তা থাকিব, স্বাস্থ্য মাধ্যম। কৰ্মসংস্থাপনত উন্নতি, নিৰামিষ আহাৰ খাওক। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৬।

কন্যা ঃ কৰ্মক্ষেত্ৰত সচেতন হওক। শিৱ মন্দিৰ দৰ্শন কৰক, নিষ্ঠা আৰু সততা বৃদ্ধি অৰ্থ লাভ; ক্ৰীম ৰং ব্যৱহাৰ কৰক, শুভ সংখ্যা ৩।

তুলা ঃ কৰ্মত বিচক্ষণতা প্ৰকাশ পাব। বেল গছত পানী দিয়ক, জুইৰ পৰা সাৱধান, শুভ ৰং মাখন, শুভ সংখ্যা ৮।

বৃশ্চিক ঃ বিদ্যাত শুভ, কৰ্মস্থানত মাধ্যম, অবাৱত ধন খৰচ হ'ব পাৰে। স্বাস্থ্য কিছু দুৰ্বল, নিচা দ্ৰব্য সেৱন নকৰিব। সোণালী শুভ কং, শুভ সংখ্যা ২।

ধনু ঃ খৰচ বৃদ্ধি। কৰ্মক্ষেত্ৰত মাধ্যম। আত্ম অহংকাৰ বৃদ্ধি। পদোন্নতিৰ যোগ। ভ্ৰমণত কষ্ট. শুভ ৰং মুগা, শুভ সংখ্যা ৭।

মকৰ ঃ কৰ্মব্যস্ততা বৃদ্ধি, ব্যৱসায়ী, ৰাজনৈতিক ক্ষেত্ৰত জড়িত লোকৰ সা-সন্মান বৃদ্ধি। আপোনাৰ সৰলতাৰ সুযোগ আনে ল'ব পাৰে, শিৱক স্মৰণ কৰক। শুভ ৰং নীলা, শুভ সংখ্যা ৩।

কুম্ভ ঃ কৰ্মত উন্নতি, স্বাস্থ্যৰ প্ৰতি যত্ন লওক, প্ৰেমত কষ্ট, হঠাৎ অৰ্থ লাভে আনন্দিত কৰিব, শুভ ৰং ৰঙা, শুভ সংখ্যা ৯।

মীন ঃ ব্যৱসায়ত শুভ। উন্নতিৰ যোগ। ভ্ৰমণ মধ্যম। কোনো ব্ৰাহ্মণক লগন দান কৰিব। শুভ ৰং বগা, শুভ সংখ্যা ১।

শব্দ-বেহ ঃ২০ছেপ্তেম্বৰ ২০২২



[illegible]

No. DRKG- 10/2022/10-12

ADVERTISEMENT

Consequent upon receipt of Govt. approval for filling up of 16 (sixteen) Nos. of vacant sanctioned posts of Mandal vide letter No. **RLR.25/2020/36** dated **21st June, 2022**, applications are hereby invited from eligible intending candidates who are citizens of India as defined in Article 5 & 8 of the Constitution of India, domiciled in the State of Assam for filling up of **16 (sixteen) Nos.** of sanctioned vacant posts of **Mandal (Gr.- III)** under the amalgamated establishment of the Deputy Commissioner, Darrang in the Pay Band of Rs. 14,000/- - Rs. 60,500/- and Grade Pay of Rs. 6,200/- per month plus other allowances as admissible as per rules.

Category-wise reservation of vacancies as per 100-point Roster:

Sl. No.	Name of the Post	Total vacancies	Category-wise distribution			
			Unreserved	OBC	EWS	SC
1	Mandal (Gr.-III)	16	05	09	01	01

Eligibility Criteria:

1. The candidates must not be less than **18 years** of age or not more than **40 years** of age as on **01.01.2022**. The upper age limit is relaxable by 3 years in case of candidates of OBC/MOBC, 5 years in case of candidates of SC, and 10 years for PwD candidates as per Govt. Memorandum No. ABP.6/2016/51 dated 02.09.2020.
2. **Educational Qualification:**
   The candidates must have passed **HSLC Examination** or equivalent examination from any Central of State recognized Boards.
3. **Other Qualification:**
   (i) The candidates must possess a valid 6 (six)-month "**Recorders Certificate Class Course (RCCC) Training**" certificate from the Assam Surveys and Settlement Training Centre, Dakhingaon, Guwahati.
   (ii) The candidates must have a minimum **6 (six)-month diploma/certificate in computer proficiency** from a recognized institute and must have good working knowledge of office productivity software tools in addition to land revenue related software used in the State.
4. The candidates must have registered his/her name in the Employment Exchange and the Registration Number along with the dates must be mentioned in their applications.
5. The candidates already in service should apply through proper channel.
6. **How to apply:**
   The applications should be submitted in the Standard Form published in the Assam Gazette in Part-IX in a sealed envelope addressed to the **Deputy Commissioner, Darrang, P.O. & P.S.- Mangaldai, PIN- 784125** and should be submitted in the **Land Records Branch**, DC's office, Darrang. Applications should be sent either through post or to be delivered by hand in the drop box kept for the purpose in the Land Records Branch, office of the Deputy Commissioner, Darrang on the working days. Post applied for shall be superscribed on the sealed envelope.
   The application must be accompanied by the following:
   a. Self-attested copies of all certificates/mark sheets in support of educational and other qualifications, age and caste along with other testimonials.
   b. Self-attested copy of 6-months RCCC Training Pass Certificate.
   c. Three copies of recent passport size photographs duly signed by the candidates across the photographs (one of which should be pasted on the application form).
   d. EWS Certificate (in case of reserved category).
   e. Valid Employment Exchange Registration Certificate.
   f. Declaration in Form "A" under Rule 5(1) of the Assam Public Service (Application of Small Family Norms in Direct Recruitment) Rules, 2019.
   g. Disability Certificate in case of PwD category candidates issued by competent authority.
   h. The applicants are required to enclose a self addressed envelope affixing postal stamp of Rs. 5/- along with the applications.
   i. The candidates shall furnish their mobile number, whatsapp number and email ID (if any) on the application form for smooth communication of information relating to the conduct of examination.
7. Applications will be received in the office of the Deputy Commissioner, Darrang from **17.09.2022** upto midnight of **30.10.2022**. Incomplete application and application received after last date will not be accepted. Any postal delay after the last date of receipt of application will not be accepted.
8. Reservation of 15% for women will be kept as per provision out of the total post.
9. The candidates whose applications are accepted as per eligible criteria will be required to appear in a Written Examination. The written examination will be of **100 marks** and duration will be **3 hours**.
10. The date of written examination will be notified later on and will be published in the Notice Board of Deputy Commissioner's office, Darrang and also in official website: http://darrang.gov.in. The candidates will be able to download their Admit Card for the written examination from the said website. The written examination comprises the following subjects:

Sl. No.	Paper	Subject	Total Marks
1	1	i) General English ii) Assamese iii) General Knowledge & Quantitative Aptitude iv) Knowledge on Survey and Settlement	100

11. The shortlisted candidates through written examination will have to appear in a **Hands-on Computer Proficiency Test (Practical)**. The list of the shortlisted candidates and the date of the test will be published in the Notice Board of Deputy Commissioner's office, Darrang and also in official website: http://darrang.gov.in
12. The selection will be strictly on Merit Basis.
13. If any information declared by the candidates is found to be false at any stage, the candidature will be cancelled.
14. CANVASSING DIRECTLY OR INDIRECTLY SHALL DISQUALIFY A CANDIDATE.
15. No TA/DA shall be admissible for appearing in written test/computer test.
16. The Selection Committee already constituted to select the candidates for the aforesaid posts has the right to accept/reject the candidature after proper scrutiny of documents/testimonials, etc., with regard to the modalities of selection. The decision of the Selection Committee shall be final and binding.
17. The selected candidates will have to submit an undertaking to the Appointing Authority that he/she will abide by the New Pension Scheme of the Government issued vide Finance Department letter No. BW.3/03/Part-I/1 dated 25.01.2005.

Sd/-
Deputy Commissioner, Darrang
Cum
Chairman, Selection Committee

Janasanyog/D/12500/22

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

নিজৰ হৃদয়লৈ চোৱা আৰু তাত যদি একো ভুল নেদেখা, তেন্তে চিন্তা কৰিবলৈ কিটো আছে। ভয় কৰিবলগীয়াই বা কি!

কনফুছিয়াচ
চীনা দাৰ্শনিক

www.dainikagradoot.in

৭ পৰমাণু আক্ৰমণ হ'লে প্ৰত্যুত্তৰ দিব আমেৰিকাই
১৫ আজি ভাৰত-অষ্ট্ৰেলিয়াৰ প্ৰথম টি-২০
৪ জনজাতিকৰণৰ সমস্যাই অসম জ্বলাব পাৰে

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৪০ তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৩ আহিন ১৪২৯ ভাস্কৰাব্দ ২০ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 20 September 2022 মূল্য ঃ ৯.০০ টকা

মুক্তি

■ সঞ্জীৱ সভাপণ্ডিত



অসমীয়া সাহিত্যত 'মুক্তি' নামৰ দুটা বৰ সুন্দৰ চুটি গল্প আছে। এটা হ'ল ৰসৰাজ বেজবৰুৱাৰ আৰু আনটো হ'ল— লেখকৰ নাম পাহৰিলো। গল্প দুটা পঢ়া পাঠক মাত্ৰেই 'মনত খুন্দা মৰা' একোটা অভিজ্ঞতা হয়।

বেজবৰুৱাৰ গল্পটো আজিও অতিকে প্ৰাসংগিক। ককায়েক হাকিম। চহৰত থাকে। ভায়েকক গাঁৱৰ ঘৰৰ পৰা আনি লগত ৰাখিছেহি। স্কুলত নাম লগাই দিছে। পৰীক্ষা আহি আছে। হাকিমৰ ১০ পৃষ্ঠাত চাওক

■ ছয় জনগোষ্ঠীৰ বিকাশৰ বাবে উন্নয়ন পৰিষদ গঠন কৰি দায়িত্ব পালন কৰা হৈছে ঃ মন্ত্ৰী

■ জনজাতিকৰণক লৈ ফুটবল খেলাৰ দৰে হৈছে ঃ বিধানসভাত সৰ্বৰ বিৰোধী দলপতি

জনজাতিকৰণৰ কৰ্তৃত্ব কেন্দ্ৰীয় চৰকাৰৰহে

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ 'উন্নয়ন পৰিষদ অথবা স্বায়ত্তশাসিত পৰিষদ গঠন কৰি অসমৰ ছয় জনগোষ্ঠীৰ উন্নয়নৰ বাবে দায়িত্ব পালন কৰিছে অসম চৰকাৰে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো অসম চৰকাৰৰ নহয়, কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰহে অধীনস্থ বিষয়। অসম চৰকাৰৰ কৰণীয়খিনি সকলো কৰা হৈছে।' মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী, তাই আহোম আৰু চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত আজি এনেদৰে কেন্দ্ৰীয় চৰকাৰলৈ দায়িত্ব ঠেলিলে অসম চৰকাৰে। বিধানসভাত আজি ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জনজাতিকৰণৰ দাবীৰ সন্দৰ্ভত কয় যে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ২০০৬ৰ ২৯ ফেব্ৰুৱাৰীত গঠন কৰি দিয়া এখন উচ্চস্তৰীয় কমিটীয়ে পৰামৰ্শ দিছিল যে ৰাজ্যখনত পূৰ্বৰে পৰা থকা জনজাতীয় লোকসকলৰ সংৰক্ষণৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নহয় সেয়া নিশ্চিত কৰাৰ অৰ্থে অসম চৰকাৰৰ স'তে বিশদভাৱে আলোচনা কৰিব লাগে। সেই মৰ্মে ২০১৮ৰ ২৮ ডিচেম্বৰত এই কমিটীখনে কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদনো দাখিল কৰিছিল। প্ৰতিবেদনত কমিটীখনে পুনৰ এখন উচ্চস্তৰীয় কমিটী গঠন কৰি নতুনকৈ জনজাতি হ'বলগীয়া জনগোষ্ঠীকেইটাৰ ক্ষেত্ৰত ১০ পৃষ্ঠাত চাওক

■ অৰ্হতা নাই ছয় জনগোষ্ঠীৰ ■ অনুসূচীকৰণৰ প্ৰস্তাৱ আঠবাৰকৈ নাকচ কৰিছিল মহাপঞ্জীয়ক-জনজাতি আয়োগে ঃ সৰ্বৰ সমিতি

ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা জনজাতি সমন্বয়ৰক্ষীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ নিজ নিজ জনসংখ্যা ৫০ লাখৰো অধিক বুলি দাবীৰে দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ দাবীত সংগ্ৰাম কৰি অহা ৰাজ্যৰ ছটাকৈ জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰিলে বৰ্তমানে স্বীকৃত আদিমবাসী জনজাতিসকল ৰাজনৈতিক, শৈক্ষিক, সামাজিক আদি সকলো দিশতে নিশ্চিহ্ন হৈ পৰিব বুলি মন্তব্য কৰিছে জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে। উল্লেখ্য যে জনজাতিকৰণৰ দাবী কৰি অহা ৰাজ্যৰ ছটাকৈ জনগোষ্ঠী ক্ৰমে কোচ ৰাজবংশী, চুতীয়া, আহোম, চাহ জনগোষ্ঠী, ১০ পৃষ্ঠাত চাওক

কেৱল হ্ৰস্বকালীন ৰাজনৈতিক মুনাফা লাভৰ প্ৰচেষ্টা চৰকাৰৰ

■ কাইলৈ আলোচনাৰ বাবে চৰকাৰৰ আমন্ত্ৰণ অগ্ৰাহ্য কৰিলে ■ কেৱল ত্ৰিপাক্ষিক বৈঠকতহে কৰিব যোগদান ■ অব্যাহত থাকিব ঘোষিত প্ৰতিবাদী কাৰ্যসূচী ■ ঘোষণা ছয় জনগোষ্ঠীয় ঐক্যমঞ্চৰ

আৰু ললিপপ নালাগে ছয় জনগোষ্ঠীক

WE WANT JUSTICE
WE WANT GAC

স্বায়ত্তশাসনৰ দাবীত গোৰ্খা ছাত্ৰ সন্থাৰ অৱস্থান ধৰ্মঘট, মহানগৰীৰ চচলত সোমবাৰে।

■ এইখন ফুটবল খেল নহয়; সমাধান সূত্ৰ উলিয়াব নোৱৰা আলোচনাত বহিবলৈ অস্বীকাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় কেবিনেটে শেহতীয়াকৈ পাঁচখন ৰাজ্যৰ ১৫টাকৈ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ পাছত দীৰ্ঘদিন জনজাতিকৰণৰ দাবী কৰি অহা অসমৰ ছটাকৈ জনগোষ্ঠী উপেক্ষিত হৈ ক্ষোভত জ্বলি উঠিছে। এই ছয় জনগোষ্ঠীয় সংগঠনসমূহে ধাৰাবাহিক আন্দোলন ঘোষণা কৰাৰ পাছতে অহা ২১ ছেপ্টেম্বৰত আলোচনালৈ আমন্ত্ৰণ জনাইছে ৰাজ্য চৰকাৰে। আন্দোলন আৰু আলোচনাৰ মাজেৰে প্ৰায় দুটা দশক অতিক্ৰম কৰা এই দাবীক বিজেপি চৰকাৰে মান্যতা প্ৰদান কৰিব বুলি গভীৰ বিশ্বাসত লৈ সংশ্লিষ্ট জনগোষ্ঠীকেইটাৰ সংগঠনসমূহে আন্দোলন বহু পৰিমাণে স্তিমিত কৰি ৰাখিছিল যদিও শেহতীয়াকৈ কেন্দ্ৰীয় কেবিনেট আৰু অসম বিধানসভাৰ শৰৎকালীন অধিবেশনত এই সন্দৰ্ভত চৰকাৰে গ্ৰহণ কৰা অৱহেলা উন্মোচিত হোৱাৰ পাছতে পুনৰ জাঙুৰ খাই উঠিছে ছয় জনগোষ্ঠীয় ঐক্যমঞ্চ। অহা ২২ ছেপ্টেম্বৰৰ পৰা ঐক্যমঞ্চই ধাৰাবাহিক আন্দোলন ঘোষণা কৰাৰ পাছতে বিষয়টোৰ সন্দৰ্ভত আলোচনা কৰিবলৈ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অহা ২১ ছেপ্টেম্বৰত ১০ পৃষ্ঠাত চাওক

■ এসময়ত অসমীয়া ভাষা ৰক্ষাৰ দায়িত্ব মূৰপাতি ল'ব লাগিব মিঞা ভাইসকলে ঃ ৰফিকুল

শিক্ষাৰ মাধ্যমক লৈ পুনৰ উত্তপ্ত সদন

ৰাষ্ট্ৰীয় শিক্ষানীতি সন্দৰ্ভত শিক্ষামন্ত্ৰীয়ে সদনত ভুৱা তথ্য দাঙি ধৰাৰ অভিযোগ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ ৰাজ্যৰ বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় ইংৰাজী মাধ্যমত পাঠদান কৰোৱাৰ চৰকাৰৰ সিদ্ধান্তক লৈ আজি পুনৰ উত্তপ্ত হৈ পৰে অসম বিধানসভাৰ অন্তিমটো দিন। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু উপ-দলপতি ৰকিবুল হুছেইনে অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৫০ নম্বৰ নিয়মৰ অধীনত 'অসম চৰকাৰে গ্ৰহণ কৰা মাতৃভাষা সংক্ৰান্তীয় (মাধ্যম) সিদ্ধান্তই অসমৰ জাতীয় জীৱনত বিৰূপ প্ৰভাৱ পেলাইছে' শীৰ্ষক বিষয়ত আৰম্ভ কৰা আলোচনাত চৰকাৰ নিজৰ স্থিতিত অটল হৈ থকা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উত্তৰত বিৰোধী সন্তুষ্ট নোহোৱাত উত্তাল হৈ পৰে সদন। বিশেষকৈ ৰাষ্ট্ৰীয় ১৩ পৃষ্ঠাত চাওক

লিডুৰ অবৈধ ভূ-গৰ্ভস্থ কয়লাখনিত নিহত তিনি শ্ৰমিক

বিষাক্ত গেছ নিৰ্গত হৈ বিস্ফোৰণত আঘাতপ্ৰাপ্ত

অগ্ৰদূত বাৰ্তা

মাৰ্ঘেৰিটা, ১৯ ছেপ্টেম্বৰ ঃ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ কয়লাৰ অবৈধ ভূ-গৰ্ভ কয়লাখনিত পুনৰ অঘটন সংঘটিত হৈছে। চোৰাংভাৱে কয়লা সৰবৰাহ কৰিবলৈ গৈ মৃত্যুমুখত পৰিল পুনৰ তিনিজন শ্ৰমিকে। লিডুৰ অবৈধ কয়লাখনিত বিষাক্ত গেছ নিৰ্গত হৈ বিস্ফোৰণ হোৱাৰ ফলতে শ্ৰমিক কেইজনে মৃত্যুক আঁকোৱালি লোৱা বুলি সূত্ৰই জনাইছে। এই ঘটনাত আঘাতপ্ৰাপ্ত হয় ১০ পৃষ্ঠাত চাওক

চুবুৰীয়া চাৰি ৰাজ্যৰ দখলত অসমৰ ৮২,৭৫১ হেক্টৰ মাটি

লখিমপুৰত অৰুণাচলীয়ে বনাঞ্চলত ছখন গাঁও পাতি বসবাস কৰিছে

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ সীমা বিবাদ নিষ্পত্তিৰ বাবে চুবুৰীয়া ৰাজ্যসমূহৰ স'তে আলাপ-আলোচনাৰ সময়তে চাৰিখনকৈ চুবুৰীয়া ৰাজ্যই অসমৰ ৮২,৭৫১ হেক্টৰ মাটি বেদখল কৰি ৰখাৰ তথ্য উন্মোচিত হৈছে। শাসকীয় দলৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী নৱ কুমাৰ দলেই অসমৰ কোন কোন সীমান্ত অঞ্চলত ১০ পৃষ্ঠাত চাওক

■ লখিমপুৰ মেডিকেল কলেজত নিজৰ চালক-ৰান্ধনিক চাকৰি দিয়া বিধায়কে ভূমিদাতাক বঞ্চনা কৰিব কিয়? ■ ৰাজ্যপাললৈ স্মাৰকপত্ৰ

মানৱ ডেকাৰ নিযুক্তি কেলেংকাৰিক লৈ বিজেপি নেতা-কৰ্মীৰে অসন্তুষ্টি

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ১৯ ছেপ্টেম্বৰ ঃ মেধাৰ ভিত্তিতহে নিযুক্তিৰ দাবীৰ বিপৰীতে শাসকীয় দলৰ বিধায়কৰ গাড়ী চালক, ৰান্ধনি আদিয়ে নিযুক্তি লাভ কৰাৰ বিপৰীতে পূৰ্ব প্ৰতিশ্ৰুতি উলংঘা কৰি ভূমিদাতাৰ পৰিয়ালৰ এজনকো সংস্থাপিত নকৰাক লৈ উত্তাল হৈ পৰিছে লখিমপুৰ। লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত স্থানীয় বিধায়ক মানৱ ডেকাৰ নেতৃত্বত সংঘটিত নিযুক্তি কেলেংকাৰিয়ে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ সময়তে এইবাৰ লখিমপুৰত বিজেপি নেতা-কৰ্মীৰ মাজতে আৰম্ভ হৈছে তীব্ৰ অন্তৰ্কন্দল। স্বচ্ছ আৰু নিকা নিযুক্তিৰ যুক্তি দৰ্শাই চিকিৎসা মহাবিদ্যালয়খনৰ ভূমিদাতা পৰিয়ালসমূহক বঞ্চনা কৰাৰ বিপৰীতে লখিমপুৰৰ বিধায়ক মানৱ ডেকাই নিজৰ অঙৰী-বঙৰীক কেনেকৈ মেডিকেল কলেজত নিযুক্তি দিব পাৰিলে বুলি মুকলি প্ৰশ্ন উত্থাপন কৰিছে স্বয়ং বিজেপি কৰ্মীসকলে। উল্লেখ্য যে মেডিকেল কলেজ স্থাপনৰ সময়ত ১৪৪ বিঘা ১০ পৃষ্ঠাত চাওক

৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-বাংলাদেশ সীমান্ত আজিও মুক্ত ■ বিধানসভাত মন্ত্ৰী

৩৭ বছৰত চিনাক্ত হ'ল ১,৪৮,০২২ জন বিদেশী, বহিষ্কাৰ হ'ল ৩০,০৬৭

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ বিদেশী বহিষ্কাৰৰ দাবীৰে হোৱা অসম আন্দোলনৰ ফলশ্ৰুতিত স্বাক্ষৰিত ঐতিহাসিক অসম চুক্তিৰ আধাৰত বিগত ৩৭ বছৰত অসমৰ পৰা বহিষ্কৃত হৈছে মাথোঁ ৩০,০৬৭ জন বিদেশী নাগৰিক। বিদেশী চিনাক্ত কৰি বহিষ্কাৰৰ বাবে ৰাজ্য চৰকাৰৰ হাতত থকা আইনী প্ৰক্ৰিয়াৰ জৰিয়তে সুদীৰ্ঘ ৩৭ বছৰত মাথোঁ ৩০ হেজাৰ বিদেশীক বহিষ্কাৰ কৰাৰ বিপৰীতে চিনাক্ত কৰা হৈছে ১,৪৮,০২২ জন বিদেশীক। শাসকীয় মিত্ৰজোঁটৰ ১৩ পৃষ্ঠাত চাওক

কন্যাকাৰ লাভৰ অংশ ক'ত খৰচ কৰে? প্ৰশ্ন বিধায়কৰ

১১৭৬ বিঘা চৰকাৰী মাটি-বিভিন্ন পুঁজিৰ ধন

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ চতিয়াৰ বিজেপিৰ বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত জামুগুৰিহাটত স্থাপিত কন্যকা বহুমুখী পামলৈ বৃহৎ পৰিমাণৰ ভূমি আবণ্টন, চৰকাৰী পুঁজি মঞ্জুৰ আদিৰ প্ৰসংগক লৈ আজি বিধানসভাত সৰৱ হ'ল ১৩ পৃষ্ঠাত চাওক

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩৫°	২৬°
ডিব্ৰুগড়	৩৪°	২৬°
দিল্লী	৩৪°	২৬°
কলকাতা	২৯°	২৬°
মুম্বাই	২৭°	২৬°
চেন্নাই	৩৪°	২৮°
বাংগালুৰু	২৮°	১৮°
শ্বিলং	২৬°	১৯°

১৯ ছেপ্টেম্বৰ, ২০২২

বিদ্যুতৰ মাচুল বৃদ্ধিৰ বিষয়ে আজিও অজ্ঞ স্বয়ং শক্তিমন্ত্ৰী

কমপ্লেইন আহিছে ঃ নন্দিতা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ বিদ্যুতৰ অস্বাভাৱিক মাচুল বৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি ব্যাপক প্ৰতিবাদ অব্যাহত থকাৰ সময়তো মাচুল বৃদ্ধিৰ বিষয়টো আয়ত্ত কৰিব পৰা নাই ৰাজ্যৰ স্বয়ং শক্তি মন্ত্ৰীয়ে। যি সময়ত ১৩ পৃষ্ঠাত চাওক

■ ঐতিহ্যমণ্ডিত নামঘৰৰ মূলদ্বাৰত তলা লগাই নৱগঠিত পৰিচালনা সমিতিক প্ৰৱেশত বাধা কৰ্ণধাৰ সমিতিৰ ■ ক্ষুব্ধ ৰাইজৰ প্ৰতিবাদ

আঠখেলীয়া নামঘৰৰ পৰিচালনাক লৈ দুই পক্ষৰ সংঘাতত উত্তেজনা

বিশেষ সংবাদদাতা

গোলাঘাট/নগাবাট, ১৯ ছেপ্টেম্বৰ ঃ ঐতিহ্যমণ্ডিত আঠখেলীয়া নামঘৰৰ পৰিচালনাক কেন্দ্ৰ কৰি কৰ্ণধাৰ সমিতি আৰু নৱগঠিত পৰিচালনা সমিতিৰ মাজত আজি পুনৰ সৃষ্টি হয় সংঘাতৰ। দুই পক্ষৰ সংঘাত এনে পৰ্যায় পাইছেগৈ যে আজি পুৱাৰে পৰা কৰ্ণধাৰ সমিতিৰ বিষয়ববীয়াই আঠখেলীয়া নামঘৰৰ মূল দ্বাৰ বন্ধ কৰি গোটেই দিনটো তলা ওলমাই ৰাখে। ফলত উত্তৰ পূৰ্বাঞ্চলৰ ঐতিহ্যমণ্ডিত পীঠস্থান ১০ পৃষ্ঠাত চাওক

অবৈধভাৱে সৰবৰাহ কৰা ট্ৰাকত ৪৭টা মৃত গৰু জব্দ বোকাখাতত

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ১৯ ছেপ্টেম্বৰ ঃ বোকাখাতত আজি এক হৃদয় বিদাৰক ঘটনাই বহুজনৰ হৃদয় ব্যথিত কৰি তোলে। বোকাখাত আৰক্ষীৰ অভিযানত এখন ট্ৰাকৰ পৰা ৪৭টাকৈ মৃত গৰু উদ্ধাৰ হোৱা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। এই ১০ পৃষ্ঠাত চাওক

■ বগীবিল-গুইজানত ফ্ল'টিং জেটীৰ আধাৰশিলা স্থাপন, ডিব্ৰুগড়ত নৈ কাষৰীয়া পৰ্যটন জেটীৰ উদ্বোধন কেন্দ্ৰীয় জাহাজ পৰিবহণ মন্ত্ৰীৰ

জল পৰিবহণত ব্ৰহ্মপুত্ৰই মুকলি কৰিব অপাৰ সম্ভাৱনাৰ দুৱাৰ ঃ সোণোৱাল

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৯ ছেপ্টেম্বৰ ঃ 'ব্ৰহ্মপুত্ৰ নৈৰ বিশাল জলপথছোৱা ব্যৱহাৰ কৰি অসমত আভ্যন্তৰীণ জল পৰিবহণৰ অপাৰ সম্ভাৱনাৰ দ্বাৰ মুকলি কৰাৰ বাবে আমাৰ মন্ত্ৰণালয়ে কাম কৰি আছে। এই সুযোগ গ্ৰহণ কৰি আমি এক অৰ্থনৈতিক আলোড়ন গঢ়ি তুলিব লাগিব, যিয়ে আঠ পৃষ্ঠাত চাওক

জলসম্পদ মন্ত্ৰী হাজৰিকাৰ ঘোষণা ■ ১৩টাকৈ খহনীয়া প্ৰতিৰোধী প্ৰকল্পত এডিবিৰ অনুমোদন ■ মথাউৰিতো ৫০খন শ্লুইছগেট

লুইতৰ বালিত চিমেণ্ট মিহলাই কংক্ৰিটৰে খহনীয়া ৰোধৰ পৰিকল্পনা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ অসম মানে কেৱল গুৱাহাটী-ডিব্ৰুগড় নহয়, অসম মানে ধুবুৰী, গোৱালপাৰাও; সেয়ে ৰাজ্যৰ সকলো প্ৰান্তকে সমানে গুৰুত্ব দিছে অসম চৰকাৰে। ৰাজ্যত প্ৰলয়ংকৰী বানে চলোৱা তাণ্ডৱ আৰু মথাউৰিসমূহৰ ম্যাদ উকলি যোৱাৰ প্ৰসংগত আজি এনেদৰে বিধানসভাত মন্তব্য কৰে জলসম্পদ মন্ত্ৰী পীযুষ

হাজৰিকাই। তেওঁ কয় যে ৰাজ্যৰ প্ৰতিখন জিলাতে কিমান সংখ্যক মথাউৰি আছে এই সকলোবোৰৰ এখন তালিকা প্ৰস্তুত কৰি প'ৰ্টেলত আপডেট কৰিবলৈ কোৱা হৈছে। বাৰিষাৰ পাছতে সংশ্লিষ্ট বিভাগীয় অভিযন্তাসকলে এতিয়াৰে পৰা চৰকাৰক আগতীয়াকৈ প্ৰতিবেদন দাখিল কৰিব লাগিব যে তেওঁৰ অধীনস্থ আঠ পৃষ্ঠাত চাওক

■ আৰক্ষীৰ বিচাৰক আৰক্ষী নিজেই হ'লে পুলিচৰাজ প্ৰতিষ্ঠা হ'ব বুলি শংকা প্ৰকাশ ■ অতি কম সময়ৰ ভিতৰতে উত্থাপন কৰা হৈছে বিধেয়ক ■ বৃহৎ সালসলনি হোৱা নাই ঃ মন্ত্ৰী

সদন ত্যাগৰ মাজেদি গৃহীত আৰক্ষী বিধেয়ক

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ বিৰোধীৰ সদন ত্যাগ আৰু তীব্ৰ অসন্তুষ্টিৰ মাজেৰে অসম বিধানসভাত আজি গৃহীত হ'ল অসম আৰক্ষী (সংশোধনী বিধেয়ক)। এই বিধেয়কত কোৱা হৈছে যে সংশ্লিষ্ট আৰক্ষী ৰেঞ্জৰ উপ-আৰক্ষী মহাপৰিদৰ্শক অথবা আৰক্ষী মহাপৰিদৰ্শকক অধ্যক্ষৰূপে লৈ গঠন কৰা হ'ব জিলা দায়বদ্ধতা প্ৰাধিকৰণ। আৰক্ষী আয়ুক্ত জিলাত আয়ুক্তগৰাকীয়ে হ'ব অধ্যক্ষ। সংশ্লিষ্ট আৰক্ষী ৰেঞ্জ/আয়ুক্তালয়ৰ অধীনস্থ আৰক্ষী জিলাক প্ৰতিনিধিত্ব কৰা সাংসদসকল ইয়াৰ সদস্য হ'ব। তদুপৰি চাৰিজন বিধায়কক ৰাজ্য চৰকাৰে সদস্যৰূপে মনোনীত কৰিব। আনহাতে, সংশ্লিষ্ট ৰেঞ্জৰ জিলা আৰক্ষী অধীক্ষক, আৰক্ষী উপায়ুক্ত, অতিৰিক্ত জিলা দণ্ডাধীশ অথবা অতিৰিক্ত উপায়ুক্ত পদেন সদস্য হ'ব। একেদৰে ৰেঞ্জৰ অধীনৰ চাৰিজন জিলা পৰিষদৰ সদস্য আৰু মহানগৰ জিলাৰ ক্ষেত্ৰত মেয়ৰ তথা নিকায়-নিগমৰ এজন অধ্যক্ষ ইয়াৰ সদস্য হ'ব। তদুপৰি এজন আগশাৰীৰ সমাজকৰ্মী কমিটীত থাকিব। এইদৰে মূল আইনখনৰ ধাৰা ৮৪ত বিভিন্ন সংশোধনী প্ৰযোজ্য কৰি আজি উত্থাপন কৰা বিধেয়কখনে উচ্চতম আঠ পৃষ্ঠাত চাওক

চেঙা তেল



সিহঁতক কোনোবা হলিউড-বলিউডৰ ষ্টাৰ বুলি ভাবিছিলো, আমাৰেই ল'ৰাহঁত দেখোন!

দৈনিক
অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ৩ আহিন ১৪২৯ ভাস্কৰাব্দ ২০ ছেপ্টেম্বৰ ২০২২

চমক হৈয়ে ৰ'ব

গুৱাহাটীকে ধৰি ৰাজ্যৰ প্ৰায় প্ৰতিখন চহৰ-নগৰৰে অন্যতম এটি গুৰুতৰ সমস্যা হৈছে বৰ্ধিত আৱৰ্জনা আৰু প্ৰদূষণ। প্লাষ্টিকৰ অত্যধিক ব্যৱহাৰৰ লগে লগে আৱৰ্জনাৰ সমস্যাটোৱে অতি গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই ক্ষেত্ৰত গুৱাহাটীৰ কথাকে ক'ব পাৰি। গুৱাহাটীত আৱৰ্জনাৰ এই সমস্যাটো কিমান ভয়াৱহ, সেয়া প্ৰতিজন মহানগৰবাসীয়ে অনুভৱ কৰি আহিছে। পৌৰ প্ৰশাসনে কিন্তু আজিলৈকে গুৱাহাটীক আৱৰ্জনামুক্ত নিকা চহৰত পৰিণত কৰিবলৈ সফল নহ'ল। এইটো নহয় যে গুৱাহাটী পৌৰ নিগমে গুৱাহাটীক আৱৰ্জনামুক্ত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা নাই। সময়ে সময়ে নিগমে নানা নিয়ম-নীতি তথা ব্যৱস্থা প্ৰৱৰ্তনৰে আৱৰ্জনাৰ কৱলৰ পৰা মহানগৰখনক মুক্ত কৰাবলৈ উদ্যোগ গ্ৰহণ কৰিছে ঠিকেই, কিন্তু আজিও প্ৰকৃতাৰ্থত গুৱাহাটী এখন নিকা-পৰিচ্ছন্ন চহৰ হিচাপে স্বীকৃত হ'ব নোৱাৰিলে। বৰঞ্চ নলা-নৰ্দমা পৰিষ্কাৰৰ নামত কোটিটকীয়া কেলেংকাৰিহে সংঘটিত হ'ল।

দৰাচলতে এখন চহৰ-নগৰ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবলৈ হ'লে প্ৰথমে পৌৰ প্ৰশাসন সক্ৰিয়-কঠোৰ হ'ব লাগিব আৰু একে সময়তে বাসিন্দাসকলো পৰিচ্ছন্নতাৰ সন্দৰ্ভত সজাগ তথা আগ্ৰহী হ'ব লাগিব। আমাৰ ৰাজ্যত এই দুয়োটাৰে অভাৱ প্ৰত্যক্ষ হৈ আহিছে। যিদৰে পৌৰ প্ৰশাসনে এই ক্ষেত্ৰত গা এৰা মনোভাৱ প্ৰদৰ্শন কৰি আহিছে, একেদৰে চহৰ-নগৰৰ বাসিন্দাসকলেও আৱৰ্জনা আৰু অপৰিচ্ছন্নতাক আওকান কৰি আহিছে। গুৱাহাটীক নিকা-পৰিচ্ছন্ন কৰিবলৈ পৌৰ নিগমে ৰাজহুৱা স্থান, ৰাজপথৰ দাঁতিত আৱৰ্জনা পেলোৱা নিষিদ্ধ কৰি ঘৰে ঘৰে আৱৰ্জনা সংগ্ৰহৰ ব্যৱস্থা কৰিছিল; কিন্তু এতিয়া এই ব্যৱস্থাৰ কি হ'ল? মহানগৰীৰ প্ৰায়বোৰ অঞ্চলতে এতিয়া ঘৰৰ পৰা আৱৰ্জনা সংগ্ৰহৰ এই আঁচনি ভেঁকোভাওনাত পৰিণত হ'ল। কোনো অঞ্চলত আৱৰ্জনা সংগ্ৰহ কৰা হ'লেও সেয়া নিয়মীয়া নহয়। ফলত পথৰ কাষৰ পৰা ডাষ্টবিন আঁতৰাই নিলেও তেনেবোৰ স্থানতে আৱৰ্জনা পেলাবলৈ গুৱাহাটীবাসী বাধ্য হৈছে। বহু অঞ্চলত এইটোও প্ৰত্যক্ষ হৈ আহিছে যে ঘৰৰ পৰা আৱৰ্জনা সংগ্ৰহ কৰা নিগমৰ বাহনে পূৰ্বৰ ডাষ্টবিন ৰখা স্থানতে পথৰ ওপৰতে আৱৰ্জনাবোৰ দ'মাই থয়। এইদৰেই গুৱাহাটীখন আৱৰ্জনাৰে কদৰ্য হৈ আছে। অৱশ্যে গুৱাহাটীক এইদৰে আৱৰ্জনাৰে ভৰাই তোলাত একাংশ মহানগৰবাসীও জগৰীয়া। অসচেতন নাগৰিকে য'তে-ত'তে প্লাষ্টিকৰ পেকেট, বটল, অন্য আৱৰ্জনা, থুই-পিক্ পেলাই গুৱাহাটীক কদৰ্যময় কৰি তুলিছে। একোখন চহৰৰ বাসিন্দাসকল যদি স্বচ্ছতা তথা পৰিচ্ছন্নতা ৰখাৰ প্ৰতি সচেতন আৰু আগ্ৰহী নহয়, তেন্তে সেই চহৰক নিকা-সুন্দৰ কৰি তোলা পৌৰ প্ৰশাসনৰ বাবে কম প্ৰত্যাহ্বানমূলক নহ'ব। গুৱাহাটীৰ ক্ষেত্ৰতো আজি এই সমস্যাটোৱে হৈছে।

চৰকাৰ তথা প্ৰশাসনে সময়ে সময়ে এনেবোৰ সমস্যাৰ সমাধানত গুৰুত্ব দি সক্ৰিয়তা প্ৰদৰ্শন কৰে, কিন্তু অসুবিধাটো হ'ল প্ৰশাসনে ধাৰাবাহিকতা ৰক্ষা নকৰে। দুদিনমান ব্যৱস্থা গ্ৰহণ কৰিয়ে পুনৰ মূৰ পোলোকা দিয়াৰ ফলত গুৱাহাটীখন জাকত-জিলিকা কৰাটো বাস্তৱত সম্ভৱ হৈ উঠে। মাত্ৰ এবছৰমান পূৰ্বে গুৱাহাটীত অত্যাধুনিক ৰূপত কে'বাখনো 'ফুট ব্ৰীজ'ৰ নিৰ্মাণ কৰা হৈছিল; কিন্তু এতিয়া প্ৰয়োজনীয় চোৰাচিতাৰ অভাৱত 'ফুটব্ৰীজ' অৱস্থা প্ৰায় অচল হৈছে। পৰিষ্কাৰ নকৰাৰ ফলত ধূলিৰে কদৰ্য হৈছে যদিও প্ৰশাসনে কোনো ব্যৱস্থা লোৱা নাই। সাধাৰণ 'ফুট ব্ৰীজ'কেইখনকে সচল-পৰিষ্কাৰ কৰি ৰাখিব নোৱাৰিলে সমগ্ৰ গুৱাহাটীক স্বচ্ছ চহৰত প্ৰশাসনে পৰিণত কৰিব কেনেকৈ? সময়ে সময়ে কোনো ৰাষ্ট্ৰনেতাৰ ভ্ৰমণ উপলক্ষে গুৱাহাটীৰ বাট-পথ ৰং কৰি নানাৰঙী আলোকৰে সজ্জিত কৰি তোলা হয়, কিন্তু প্ৰশ্ন হ'ল কেৱল দেশৰ শীৰ্ষ পদবীধাৰীৰ আগমনতহে চহৰখন চাফা কৰা হয় কিয়? পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ এনে পদক্ষেপৰ ধাৰাবাহিকতা কিয় আমাৰ পৌৰ প্ৰশাসনে ৰক্ষা কৰিব নোৱাৰে? ৰাজ্যৰ চহৰক আৱৰ্জনামুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পৰিৱৰ্তে প্ৰশাসনে এই দিশত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলেহে আমাৰ চহৰ-নগৰসমূহ স্বচ্ছ-নিকা হৈ উঠিব। অন্যথা স্বচ্ছতা এক চমক হৈয়ে ৰ'ব।

খোলা মঞ্চ

এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...

স্বাধীনতা পোৱাৰ পাছত দেশৰ সংবিধান অনুসৰি প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে একোখন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আজি ৭৫ বছৰে চলি অহাৰ লগে লগে নতুন নতুন বহু নেতাৰ আবিৰ্ভাৱ হ'ল। এটা সময়ত নেতাসকলৰ মাজত দেশ সেৱা, ত্যাগ আৰু সততাৰ মনোভাৱ দেখিবলৈ পোৱা গৈছিল। লাহে লাহে বেছি ভাগ নেতাৰ স্বদেশ প্ৰেমৰ বিপৰীতে গাদী দখলৰ জড়িয়তে ক্ষমতাৰ অপপ্ৰয়োগ আৰু ধন ঘটি নিজৰ উন্নয়নৰ স্বাৰ্থত ব্যস্ত হৈ পৰাহে দেখা গ'ল।

শৰৎ সিংহ মন্ত্ৰীসভাৰ কথা বহুতে সততে উপলব্ধি কৰি বিভিন্ন লেখনি প্ৰকাশ কৰা পঢ়িবলৈ পোৱা যায়। ৰাজনীতিৰ পথাৰখনক কলংকিত কৰা ভাৰতবৰ্ষৰ বহু নেতাৰ কেলেংকাৰিবোৰৰ তালিকা বহু দীঘলীয়া হৈ গৈ আছে। তাৰ মাজতে সততাৰে নিস্বাৰ্থভাৱে দেশ সেৱা কৰি সহজ সৰল জীৱন নিৰ্বাহ কৰা কিছু নেতা নোহোৱা নহয়।

দল গঠনৰ পয়োভৰ দেখিলে ভাৱ হয় ক্ষমতা আৰু টকাৰ লোভে বহু নেতাৰ জীৱনত মন্ত্ৰী হোৱাৰ উচ্চাকাংক্ষা পূৰণৰ হেপাহকে সূচায়। বহু নেতাই এটা দলত শেষ আশা পূৰণ নহ'লে আন এটা দললৈ সুবিধা পালেই বাগৰ সলায়। এই নেতাসকলৰ নিজৰ কোনো আদৰ্শ নাই। জেলৰ পৰা ওলাই অহা একোজন নেতাৰ ভাষণ শুনিলে এনে লাগে তেওঁ যেন এজন ধোঁৱা তুলসীপাতৰ দৰে নিকা মানুহ। গাদীত বহিলে এনে ৰাজনীতিক বা নেতাই দেশৰ কিমান উন্নয়ন কৰিব সি সহজেই অনুমেয়। নিজৰ স্বাৰ্থৰ বাবে যিকোনো কাম কৰিব পৰা নেতা সকলক দেশৰ জনগণই চিনি নোপোৱা নহয়; কিন্তু আমাৰ দেশৰ জনগণ ৰাজনৈতিকভাৱে অপৰিপক্ক হোৱা হেতুকে প্ৰলোভনৰ গ্ৰাসত তেনে নেতাই ক্ষমতা দখল কৰিবলৈ সক্ষম হয়। এনেদৰে চলি থাকিলে সৎ চৰিত্ৰবান, নিকা ভাৱমূৰ্তিৰ ব্যক্তি কেতিয়াও ক্ষমতালৈ আহিব নোৱাৰে।

প্ৰয়াত হিতেশ্বৰ শইকীয়া চৰকাৰৰ দিনত বহু নেতাই খোলা খুলিকৈ চাকৰিৰ দৰদাম কৰি সম্পত্তিৰ পাহাৰ গঢ়িছিল। অগপ চৰকাৰৰ দিনত ছাত্ৰ নেতাসকলক সোণৰ অসম গঢ়িবলৈ ক্ষমতাত অধিষ্ঠিত কৰোৱাইছিল যদিও পাছত দেখা পালো শূন্য হাতেৰে গাদী দখল কৰি জিলাই জিলাই সম্পত্তিৰ পাহাৰৰ ওপৰি দেশৰ বাহিৰতো বহু সম্পত্তি গোটাই বহুত পুৰুষলৈ খাব পৰাকৈ নিজক গজগজীয়া কৰিলে আৰু ৰাজ্যৰ উন্নয়ন ১০ বছৰ পিছুৱাই গ'ল। এসময়ত অলিয়ে গলিয়ে ভৰিত হাৱাই চেন্দেল পিন্ধি ঘূৰি ফুৰা ছাত্ৰ নেতাই গাদীত বহি সন্মানীয় ব্যক্তিক ভৰিৰ উজুটিটো নিনিয়া হ'ল। এয়াই হ'ল ক্ষমতা আৰু সম্পত্তিয়ে গঢ়ি তোলা মানসিকতা!

ধন উপাৰ্জনৰ আহিলা হিচাপে লোৱা মন্ত্ৰী বা নেতাসকলক চিনাক্ত কৰি ক্ষমতাচ্যুত কৰিলেহে পাছৰ প্ৰজন্মৰ নেতা বা মন্ত্ৰিত্বৰ গাদীত বহিবলৈ ওলোৱাসকলে উচিত শিক্ষা ল'ব।

অণু বৰা হাজৰিকা, লেখিকা

ফোন : ৮৬৩৮০৮০৯১৭

জনজাতিকৰণৰ সমস্যাই অসম জ্বলাব পাৰে

অসমীয়া বৰ্ণ হিন্দু, পুৰণি অসমীয়া মুছলমান আৰু অসমীয়া শিখ আদি পুৰণি জনগোষ্ঠীকেইটাক সামৰি ল'লে অসম নিঃসন্দেহে এখন জনজাতি প্ৰধান ৰাজ্যত পৰিণত হ'ব পাৰে

ছয় জনগোষ্ঠীৰ ৰাজনৈতিক নেতাসকলৰ অধিকাংশই এতিয়া ডº হিমন্ত বিশ্ব শৰ্মাৰ শিবিৰত। অৰাজনৈতিক জনগোষ্ঠীয় সংগঠনবোৰৰো প্ৰায়বোৰ নেতাৰে গোপন সম্পৰ্ক আছে ডº শৰ্মাৰ স'তে। সেয়ে সেই সংগঠনবোৰৰ কিছুসংখ্যকে ৰাস্তাত টায়াৰ জ্বলাই হুমকি দিলেই ডº শৰ্মা বা তেওঁৰ চৰকাৰখনে ভয় খাবনে?

অসবৰ্ণ

হীৰেন গগৈ

কেন্দ্ৰীয় মন্ত্ৰীসভাই যোৱা ১৪ ছেপ্টেম্বৰৰ দিনা দেশৰ পাঁচখন ৰাজ্যৰ ১২ টা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানত অনুমোদন জনায়। ৰাজ্যকেইখন হৈছে চত্তিছগড়, হিমাচল প্ৰদেশ, কৰ্ণাটক, তামিলনাড়ু আৰু উত্তৰ প্ৰদেশ। জনগোষ্ঠীকেইটাৰ জনজাতিকৰণৰ প্ৰস্তাৱ আগৰে পৰা বিবেচনাধীন হৈ আছিল। সংশ্লিষ্ট ৰাজ্যকেইখনৰ চৰকাৰে গ্ৰহণ কৰা জনজাতিকৰণৰ প্ৰস্তাৱবোৰ কেন্দ্ৰৰ Tribal Affairs মন্ত্ৰণালয়লৈ পঠোৱাৰ পাছত মন্ত্ৰণালয়ে তাক পৰ্যালোচনা কৰি অনুমোদনৰ বাবে পৰ্যায়ক্ৰমে দেশৰ Registrar General আৰু National commission for Scheduled Tribes লৈ প্ৰেৰণ কৰে। সংস্থাকেইটাৰ প্ৰয়োজনীয় অনুমোদনৰ ভিত্তিতে অৱশেষত কেন্দ্ৰীয় মন্ত্ৰীসভাই সেই বাৰটা জনগোষ্ঠীৰ অনুসূচীকৰণত অনুমোদন জনাইছে। সন্দেহ নাই, প্ৰক্ৰিয়াটো দীঘলীয়া, কিন্তু চৰকাৰৰ সদিচ্ছা থকাৰ বাবে কামটো সমাধা হৈছে আৰু পৰৱৰ্তী পৰ্যায়ত সংসদত সংবিধান সংশোধনী (জনজাতিৰ অনুসূচী বিষয়ক) ৰ ব্যৱস্থাও নিশ্চয় সুকলমে হৈ যাব।

কিন্তু অসমৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰস্তাৱটো এইবাৰো অগ্ৰাহ্য হৈ ৰ'ল। স্বাভাৱিকতে এই ছয় জনগোষ্ঠীৰ মাজত ক্ষোভ আৰু হতাশাৰ বিস্ফোৰণ ঘটাৰ উপক্ৰম হৈছে। জনজাতিকৰণৰ বাবে আন্দোলন চলাই অহা জনগোষ্ঠীয় সংগঠনকেইটাই ইতিমধ্যে প্ৰাথমিক প্ৰতিবাদ সাব্যস্তও কৰিছে আৰু ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচীও ঘোষণা কৰিছে। এই জনগোষ্ঠীকেইটাৰ জনজাতিকৰণৰ দাবী আৰু আন্দোলন নতুন নহয়; এটা দীঘলীয়া কাল ধৰি সেয়া চলি আহিছে। কংগ্ৰেছ চৰকাৰৰ দিনত সমস্যাটোৰ সমাধানৰ বাবে বিশেষ একো কৰা নহ'ল। ২০১৪ৰ লোকসভা নিৰ্বাচন আৰু ২০১৬ৰ অসম বিধানসভা নিৰ্বাচনৰ সময়ত বিজেপিয়ে জনজাতিকৰণৰ প্ৰতিশ্ৰুতিৰে দাবীদাৰ জনগোষ্ঠীকেইটাক আশ্বস্ত কৰিছিল; কিন্তু ৰাজ্য আৰু কেন্দ্ৰত বিজেপিৰ দ্বিতীয়টো কাৰ্যকালতো সমস্যাটো ওলমি থকাত আৰু অতি শেহতীয়াকৈ কেন্দ্ৰীয় মন্ত্ৰীসভাই দেশৰ আন বাৰটা জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানত অনুমোদন জনোৱাৰ সময়তো অসমৰ ছয় জনগোষ্ঠী বঞ্চিত হোৱাত ৰাজ্যখনত যে পুনৰ এটা ব্যাপক অশান্তিৰ পৰিৱেশ সৃষ্টি হ'ব, সন্দেহ নাই।

মন কৰিবলগীয়া কথা যে অসমৰ এই ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰক্ৰিয়াটো ব্যাহত হৈছে মূলতঃ পুৰণি স্বীকৃত বা অনুসূচিত জনজাতিকেইটাৰ প্ৰতিবাদৰ কাৰণেহে, চৰকাৰখনৰ অনীহা বা অমনোযোগিতাৰ বাবে নহয়। চৰকাৰখনৰ ব্যৰ্থতা হৈছে পুৰণি জনজাতিকেইটাক সৈমান কৰিব নোৱাৰাটো আৰু বিষয়টোত নিজে এটা দৃঢ় স্থিতি নোলোৱাটো বা ল'ব নোৱাৰাটো।

যোৱা ২০১৬ত সৰ্বানন্দ সোণোৱাল চৰকাৰখন ক্ষমতাধিষ্ঠ হোৱাৰ পাছতে ৰাজ্য আৰু কেন্দ্ৰৰ দুয়োখন চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰক্ৰিয়াক আগবঢ়োৱাৰ প্ৰয়াস আৰম্ভ কৰিছিল। তেতিয়াই অসমৰ চৈধ্যটা অনুসূচিত জনজাতিয়ে সন্মিলিতভাৱে চৰকাৰৰ সেই প্ৰয়াসৰ তীব্ৰ বিৰোধিতা কৰিছিল। সেই বছৰৰে ২৬ নৱেম্বৰৰ দিনা সোণাপুৰত জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ আহ্বানত অনুষ্ঠিত বিশাল জনসভাত সদৌ অসম ট্ৰাইবেল সংঘৰ সম্পাদক তথা সমন্বয়ৰক্ষী সমিতিৰ মুখ্য আহ্বায়ক আদিত্য খাখলাৰী, এবছুৰ সেই সময়ৰ সভাপতি প্ৰমোদ বড়ো, এন-ডি এফ বি (প্ৰ)ৰ তেতিয়াৰ সাধাৰণ সম্পাদক গোবিন্দ বসুমতাৰী, প্ৰাক্তন সাংসদদ্বয় জয়ন্ত ৰংপি আৰু চাণ্ডুমা খুংগুৰ বিছমুতিয়াৰী আদি প্ৰতিষ্ঠিত জনজাতীয় নেতাসকলে একমুখে ৰাজ্য আৰু কেন্দ্ৰৰ চৰকাৰ দুখনক ধিক্কাৰ দিছিল আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে মৰণপণ যুঁজ চলাই যোৱাৰ সংকল্পও গ্ৰহণ কৰিছিল। সেই সংকল্পত তেওঁলোক আজিও অটল। যোৱা পাঁচ বছৰে তেওঁলোকে সেই প্ৰতিবাদ ধাৰাবাহিকভাৱে সাব্যস্ত কৰি আছে। শাসক দল বিজেপি তথা কেন্দ্ৰ-ৰাজ্যৰ চৰকাৰ দুখনে জনজাতিকেইটাক অসন্তুষ্ট কৰি ছয় জনগোষ্ঠীক অনুসূচীভুক্ত কৰিবলৈ বিচৰা নাই; যদিও তাৰ ৰাস্তা একেবাৰে মুকলি হৈ আছে।

একালৰ এবছু নেতা প্ৰমোদ বড়ো এতিয়া মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ অতি বিশ্বস্ত সহযোগী। প্ৰমোদ বড়ো আছিল পৃথক বড়োলেণ্ড আন্দোলনৰ নেতা। এন-ডি-এফ-বিৰ গোবিন্দ বসুমতাৰী আদি নেতাসকলো আছিল পৃথক বড়োলেণ্ডৰ দাবীদাৰ। সেই সূত্ৰে বড়োলেণ্ডৰ বিশাল অবড়ো জনসাধাৰণৰ অৱস্থান আছিল তেওঁলোকৰ বিৰুদ্ধেহে। তেতিয়া বিটিচিৰ শাসন ক্ষমতা আছিল হাগ্ৰামা মহিলাৰী তথা তেওঁৰ দল বি পি এফৰ হাতত। এবছু, এন ডি এফ বি আদি দল-সংগঠনবোৰ আৰু প্ৰমোদ বড়ো-গোবিন্দ বসুমতাৰী আদি নেতাসকল আছিল হাগ্ৰামা মহিলাৰীৰ ঘোৰ শত্ৰু; কিন্তু অবড়ো মানুহখিনিৰ স'তে হাগ্ৰামা মহিলাৰীয়ে এটা সু-সম্পৰ্ক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল যদিও অবড়ো সুৰক্ষা সমিতিয়ে তেওঁলোকক পৃথকে সংগঠিত কৰাৰ ব্যৱস্থা কৰিছিল আৰু নৱ ওৰফে হীৰা শৰণীয়াক কোকৰাঝাৰ সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত কৰিছিল। সেই পটভূমিতে বিজেপিয়ে বিটিচি দখলৰ উদ্দেশ্যে সংখ্যাগুৰু অবড়ো ৰাইজৰ মাজত নিজৰ প্ৰভাৱ বৃদ্ধিৰ বাবে জোৰদাৰ প্ৰয়াস চলায়; কিন্তু বিজেপিৰ সেই অভিযানৰ বাটত হেঙাৰ হৈ থিয় দি আছিল হাগ্ৰামা মহিলাৰী। অবড়ো সুৰক্ষা সমিতিৰ শিথিল সাংগঠনিক স্থিতি বিজেপিৰ বাবে কোনো প্ৰত্যাহ্বানেই নাছিল। প্ৰত্যাহ্বান আছিল কেৱল হাগ্ৰামা মহিলাৰীহে, যিজনে বিটিচিৰ মাটি বিজেপিক কোনোপধ্যেই এৰি দিবলৈ বিচৰা নাছিল। মহিলাৰীৰ জনপ্ৰিয়তাও আছিল বহুত বেছি। বহুসংখ্যক অবড়ো লোকৰ সমৰ্থনো তেওঁ পাইছিল। অৱশ্যে তেতিয়াও মহিলাৰী আছিল বিজেপিৰ শিবিৰতে, কিন্তু বিজেপিৰ কথামতে উঠা-বহা কৰা নেতা তেওঁ নাছিল। সেইবাবে হাগ্ৰামা মহিলাৰীক বিজেপি শিবিৰৰ পৰা বাহিৰ কৰাটো চতুৰ কুটনীতিজ্ঞ ডº হিমন্ত বিশ্ব শৰ্মাৰ বাবে জৰুৰী হৈ পৰিছিল। ইতিমধ্যে অসম বিজেপিত ডº শৰ্মা অপ্ৰতিৰোধ্য নেতা হিচাপে প্ৰতিষ্ঠিত হৈ গৈছিল। গতিকে ডº শৰ্মাৰ কৌশলে অৱশেষত ৰজিলগৈ। তেওঁ মহিলাৰীক এৰি প্ৰমোদ বড়ো আৰু এনডিএফবিক আদৰি ল'লে, নতুনকৈ বিটিআৰ চুক্তি এখনো সম্পাদন কৰিলে, পৃথক বড়োলেণ্ডৰ দাবী তল পেলালে আৰু বিটিআৰৰ ক্ষমতা তেওঁলোকৰ স'তে ভগাই লোৱাৰ আঁচনিও যুগুত কৰিলে। প্ৰমোদ-গোবিন্দ-উৰ্খাও গৌড়া ব্ৰহ্ম আদিয়ে ইউপিপিএল নামেৰে নতুন দল এটা গঠন কৰি বিজেপিৰে মিত্ৰতা কৰিলে আৰু ঐক্যবদ্ধভাৱে বিটিআৰৰ নিৰ্বাচনত যুঁজ দিলে। নিৰ্বাচনত হাগ্ৰামা মহিলাৰীৰ বিপিএফহে একক সংখ্যাগৰিষ্ঠ দল হ'ল যদিও ইউপিপিএল আৰু বিজেপিয়েহে মিত্ৰজোঁট চৰকাৰ এখন গঠন কৰিলে। প্ৰমোদ বড়ো মুখ্য কাৰ্যবাহী সদস্য হ'ল, কিন্তু তেওঁৰ ওপৰত বা বিটিআৰ পৰিষদখনৰ ওপৰত আচল কৰ্তৃত্ব ৰ'ল ডº হিমন্ত বিশ্ব শৰ্মাৰ হাততহে।

অসমৰ অনুসূচিত জনজাতিৰ সংখ্যা চৈধ্যটা হ'লেও ট্ৰাইবেল সংঘ বা জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিত বড়ো নেতাসকলৰহে একক প্ৰতিপত্তি চলি থকা যেন লাগে। বড়ো ৰাজনীতিত হাগ্ৰামা মহিলাৰী ক্ৰমাৎ এঘৰীয়া হৈ গৈ আছে আৰু প্ৰমোদ-উৰ্খাও আদিৰ কৰ্তৃত্বহে প্ৰতিষ্ঠিত হৈছে; এইসকল নেতাৰ কোনোৱেই ছয় জনগোষ্ঠীৰ জনজাতিকৰণ নিবিচাৰে। তেওঁলোকৰ আপত্তিৰ বাবেই শাসক দলটোৱে আৰু ডº শৰ্মাৰ চৰকাৰখনে নিজৰ ক্ষমতাৰে জনজাতিকৰণৰ সমস্যাটো নিষ্পত্তি কৰিবলৈ বিচৰা নাই। ছয় জনগোষ্ঠীৰ ৰাজনৈতিক নেতাসকলৰ অধিকাংশই এতিয়া ডº হিমন্ত বিশ্ব শৰ্মাৰ শিবিৰত। অৰাজনৈতিক জনগোষ্ঠীয় সংগঠনবোৰৰো প্ৰায়বোৰ নেতাৰে গোপন সম্পৰ্ক আছে ডº শৰ্মাৰ স'তে। সেয়ে সেই সংগঠনবোৰৰ কিছুসংখ্যকে ৰাস্তাত টায়াৰ জ্বলাই হুমকি দিলেই ডº শৰ্মা বা তেওঁৰ চৰকাৰখনে ভয় খাবনে?

জনামতে কংগ্ৰেছ সাংসদদ্বয় গৌৰৱ গগৈ আৰু আব্দুল খালেকৰ এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰৰ Tribal Affairs দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰেণুকা সিং সৰুতাই যোৱা বছৰৰ ১৫ মাৰ্চত সংসদক জনাইছিল যে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে modalities ঠিক কৰিবলৈ কেন্দ্ৰৰ গৃহ মন্ত্ৰণালয়ে ২০১৬ৰ ফেব্ৰুৱাৰীতে এখন কমিটী গঠন কৰি দিছিল। কমিটিখনৰ সদস্যসকল আছিল : 1. Registrar General of India, 2. Jt, Secy, Ministry of Tribal Affairs, 3. Jt.Secy (N.E),4. Govt. of India's Representative for peace Talks (Special Invitee), 5. Director, NE, as member secretary and 6. Representatives from Assam Government কমিটীখনে ২০১৮ৰ ডিচেম্বৰত প্ৰতিবেদনো দাখিল কৰিছিল; কিন্তু অজ্ঞাত কাৰণত প্ৰতিবেদনখন 'গোপনীয়' বুলি শ্ৰেণীভুক্ত কৰি পেলাই থোৱা হ'ল।

বোধহয় তাৰ পাছতে আৰু ২০১৯ৰ আগে আগে Registrar General of India আৰু Anthropological Survey of India ই ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়ত অসম চৰকাৰৰ প্ৰস্তাৱটোত অনুমোদন জনাইছিল। তাৰ পাছত National Commission for Scheduled Tribes য়েও ২০১৯ ৰে জানুৱাৰীত দাখিল কৰা প্ৰতিবেদনত উক্ত প্ৰস্তাৱটোত অনুমোদন জনাইছিল : 'After careful consideration, the NCST concludes that the above six Communities possess characteristics of scheduled Tribes and qualify to be included in the list of scheduled Tribes of Assam.'

মোৰ যদি ভুল হোৱা নাই, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰস্তাৱত কৰ্তৃত্বশীল সংস্থাবোৰে অনুমোদন জনোৱাৰ পাছত কেন্দ্ৰৰ Tribal Affairs দপ্তৰৰ মন্ত্ৰীজনাই ২০২০ৰ ২৮ ছেপ্টেম্বৰত উক্ত জনগোষ্ঠীকেইটাক অনুসূচীভুক্ত কৰাৰ বাবে ৰাজ্যসভাত এখন 'বিল' উত্থাপন কৰে; কিন্তু সেইখনক ভোটৰ বাবে দিয়া নহ'ল আৰু সেয়ে সেই বিষয়ে আলোচনাও নহ'ল।

কিন্তু তাৰ আগতেই ২০১৯ৰ ১৪ জানুৱাৰীত অসমৰ সৰ্বানন্দ সোণোৱাল চৰকাৰে ৰাজ্যৰ পুৰণি জনজাতিকেইটাৰ সুৰক্ষা আৰু প্ৰস্তাৱিত জনগোষ্ঠীকেইটাই জনজাতিৰ অনুসূচীভুক্ত হ'লে পাব পৰা সা-সুবিধাবোৰৰ সম্পৰ্কত পৰামৰ্শ দিবলৈ কেইজনমান মন্ত্ৰীক লৈ এখন কমিটী গঠন কৰি দিছিল। কি পৰিস্থিতিত সেইখন গঠন কৰা হৈছিল, মোৰ জ্ঞাত নহয়; কিন্তু সোণোৱাল চৰকাৰৰ দিনত মন্ত্ৰীগোটৰ সেই কমিটীখনে কোনো প্ৰতিবেদন দাখিল নকৰিলে। আৰু এতিয়াৰ ডº হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনৰ দিনতো কমিটীখনৰ কোনো প্ৰতিবেদন কেন্দ্ৰৰ হাতত আজিলৈকে পৰাগৈ নাই।

আমোদজনক কথা যে সোণোৱাল চৰকাৰৰ দিনত গঠিত সেই মন্ত্ৰীগোটৰ কমিটীখনৰ নেতৃত্বত আছিল তেতিয়াৰ বিত্তমন্ত্ৰী আৰু এতিয়াৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা। ঘটনাটো 'নাখাওঁ ভাত খুৱালি, নিগিলো কি কৰ কৰ' ধৰণৰ হৈছেগৈ যেনহে লাগিছে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই অসমৰ ছয় জনগোষ্ঠীৰ দাবীটোক এইবাৰো মান্যতা নিদিয়াত ৰাজ্য আৰু কেন্দ্ৰৰ দুয়োখন চৰকাৰেই তীব্ৰ সমালোচনাৰ মুখত পৰিছে। উত্তৰত তেওঁ দুই ধৰণৰ কথা কৈছে। এবাৰ কৈছে, প্ৰস্তাৱটো ৰাজ্যসভাৰ বিবেচনাধীন হৈ আছে, গতিকে সেই বিষয়ত তেওঁ কৰিবলগীয়া একো নাই। আকৌ আন এটা পাকত কৈছে, পুৰণি জনজাতিকেইটাৰ স'তে এটা বুজাপৰালৈ আহিবলৈ চেষ্টা চলাই থকা হৈছে। তেওঁৰ দুয়োটা উত্তৰেই দায়সৰা বিধৰহে। ৰাজ্যসভাত সেই বিষয়ক বিলখন পৰি আছে তেওঁৰ কমিটীখনে (মন্ত্ৰীগোটৰ) এতিয়ালৈকে কেন্দ্ৰক কোনো প্ৰতিবেদন নিদিয়াৰ বাবেহে নিশ্চয়। আনহাতে, ২০১৯ৰ পৰা আজিলৈকে ৰাজ্যৰ পুৰণি জনজাতি কেইটাৰ স'তে, তেওঁলোকৰ প্ৰাপ্ত অধিকাৰবোৰ সুৰক্ষিত কৰাৰ নিশ্চয়তাৰে, দাবীদাৰ জনগোষ্ঠীকেইটাৰ জনজাতিকৰণৰ বিষয়ত এটা বুজাপৰা কৰি ল'ব নোৱাৰাটো তেওঁৰ দৰে সাহসী, জবৰদস্ত, কৰ্মপটু আৰু উচ্চাকাংক্ষী মুখ্যমন্ত্ৰী এজনৰ ক্ষেত্ৰত অকণো বিশ্বাসযোগ্য কথা নহয়। এই ক্ষেত্ৰত তেওঁ ৰাজ্যৰ পুৰণি জনজাতিকেইটাৰ স'তে, বিশেষকৈ বড়োসকলৰ স'তে বেলেগ কিবা এটা অংকহে কৰি থকা বুলি সন্দেহ হয়। সেই সন্দেহ নিৰসন কৰা নকৰাটো তেওঁৰ কথা।

এটা কথা ক'বই লাগিব যে অসমৰ খিলঞ্জীয়া লোকসকলৰ সাংবিধানিক সুৰক্ষাৰ দৃষ্টিকোণৰ পৰা (অসম চুক্তিৰ ছয় নম্বৰ দফাৰ আক্ষৰিক ৰূপায়ণ 'অসমীয়া'ৰ সংজ্ঞাদোষৰ বাবে সম্ভৱপৰ নোহোৱাৰ পৰিপ্ৰেক্ষিতত) ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীটোৰ সামাজিক আৰু ৰাজনৈতিক ন্যায্যতা যিদৰে আছে, একেদৰে পুৰণি জনজাতিকেইটাই (অনুসূচিত) ভোগ কৰি থকা সংৰক্ষণৰ অধিকাৰক সুৰক্ষিত কৰি ৰখাটোও তেওঁলোকৰ অতি ন্যায়সংগত বাসনা। তেওঁলোকৰ সেই বাসনাৰ প্ৰতি ন্যায়বিচাৰ নকৰাকৈ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাটোও নিশ্চয় ন্যায়সংগত নহ'ব। সেয়ে দুয়োটা সমস্যাৰ একক সমাধান এটা বিচাৰি উলিয়াবই লাগিব। এটা পক্ষৰ কথা মতে আনটো পক্ষক উপেক্ষা কৰিলে সামাজিক শান্তি স্বাভাৱিকতেই বিঘ্নিত হ'ব। তেনে এটা পৰিস্থিতিৰ যাতে উদ্ভৱ নহয়, তাৰ বাবেইতো ডº শৰ্মাৰ নেতৃত্বত মন্ত্ৰীগোটৰ কমিটীখন গঠন কৰা হৈছিল। সেয়ে বল এতিয়া ডº শৰ্মাৰ ক'ৰ্টতহে।

২০১১ৰ লোকপিয়ল মতে ছয় জনগোষ্ঠীৰ জনসংখ্যা প্ৰায় দেৰ কোটি। পুৰণি অনুসূচিত জনজাতিকেইটাৰ জনসংখ্যা হ'ব প্ৰায় ৩৩ লাখ। দুয়োবিধৰ জনসংখ্যাক মিলালে আৰু লগত অসমীয়া বৰ্ণ হিন্দু, পুৰণি অসমীয়া মুছলমান আৰু অসমীয়া শিখ আদি পুৰণি জনগোষ্ঠীকেইটাক সামৰি ল'লে অসম নিঃসন্দেহে এখন জনজাতি প্ৰধান ৰাজ্যত পৰিণত হ'ব পাৰে। দেশী-বিদেশী বহিৰাগতৰ আগ্ৰাসনৰ বিপৰীতে থলুৱা লোকসকলৰ সুৰক্ষাৰ বাবে তাতোকৈ কিবা অধিক কাৰ্যক্ষম ব্যৱস্থা আছেনে? ছয় জনগোষ্ঠীয়ে সেইটো সপোনৰ পাছতেই দৌৰি আছে। পুৰণি জনজাতিকেইটাকো সেইটো সপোন দেখুৱাব লাগিব আৰু দুয়োটা পক্ষকে পাৰস্পৰিক সহমৰ্মিতা আৰু সহযোগিতাৰ বান্ধোনেৰে বান্ধিব লাগিব। তাৰ বাবে অনুকূল পৰিৱেশ এটা সৃষ্টি কৰাৰ দায়িত্ব মূলতঃ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ ওপৰতে। মোৰ বিবেচনাত তেওঁৰ মহত্তম জাতীয় দায়বদ্ধতাও সেইটোৱেই; কিন্ত এই ক্ষেত্ৰত বিলম্বই বিপদ ঘটাব। Procrastination is the thief of time.

ফোন : ৮৮১১৮২৭৪৩২

অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি

অভিমত

অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি কোন হ'ব তাক লৈ বিভিন্ন চৰ্চা আৰম্ভ হৈছে। ইতিমধ্যে য়েছে দৰজে ঠংচি, সূৰ্য হাজৰিকা, প্ৰহ্লাদ তাছা, নাহেন্দ্ৰ পাদুনৰ নাম চৰ্চালৈ আহিছে। কিন্তু এই সকলো কেইগৰাকীৰ ভিতৰত সৰ্বাধিক চৰ্চিত ব্যক্তিগৰাকীয়েই হৈছে- পদ্মশ্ৰী য়েছে দৰজে ঠংচি।

১৯৫২ৰ ১৩ জুনত অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাৰ জিগাঁৱত য়েছে দৰজে ঠংচিৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম টাছি ফুন্টছু ঠংচি আৰু মাকৰ নাম ৰিণচিন চোজম ঠংচি। ঠংচিয়ে জিগাঁও চৰকাৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি ব'মডিলা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ পৰৱৰ্তী সময়ত কটন মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ঠংচিৰ মাতৃভাষা ছেৰদুকপেন যদিও অসমীয়া মাধ্যমৰ বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিছিল। তদুপৰি সৰুৰে পৰা অসমীয়া ভাষাতেই লেখা-মেলা কৰিছিল। ১৯৬৭ত 'জোনবাই' নামৰ শিশু আলোচনীত তেওঁৰ প্ৰথম কবিতাটি প্ৰকাশ পাইছিল।

২০০৫ত তেওঁ 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে।' তেওঁৰ উপন্যাসসমূহৰ ভিতৰত 'চনম', 'জন সমুদ্ৰত অকলশৰে এজনী আদিবাসী', 'বিশ্বকন্যাৰ দেশত', 'শৰ কটা মানুহ', 'মিচিং', 'মই আকৌ জনম ল'ম' আদি বহুলভাৱে সমাদৃত। উপন্যাসৰ উপৰি ঠংচিয়ে চুটি গল্পও ৰচনা কৰিছে। চুটি গল্পৰ গ্ৰন্থৰ ভিতৰত 'পাপৰ পুখুৰী', 'বাঁহ ফুলাৰ গোন্ধ' আৰু 'অন্য এখন প্ৰতিযোগিতা' আদি উল্লেখযোগ্য। তেওঁৰ ভালেমান উপন্যাস বিভিন্ন ভাৰতীয় ভাষাৰ লগতে ইংৰাজীলৈ অনুবাদ কৰা হৈছে। তদুপৰি ভালেমান গ্ৰন্থ ইংৰাজীৰ পৰা অসমীয়ালৈ আৰু অসমীয়াৰ পৰা ইংৰাজীলৈ অনুবাদ কৰিছে।

সাহিত্য অকাডেমী বঁটাৰ উপৰি ঠংচিয়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা বঁটা-বাহন, সন্মান আৰু উপাধি লাভ কৰিছে। ২০২০ত ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰে।

১৯৯২ত তেওঁ ভাৰতীয় প্ৰশাসনীয় সেৱা পদত অধিষ্ঠিত হয় আৰু পাছলৈ উপায়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰে। পৰৱৰ্তী সময়ত অৰুণাচল চৰকাৰৰ ভালেমান বিভাগৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি সফলতাৰে চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। আনকি অৱসৰৰ পাছতো তেওঁ অৰুণাচলৰ মুখ্য তথ্য আয়ুক্ত হিচাপে নিযুক্ত হৈছিল।

উল্লেখযোগ্য যে যি কেইগৰাকী সাহিত্যিকৰ নাম পৰৱৰ্তী সভাপতিৰ কাৰণে ৰাইজৰ চৰ্চালৈ আহিছে, সেই সকলৰ ভিতৰত আগত আছে য়েছে দৰজে ঠংচিৰ নামটো।

অৱশ্যে সভাপতি হোৱাৰ বাবে থাকিবলগীয়া উপযুক্ত অৰ্হতা বাকী সকলোৰো আছে। ইয়াৰ মাজতে আকৌ সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি কোন হ'ব তাক লৈ বিভিন্ন বিতৰ্কৰো সৃষ্টি হোৱা দেখা গৈছে। এই বিতৰ্কৰ মূলতে হ'ল যে য়েছে দৰজে ঠংচি অসমীয়া নহয়। তেওঁ অৰুণাচল প্ৰদেশৰ মানুহ। কিন্তু ভৌগোলিকভাৱে অসমৰ বাসিন্দা নহ'লেও অসমীয়া ভাষা-সাহিত্যলৈ তেওঁ যি মূল্যৱান অৱদান আগবঢ়াই আহিছে, তাৰ জৰিয়তে নিজকে এগৰাকী অসমীয়া প্ৰেমী হিচাপে ইতিমধ্যে প্ৰতিপন্ন কৰিছে। সেইফালৰ পৰা সভাপতিৰ বাবে যথোপযুক্ত।

বিশিষ্ট সাহিত্যিকগৰাকীক অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি পদত অধিষ্ঠিত কৰিলে অসম-অৰুণাচলৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সমস্যা নিষ্পত্তি হোৱাৰ সম্ভাৱনাৰ লগতে দুয়োখন ৰাজ্যৰ মাজত সম্প্ৰীতিৰ এনাজৰীদালো সুদৃঢ় হ'ব বুলি আশা কৰিব পাৰি।

চক্ৰধৰ নাথ, গুৱাহাটী

কি যে ভুল কৰিলো!

তাই স্নাতক কলা শাখাৰ চতুৰ্থ যান্মাসিকৰ ছাত্ৰী। উচ্চতৰ মাধ্যমিকত লেটাৰ মাৰ্কসহ ৮০ শতাংশ লাভ কৰি চৰকাৰে দিয়া ৰঙা স্কুটীৰ গৰাকীয়ো হৈছে। তদুপৰি গাঁৰৰ ভিতৰত ভাল ৰিজাল্ট কৰাৰ বাবে সংগঠন আৰু নিজ পৰিয়ালৰ কত যে উপহাৰ! ককায়েকৰ উপাৰ্জনেৰে চলা ঘৰখন আৰু দুজনী ভনীৰ স'তে অকণো অভাৱ নোহোৱাকৈ চলি আছে। পঢ়াত ভাল বাবে নিজে ভাল নিপিন্ধি হ'লেও ভনীয়েকক ভাল ভাল পিন্ধায়। নিজে কীপেড ম'বাইল ব্যৱহাৰ কৰি ভনীয়েকক ১৫ হেজাৰ টকাৰে এনড্ৰ'ইড ম'বাইল কিনি দিছে, যাতে গুগলৰ যোগেদি ক্লাছত নজনা কথাবোৰ জানিব পাৰে। কিন্তু কি হ'ব? বিধিৰ বিপাক, মবাইল পাই তাই ফেচবুক, ইনচ্টাগ্ৰাম, হোৱাটছএপ আদি ব্যৱহাৰ কৰাত ব্যস্ত হৈ পৰিল। বিভিন্ন ভংগীমাৰ ফটো টেগ, আপলোড কৰিবলৈ পাই ধুনীয়া ধুনীয়া ল'ৰাৰ লগত চিনাকি হ'ল। তাৰে সুঠাম শৰীৰ, চুলি আধুনিক, হাতত টেটু আঁকা ল'ৰা এজনৰ লগত চিনাকি হ'ল। ল'ৰাজনে বিএ পাছ কৰি চাকৰি নিবিচাৰি ভাল ব্যৱসায় কৰি নিজকে প্ৰতিষ্ঠিত হোৱা বুলি ছোৱালীজনীক অৱগত কৰাৰ লগতে বিয়া হোৱাৰ পাছতো তাইক পঢ়ুৱাম বুলি প্ৰতিশ্ৰুতি দিয়ে। সেই কাৰণে তায়ো ল'ৰাটোক মনে প্ৰাণে বিচৰা হ'ল। কথামতে কাম। এদিন তাইক ঘৰৰ ওচৰৰ টাউনখনলৈ মাতি পঠালে। লগ কৰিলে। কথা-বতৰা পাতিলে। তাৰ পাছত ল'ৰাজনৰ স'তে তাইৰ প্ৰেম অতি নিবিড় হ'ল। যৌৱনৰ উতলা তেজ। অৱশেষত এদিন কলেজলৈ যোৱাৰ পথৰ পৰাই ল'ৰাজনৰ লগত তাই পলাই যায়। ককায়েকে মৰমৰ ভনীজনী কলেজৰ পৰা ৰাতিলৈকে নহা দেখি চিন্তাত পৰিল। লগৰ সমনীয়া ছোৱালী আৰু পৰিয়ালৰ সকলোকে খবৰ-খাটি কৰিলে। কোনো ফালে ভনীজনীৰ সন্ধান উলিয়াব নোৱাৰিলে। সকলো ফালে বিচাৰি নাপাই উপায়হীন হৈ অৱশেষত ককায়েকে নিশা থানা পালেহি। আমি ককায়েকক তাইৰ কাৰ স'তে সম্পৰ্ক থাকিব পাৰে বুলি সন্দেহ কৰে বুলি সোধাত শিৱসাগৰ এজন ল'ৰাৰ কথা ক'লে। ল'ৰাজন বিয়া পতা মানুহ। আনহাতে, ল'ৰাজন বিভিন্ন অপৰাধজনিত কাম-কাজত অভিযুক্ত। গতিকে পাৰিলে ছোৱালীজনীক যেনে-তেনে উদ্ধাৰ কৰি দিব লাগে বুলি আমাক কাতৰ মিনতি কৰিলে। নহ'লে ছোৱালীজনী ৰসাতললৈ যাব বুলি যুৱকজন আবেগ-বিহ্বল হৈ পৰিল। যুৱকজনৰ কথা শুনি ময়ো যথেষ্ট চিন্তিত হৈ পৰিলো। মোৰ দুখ লাগিল। অ'চিকো বিষয়টো অৱগত কৰাত তেওঁ গুৰুত্বসহকাৰে ল'লে। আমি গোপন সূত্ৰৰ পৰা জানিব পাৰিলো, ল'ৰাজনে পথাৰৰ মাজৰ এটা ভাড়া ঘৰত ছোৱালীজনীক নিকাহ পঢ়াবৰ বাবে যো-জা চলাইছে। সেই ঠিকনা জানিব পাৰি আমি থানাৰ পৰা উদ্ধাৰৰ বাবে ওলাই যাওঁ। আমাৰ লগত ছোৱালীজনীৰ ককায়েকো ওলাল। আমি গৈ পাই দেখো যে ইতিমধ্যে নিকাহ পঢ়োৱাৰ ব্যৱস্থা কৰিছে। আমি অহা গম পাই উক্ত ল'ৰাজন দৰা সাজেৰেই পিছ দুৱাৰেদি পলাই গুচি গ'ল। ছোৱালীজনী কন্যা সাজেৰেই থাকি গ'ল। ছোৱালীজনীক সোধা হ'ল— তোমাৰ প্ৰতি তাৰ যদি ইমান মৰম আছিল, সি কিয় পলাই গ'ল? সি এটা বিবাহিত পুৰুষ। তাৰ পত্নীৰ উপৰি এজনী কন্যা সন্তান আছে। তুমি কিয় এনে ডাঙৰ ভুল কৰিলা বুলি আমি প্ৰশ্ন কৰিলো। তাৰ পাছত ছোৱালীজনীয়ে হিয়া উজাৰি কান্দি কান্দি আমাক ক'লে— সি এনে বিশ্বাসঘাতকতা কৰিব বুলি মই কেতিয়াও ভবা নাছিলো। সি এটা প্ৰতাৰক। মই অচিন কাঠৰ খোৱা লগাই বিপদত পৰিলো। এতিয়া মই ঘৰলৈ যাও। কলেজত পঢ়িম। আগৰ দৰে জীৱন যাপন কৰিম। মই কি যে ভুল কৰিলো...। ছোৱালীজনীৰ আচৰণত আমিও আৱেগিক হৈ পৰিলো। আৰক্ষী হিচাপে নিজৰ দায়িত্ব পালন কৰি অহাৰ সময়ত এনে ধৰণৰ বহু ঘটনাই আমাৰো মনত দুখ দিয়ে। এনে ঘটনাবিলাক আমাৰ চাকৰি জীৱনৰ স্মৃতি হৈ ৰ'ব।

মইনুল ইছলাম, সহকাৰী উপ-পৰিৰ্শক, অসম আৰক্ষী

ফোন : ৯৪৩৫১৯৩৯৫৪

১৯১২ত এজন ফ্ৰ্যাঞ্জ ৰিচেল্ নামৰ পেৰিছীয় দৰ্জীয়ে এটা ওভাৰকোট তৈয়াৰ কৰি উলিয়াইছিল আৰু সেইটো পিন্ধি আইফেল টাৱাৰৰ প্ৰথম তলাৰ পৰা জঁপিয়াইছিল। সেইটো সাজিছিল উৰিবলৈ বুলি ঠিক আধুনিক পেৰাচুট এটাৰ দৰেই। ভাবিছিল পেৰাচুট খোলাৰ দৰেই ইও খোল খাব। পিছে দুৰ্ভাগ্যক্ৰমে ই হৈ নুঠিল। আৰু মাটিত পৰি মৃত্যু হৈছিল। এক আচৰিত মৃত্যু আছিল সেয়া।

ইতিহাসত ঘটি যোৱা কেইটামান অদ্ভুত মৃত্যুৰ কথা!

ড° খনীন চৌধুৰী

প্ৰতিদিনে কিমান যে নতুন প্ৰাণৰ আগমন ঘটি ৰৈছে-এই পৃথিবীলৈ আৰু তেনেদৰে পৃথিবী এৰি গৈছে কত হেজাৰ লাখ মানুহ-জীৱন। জন্মক লৈ মানুহৰ যিমানখিনি কৌতূহল ৰৈ আছে, মৃত্যুক লৈ তাতোকৈ অধিক কৌতূহল ভৰি আছে-লগতে ভৰি ৰৈছে এক শংকা। অধিকেই মৃত্যুৰ প্ৰতি এক ভয় পুহি থয়- আশা কৰি ৰয়- যাতে মৃত্যু কোনো সহজ উপায়ে হয়! প্ৰতিদিনে এই পৃথিবীত দুৰ্ঘটনাতেই কিমান হেজাৰজনৰ যে মৃত্যু ঘটিছে পিছে এই এৰাব নোৰৰা সংঘটনটিৰ মাজত এনে উদ্ভট-মৃত্যু ইতিহাসৰ পাতত ঘটি ৰৈ গৈছে যে সেই অনন্যতাৰ কাৰণেই সেইসমূহ আজিও স্মৰণীয় হৈ ৰৈছে! তেনে মৃত্যু কেইটামানৰ কথাৰেই এই লেখা।

গ্ৰীক ট্ৰেজেডীৰ জনক বুলি খ্যাত আস্কাইলাছৰ মৃত্যু তেনে এক পৰ্যায়ৰ। আস্কাইলাছ প্ৰাচীন গ্ৰীচৰ আটাইতকৈ জ্ঞানী ব্যক্তিগৰাকী। তেওঁৰ সৃষ্ট ট্ৰেজেডীসমূহৰ বাবেই তেওঁ অধিক খ্যাত। পিছে এইজনা প্ৰতিভাধৰৰ মৃত্যু এক হাস্যাস্পদ সংঘটন বুলি লোক-কাহিনীয়ে কয়। ঘটনাটো এনেধৰণৰ— ঈগল চৰায়ে সাধাৰণতে চিকাৰ হিচাপে লোৱা কাছ বা কচ্ছপক ওপৰলৈ লৈ গৈ তলৰ কোনো শিলত পেলাই তাৰ খোলা ভাঙে আৰু কোমল অংশখিনিক ভক্ষণ কৰে। মুকলি ঠাইত বহি থকা আস্কাইলাছৰ মূৰটোক এটা ঈগলে পাথৰ বুলি ভুল কৰি ওপৰৰ পৰা এটা কাছ পেলাই দিছিল। যাতে ই ভাবি লোৱা পাথৰত পৰি কাছৰ খোলা ভাঙে।

পিছে ঈগলৰ তাতেই ভুল বাছনি হৈছিল। ই ভবা পাথৰটো আছিল আস্কাইলাছৰ মূৰটোহে। সেয়ে ইমান ওপৰৰ পৰা পৰা কাছৰ খুন্দাত এইগৰাকী প্ৰতিভাধৰৰ মৃত্যু হৈছিল। এটা ঈগল চৰাইৰ ভুল সিদ্ধান্তৰ ফল আছিল এয়া।

ফৰাছীৰ ৰাজাধিপতি অষ্টম চাৰ্লচ্ ১৪৮৩ত তেওঁৰ ১৩ বছৰ বয়সত সিংহাসনত উপবিষ্ট হৈছিল। কম বয়সীয়া চাৰ্লছ্‌ৰ ৰাজকাৰ্যৰ তদাৰকী আছিল তেওঁৰ ডাঙৰ ভনী এন্ আৰু এনৰ স্বামী ডিউক অফ্ বোৰ্বন। চাৰ্লছ্‌ৰ পূৰা ৰাজকালটোৰ আধা সময়েই তেওঁলোক ৰাজ-প্ৰতিভূ হৈয়েই আছিল। সমস্যা এৰি চলি থাকিব খোজা স্বভাৱৰ ৰজাজনৰ মৃত্যু হৈছিল টেনিছ খেলৰ বাবে। ৰজাই পিছে খেল খেলা নাছিল। এজন দৰ্শক হিচাপেহে আছিল। অহা-যোৱাৰ এটা পৰ্যায়ত দুৱাৰৰ ওপৰৰ কাঠত তেওঁ খুন্দা খাইছিল অতি জোৰে। সেই মুহূৰ্তত সেই আঘাতক মন কৰা নাছিল যদিও খেল শেষ হোৱাৰ পাছতেই তেওঁ অচেতন অৱস্থাত পৰে। আৰু কেইঘণ্টামানৰ পাছতেই মৃত্যুমুখত পৰে।

সেয়া আছিল ১৫৬৭ৰ কথা। মানুহজনৰ নাম আছিল হ্যান্স-ছেইনিনগাৰ। তেওঁৰ দাড়ি আছিল ডেৰ-মিটাৰ দীঘল। এই দাড়িৰ বাবেই তেওঁৰ খ্যাতি আৰু এই দাড়িৰ বাবেই তেওঁৰ মৃত্যু হৈছিল। এবাৰ জুইৰ পৰা হাত সাৰিবলৈ বুলি পলাবলৈ যাওঁতেই দাড়িতেই উজুটি খাই পৰি যায়। বেয়া ধৰণে পৰি যোৱাৰ ফলত কান্ধ ভাঙি যায় আৰু ঘটনাস্থলীতেই হ্যান্স মৃত্যুমুখত পৰে।

ফৰাছী আৰু ইংলণ্ডৰ মাজত হোৱা শ বছৰীয়া যুদ্ধত এগৰাকী সুবিধাবাদীৰ ভূমিকা লোৱা ৰজা দ্বিতীয় চাৰ্লছ্ এক সুদীৰ্ঘকাল শাসনভাৰত আছিল। সেয়ে তেওঁক ইতিহাসে মনত ৰাখি থৈছে 'চাৰ্লছ্ দ্য ব্যাড' নামেৰে। এই ৰজা দ্বিতীয় চাৰ্লছ্ ভয়াবহ ধৰণে অসুস্থ হৈ পৰিছিল। সেই অসুখৰ চিকিৎসা আছিল সমগ্ৰ শৰীৰটোক ডিঙিৰ পৰা ভৰিৰ আঙুলিলৈকে লিনেন কাপোৰেৰে বান্ধি ৰখাটো। তদুপৰি বন্ধা কাপোৰখিনি ব্ৰ্যাণ্ডি-সিক্ত হব লাগিব। চিকিৎসকৰ সহকাৰী এজনে গোটেই বেণ্ডেজটো চিলাই কৰি দিলে। পিছে তাতেই এটা খুঁত ৰৈ গৈছিল। চিলাইৰ শেষত দেখা গ'ল এটা টুকুৰা ওলাই থাকিল। কামখিনি ৰাতিৰ সময়ত কৰা বাবে এনে হ'বলৈ পাইছিল। এতিয়া আহি পৰিল বাঢ়ি থকাখিনি কেচীৰে কটাৰ। সহকাৰীজনৰ শংকা হ'ল যদি কেচী চলাওতে ৰজাৰ গাত লাগে! সেয়ে তেওঁ জুইৰ সহায়ত সেই বাঢ়ি থকা অংশ নোহোৱা কৰিবৰ চেষ্টা কৰিলে। তেনে কৰিবলৈ যাওঁতে সেই সময়ত সহকাৰীৰ মনলৈ নাহিল যে গোটেই বেণ্ডেজৰ কাপোৰখিনি ব্ৰ্যাণ্ডি-সিক্ত হৈ ৰৈছে! ব্ৰ্যাণ্ডি-সিক্ত লিনেন কাপোৰ জুইৰ সংস্পৰ্শলৈ আহো কি নাহোতেই সমগ্ৰ শৰীৰ তাৎক্ষণিকতাৰে জ্বলি উঠিল আৰু অগ্নিদগ্ধ হৈ ৰজা মৰ্মান্তিক মৃত্যুৰ চিকাৰ হৈছিল।

অতিৰিক্ত বা অত্যধিককৈ খাদ্য খাই মৃত্যু মুখত পৰিছিল ভোজন বিলাসী ছুইদিছ্-ৰাজ এড্‌লফ্ ফ্ৰেডেৰিক। তেওঁৰ 'ছেম্-লা ক্ৰিম ৰোল' নামৰ খাদ্যবিধ বৰ প্ৰিয় আছিল। এবাৰ বহুত ভোজন কৰি উঠাৰ পাছত ৰজাই একেলগে এক ডজনৰ ওপৰত এই 'চেম্-লা' খাই পেলাইছিল। এই বিপুল পৰিমাণৰ খাদ্য ৰজাই হজম কৰিব পৰা নাছিল। কিছু পৰৰ পাছত অসুস্থ হৈ পৰিছিল। সময় আগবঢ়াৰ লগে লগে অৱস্থা অত্যধিক বেয়া হৈ আহিছিল। আৰু এটা সময়ত মৃত্যু বৰণ কৰিছিল এইজনা ভোজন বিলাসী ৰজাই।

মদৰ পিপাত ডুবি মৰা আন এক অদ্ভুত ঘটনা-ইতিহাসৰ। পিছে জৰ্জ-প্লান্টা গেনেটে নিজেই নিজৰ মৃত্যু বাছি লৈছিল। 'War of the roses' পৰাজয়ৰ পাছৰ কথা। ভ্ৰাতৃ চতুৰ্থ এডৱাৰ্ডৰ আদেশ মৰ্মে তেওঁক বন্দী কৰা হৈছিলহত্যা কৰিবলৈকেই । এডৱাৰ্ডে নিজৰ ভায়েকক মৃত্যুৰ প্ৰক্ৰিয়াটো নিজকে বাছি ল'বলৈ অনুমতি দিলে। ইয়াৰ পাছত জৰ্জে এনে সৃজনশীলতাৰ পৰিচয় দিছিল-যাৰ বাবে মানুহে যুগ-যুগ ধৰি স্মৰণ কৰি আছে। তেওঁ নিজৰ শিৰশ্চেদৰ কথা নকৈ এক অভিনৰ উপায়ৰ কথা কৈছিল। তেওঁ কৈছিল তেওঁক যাতে মদভৰ্তি পিপাত ডুবাই মৰা হয়-তেওঁৰ প্ৰিয় মদ মাল্-ভাছিয়াত ডুবাই!!

সেয়া আছিল দাৰ্শনিক, বিজ্ঞানী তথা সাহিত্যিক ফ্ৰান্সিচ বেকনৰ জীৱনৰ ১৬২৫ৰ এক আবেলিৰ কথা। বেকন ব্যস্ত - মাংস প্ৰিজাৰ্ভ কৰা এক পৰীক্ষাত। পৰীক্ষাটোৰ বাবে মুৰ্গী বাছি লৈছে। তেওঁ চাবৰ মন-বৰফত মাংস ফ্ৰজেন হয় নে নহয়! এই উদ্দেশেৰেই মুৰ্গী লৈ নিজেই বৰফৰ মাজত সোমায়। আৰু বৰফৰ মাজত ৰৈ উশাহ-নিশাহৰ কষ্টত পৰি শেষত মৃত্যুমুখত পৰে।

বৈজ্ঞানিক তথ্য মতে উল্কাপাতত মানুহ মৰাৰ সংখ্যাটো ১৬ লাখ উল্কাপাতৰ ভিতৰত এটা মাত্ৰ! এই ক্ষুদ্ৰাতিতম অনুপাতটোৰ মাজতেই মৰাৰ দুৰ্ভাগ্যটো হৈছিল এজনৰ। ঘটিছিল সেই ঘটনাটো ভাৰততেই ২০১৬ত। কামাৰাজ নামৰ এজন হতভাগ্য বাছ চালকৰ কথা এয়া। কামাৰাজে বাছ চলাই থাকোতে হঠাতে আকাশৰ পৰা এটা উল্কা-পাথৰ বাছৰ ওপৰত তীব্ৰ গতিত ছিটিকি পৰিছিল। সেই আঘাতত কামাৰাজৰ মৃত্যু হয় ।

প্ৰজাই ৰাজকীয় নিয়ম পালিব লগা হোৱা বাবেই মৰণক আঁকোৱালি লৈছিল এক ৰাণী আৰু এক ৰাজকন্যাই। এয়া থাইলেণ্ডৰ ৰাণী পিয়াম আৰু ১৮৬০ত জন্মগ্ৰহণ কৰা ৰাজকুমাৰী সুনন্দাৰ কাহিনী! ১৮৮০ত আনন্দ উৎসৱৰ বাবে নাৱেৰে গ্ৰীষ্মকালীন প্ৰাসাদলৈ বুলি গৈছিল মাকৰ স'তে ৰাজকুমাৰী সুনন্দাও। আৰু তেনেতে ঘটিছিল সেই দুৰ্ঘটনাটো! নাও পানীত ডুবিছিল। সকলোৱে চকুৰ সমুখতেই ৰাণীসহ ৰাজকুমাৰী পানীৰ তললৈ গৈছিল। কোনোৱে একো কৰিবলৈ আগবাঢ়িব নোৱাৰিলে। কাৰণটো আছিল এক পৰম্পৰা। ৰাজপৰিবাৰৰ লোকক সাধাৰণ প্ৰজাই যে স্পৰ্শ কৰিব নোৱাৰে। সেয়ে সকলোৱে সমুখতে মৰণক সাৱটি লয় এই দুই হতভাগ্য প্ৰাণীয়ে।

ৰবীন্দ্ৰ নাথৰ 'জীৱিত ও মৃত' গল্পত কাদম্বিনীয়ে মৰি প্ৰমাণ কৰিছিল, তাই মৰা নাই। পিছে আমি ক'ব খোজা এই কাহিনীটো বাস্তৱত ঘটি ৰৈছিল ২০১১ত। ৰাছিয়াৰ কাজানৰ বাসিন্দা ফাগিলু মুখামেট্-জিয়ানোভ। স্বামী ফাগিলিৰে ভালকৈয়ে জীৱন-যাপন কৰি ৰৈছিল। পিছে এদিন হঠাতে ফাগিলুৰ বুকুত বিষ হৈছিল। আৰু তেওঁৰ ঘৰতেই অচেতন হৈ পৰাত স্বামীয়ে হাস্পতালত ভৰ্তি কৰিলে। ১২ মিনিটৰ মূৰত ডাক্তৰে জনায় যে ফাগিলু বাচি থকা নাই। সেয়ে শেষকৃত্যৰ আয়োজন চলিল। আত্মীয়-পৰিজন আহি উপস্থিত হ'ল। কফিনত দেহ ভৰাই কবৰস্থানলৈ বুলি সদলবলে আগবাঢ়িল। মাটি খনাৰ মূৰত লোকসমূহৰ মুখত অন্তিম প্ৰাৰ্থনাৰ ছন্দ শুনি মুখামেট্-জিয়ানোভ কঁপি-কঁপি জীৱনলৈ ঘূৰি আহিছিল। অথবা অচেতনৰ পৰা চেতনা ঘূৰাই পাইছিল-যিহেতু তেওঁ মৰা নাছিলেই!! লগে লগে তেওঁক হাস্পতাললৈ ঘূৰাই লৈ অহা হৈছিল। হাস্পতালত ফাগিলু আৰু অধিক ১২ মিনিট সময় ধৰি বাচি থাকি পুনৰ মৃত্যুৰ শীতল কোলাত ঢলি পৰিছিল হাৰ্টএটেক হৈ-এইবাৰ সঁচাকৈয়ে!!

শৰীৰৰ ভিতৰত জুই লাগি মৃত্যু মুখত পৰা ঘটনা বিৰল। আৰু তেনে এক ঘটনাতেই মৃত্যু হৈছিল যুক্তৰাষ্ট্ৰৰ ওকলাহোমাৰ বাসিন্দা ডেনি-ভ্যানজাণ্ডটেৰ। ঘটনাটো আছিল এনেধৰণৰ— ঘৰতে বহি মদ পান কৰি ৰৈছিল আৰু লগতে হুপি আছিল চিগাৰেটো। মদ খোৱাৰ পাছত চিগাৰেট জ্বলাব যোৱাত মুখৰ ভিতৰলৈ জ্বলোৱা চিগাৰেটৰ স্ফুলিংগ সোমাই পৰিল এলকোহল ভৰা মুখ গহ্বৰত । লগে-লগে ক্ৰমে ভিতৰলৈ জ্বলি গৈ থাকিল। নিজে মাটিত পৰি গ'ল আৰু মৃত্যুক সাৱটি ল'লে।

বেঞ্জামিন ফ্ৰেংকলিনে ১৭৫৩ত এটা বজ্ৰপাত-দণ্ড সাজি উলিয়াইছিল সম্ভাব্য বজ্ৰপাতক ৰোধ কৰিবলৈ বুলি। ফ্ৰেংকলিনৰ সেই দণ্ড সম্পূৰ্ণ কাৰ্যকৰী নহ'লেও বহুতো বিজ্ঞানী সেই আৱিষ্কাৰৰ প্ৰতি আকৰ্ষিত হৈছিল। তাৰে ভিতৰত আছিল ৰাছিয়াৰ বিজ্ঞানী ম্যান। ফ্ৰেংকলিনৰ-ৰিছ-ডাক্তৰ জৰ্জৰ অনুকৰণতেই ৰিছেও তেনে এক যন্ত্ৰ সাজি উলিয়াইছিল। আৰু ম্যানে এদিনাখন বজ্ৰপাত— সেয়েই তেওঁৰ কাল হৈ উঠিছিল। ৰিচ্ হোৱাৰ শব্দ শুনিবলৈ পাই তেওঁ বজ্ৰপাত ওচৰৰ পৰা প্ৰত্যক্ষ কৰিবৰ উদ্দেশ্যে ওপৰলৈ যায় নিজে সজা যন্ত্ৰ লৈ আৰু তাতেই বজ্ৰপাত পৰি মৃত্যু মুখত পৰে।

১৯১২ত এজন ফ্ৰ্যাঞ্জ ৰিচেল্ নামৰ পেৰিছীয় দৰ্জীয়ে এটা ওভাৰকোট তৈয়াৰ কৰি উলিয়াইছিল আৰু সেইটো পিন্ধি আইফেল টাৱাৰৰ প্ৰথম তলাৰ পৰা জঁপিয়াইছিল। সেইটো সাজিছিল উৰিবলৈ বুলি ঠিক আধুনিক পেৰাচুট এটাৰ দৰেই। ভাবিছিল পেৰাচুট খোলাৰ দৰেই ইও খোল খাব। পিছে দুৰ্ভাগ্যক্ৰমে ই হৈ নুঠিল। আৰু মাটিত পৰি মৃত্যু হৈছিল। এক আচৰিত মৃত্যু আছিল সেয়া। *ফোন ঃ ৮৭৫৩০৮০৩২৭*

শত ছহিদৰ তেজেৰে ৰাঙলী আমাৰ এই স্বাধীনতা

১৯৪২ৰ ২০ ছেপ্টেম্বৰৰ সোঁৱৰণত

ৰমেশ চন্দ্ৰ বৰা

১৭৫৭ৰ পলাচী যুদ্ধত জয়লাভ কৰি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত ইংৰাজ ৰাজত্বৰ আৰম্ভণি ঘটায়। মাত্ৰ আঠশ ইংৰাজ সৈন্যই ৫০ হেজাৰ নবাবৰ সৈন্যক পৰাস্ত কৰাৰ মূলতে আছিল মীৰজাফৰৰ বিশ্বাসঘাতকতা। পলাচী যুদ্ধত জয়লাভ কৰাৰ পাছত ৰবাৰ্ট ক্লাইৱে বিশ্বাসঘাতক মীৰজাফৰক বংগৰ নবাব পাতি বংগ, বিহাৰ, ওড়িছাত বিনাশুল্কে বাণিজ্য কৰাৰ সুযোগ লাভ কৰে। কোম্পানীৰ ৰাজত্বত ভাৰতত ইংৰাজৰ আধিপত্য বিস্তাৰ হয়। কোম্পানীৰ আগ্ৰাসন নীতিৰ বিৰুদ্ধে ১৮৫৭ত ঝাঁন্সীৰ ৰাণী লক্ষ্মীবাঈৰ নেতৃত্বত আন এক বিদ্ৰোহ ভাৰতত আৰম্ভ হৈছিল। ইংৰাজৰ অধীনত থকা ভাৰতীয় সৈনিকসকলে এই বিদ্ৰোহৰ অগনি জ্বলাইছিল। মীৰাটত ১৮৫৭ৰ ১০ মে'ত এমুঠি ভাৰতীয় সৈনিকে ইংৰাজৰ বিৰুদ্ধে ৰণডংকা বজাইছিল। উত্তৰ ভাৰততে এই জুইকুৰা সীমাবদ্ধ আছিল। দক্ষিণ ভাৰতত ইয়াৰ প্ৰভাৱ পৰা নাছিল। আনহাতে, পঞ্জাৱৰ সেনা আৰু গোৰ্খাসকল ইংৰাজৰ ফলীয়া আছিল। বিদ্ৰোহী সৈন্যসকলে দিল্লীৰ বৃদ্ধ মোগল সম্ৰাট বাহাদুৰ ছাহক নেতা পাতি যি যুদ্ধযাত্ৰা কৰিছিল সিও বিফল হ'ল। ইংৰাজে শেষ মোগল সম্ৰাট বাহাদুৰ ছাহক বন্দী কৰি ৰেংগুনৰ কাৰাগাৰত থলে আৰু তাতেই দেশৰ কথা চিন্তা কৰি তেওঁ এদিন শেষ নিশ্বাস পেলালে। কলিকতাৰ বেৰেকপুৰত মংগল পাণ্ডে নামক চিপাহীজনে এনফিল্ড ৰাইফল ব্যৱহাৰ কৰিবলৈ অমান্তি হৈ এজন ইংৰাজ বিষয়াক গুলীয়াই আহত কৰিছিল। পৰিণতিত ইংৰাজে বিচাৰৰ নামত প্ৰহসন কৰি ১৮৫৭ৰ আঠ এপ্ৰিলত মংগল পাণ্ডেক ফাঁচি দিছিল। চিপাহী বিদ্ৰোহৰ ঢৌ অসমৰ ডিব্ৰুগড় আৰু গোলাঘাটত থকা ভাৰতীয় সৈন্যবোৰৰ ওপৰতো পৰিছিল। চিপাহী বিদ্ৰোহৰ সময়তে মণিৰাম দেৱানে আৰু পিয়লী বৰুৱাক ১৮৫৮ৰ ২৬ মাৰ্চৰ দিনা ইংৰাজে যোৰহাটত ফাঁচি দিয়ে। চিপাহী বিদ্ৰোহেই আছিল ভাৰতৰ স্বাধীন আন্দোলনৰ প্ৰথম যুঁজ। চিপাহী বিদ্ৰোহ সফল নহ'লেও পৰৱৰ্তী সময়ত আৰম্ভ হোৱা ভাৰতৰ স্বাধীনতা আন্দোলনৰ নেতাসকলে বিফলতাৰ শিকনি গ্ৰহণ কৰিছিল। ঐক্যৰ অভাৱৰ কাৰণেই চিপাহী বিদ্ৰোহ অথবা ৰাণী লক্ষ্মীবাঈৰ স্বাধীনতাৰ যুঁজ বিফল হৈছিল।

আত্মকলহৰ বাবে অসমত ছশবছৰীয়া আহোম ৰাজত্বৰ অৱসান ঘটিছিল। ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ ফলত অসম ইংৰাজৰ অধীনলৈ গৈছিল। মানৰ তিনিবাৰ আক্ৰমণে অসমখন ছাৰখাৰ কৰিছিল। মানক খেদি অসম উদ্ধাৰ কৰা ইংৰাজসকলক অসমীয়াসকলে প্ৰথমে ত্ৰাণকৰ্তা বুলিয়েই ভাবিছিল। কিন্তু ইংৰাজৰ মতি-গতি দেখি পোন প্ৰথমে ফেনা কোঁৱৰৰ পুত্ৰ গমধৰ কোঁৱৰে ধনঞ্জয় পিয়লীয়া বৰগোহাঁইৰ লগ লাগি ১৮২৮তে ইংৰাজৰ বিৰুদ্ধে পূব ভাৰতত বিদ্ৰোহৰ ৰণশিঙা বজাইছিল। কিন্তু তেওঁৰ চেষ্টা সফল নহ'ল। ইংৰাজে তেওঁক বন্দী কৰি সাত বছৰৰ বাবে কাৰাদণ্ড বিহিলে। ৰুথাৰ ফৰ্ডে এই বিদ্ৰোহ দমন কৰিলে। বংগদেশৰ নেতাজনৰ কি হ'ল সেই বিষয়ে ইতিহাস নীৰৱ। অসমৰ দাঁতি কাষৰীয়া পৰ্বতীয়া জাতিবোৰে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি তেওঁলোকক ব্যতিব্যস্ত কৰি ৰাখিছিল। অসমত ইংৰাজ শাসন ওফৰাবলৈ চেষ্টা কৰাৰ অপৰাধত পিয়লি ফুকন আৰু জিউৰাম বৰুৱাক ইংৰাজে ১৮৩০ৰ ২৫ মাৰ্চৰ দিনা শিৱসাগৰৰ জয়সাগৰৰ পুখুৰীৰ পাৰত ফাঁচি দিয়ে।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা আন্দোলনত ভাৰতৰ সকলো সম্প্ৰদায়ৰ লোক একগোট হৈছিল। গান্ধীজীৰ নেতৃত্বত আৰম্ভ হোৱা এই আন্দোলনত ভাৰতৰ হিন্দু-মুছুলমানসকল ঐক্যবদ্ধ হৈছিল। কূট-কৌশলী ইংৰাজে স্বাধীনতাৰ এই আন্দোলনৰ সময়তে ভাৰতীয়সকলক ভাগ ভাগ কৰি তেওঁলোকৰ শাসন কি দৰে ভাৰতত চলাই নিব পাৰে তাৰ বাবে (Divide and rule) ভাগ কৰা আৰু শাসন কৰা নীতি গ্ৰহণ কৰিছিল। ইয়াৰ ফলতে জিন্নাৰ নেতৃত্বৰ ভাৰতত মুছলিম লীগৰ জন্ম হৈছিল আৰু দেশখন দ্বিখণ্ডিত হৈছিল।

মোহন দাস কৰম চাঁদ গান্ধীয়ে পোন প্ৰথমে দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় বনুৱাসকলৰ স্বাৰ্থৰক্ষাৰ বাবে গৈ প্ৰায় কুৰি বছৰ তাত আছিল। তাত থাকিয়েই তেওঁ সত্যাগ্ৰহ, অসহযোগ, আইন অমান্য আন্দোলনত জড়িত হৈ সফল হৈছিল। ভাৰতলৈ আহি তেওঁ অহিংস আন্দোলনৰ জুইকুৰা সমগ্ৰ ভাৰততে বিয়পাই দিয়াত সফল হৈছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ যোগদান এক যুগান্তকাৰী ঘটনা। বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁক মহাত্মা উপাধিৰে বিভূষিত কৰিছিল। ভাৰতত স্বাধীনতাৰ অহিংস আন্দোলনৰ লগতে অহিংস আন্দোলনে গা কৰি উঠিছিল। উত্তৰ প্ৰদেশ, পঞ্জাৱ, বংগদেশত এচাম সহিংস আন্দোলনত জড়িত হৈছিল। ভগত সিং, সুখদেৱ, ৰাজগুৰু, ক্ষুদিৰাম, সূৰ্যসেন, সত্যেন্দ্ৰনাথ বসু, ৰামকৃষ্ণ বিশ্বাস আদি অনেক বীৰে ফাঁচিকাঠত জীৱনৰ জয়গান গাই গৈছে। বংগদেশত প্ৰীতিলতা জোৱাদ্দাৰৰ নেতৃত্বত মহিলাসকল সশস্ত্ৰ সংগ্ৰামত লিপ্ত হৈছিল। অসমৰ ডিব্ৰুগড়ত জন্মগ্ৰহণ কৰা সান্ত্বনা গুহই মেট্ৰিক পাছ কৰি কলিকতাৰ শান্তিনিকেতনত পঢ়িবলৈ গৈ ৰাজনীতিত জড়িত হৈ পৰিছিল। তেওঁৰ ৰচনা কৰা 'অগ্নিমন্দ্ৰেনাৰী' গ্ৰন্থখন ইংৰাজ চৰকাৰে বাজেয়াপ্ত কৰিছিল। অৱশেষত ১৯৩১ তেওঁক ৰাজদ্ৰোহৰ অপৰাধত ইংৰাজ চৰকাৰে কলিকতাত গ্ৰেপ্তাৰ কৰি ৰাজসাহী জেলত অকথ্য অত্যাচাৰ চলাইছিল। ফলত অসমত জন্মগ্ৰহণ কৰা এইগৰাকী বিদ্ৰোহিনী নাৰীৰ ১৯৩৪ৰ ১৯ ডিচেম্বৰত মৃত্যু হয়। তেওঁৰ বিষয়ে আমি বহুতেই নাজানো। পোন প্ৰথমে কবি দেৱকান্ত বৰুৱাই অসমৰ ৰাইজক এইগৰাকী স্বাধীনতাৰ যুঁজাৰুক পৰিচয় কৰি দিয়ে। সহিংস আন্দোলনত জড়িত নেতাজী সুভাষ চন্দ্ৰ বসুৰ কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। ভাৰতৰ বাহিৰত থাকি আজাদ হিন্দ ফৌজ গঠন কৰি তেওঁ দিল্লী দখল কৰাৰ সপোন দেখিছিল। ১৯৪৪ৰ ছয় জুলাইত 'আজাদ হিন্দ ৰেডিঅ'ৰ যোগেদি তেওঁ গান্ধীজীক 'জাতিৰ পিতা' বুলি সম্বোধন কৰি কৈছিল— 'ভাৰতৰ স্বাধীনতা আন্দোলনৰ শেষ সংগ্ৰাম আৰম্ভ হৈছে আমাক আপোনাৰ আশীৰ্বাদ লাগে।' নেজাতীৰ শেষ পৰিণতি কি হ'ল এই ক্ষেত্ৰত ইতিহাস নীৰৱ।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ শেষ সংগ্ৰাম আৰম্ভ হৈছিল ঐতিহাসিক ১৯৪২ৰ আগষ্ট বিপ্লৱৰ দ্বাৰা। এই সময়তে গান্ধীজীয়ে অতিষ্ঠ হৈ ইংৰাজ চৰকাৰক কৈছিল—'আমাক ভগৱানৰ ওচৰত সমৰ্পণ কৰি তোমালোক আঁতৰি যোৱা।' ভাৰত ত্যাগ প্ৰস্তাৱৰ খচৰা গান্ধীজীয়ে প্ৰস্তুত কৰিছিল। তেওঁ জানিছিল এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাছত ইংৰাজ চৰকাৰে সমগ্ৰ ভাৰততে নেতাসকলক গ্ৰেপ্তাৰ কৰিব। সেয়েহে তেওঁ কৈছিল এই আন্দোলনৰ নেতৃত্ব ৰাইজেই ল'ব লাগিব। বোম্বেৰ গোৱালিয়ৰ টেংক ময়দানত '৪২ৰ সাত আৰু আঠ আগষ্টত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সভাত আঠ আগষ্টৰ নিশা পণ্ডিত জৱাহৰলাল নেহেৰুৱে এই প্ৰস্তাৱ ডাঙি ধৰিলে। সমৰ্থন কৰিলে বল্লভভাই পেটেলে। ১৩ গৰাকী কাৰ্যনিৰ্বাহক সদস্যই ইয়াৰ বিৰোধিতা কৰিলে। এই প্ৰস্তাৱ গৃহীত হোৱাৰ পাছত গান্ধীজীয়ে দেশবাসীক এটা মন্ত্ৰ দিছিল। কৰিম কিম্বা মৰিম। শেষ নিশা ইংৰাজ চৰকাৰে বোম্বেত গান্ধীজী প্ৰমুখ্যে সকলো নেতাক আটক কৰাৰ লগতে সমগ্ৰ ভাৰততে কংগ্ৰেছৰ নেতাসকলক বন্দী কৰিলে। ন আগষ্টৰ পুৱা বোম্বেত অৰুণা আশ্ৰফ আলীয়ে স্বাধীনতাৰ পতাকা উত্তোলন কৰি। সমগ্ৰ ভাৰততে স্বাধীনতাৰ বাবে গণ বিপ্লৱ আৰম্ভ হ'ল। চিপাহী আন্দোলনতকৈ এই বিপ্লৱ প্ৰবল হৈছিল আৰু সমগ্ৰ ভাৰততে বিয়পি পৰিছিল আৰু সৰ্বসাধাৰণ লোক ইয়াত জড়িত হৈ পৰিছিল।

অসমত এই আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰিছিল। সৰ্বমুঠ ২৯ গৰাকীৰ মৃত্যু হৈছিল। 'ভাৰত ত্যাগ প্ৰস্তাৱ সফল কৰিবলৈ গৈ অসমত কুশল কোঁৱৰে যোৰহাট জেলত ফাঁচিকাঠত প্ৰাণ বিসৰ্জন দিছিল। এই প্ৰস্তাৱ সফল কৰিবলৈ শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিত ১৩ গৰাকীৰ পুলিচৰ গুলিচালনা আৰু দুৰ্বৃত্তৰ আক্ৰমণত মৃত্যু হৈছিল। অৱশ্যে এই সংখ্যা অধিক আছিল। এই কথা জ্যোতিপ্ৰসাদ আগৰৱালা আৰু তেজপুৰৰ পৰা ঢেকিয়াজুলিলৈ বিদ্ৰোহ দমন কৰিবলৈ অহা কেপ্টেইন ফিনচৰ লগত থকা হৰেন্দ্ৰ নাথ বৰুৱাই তেওঁলোকৰ লেখাত প্ৰকাশ কৰি গৈছে। গান্ধীজীয়ে কৈছিল নেতাসকল জেলত থাকিব। গতিকে ভাৰত ত্যাগ প্ৰস্তাৱ ৰাইজে সফল কৰিব লাগিব। বাস্তৱত ঢেকিয়াজুলিত সেয়ে হৈছিল। ঢেকিয়াজুলি থানাত পূৰ্বদিশৰ পৰা যোৱা শোভাযাত্ৰাকাৰীসকলক নেতৃত্ব দিবৰ বাবে পুষ্পলতা দাসক দায়িত্ব দিয়া হৈছিল। শোভাযাত্ৰা পৰিচালনা কৰিবৰ বাবে দলপতি হিচাপে কমলা কান্ত দাস আৰু সহযোগী হিচাপে ফণীধৰ দাস আৰু বাপুৰাম গগৈক ১৯৪২ৰ ১৫ ছেপ্টেম্বৰৰ দিনা বৰগাঁও নামঘৰত পুষ্পলতা দাসৰ সভানেত্ৰীত্বত অনুষ্ঠিত ৰাজহুৱা সভাত দায়িত্ব প্ৰদান কৰিছিল। ঢেকিয়াজুলি থানাত ২০ ছেপ্টেম্বৰৰ দিনা পতাকা উত্তোলন কৰিবৰ বাবে মৃত্যু বাহিনীৰ সদস্য হিচাপে মনবৰ নাথ, গোলোক নেওগ আৰু চন্দ্ৰকান্ত নাথক সভাই নিৰ্বাচিত কৰিছিল। সেই ঐতিহাসিক দিনটোত ঢেকিয়াজুলি থানাত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ গৈ ১৩গৰাকীৰ মৃত্যু হৈছিল। কিন্তু আমাৰ দুৰ্ভাগ্য এয়ে যে এই তেজে ধোঁৱা কাহিনীয়ে আজিও ভাৰতৰ স্বাধীনতা আন্দোলনৰ বুৰঞ্জীত স্থান পোৱা নাই। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ২০২১ৰ ফেব্ৰুৱাৰীৰ সাত তাৰিখে ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ গৈ তিলেশ্বৰী বৰুৱা নামৰ এগৰাকী ১২ বছৰীয়া কিশোৰীয়ে কি দৰে প্ৰাণ বিসৰ্জন দিছিল সেই কথা প্ৰকাশো কৰি গৈছে। সেইদিনা মৃত্যুবৰণ কৰিছিল মনবৰ নাথ, কুমলী দেৱী, মহীৰাম কোচ, লেৰেলা কছাৰী, কিশোৰী তিলেশ্বৰী বৰুৱা, ৰতন কছাৰী, সৰুনাথ চুতীয়া, দয়াল পানিকা, খহুলী নাথ, মণিৰাম কছাৰী, মংগল কুকু, এজন অজ্ঞাত সাধু আৰু এজন অজ্ঞাত ভিক্ষাৰী। ইয়াৰে প্ৰথম ১১গৰাকীক তেজপুৰ জিলা কংগ্ৰেছ কমিটীয়ে ছহিদ আখ্যা দিয়ে। সাধু আৰু ভিক্ষাৰীগৰাকী শোভাযাত্ৰাত অহা নাছিল বাবে তেওঁলোকক ছহিদৰ মৰ্যাদা দিয়া নহ'ল বুলি কথা প্ৰসংগত অমিয় কুমাৰ দাসে এই লেখকক কৈছিল। একেদিনাই গহপুৰত বীৰাংগনা কনকলতা আৰু মুকুন্দ কাকতি ছহিদ হৈছিল।

স্বাধীনতাৰ ৭৫টা বছৰ আমি অতিক্ৰম কৰিলো। ভাৰতৰ স্বাধীনতা আন্দোলনত আজিও অসমৰ অৱদানৰ কথা শুদ্ধ ৰূপত প্ৰকাশ হোৱা নাই। আজিও অসমৰ ছহিদসকল উপেক্ষিত হৈ আছে। ৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ ছহিদসকল উপেক্ষিত হৈ থকাটো দুখৰ কথা। দেশৰ ছহিদসকলক প্ৰণাম।

ফোন ঃ ৯৪৩৫১৮১৭৪৮

আজিও উপেক্ষিত হৈ ৰ'ল

'৪২ৰ ঢেকিয়াজুলিত ভাৰত ত্যাগ আন্দোলনৰ ঘটনাৱলী

দুলাল নাথ

জালিয়ানৱালাবাগৰ দ্বিতীয় সংস্কৰণৰূপে খ্যাত ১৯৪২ৰ ২০ ছেপ্টেম্বৰত স্বাধীনতা আন্দোলনত শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি আৰক্ষী থানাত থিতাতে ১৩ গৰাকী লোক ছহিদ হ'বলগীয়া হৈছিল! ভাৰতৰ্বষই স্বাধীনতা লাভ কৰা প্ৰায় ৭৫ বছৰ অতিক্ৰম কৰিলে অথচ এই ঘটনাই আজিও ৰাষ্ট্ৰীয় স্বীকৃতি নাপালে। দেশ স্বাধীন কৰিবলৈ বহুজনেই আত্মবলিদান দিলে , দেশৰ নামত প্ৰাণ আহুতি দিয়া বীৰ-বীৰাংগনা ছহিদসকলৰ পৰিয়ালৰ কথা; কিন্তু স্বাৰোজোত্তৰ কালত কাৰো যেন ভাবিবলৈ আহৰি নাই। আজি ৰজা ঘৰ, প্ৰজা ঘৰ কাৰো কাৰণে পৰিচিত নহয় এই ছহিদসকলৰ পৰিয়াল। যি ছহিদৰ তেজৰ বিনিময়ত দেশে স্বাধীনতা লাভ কৰি আজিৰ অৱস্থা পালে তেওঁলোকৰ পৰিয়াল এতিয়া কেনে আছে, কি কৰিছে, কি খাইছে চাবলৈ যেন কাৰো সময় নাই। আজিও উপেক্ষিত হৈ ৰৈছে ছহিদসকলৰ উত্তৰাধিকাৰীসকল। মহাত্মা গান্ধীৰ 'কৰিম কিম্বা মৰিম' মন্ত্ৰৰে অনুপ্ৰাণিত হৈ কংগ্ৰেছৰ ভাৰত ত্যাগ আন্দোলন কাৰ্যসূচী অনুসৰি অহিংস প্ৰক্ৰিয়াৰে অসমতো কে'বাটাও তাৰিখত এই আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ইয়াৰ অংশ স্বৰূপে ১৯৪২ৰ ২০ ছেপ্টেম্বৰৰ দিনটোত ঢেকিয়াজুলিৰ থানাৰ পৰা ব্ৰিটিছ চৰকাৰৰ ইউনিয়ন জেক নমাই অহিংস প্ৰক্ৰিয়াৰে ত্ৰিবৰ্ণ জাতীয় পতাকা উত্তোলন কৰিবলৈ জহামাৰী, বৰগাঁও, নাহৰবাৰী, কাৰৈমাৰী, বৰবিল, ঠেলামৰা, কেহেৰুখন্দা আদি অঞ্চলৰ কে'বাহেজাৰো প্ৰতিবাদী জনতাই সমদল কৰি ঢেকিয়াজুলি থানাৰ সন্মুখত উপস্থিত হৈছিল। ঢেকিয়াজুলিৰ থানাৰ ডাৰোগা মহীধৰ বৰাই লাঠিধাৰী আৰু বন্দুকধাৰী পুলিচ আগত লৈ মুক্তিকামী জনতাক থানাৰ ভিতৰলৈ প্ৰৱেশ নকৰিবলৈ কোৱাৰ লগতে উক্ত ঠাই পৰিত্যাগ কৰিবলৈ সৰ্তক কৰি দিয়ে। স্বাধীনতাকামী হেজাৰ হেজাৰ জনতাৰ ভিতৰৰ নিৰ্বাচিত মৃত্যু বাহিনীৰ লোকসকলে 'বন্দে মাতৰম' ধ্বনিৰে সংগ্ৰামী জনতাক জাগ্ৰত কৰি থানাৰ চিপাহীৰ প্ৰৱল প্ৰত্যাহ্বান নেওচি থানাৰ চৌহদত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰে। সেই সময়তেই প্ৰতিবাদী ৰাইজ আৰু ব্ৰিটিছ চিপাহীৰ মাজত বাক্ যুদ্ধত চাৰিওদিশে হুলস্থুলীয়া পৰিৱেশ সৃষ্টি হৈ থকাৰ সময়তেই মৃত্যু বাহিনীৰ প্ৰথম সদস্য মনবৰ নাথে ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ চেষ্টা কৰোতেই বন্দুকৰ গুলিয়ে তেওঁৰ বুকু ভেদ কৰে আৰু লগে লগে মনবৰ নাথ মাটিত ঢলি পৰে। ইয়াৰ পাছতেই ১২ গৰাকী বীৰ বীৰাংগনা ক্ৰমে কুমলী দেৱী, খহুলী দেৱী, ৰতন কছাৰী, লেৰেলা কছাৰী, মণিৰাম বড়ো, সৰুনাথ চুতীয়া, দয়াল দাস পাণিকা, মংগল কুৰ্কু, তিলেশ্বৰী বৰুৱা, মহিৰাম কোচৰ স'তে এগৰাকী সাধু আৰু এগৰাকী ভিক্ষাৰীয়ে নিজৰ প্ৰাণ বিৰ্সজন দিলে। ব্ৰিটিছ শাসনৰ বাঘজৰী ওফৰাই পেলাবলৈ নিশ্চিত মৃত্যুৰ কথা জানিও মৃত্যু বাহিনী গঠন কৰি প্ৰাণ বিৰ্সজন দিয়া সংগ্ৰামী পৃথিৱীৰ যি কোনো বিপ্লৱতেই বিৰল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ৰাজ্যিক পৰ্যায়ৰ কথা বাদেই জিলা পৰ্যায়ৰ কোনো নেতাৰ নেতৃত্বৰ অবিহনে স্থানীয় কংগ্ৰেছ কৰ্মী কমলা কান্ত দাস, ফণীধৰ দাস, বাপুৰাম গগৈ আদি নেতাসকলৰ নেতৃত্বত ২০ ছেপ্টেম্বৰৰ দিনা ১৩ গৰাকী বীৰ ছহিদে প্ৰাণ হেৰুৱাৰ উপৰি ব্ৰিটিছৰ ভেৰোণীয়া গুণ্ডা আৰু পুলিচ বাহিনীয়ে দেশ প্ৰেমী সংগ্ৰামী জনতাক খেদি খেদি মাৰধৰ কৰে। যাৰ ফলস্বৰূপে বহুলোকে জীৱনৰ বাবে ঘুণীয়া হৈ ৰ'ল আৰু জীৱনৰ বাকীকালছোৱাত পংগুত্বৰ জীৱন কটাবলগীয়া হ'ল।

আজি স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পাছতো ভাৰতৰ্বষৰ স্বাধীনতা সংগ্ৰামৰ এই ঐতিহাসিক দিনটোৰ প্ৰকৃত ঘটনাৰ মূল্যায়ন আৰু ছহিদ তথা নিৰ্যাতিতসকলক কোনো মূল্য দিয়া নহ'ল- এফালে কুশল কোঁৱৰ, ভোগেশ্বৰী ফুকননী, কনকলতা, মুকুন্দ কাকতি প্ৰমুখ্যে স্বাধীনতা সংগ্ৰামীসকলক যিদৰে চৰকাৰে গুৰুত্ব দিলে থিক একে উদ্দেশ্যেৰে গৈ দেশৰ হকে প্ৰাণ আহুতি দিয়া ঢেকিয়াজুলিৰ এই ছহিদসকলক যেন বৈষম্যৰ দৃষ্টিৰে চোৱা হ'ল আৰু ঢেকিয়াজুলিৰ ১৩ গৰাকী ছহিদক কেৱল অৱজ্ঞা কৰাহে দেখা গ'ল। সম্প্ৰতি ছহিদ আৰু ছহিদসকলৰ উত্তৰাধিকাৰীৰ নাজল-নাথল অৱস্থা দেখা গৈছে। দৰিদ্ৰতাৰ কৰাল গ্ৰাসত পৰি কোনোৱে দিন হাজিৰা, কোনোৱে ভিক্ষা বৃত্তি, কোনোৱে দেশীয় সুৰা বিক্ৰী কৰি আনফালে কোনোৱে খাল ডোং সিঁচি মাছ পুঠি বিক্ৰী কৰি পেট প্ৰৱৰ্তাইছে। যিসকল লোকে স্বাধীন ভাৰতৰ সোণোৱালী সপোন দেখি নিজৰ ল'ৰা-ছোৱালী, আত্মীয়-পৰিজনৰ কথা নাভাবি দেশৰ হকে প্ৰাণ বিৰ্সজন দিলে সেইসকল ছহিদ পৰিয়ালৰ কথা ভাবিবলৈ যেন আমাৰ কাৰো আহৰি নাই। অন্য নহ'লেও জীৱন-জীৱিকাৰ বাবে এইসকলৰ পৰিয়ালক যোগ্যতাৰ ভিত্তিত ন্যূনতম চৰকাৰী চাকৰি বা আৰ্থিক সকাহ দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল। ইয়াকে নকৰি বছৰৰ ২০ ছেপ্টেম্বৰৰ দিনা এই ছহিদসকলৰ পৰিয়াল বৰ্গক মহান সজাই একোখনকৈ গামোচা পিন্ধাই দি ছহিদৰ প্ৰতি শ্ৰদ্ধাত গদ্ গদ্ হৈ প্ৰতিশ্ৰুতিৰ বন্যাৰে ৰজা ঘৰে নিজৰ দায়িত্ব সামৰে। অকল ইমানেই নহয় '৪২ সেই ঐতিহাসিক দিনটোৰ কথা আজিৰ যুৱ প্ৰজন্মৰ বাবে পাহৰণিৰ গৰ্ভত। বিদ্যালয়ৰ পাঠ্যপুঠিত এই ঘটনাৰ কথা সন্নিবিষ্ট কৰি নৱ প্ৰজন্মক ইয়াৰ বিষয়ে জনাবলৈ প্ৰয়োজন বোধ কৰা নহ'ল। বিগত কেইবছৰ মান পূৰ্বে শোণিতপুৰ জিলাৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত ডিমচাঁদ বৰদলৈ দেৱে '৪২ৰ ছহিদ সম্পৰ্কে এটি লেখা অসম চৰকাৰৰ শিক্ষা বিভাগৰ নৱম শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যক্ৰমত স্থান পাইছিল যদিও দুৰ্ভাগ্যবশতঃ মাত্ৰ এটা বছৰৰ পাছত এই পাঠটি পাঠ্যপুথিৰ পৰা আঁতৰাই দিয়া হয়। '৪২ৰ ঢেকিয়াজুলি ছহিদ সম্পৰ্কীয় এই লেখাটো কি কাৰণত আঁতৰাই দিলে ইয়ো অবুজ সাথৰ ৰৈ ৰ'ল। অকল ইমানেই নহয় '৪২ৰ ঢেকিয়াজুলি ছহিদ সম্পৰ্কীয় লেখাত বিভিন্নজনে জ্ঞাত বা অজ্ঞাতে ছহিদৰ সম্পৰ্কে লেখাত ভুল তথা বিকৃত তথ্যৰে সমগ্ৰ ঘটনাটো বিকৃত ৰূপত প্ৰকাশ কৰাটো অতিকৈ দুৰ্ভাগ্যজনক বিষয়। উদাহৰণ স্বৰূপে মনবৰ নাথৰ ঠাইত মনবৰ কছাৰী, খহুলী দেৱীৰ ঠাইত খুহুলী নাথ ইত্যাদি ইত্যাদি। ইয়াৰ উপৰি বহু লোকে ছহিদসকলক জাত পাতৰ ৰাজনীতিৰে যেন কলুষিত কৰা বুলি অনুভৱ হয়। যাৰ উদাত্ত আহ্বানত সকলোকে আগুৱাই নিছিল পৰাধীনতাৰ শিকলি ছিঙিবলৈ এইসকল ছহিদৰ অসীম ত্যাগৰ বিনিময়ত আমি স্বাধীনতা পালো আৰু তাৰ বিনিময়ত স্বাধীনোত্তৰ কালত ছহিদসকলৰ পৰিয়ালৰ লোকে পালে ৰাজসাহায্যৰ নামত মাত্ৰ একোটাকৈ ইন্দিৰা আৱাস যোজনাৰ গৃহ। পৰৱৰ্তী সময়ত বিজেপি চৰকাৰে অসমৰ ২৮ গৰাকী ছহিদৰ পৰিয়াল আৰু নিকট আত্মীয়ক পাঁচ লাখ টকাকৈ এককালিন সাহায্য দিয়াৰ প্ৰতিশ্ৰুতি দিছিল ফলশ্ৰুতিত বহুকেইটা ছহিদ পৰিয়ালে টকা পালে যদিও আজিও আন বহুকেইগৰাকী ছহিদ পৰিয়ালৰ নিকট আত্মীই বিভিন্ন চৰকাৰী মেৰপাকৰ বাবে এই অৰ্থ সাহায্য পাবলৈ সক্ষম নহ'ল। আটাইতকৈ ডাঙৰ কথাটো হ'ল টকা নোপোৱা ছহিদ পৰিয়ালকেইটা ইমানো শিক্ষিত নহয় যে, জিলা প্ৰশাসন বা চৰকাৰৰ মন্ত্ৰী-বিধায়কৰ কাষলৈ গৈ নিজৰ প্ৰাপ্য দাবী কৰিব পাৰিব। ইয়াৰ উপৰি বৰ্তমানৰ চৰকাৰখনে বৃহত্তৰ ঢেকিয়াজুলি অঞ্চলৰ ১১টা পথ ১১ গৰাকী ছহিদৰ নামত এটিকৈ স্মৃতিসৌধ নিৰ্মাণ কৰি পথকেইটা নামকৰণ কৰা দেখা গৈছে। ছহিদসকলৰ বাবে আজিৰ তাৰিখত এইখিনি কৰণীয়ই পৰ্যপ্ত জানো?

১৯৪২ৰ ছহিদ আৰু মুক্তিযোদ্ধা পৰিয়ালে চৰকাৰৰ পৰা নিজৰ প্ৰাপ্য আদায় কৰিবলৈ আন্দোলন, স্মাৰকপত্ৰ, অনশন কৰিবলগীয়া পৰিৱেশ সৃষ্টি হোৱাটোৱে অতিকৈ দুৰ্ভাগ্যজনক বিষয়। বছৰৰ ছহিদ দিৱসৰ মাহটোত ছহিদ আৰু মুক্তিযোদ্ধা পৰিয়ালক আদৰ সাদৰ অন্ত নাথাকে, কিন্তু ২০ ছেপ্টেম্বৰ পাৰ হ'লেই সকলোৱে এইসকলক পাহৰি যোৱাটো এক নিত্যনৈমিত্তিক ঘটনালৈ পৰ্যবসিত হৈছে। আটাইতকৈ ডাঙৰ কথাটো হ'ল কেন্দ্ৰীয় চৰকাৰে স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰি জাতীয় পতাকা ঘৰে ঘৰে উত্তোলন কৰিবলৈ ৰাইজক আহ্বান জনাইছে ই বৰ আশাপদ খবৰ। কিন্তু ইয়াৰ বিপৰীতে যি সকল স্বাধীনতা সেনানীৰ বাবে আমি স্বাধীনতাৰ মুখ দেখিলো সেইসকলৰ ত্যাগ যেন স্মৰণ কৰিবলৈ আমাৰ আহৰি নাই আৰু সেইসকল বীৰআত্মাক শ্ৰদ্ধা দিবলৈকো অসমৰ্থ। নীতিগতভাৱে '৪২ ৰ ছহিদসকলক স্মৰণ কৰিবলৈ সমগ্ৰ জিলাখনতেই নহয় অসমতে ২০ ছেপ্টেম্বৰ ছহিদ দিৱসটি ধাৰাবাহিকভাৱে চৰকাৰে নিজে আড়ম্বৰপূৰ্ণতাৰে পালন কৰি নৱ প্ৰজন্মক উদ্বুদ্ধ কৰিব লাগিছিল তাকে নকৰিলে। ফলশ্ৰুতিত জহামাৰী, কাৰৈমাৰী, ঠেলামাৰা, বৰগাঁও ইত্যাদি অঞ্চলসমূহৰ ৰাইজে নিজৰ গাঁঠিৰ ধন ভাঙি দিৱসটি অনুষ্ঠুপীয়াকৈ পালন কৰি এই বীৰ বীৰাংগনাসকলক শ্ৰদ্ধা নিবেদিছে। বৰ্তমান কেইবছৰ ধৰি যি ঠাইৰ পৰা প্ৰতিবাদী সমদল ওলাই আহিছিল সেই অঞ্চলত নাথ যোগীৰ বিভিন্ন সংগঠন আৰু **১৯৪২**ৰ মুক্তি যোদ্ধা, ছহিদ স্মৃতি ন্যাস নামৰ সংগঠনকেইটাই ৰাইজৰ পৰা দান-বৰঙণি তুলি ২০ ছেপ্টেম্বৰৰ ছহিদ দিৱসটি নিজা নিজাকৈ একেদিনাই পালন কৰি অহা পৰিলক্ষিত হৈছে।

যিকেইখন গাঁৱৰ পৰা ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ সংগ্ৰামী জনতা ওলাই আহিছিল সেই ছহিদৰ গাঁওসমূহ আজিৰ তাৰিখত উন্নতিৰ জখলাত যি দৰে উঠিব লাগিছিল সেয়া হৈ নুঠিল, ই আমাৰ বাবে অতি পৰিতাপৰ কথা। ইয়াৰ বিপৰীতে যি ঠাইত উক্ত দিনা ঘটনা সংঘটিত হৈছিল সেই ঢেকিয়াজুলি চহৰক লৈয়ে যেন এতিয়া সকলোৱে ব্যস্ত। অকল ইমানেই নহয় ব্ৰিটিছ চৰকাৰৰ সেই সময়ৰ বেতনভোগী কৰ্মচাৰীও স্বাধীনতাৰ পাছত ডাঙৰ দেশ প্ৰেমিকৰূপে স্বীকৃতি পালে। এনেকৈয়ে আৰু কিমান দিন ছহিদ পৰিয়াল তথা মুক্তিযোদ্ধা পৰিয়ালবৰ্গই কিবা এটা পোৱাৰ বাবে হাত সাবটি থাকিব? *ফোন ঃ ৮৬৩৮৬১০৪৮৩*

দৈনিক অগ্ৰদূত

জনজাতি খণ্ড-আবেষ্টনীৰ পৰা বেদখলকাৰীক উচ্ছেদৰ দাবীত বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চৰ ধৰ্ণা

বেদখলকাৰীৰ কবলত বিটিচিৰ জনজাতি খণ্ড-আবেষ্টনীৰ তিনি লাখ ৭৯ হেজাৰ ৫০৫ বিঘা ভূমি

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ বিটিচিৰ সদৰ কোকৰাঝাৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত আজি বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চই তিনিঘণ্টীয়া অৱস্থান ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বড়োলেণ্ড *আঠ পৃষ্ঠাত চাওক*

কোচ ৰাজবংশী জনগোষ্ঠীৰ সকলো দল-সংগঠনক লৈ ঐক্যবদ্ধ গঠনেৰে আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত

বিজেপি চৰকাৰৰ প্ৰতাৰণাৰ অভিযোগ আক্ৰাছুৰ

অপ্ৰাদেশিকীকৃত হাইস্কুল শিক্ষক সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী, সোমবাৰে মহানগৰীত।

অগ্ৰদূত ব্যুৰʼ

বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ

এইবাৰ আমি কেৱল আক্ৰাছুৱে অকলে আন্দোলন নকৰো। বৰঞ্চ এইবাৰ কোচ ৰাজবংশী জাতিৰ যিমানবোৰ দল-সংগঠন আছে আমি সকলোৱে এটা মঞ্চত উপনীত হৈ আমাৰ জাতিৰ স্বাৰ্থত আৰু জনজাতিকৰণৰ স্বাৰ্থত একত্ৰিত হৈ বিজেপি চৰকাৰক ওফৰাই দিয়াৰ কাৰণে ঐক্যবদ্ধ সংগ্ৰাম কৰিম।ʼ এই মন্তব্য আক্ৰাছুৰ নেতৃত্বৰ। সোমবাৰে বঙাইগাঁও চহৰৰ বৰপাৰাস্থিত আক্ৰাছুৰ মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত আক্ৰাছুৰ নেতৃত্বই এই মন্তব্য কৰে। উল্লেখ্য যে সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ দীৰ্ঘদিনীয়া পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠন আৰু কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীক লৈ বিজেপি নেতৃত্বাধীন *আঠ পৃষ্ঠাত চাওক*

বড়ো ভাষাৰ প্ৰথমখন দৈনিক বাতৰি কাকত ‘চানচেয়াৰী বড়োলেণ্ড ইংখঙʼৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

বড়ো ভাষা-সংস্কৃতিৰ সংগঠক নবীন চন্দ্ৰ মণ্ডললৈ ইংখঙৰ চতুৰ্দশ ‘মেন অৱ দ্য ইয়েৰ’ বঁটা

Day of the Bodoland
and
Programme of the

অগ্ৰদূত ব্যুৰʼ

বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ চিৰাং জিলাৰ বিজনী চহৰৰ ইংখং পাব্লিকেছনত আজি ‘ইংখং ৱেলফেয়াৰ ছʼচাইটিʼৰ উদ্যোগত ইংখং ৱেলফেয়াৰ ছʼচাইটিৰ ২০২২ৰ ‘মেন অৱ দ্য ইয়েৰ’ বঁটা প্ৰদান কৰা হয়। চলিত ২০২২ৰ চতুৰ্দশ ‘মেন অৱ দ্য ইয়েৰ’ বঁটাৰ বাবে ইংখং ৱেলফেয়াৰ ছʼচাইটিয়ে উত্তৰবংগৰ বড়ো মূলীয় বিশিষ্ট সমাজকৰ্মী, বড়ো ভাষা-সংস্কৃতিৰ সংৰক্ষক, বড়ো সাহিত্য সভা আৰু বাথৌ ধৰ্মৰ *আঠ পৃষ্ঠাত চাওক*

অনাস্থা ভোটত পৰাজিত মাখিবাহা গাঁও পঞ্চায়তৰ সভাপতি নৱ কুমাৰ শৰ্মা

অগ্ৰদূত বাৰ্তা

টিহু, ১৯ ছেপ্টেম্বৰ ঃ টিহু উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪১ নম্বৰ মাখিবাহা গাঁও পঞ্চায়তৰ ১০ গৰাকী সদস্য-সদস্যাৰ ভিতৰত নগৰাকী সদস্য-সদস্যাই যোৱা চাৰি আগষ্টত সভাপতি নৱ কুমাৰ শৰ্মাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ দাখিল কৰিছিল। অনাস্থা প্ৰস্তাৱ দাখিল কৰা সদস্য-সদস্যাসকলে অনা অভিযোগ অনুসৰি, পঞ্চায়ত ব্যৱস্থাৰ অন্যতম চালিকা শক্তি সদস্য-সদস্যাসকলক অন্ধকাৰত ৰাখি পঞ্চায়তখনৰ কাম-কাজ স্বচ্ছাৰে এককভাৱে পৰিচালনা কৰা, জনতাই নিৰ্বাচিত কৰা সদস্য-সদস্যাসকলৰ চহী জালিয়াতিৰে পঞ্চায়তৰ কাম-কাজ নীতিবহিৰ্ভূতভাৱে পৰিচালনা কৰা, গাঁও পঞ্চায়তৰ ৰাজহুৱা কাম-কাজবোৰ ৰাইজৰ হকে ৰাইজৰ দ্বাৰা নকৰি পঞ্চায়তৰ সদস্য-সদস্যাসকলৰ অজ্ঞাতে ঠিকাদাৰী ৰূপত পৰিচালনা কৰা, শালীনতাৰ সীমা চেৰাই গাঁও পঞ্চায়তৰ সদস্য-সদস্যাসকলক অভদ্ৰ আচৰণ কৰা আদি অভিযোগ উত্থাপন কৰি অনাস্থা প্ৰস্তাৱ দাখিল কৰে। গাঁও পঞ্চায়তৰ সদস্য-সদস্যা ৰূপা বণিয়া, নাৰায়ণ বৰ্মন, স্বপ্না ডেকা, মথুৰ পাঠক, অঞ্জলি ডেকা, যামিনী পাঠক, চাণক্য পাঠক, ভনীতা ৰাজবংশী আৰু মলিন পাঠকে স্বাক্ষৰিত অনাস্থা প্ৰস্তাৱৰ কপি মাখিবাহা গাঁও পঞ্চায়তৰ সচিব আৰু টিহু-মথুৰাপুৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মনৰ ওচৰত দাখিল কৰিছিল। বিষয়টো দীৰ্ঘদিন অমীমাংসিত হৈ থকাত আজি টিহু উন্নয়ন খণ্ড কাৰ্যালয়ত সভাপতি নৱ কুমাৰ শৰ্মাৰ বিৰুদ্ধে অনাস্থা ভোট গ্ৰহণ কৰা হয়। জিলা পৰ্যবেক্ষক ভনীতা ডেকাৰ উপস্থিতিত অনুষ্ঠিত অনাস্থা ভোটত মাখিবাহা গাঁও পঞ্চায়তৰ ১০ গৰাকী সদস্যৰ ভিতৰত আঠগৰাকী সদস্য-সদস্যাই অনাস্থাৰ সপক্ষে ভোট প্ৰদান কৰাত সভাপতি নৱ কুমাৰ শৰ্মা অনাস্থা ভোটত পৰাজিত হয় বুলি খণ্ড কাৰ্যালয়ৰ পৰা জানিব পৰা যায়।

ভেৰগাঁৱৰ পিছলাপাৰাত বিশ্বকৰ্মা পূজাৰ প্ৰসাদ খাই অসুস্থৰ সংখ্যা ২৫লৈ বৃদ্ধি

আজি পুনৰ শিশুসহ সাতজন বিষক্ৰিয়াত আক্ৰান্ত

অগ্ৰদূত বাৰ্তা

টংলা, ১৯ ছেপ্টেম্বৰ ঃ ওদালগুৰি জিলাৰ ভেৰগাঁৱৰ পিছলাপাৰা গাঁৱত বিশ্বকৰ্মা পূজাৰ প্ৰসাদ খাই অসুস্থ হোৱা লোকৰ সংখ্যা ২৫জনলৈ বৃদ্ধি পাইছে। প্ৰথম অৱস্থাত পূজাৰ প্ৰসাদ খাই শিশুসহ ১৮জন লোক অসুস্থ হৈছিল। বিশ্বকৰ্মা পূজাৰ প্ৰসাদ খোৱাৰ পাছত নিশাৰ পৰাই বিষক্ৰিয়াত আক্ৰান্ত হোৱা লোক কেইজন সুস্থ হৈ নুঠাত কালি তেওঁলোকক এম্বুলেঞ্চ যোগে খৈৰাবাৰী সামূহিক চিকিৎসালয়লৈ আনি চিকিৎসা প্ৰদান কৰা হয়। ইফালে, আজি পুনৰ অসুস্থ হৈ পৰিছে শিশুসহ সাতজন লোক। অসুস্থ হৈ পৰা লোকসকলক ততাতৈয়াকৈ এম্বুলেঞ্চৰ সহায়েৰে আজি খৈৰাবাৰী *আঠ পৃষ্ঠাত চাওক*

গোৱালপাৰাত যুৱ কংগ্ৰেছৰ ব্যতিক্ৰমী প্ৰতিবাদ

শাক-পাচলিৰ দোকান দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন নিবনুৱা দিৱস পালন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৯ ছেপ্টেম্বৰ ঃ পাচলিৰ দোকান দি এক ব্যতিক্ৰমী ৰূপেৰে যুৱ কংগ্ৰেছে আজি গোৱালপাৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন নিবনুৱা দিৱস হিচাপে *আঠ পৃষ্ঠাত চাওক*

আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ পাঁচ জনকৈ বিষয়াৰ কোঠাই বন্ধ

পাঁচ শীৰ্ষ আৰক্ষী বিষয়া অবিহনে চলি আছে নগাঁও আৰক্ষী

বিশেষ সংবাদদাতা

নগাঁও, ১৯ ছেপ্টেম্বৰ ঃ বিশাল ভৌগোলিক পৰিসৰ, অতি ঘন জনবসতি, অত্যধিক অপৰাধমূলক ঘটনাৰে ভাৰাক্ৰান্ত এখন জিলা নগাঁও। তেনে এখন বৃহৎ আৰু অত্যন্ত গুৰুত্বপূৰ্ণ জিলাৰ আৰক্ষী বিভাগ চলি আছে একাধিক শীৰ্ষ আৰক্ষী বিষয়া অবিহনেই। অথচ এই আটাইসমূহ পদেই অত্যন্ত গুৰুত্বপূৰ্ণ। জিলা আৰক্ষী বিভাগত সুদীৰ্ঘ দিন ধৰি *আঠ পৃষ্ঠাত চাওক*



- ■ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হʼল আদৰণি সমিতিৰ অস্থায়ী কাৰ্যালয়
- ■ ২৬ খন উপ-সমিতি গঠন
- ■ অধিবেশনত তৃতীয় বড়ো শান্তি চুক্তি বিটিআৰৰ দফাসমূহ কাৰ্যকৰীকৰণৰ ওপৰত হʼব মুকলি বিশ্লেষণ ঃ দ্বীপেন বড়ো

ৰৌতাত অনুষ্ঠিত হʼব এবছুৰ ৫৫ সংখ্যক বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

টংলা, ১৯ ছেপ্টেম্বৰ ঃ ওদালগুৰি জিলাৰ ৰৌতাত অনুষ্ঠিত হʼব এবছুৰ ৫৫ সংখ্যক বাৰ্ষিক অধিবেশন। কালি ৰৌতাৰ প্ৰাথমিক শিক্ষক সন্মিলনৰ ভৱনত স্থাপন কৰা অধিবেশনৰ আদৰণি সমিতিৰ অস্থায়ী কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। কাৰ্যালয়ৰ দ্বাৰ মুকলিৰ পাছতেই ৰৌতা অঞ্চলৰ বিভিন্ন সংস্থা-সংগঠনৰ মুৰব্বীসকলৰ লগতে স্থানীয় ৰাইজক লৈ আয়োজন কৰা আদৰণি সমিতিৰ এখন বিশাল সভাত অধিবেশনখন সাফল্যমণ্ডিত কৰি তুলিবলৈ ২৬ খন উপ-সমিতি গঠন কৰি দায়িত্বসমূহ ভাগ কৰি দিয়া হয়। এই উপলক্ষে এবছুৰ সভাপতি দ্বীপেন বড়োৱে সংবাদ মাধ্যমক সম্বোধন কৰি এবছুৰ ৫৫ সংখ্যক অধিবেশন বড়ো আন্দোলনৰ ঐতিহাসিক স্থান ৰৌতাত চাৰিদিনীয়া বৰ্ণাঢ্য *আঠ পৃষ্ঠাত চাওক*

গোৱালপাৰাত ৪০ লক্ষাধিক টকা মূল্যৰ সোণ-ৰূপৰ অলংকাৰসহ গ্ৰেপ্তাৰ ছয় চোৰ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৯ ছেপ্টেম্বৰ ঃ গোৱালপাৰাত প্ৰায় ৪০ লক্ষাধিক টকা মূল্যৰ সোণৰূপৰ অলংকাৰসহ ছজনকৈ গভাইত চোৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। গোৱালপাৰা সদৰ আৰক্ষী থানাৰ বিষয়া দেৱজিৎ দাসৰ নেতৃত্বত আৰু চহৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নীপু মণি চৌধুৰীৰ সহযোগত বিগত কেʼবাদিন ধৰি অভিযান চলাই বৃহৎ চুৰিকাণ্ডৰ চক্ৰৰ ছজনকৈ লোক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা বৃহৎ সংখ্যক সোণ-ৰূপৰ অলংকাৰসহ নগদ টকা, লেপটপ, মʼবাইল, কেমেৰা, গাড়ী, স্কুটীসহ বহু চুৰি সামগ্ৰী উদ্ধাৰ কৰে। উল্লেখ্য যে যোৱা দুই ছেপ্টেম্বৰৰ নিশা চহৰৰ গোৱালটুলীৰ অশোক কুমাৰ ঘোষৰ ঘৰত চুৰিকাণ্ড সংঘটিত হয়। এই সন্দৰ্ভত পাছৰ দিনাই গোৱালপাৰা সদৰ থানাত এজাহাৰ দাখিল কৰিছিল। আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধি আইনৰ ৪৭৫/৩৮০ ধাৰাত ২০১/২০২২ নম্বপ এক গোচৰ ৰুজু কৰি অভিযান *আঠ পৃষ্ঠাত চাওক*

মুকালমুৱাৰ সোণাপুৰত লাটমণ্ডলৰ সম্পত্তি জব্দ প্ৰশাসনৰ

মুকালমুৱা, ১৯ ছেপ্টেম্বৰ ঃ মুকালমুৱাৰ সোণাপুৰত এজন লাট মণ্ডলৰ সম্পত্তি জব্দ কৰে প্ৰশাসনে। ভূমি জালিয়াতিৰ গোচৰত অভিযুক্ত লাট মণ্ডল জাকিৰ হুছেইনৰ এটা পুখুৰী জব্দ কৰে প্ৰশাসনে। পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ লাট মণ্ডল আছিল হুছেইন। পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বড়ি টাপা লাটৰ লাট মণ্ডল হুছেইনে একাংশ ভূ-মাফিয়াৰ লগত লগ লাগি জালিয়াতিৰে ভূমি বিক্ৰী কৰাৰ অভিযোগ উত্থাপন কৰিছিল একাংশ ভুক্তভোগীয়ে। ভুক্তভোগী লোকৰ অভিযোগৰ ভিত্তিত পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰ্পণা শৰ্মাই তদন্ত কৰি লাট মণ্ডল হুছেইনৰ বিৰুদ্ধে চলিত বৰ্ষৰ ২৪ ফেব্ৰুৱাৰীত বেলশৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছিল। *আঠ পৃষ্ঠাত চাওক*

মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয়ৰ চৌহদত অমৃত সৰোবৰ পুখুৰী খন্দাৰ প্ৰস্তাৱ বাতিলৰ দাবী

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৯ ছেপ্টেম্ব ঃ মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয় চৌহদত অমৃত সৰোবৰ আঁচনিৰ পুখুৰী খননৰ বিৰোধিতাৰে আজি মাটিয়া মহকুমা দাবী সমিতিৰ বিষয়ববীয়া আৰু স্থানীয় একাংশ সচেতন ৰাইজে আজি জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। উল্লেখ্য যে মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয় চৌহদৰ ৩৬৪ একৰ ভূমিত অমৃত সৰোবৰ আঁচনিৰ পুখুৰী খননৰ বাবে ১৯ লাখ ৫৭ হেজাৰ ৭৮৯ টকা আবণ্টন কৰাৰ লগতে যোৱা ১৭ ছেপ্টেম্বৰত স্থানীয় বিধায়ক এ কে ৰছিদ আলমে আধাৰশিলা স্থাপন কৰে; কিন্তু পুখুৰী খননৰ উক্ত প্ৰস্তাৱ বাতিলৰ দাবী জনাইছে স্থানীয় সচেতন ৰাইজে। স্থানীয় আগশাৰীৰ জ্যেষ্ঠ নাগৰিক শৰৎ চন্দ্ৰ নাথ, সাহাবুদ্দিন আহমেদ, ৰমজান আলী আদি কৰি কে ধাজন

জিলা উপায়ুক্তক লিখিত অভিযোগ

লোকে জিলা উপায়ুক্তক দাখিল কৰা অভিযোগ পত্ৰত উল্লেখ কৰা মতে পুখুৰী খননৰ বাবে আধাৰশিলা স্থাপন কৰা স্থানটো ৰাইজৰ বহুতো উন্নয়নমূলক স্বাৰ্থজড়িত হৈ আছে। মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয় চৌহদত ৰাজহ চক্ৰটোৰ নামত আবণ্টিত প্ৰায় ৪০-৪২ বিঘা জমি আছে। উক্ত জমিত ভৱিষ্যতে মাটিয়া মহকুমা (চিভিল) কাৰ্যালয় স্থাপন কৰাৰ প্ৰক্ৰিয়া চলোৱাৰ বাবে দীৰ্ঘদিনৰ পৰাই মাটিয়া মহকুমা দাবী সমিতিয়ে আবেদন-নিবেদন কৰি আহিছে; কিন্তু যদি উক্ত ভূমিত পুখুৰী খন্দা হয় তেন্তে জমিৰ পৰিমাণ হ্ৰাস পাব আৰু যথা সময়ত মহকুমা হৈ নুঠিব। লগতে ৰাইজৰ দাবীও অথলে যাব। ইপিনে, মাটিয়া ৰাজহ চক্ৰৰ চৌহদৰ উক্ত স্থানত নতুনকৈ দুমহলীয়া বিল্ডিং নিৰ্মাণৰ প্ৰস্তাৱ আৰু কৰ্মচাৰীৰ আৱাসগৃহ, বিষয়াৰ আৱাসগৃহ, মণ্ডল বেৰেক, চতুৰ্থ শ্ৰেণীৰ (চকীদাৰ) আৱাস গৃহ সজোৱাৰ বাবে কে ধাবছৰ আগতে মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয়ৰ *আঠ পৃষ্ঠাত চাওক*

নগাঁৱৰ কাতিমাৰীত চুৰি সোণৰ ৰমৰমীয়া বেহা

বিশেষ সংবাদদাতা

নগাঁও, ১৯ ছেপ্টেম্বৰ ঃ চুৰি সোণৰ অলংকাৰ ক্ৰয়-বিক্ৰয় কৰি নগাঁৱত ৰঙাঘৰৰ আলহী হʼল মহিলাসহ দুজন লোক। আৰক্ষীৰ জালত পৰা মহিলাগৰাকী হৈছে নগাঁও চহৰৰ সমীপৰ কাতিমাৰীৰ নিবাসী উমে কুলচুম। আনজন ধৃত লোক হৈছে গুলজাৰ হুছেইন। নগাঁও আৰক্ষী সূত্ৰই জনোৱা মতে, ধৃত মহিলা গৰাকীয়ে গভাইত চোৰ গুলজাৰৰ সহযোগত কাতিমাৰী অঞ্চলত চুৰি সোণ-ৰূপৰ অলংকাৰৰ ক্ৰয়-বিক্ৰয়ৰ অবৈধ ব্যৱসায় চলাই আহিছিল। গভাইত চোৰ গুলজাৰে চুৰি কৰা সোণ-ৰূপৰ আ-অলংকাৰ, বিভিন্ন সামগ্ৰী কুলচুমে কম দামত ক্ৰয় কৰি এই ব্যৱসায় চলাই আহিছে। কুলচুমে গুলজাৰৰ পৰা ক্ৰয় কৰা চুৰি সোণ-ৰূপৰ গহনা নিজৰ ঘৰত থকা কাৰখানাত নতুন কৈ প্ৰস্তুত কৰি সুলভ মূল্যত গ্ৰাহকক বিক্ৰী কৰে। নগাঁৱৰ হয়বৰগাঁও আৰক্ষীয়ে গোপন সূত্ৰে এই খবৰ লাভ কৰি যোৱা নিশা এক অভিযান চলায়। এই অভিযানৰ সময়ত আৰক্ষীয়ে গুলজাৰক গ্ৰেপ্তাৰ কৰে। গুলজাৰৰ স্বীকাৰোক্তিৰ ভিত্তিত আজি পুৱা আৰক্ষীয়ে কাতিমাৰিত কুলচুমৰ ঘৰত অভিযান চলাই তেওঁকো গ্ৰেপ্তাৰ কৰে। এই অভিযানতে আৰক্ষীয়ে মহিলাগৰাকীৰ ঘৰৰ পৰা সুলভ মূল্যত বিক্ৰী কৰিবলৈ মজুত কৰি ৰখা বুজন পৰিমাণৰ চুৰি সোণৰ গহনা জব্দ কৰে।

গোৱালপাৰা লয়াৰ্চ এছʼচিয়েছনৰ এজাহাৰ·

দুগুণ দামত দলিল বিক্ৰী কৰা তিনি ভেণ্ডৰক গ্ৰেপ্তাৰ আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৯ ছেপ্টেম্বৰ ঃ সদায় কৃত্ৰিম নাটনি দেখুৱাই প্ৰকৃত মূল্যতকৈ অধিক দামত দলিল বিক্ৰী কৰি ভেণ্ডৰসকলে গোৱালপাৰা জিলাত দীৰ্ঘদিনৰ পৰাই একপ্ৰকাৰ সন্ত্ৰাস চলাই আহিছে। ইপিনে, গোৱালপাৰা জিলা আদালতৰ চৌহদত ভেণ্ডৰসকলে দ্বিগুণ হাৰে বিশেষকৈ এশ টকাৰ দলিল দুশ টকাত বিক্ৰী কৰাত সাধাৰণ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ ক্ষেত্ৰত দলিল ক্ৰয় কৰা আৰু নতুনকৈ যোগদান কৰা অধিবক্তাসকলে ব্যাপক অসুবিধাৰ সন্মুখীন হৈছিল। এই সন্দৰ্ভত গোৱালপাৰা লয়াৰ্চ এছʼচিয়েছনৰ হৈ সভাপতি জীতেন দাসে যোৱা ১৭ ছেপ্টেম্বৰত গোৱালপাৰাৰ সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ওপৰত ভিত্তি কৰি আজি আৰক্ষীয়ে আদালত চৌহদৰ পৰা তিলক চন্দ্ৰ পাটগিৰি, এ জামান আৰু মদন ৰায়ক গ্ৰেপ্তাৰ কৰে। ইপিনে, জিলা আদালতৰ মুখ্য ন্যায়িক দণ্ডাধীশে আজি অভিযান চলাই অধিক দামত দলিল বিক্ৰী কৰা ছগৰাকী ভেণ্ডৰক আটক কৰে। আদালতৰ মুখ্য ন্যায়াধীশে গ্ৰাহকৰ ৰূপত দলিল ক্ৰয় কৰিবলৈ অহাৰ পাছতো ভেণ্ডৰসকলে এশ টকাৰ দলিল দুশ টকা খুজিছিল। সেয়ে ন্যায়াধীশজনে ছগৰাকীকৈ ভেণ্ডৰক আটক কৰে। আটকাধীন ভেণ্ডৰসকল হʼল ক্ৰমে আজিবৰ ৰহমান খন্দকাৰ, এ জামান, দুৰ্গেশ্বৰ সিনহা, দিলদাৰ হুছেইন, টি পাটগিৰি আৰু চোলেমান হুছেইন। অৱশ্যে মুখ্য ন্যায়াধীশজনে তেওঁলোকৰ পৰা ভৱিষ্যতে অধিক দাম নোলোৱাৰ লিখিত প্ৰতিশ্ৰুতি ৰাখি এৰি দিয়ে। মুখ্য ন্যায়াধীশজনে এৰি দিলেও দলিলৰ ছিণ্ডিকেট চলোৱা তিলক চন্দ্ৰ পাটগিৰি, এ জামান আৰু মদন ৰায়ক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে।

ৰঙাপৰাত পুনৰ চলিল উচ্ছেদ অভিযান

বহলকৈ পথ নিৰ্মাণৰ বাবে ভাঙি পেলোৱা হʼল দোকান-চৰকাৰী গৃহ

বিশেষ সংবাদদাতা

ৰঙাপৰা, ১৯ ছেপ্টেম্বৰ ঃ শোণিতপুৰৰ ৰঙাপৰাত পুনৰ চলিল উচ্ছেদ অভিযান। জিলা প্ৰশাসনৰ নিৰ্দেশ মৰ্মে আজি বুলডʼজাৰেৰে চলোৱা হয় উচ্ছেদ অভিযান। অৱশ্যে অবৈধভাৱে বসবাস কৰি থকা লোকসকলৰ ওপৰত জিলা প্ৰশাসনে বুলডʼজাৰ চলোৱা নাই। একমাত্ৰ উন্নয়নৰ স্বাৰ্থত সম্পূৰ্ণভাৱে ক্ষতিপূৰণ আদায় দিয়াৰ পাছত ৰঙাপৰা আৰক্ষী থানাৰ সমীপত থকা কেইবাখনো দোকান আৰু ৰঙাপৰা স্বাস্থ্য কেন্দ্ৰৰ ভৱনকে ধৰি পকীবেৰ ভাঙি পেলোৱা হয়। উল্লেখ্য যে ৰঙাপৰাত নৱনিৰ্মিত উৰণীয়া সেতুখনৰ বাবে বহলকৈ পথ নিৰ্মাণ কৰাৰ বাবে প্ৰশাসনে ৰামকৃষ্ণ ঘোষ, নবীন বৈশ্য, প্ৰয়াত বলিত বসুমতাৰী, লিলিমা বসুমতাৰীৰ দুখন, দেৱাশীষ ঘোষৰ আঠখন দোকান, চাৰিটা গৃহৰ লগতে ৰঙাপৰা ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰৰ কেʼবাটাও ভৱন আৰু ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ পকীবেৰ ভাঙি পেলায়। ইয়াৰ ফলত তাৰাজুলিৰ পৰা ৰঙাপৰা নগৰ আৰু বালিপৰালৈ যোৱা উৰণীয়া সেতুলৈ উঠা পথছোৱা বহল।

বিসংগতিপূৰ্ণ স্মাৰ্ট মিটাৰৰ সংযোগ বাতিলৰ দাবীত মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান

ষ্টাফ ৰিপʼৰ্টাৰ

তেজপুৰ, ১৯ ছেপ্টেম্বৰ ঃ বিদ্যুতৰ অস্বাভাৱিক মাচুল বৃদ্ধিৰ প্ৰতিবাদ জনাই আৰু অবিলম্বে মাচুল হ্ৰাস কৰা, প্ৰি-পেইড স্মাৰ্ট মিটাৰ স্থাপন প্ৰক্ৰিয়া বাতিল কৰা আৰু সঘনাই লোড শ্বেডিং বন্ধ কৰাৰ দাবীত আজি অল আছাম ইলেক্ট্ৰিচিটি কনজুমাৰ্চ এছʼচিয়েছনৰ শোণিতপুৰ জিলা ইউনিটৰ এক প্ৰতিনিধি দলে শোণিতপুৰ জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। জিলা উপায়ুক্তৰ হৈ স্মাৰকপত্ৰ গ্ৰহণ কৰে অতিৰিক্ত জিলা উপায়ুক্ত দ্যোতিভা বৰাই। স্মাৰকপত্ৰত কোৱা হয় যে যোৱা কিছুদিন ধৰি সমগ্ৰ ৰাজ্যৰ লগতে শোণিতপুৰতো বিদ্যুৎ বিভাগে গ্ৰাহকসকললৈ অস্বাভাৱিক হাৰত বিদ্যুতৰ বৰ্ধিত বিল প্ৰেৰণ কৰিছে যিটো কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। গৰমৰ সময়ত বিদ্যুতৰ ব্যৱহাৰ বেছি হোৱা বাবে বিদ্যুতৰ বিল বেছি হৈছে বুলি এপিডিচিএলৰ বক্তব্য কেৱল অযুক্তিয়েই নহয়, ই বিভ্ৰান্তিমূলকো। স্মাৰকপত্ৰত উল্লেখ কৰা হয় যে বিদ্যুৎ নিয়ামক আয়োগৰ অধ্যক্ষই ইতিমধ্যে জনাইছে যে যোৱা মাৰ্চৰ পাছত বিদ্যুতৰ মাচুল বৃদ্ধি হোৱা নাই। স্মাৰকপত্ৰত আৰু কোৱা হয় যে তিনি, চাৰি গুণ বৰ্ধিত বিলৰ বাবে স্মাৰ্ট মিটাৰেই দায়ী-এই সত্যতা মুখ্যমন্ত্ৰীয়েও স্বীকাৰ কৰিছে। কনজুমাৰ্চ এছʼচিয়েছনৰ পৰা অভিযোগ কৰা হয় যে প্ৰি-পেইড স্মাৰ্ট মিটাৰ স্থাপন কৰাৰ লগত জনস্বাৰ্থৰ কোনো সম্পৰ্ক নাই। বিদ্যুৎ খণ্ডৰ বেচৰকাৰীকৰণ আৰু ব্যক্তিগত মালিকসকলৰ স্বাৰ্থতেই স্মাৰ্ট মিটাৰ স্থাপন কৰা হৈ আছে। স্মাৰকপত্ৰত অবিলম্বে এই স্মাৰ্ট মিটাৰ স্থাপন বন্ধ কৰাৰ দাবী জনোৱা হয় সংগঠনৰ পক্ষৰ পৰা। উল্লেখ্য আজি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা সংগঠনটোৰ হৈ থিৰেন্দ্ৰ নাথ দাস, ৰঞ্জিত দেবনাথ আৰু হায়দৰ আলী আদিসকল প্ৰতিনিধি দলটোত উপস্থিত আছিল।

এইবাৰ আপৰ নেতা দুৰ্গেশ পাঠকলৈ চমন জাৰি ই ডিৰ

নিউজ ব্যুৰ' নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ দিল্লীৰ উপমুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়াই আজি প্ৰকাশ কৰা অনুসৰি প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ আবকাৰী নীতিৰ তদন্তত আম আদমী পাৰ্টি (আপ)ৰ নগৰ নিগমৰ নিৰ্বাচনৰ প্ৰভাৰী দুৰ্গেশ পাঠকলৈ চমন জাৰি কৰিছে। ছিছ'দিয়াই পাঠকলৈ ই ডিয়ে চমন জাৰি কৰাৰ প্ৰসংগত প্ৰশ্ন উত্থাপন কৰি কয় যে তদন্তকাৰী সংস্থাটোৱে সুৰানীতিৰ সন্দৰ্ভত অনুসন্ধান চলাইছে নে এম চি ডিৰ নিৰ্বাচনক লক্ষ্য হিচাপে লৈ এইদৰে আপৰ নেতালৈ চমন জাৰি কৰিলে? ছিছ'দিয়াই কয়, 'ই ডিয়ে আপৰ এম চি ডিৰ নিৰ্বাচনৰ প্ৰভাৰী দুৰ্গেশ পাঠকলৈ আজি চমন জাৰি কৰিছে। আমাৰ এম চি ডিৰ নিৰ্বাচনৰ প্ৰভাৰীৰ দিল্লী চৰকাৰৰ আবকাৰী নীতিৰ স'তে কি সম্পৰ্ক আছে? তেওঁলোকে (ই ডি) সুৰানীতিক নে এম চি ডিৰ নিৰ্বাচনক লক্ষ্য হিচাপে লৈছে?'

অযোধ্যাত ৮.৫৬ লাখ টকা ব্যয়ৰে যুৱকে নিৰ্মাণ কৰালে আদিত্যনাথ মন্দিৰ

নিউজ ব্যুৰ', অযোধ্যা, ১৯ ছেপ্টেম্বৰ ঃ উত্তৰ প্ৰদেশৰ অযোধ্যাৰ ভৰতকুণ্ডত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নামত এটা মন্দিৰ নিৰ্মাণ কৰা হ'ল। মৌৰ্যাৰ পূৰবা গাঁৱৰ নিবাসী ৩২ বছৰ বয়সীয়া প্ৰভাকৰ মৌৰ্যাই ৮.৫৬ লাখ টকা ব্যয়ৰে মুখ্যমন্ত্ৰীৰ নামত এই মন্দিৰ নিৰ্মাণ কৰিলে। মন্দিৰটোত যোগীক ৰামৰ অৱতাৰত উপস্থাপন কৰা হৈছে। যোগীৰ মূৰ্তিৰ হাতত আছে ধনু আৰু তীৰ। সম্প্ৰতি এই মন্দিৰত প্ৰতিদিনে পুৱা-গধূলি প্ৰভাকৰে যোগীৰ মূৰ্তি পূজা-আৰতি কৰি আহিছে। প্ৰভাকৰ এজন জনপ্ৰিয় ইউ টিউবাৰ আৰু যোগীৰ গুণানুকীৰ্তন কৰি বৰ্তমানলৈকে তেওঁ ৫০০ৰো অধিক গীত ৰচনা কৰিছে। এই মন্দিৰত প্ৰতিষ্ঠা কৰা যোগীৰ মূৰ্তিটো ৰাজস্থানৰ পৰা অৰ্ডাৰ দি নিৰ্মাণ কৰা হৈছিল। প্ৰভাকৰৰ মতে, মুখ্যমন্ত্ৰী যোগী হৈছে ৰাম আৰু কৃষ্ণৰ আধুনিক অৱতাৰ। প্ৰভাকৰৰ ইউ টিউব চেনেলৰ এক লাখ ৫২ হেজাৰৰো অধিক ছাবস্ক্ৰাইবাৰ আছে।

তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱাই শাড়ী পিন্ধি খেলিলে ফুটবল, সামাজিক মাধ্যমত হ'ল চৰ্চিত

নিউজ ব্যুৰ', কলকাতা, ১৯ ছেপ্টেম্বৰ ঃ পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰই শাড়ী পিন্ধি ফুটবল খেলা এক ভিডিঅ' সামাজিক মাধ্যমত শেহতীয়াভাৱে ভাইৰেল হৈছে। তৃণমূল সাংসদগৰাকীয়ে কলকাতাৰ কৃষ্ণ নগৰৰ এম পি কাপ টুৰ্ণামেণ্টত এইদৰে শাড়ী পৰিধান কৰি ফুটবল খেলিছিল। মহুৱাই টুইটাৰত আজি খেলৰ সময় গ্ৰহণ কৰা দুখন ফটো শ্বেয়াৰ কৰে। এই ফটোত মহুৱাই শাড়ী পৰিধান কৰি ফুটবল খেলাৰ দৃশ্য আবদ্ধ হৈছিল। ফটোত শিৰোনামা লিখি সাংসদগৰাকীয়ে এইদৰে কয়, 'কৃষ্ণনগৰ এম পি কাপ টুৰ্ণামেণ্ট ২০২২ৰ ফাইনেল খেলৰ কিছু ধেমেলীয়া মুহূৰ্ত। হয়, মই শাড়ী পিন্ধি খেলিলো।' উল্লেখ্য যে ইয়াৰ পূৰ্বেও মহুৱাই শাড়ী পিন্ধি ফুটবল খেলিছিল। যোৱা ১৬ আগষ্টত তৃণমূল কংগ্ৰেছে 'খেলা হবে' দিৱস পালন কৰিছিল আৰু উক্ত দিনাও মহুৱাই শাড়ী পৰিধান কৰি ফুটবল খেলিছিল।

উত্তৰ প্ৰদেশত ৮০ বছৰ পুৰণি বাসগৃহ খহি নিহত তিনিজন

নিউজ ব্যুৰ' দেৱৰিয়া, ১৯ ছেপ্টেম্বৰ ঃ উত্তৰ প্ৰদেশৰ দেৱৰিয়া চহৰৰ আনচাৰি ৰোডত থকা এয়া বাসগৃহ হঠাতে খহি পৰাত কমেও তিনিজন লোকৰ মৃত্যু হ'ল। প্ৰাপ্ত বাতৰি অনুসৰি, ৮০ বছৰৰো অধিক পুৰণি উক্ত বাসগৃহটো জৰাজীৰ্ণ অৱস্থাত আছিল আৰু সোমবাৰে হঠাতে অট্টালিকাটো বাগৰি ধ্বংসস্তূপত পৰিণত হয়। ধ্বংসস্তূপৰ পৰা তিনিটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ধ্বংসস্তূপৰ তলত অধিক সংখ্যক লোক আবদ্ধ হৈ থকা বুলি সন্দেহ কৰা হৈছে।

পাৰ্থ-অৰ্পিতাৰ ৪৬.২২ কোটি টকাৰ সম্পত্তি বাজেয়াপ্ত ই ডিৰ

নিউজ ব্যুৰ', কলকাতা, ১৯ ছেপ্টেম্বৰ ঃ পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰিৰ গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ ৰাজ্যখনৰ প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জীৰ ৪৬.২২ কোটি টকাৰ সম্পত্তি বাজেয়াপ্ত কৰিলে। উল্লেখ্য যে পাৰ্থ অহা ছেপ্টেম্বৰলৈকে চি বি আইৰ জিম্মাত আছে। পাৰ্থ আৰু তেওঁৰ সহযোগী অৰ্পিতাক যোৱা ২৩ জুলাইত প্ৰৱৰ্তক সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰিছিল। ই ডিয়ে অৰ্পিতাৰ ফ্লেটৰ পৰা অলংকাৰৰ লগতে অন্যান্য সম্পত্তিসহ প্ৰায় ৫০ কোটি টকাৰো অধিক নগদ ধনো জব্দ কৰিছিল। ই ডিয়ে প্ৰকাশ কৰা অনুসৰি পাৰ্থ আৰু অৰ্পিতাৰ জব্দ কৰা সম্পত্তিৰ ভিতৰত ৪০.৩৩ কোটি টকাৰ মূল্যৰ এটা ফাৰ্ম হাউছ, ফ্লেট আৰু কলকাতাত ভূমিসহ ৪০ টা অচল সম্পত্তি আছে।

যিকোনো সময়তে ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে পাৰমাণৱিক যুদ্ধাস্ত্ৰ ব্যৱহাৰ কৰিব পাৰে

ইউক্ৰেইনত পৰমাণু আক্ৰমণ হ'লে প্ৰত্যুত্তৰ দিব আমেৰিকাই



নিউজ ব্যুৰ' ৱাশ্বিংটন, ১৯ ছেপ্টেম্বৰ ঃ ছমাহৰ অধিক দিন ধৰি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত আছে প্ৰবল যুদ্ধ। আৰম্ভণিতে ৰুছ সেনা বাহিনীয়ে এই যুদ্ধত সফলতা লাভ কৰিছিল যদিও সময়ৰ লগে লগে ইউক্ৰেইন যুদ্ধ ৰাছিয়াৰ বাবে এক বোজাত পৰিণত হৈছে। শেহতীয়াভাৱে খাৰকীভসহ একাধিক অঞ্চল ৰুছ সেনাৰ দখলমুক্ত কৰিবলৈ সফল হৈছে ইউক্ৰেইনৰ সেনা বাহিনী। কিন্তু শেহতীয়াভাৱে এক আশংকা কৰা হৈছে যে যিকোনো সময়তে নিজৰ জয় নিশ্চিত কৰিবলৈ ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে পাৰমাণৱিক যুদ্ধাস্ত্ৰ ব্যৱহাৰ কৰিব পাৰে। ৰাছিয়াই এনে পদক্ষেপ গ্ৰহণ কৰিলে ভয়াৱহ প্ৰত্যুত্তৰ দিয়া হ'ব বুলি আজি ৰুছ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনক সকীয়াই দিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। মাৰ্কিন সংবাদ মাধ্যমৰ সাক্ষাৎকাৰত ইউক্ৰেইনত পাৰমাণৱিক আৰু ৰাসায়নিক অস্ত্ৰ ব্যৱহাৰ নকৰিবলৈ পুটিনক অনুৰোধ জনালে বাইডেনে। অন্যথা আমেৰিকাই এনে পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হ'ব, যি কথা কোনেও কল্পনা কৰিব নোৱাৰিব। সংবাদ মাধ্যমৰ আগত ৰাষ্ট্ৰপতি বাইডেনে কয়, 'নকৰিব, নকৰিব, নকৰিব। (আণৱিক বা ৰাসায়নিক অস্ত্ৰৰ ব্যৱহাৰ) যুদ্ধৰ অভিমুখ সম্পূৰ্ণ কৰি দিব। পৰিস্থিতি এনে হ'ব যাক দ্বিতীয় বিশ্বযুদ্ধৰ পাছত কোনেও প্ৰত্যক্ষ কৰা নাই। বিশ্বমঞ্চত ৰাছিয়া এঘৰীয়া হ'ব। ৰাছিয়াই ইউক্ৰেইনত যি পদক্ষেপ গ্ৰহণ কৰিব, সেই অনুসৰি তেওঁলোকক প্ৰত্যুত্তৰ দিয়া হ'ব।' উল্লেখ্য যে ৰুছ-ইউক্ৰেইন যুদ্ধৰ আৰম্ভণিতে পুটিনে কৈছিল যে পশ্চিম বিশ্বই এই যুদ্ধত অযাচিত হস্তক্ষেপ কৰিলে ইয়াৰ উত্তৰ ৰাছিয়াই এনেদৰে দিব, বিশ্ব ইতিহাসত যি ঘটনা পূৰ্বে কোনেও প্ৰত্যক্ষ কৰা নাছিল।

সঞ্জয় ৰাউটৰ ন্যায়িক জিম্মাৰ ম্যাদ পুনৰ ১৪ দিনলৈ বৃদ্ধি

নিউজ ব্যুৰ' মুম্বাই, ১৯ ছেপ্টেম্বৰ ঃ পাত্ৰা চাওল ভূমি কেলেংকাৰিত অবৈধ ধন সৰবৰাহৰ গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ গ্ৰেপ্তাৰ কৰা শিৱসেনাৰ নেতা সঞ্জয় ৰাউটৰ বিপদৰ অন্ত নপৰা হৈছে। আজি বিশেষ আদালতে ৰাউটৰ ন্যায়িক জিম্মাৰ ম্যাদ পুনৰ ১৪ দিনলৈ বৃদ্ধি কৰিলে। ৰাউটৰ জামিনৰ আবেদনৰ শুনানিও আজি আদালতে গ্ৰহণ কৰিব নোৱাৰিলে। আদালতে অহা ২১ ছেপ্টেম্বৰত ৰাউটৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰিব। আদালতৰ নিৰ্দেশৰ পাছত আজি ই ডিয়ে ৰাউটৰ বিৰুদ্ধে প্ৰস্তুত কৰা অভিযোগনামাৰ কপিও ন্যায়ালয়ত জমা দিয়ে। উল্লেখ্য যে ৬০ বছৰীয়া ৰাউটক যোৱা ৩১ জুলাইত ই ডিয়ে গ্ৰেপ্তাৰ কৰিছিল।

ইৰানত হিজাবক লৈ সংঘাত বৃদ্ধি, দমন-নিপীড়নৰ বিৰুদ্ধে প্ৰতিবাদত মহিলাই কটালে চুলি, জ্বলালে হিজাব

নিউজ ব্যুৰ', তেহৰান, ১৯ ছেপ্টেম্বৰ ঃ ইৰানত আৰক্ষীৰ জিম্মাত থকা অৱস্থাত মহচা অমিনি নামৰ এগৰাকী যুৱতীৰ মৃত্যুৰ পাছত তেহৰানত আৰক্ষীৰ বিৰুদ্ধে মহিলাৰ প্ৰতিবাদ অব্যাহত আছে। আৰক্ষী বিৰোধী প্ৰতিবাদত অংশ লোৱা মহিলাই নিজৰ চুলি কাটি পেলোৱাৰ লগতে হিজাবো জ্বলাই ক্ষোভ উজাৰিছে। উত্থাপিত অভিযোগ অনুসৰি মহচা নামৰ যুৱতীগৰাকীক হিজাব পৰিধান নকৰাৰ কাৰণত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি নিৰ্মম নিৰ্যাতন চলাইছিল আৰু ফলত মস্তিষ্কৰ ৰক্তক্ষৰণ হৈ পাছত চিকিৎসালয়ত মহচাৰ মৃত্যু হৈছিল। এই ঘটনাৰ পাছতে ৰাজধানী তেহৰানত সহস্ৰাধিক মহিলাই ৰাজপথলৈ ওলাই আহি প্ৰশাসনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। একাংশ মহিলাই নিজৰ চুলি কাটি পেলায় আৰু আন একাংশই হিজাব জ্বলাই চৰকাৰ বিৰোধী প্ৰতিবাদত অংশ লৈছে। সামাজিক মাধ্যমতো একাংশ মহিলাই প্ৰতিবাদ সাব্যস্ত কৰাৰ বিভিন্ন ভিডিঅ' শ্বেয়াৰ কৰিছে। এইসকল প্ৰতিবাদকাৰী মহিলাই সামাজিক মাধ্যমৰ জৰিয়তে কৈছে যে চৰকাৰে ইৰানৰ মহিলাক দমন-নিপীড়ন চলাই আহিছে আৰু ইয়াৰে শেহতীয়া উদাহৰণ হৈছে আৰক্ষীৰ জিম্মাত ২২ বছৰীয়া মহচাৰ মৃত্যু হোৱাৰ ঘটনা। প্ৰশাসনৰ এনে নাৰী বিৰোধী দমন-নিপীড়নৰ সহ্য কৰা নহ'ব বুলি প্ৰতিবাদকাৰী মহিলাই সকীয়াই দিছে। বলপূৰ্বক হিজাব পৰিধানৰ বিৰুদ্ধে অচিৰে আন্দোলন ব্যাপক কৰি তোলা হ'ব বুলিও প্ৰতিবাদকাৰী মহিলাই ঘোষণা কৰিছে। ইতিমধ্যে সামাজিক মাধ্যমতো 'ন টু হিজাব' শীৰ্ষক এক অভিযান জনপ্ৰিয় হৈছে। এই অভিযানৰ জৰিয়তে ইৰানী মহিলাই হিজাব অবিহনে নিজৰ ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰ কৰিছে।

সেউজ সংকেতৰ অপেক্ষা, খোলা হ'ব পাৰে পুৰীৰ জগন্নাথ মন্দিৰৰ ৰত্নভাণ্ডাৰ

নিউজ ব্যুৰ', পুৰী, ১৯ ছেপ্টেম্বৰ ঃ খোলা হ'ব পাৰে পুৰীৰ বিখ্যাত জগন্নাথ মন্দিৰৰ ৰত্নভাণ্ডাৰ। অন্তিমবাৰ দ্বাদশ শতাব্দীৰ এই ৰত্নভাণ্ডাৰৰ সম্পদৰ হিচাপ পৰীক্ষা কৰা হৈছিল ১৯৭৮ত। এই সন্দৰ্ভত অহা ২৭ ছেপ্টেম্বৰত এখন বৈঠকৰ আহ্বান জনোৱা হৈছে আৰু এই বৈঠকত সেউজ সংকেত লাভ কৰিলে চৰকাৰৰ অনুমতিৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ব। জগন্নাথ মন্দিৰৰ ৰত্নভাণ্ডাৰৰ দুৱাৰ খোলা হ'ব নে নহ'ব ইয়াৰ উত্তৰ আগন্তুক কিছু দিনৰ ভিতৰতে লাভ কৰা যাব। মুঠ সাতটা কোঠাত ৰত্নভাণ্ডাৰ আছে।

যোগীৰাজ্যত পুনৰ দলিত নাবালিকাক দলবদ্ধ ধৰ্ষণ, ডিজেল ঢালি জ্বলাই হত্যা



নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৯ ছেপ্টেম্বৰ ঃ যোগী আদিত্যনাথ শাসিত উত্তৰ প্ৰদেশত পুনৰ সংঘটিত হ'ল দলিত নাবালিকা ধৰ্ষণ আৰু এই হত্যাকাণ্ড। এইবাৰ এগৰাকী দলিত নাবালিকাক দলবদ্ধ ধৰ্ষণৰ পাছত অগ্নিসংযোগ কৰি হত্যা কৰা হ'ল। ঘটনাৰ স'তে জড়িত দুই অভিযুক্তক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা চলিত মাহৰ আৰম্ভণিতে পিলিভিটত এই ধৰ্ষণ আৰু হত্যাকাণ্ড সংঘটিত হৈছিল যদিও সম্প্ৰতি ই পোহৰলৈ আহে। কোনৰাৰপুৰ গাঁৱৰ দুজন লোকে এগৰাকী নাবালিকাক প্ৰথমে দলবদ্ধ ধৰ্ষণ কৰিছিল আৰু পাছত নাবালিকাক ডিজেল ঢালি অগ্নিসংযোগ কৰিছিল। পাছত ১২ দিন ধৰি চিকিৎসাধীন হৈ নাবালিকাই শেষ নিশ্বাস ত্যাগ কৰে। যোগীৰ ৰাজ্যত এটাৰ পাছত আন এটা দলিত নিৰ্যাতনৰ ঘটনাই স্বাভাৱিকতে ৰাজ্য চৰকাৰক বিব্ৰত কৰিছে।

আমেৰিকাত সংকটত গণতন্ত্ৰ ঃ ৬৯ শতাংশ দেশবাসীৰ মতে গণতন্ত্ৰ সবল নহয়



নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৯ ছেপ্টেম্বৰ ঃ আমেৰিকাত বিগত এশ বছৰত একাধিকবাৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক পট পৰিৱৰ্তন সংঘটিত হৈছিল। মহামন্দাৰ সময়ত আমেৰিকাবাসীয়ে দেশৰ আৰ্থিক ব্যৱস্থাটোৰ প্ৰতি সন্দেহ প্ৰকাশ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধ আৰু শীতল যুদ্ধৰ ফলতো আমেৰিকাৰ ৰাজনীতি প্ৰভাৱিত হৈছিল। একেদৰে ১৯৬০ আৰু ৭০ৰ দশকত সংঘটিত হোৱা হত্যাকাণ্ড, সংঘৰ্ষ, ভিয়েটনাম যুদ্ধত পৰাজয় আদিৰ দৰে ঘটনায়ো আমেৰিকাৰ ৰাজনৈতিক জোঁকাৰি গৈছিল। কিন্তু ইমানৰ পাছতো আমেৰিকাৰ গণতন্ত্ৰ সুস্থিৰ হৈ আছিল। কিন্তু এতিয়া সময় সলনি হৈছে। আমেৰিকা আজি যি স্থিতিত উপনীত হৈছে, পূৰ্বে কাহানিও মাৰ্কিন গণতন্ত্ৰই এনে সমস্যাৰ সন্মুখীন হোৱা নাছিল। এক সমীক্ষাৰ তথ্য অনুসৰি সম্প্ৰতি আমেৰিকাৰ গণতন্ত্ৰ গভীৰ সমস্যাৰ সন্মুখীন হৈছে। দেশখনৰ ৬৯ শতাংশ নাগৰিকৰ মতে মাৰ্কিন গণতন্ত্ৰ পূৰ্বৰ দৰে স্থিৰ হৈ থকা নাই। দেশখনৰ দুটাকৈ মুখ্য ৰাজনৈতিক দলৰ অন্যতম এক ৰিপাব্লিকান পাৰ্টিয়ে নিৰ্বাচনত পৰাজয়ক স্বীকাৰ কৰিবলৈ অসন্মতি প্ৰকাশ কৰাটো মাৰ্কিন গণতন্ত্ৰৰ শেহতীয়া এক দুৰ্বলতা হিচাপে পৰিচিত হৈছে। উল্লেখ্য যে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত পৰাজয়ৰ পাছতো ড'নাল্ড ট্ৰাম্পে সেই পৰাজয়ক স্বীকাৰ কৰিব বিচৰা নাছিল। ২০২০ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ডেম'ক্ৰেট দলৰ প্ৰাৰ্থী জ' বাইডেনে জালিয়াতিৰে জয়লাভ কৰা বুলিও ট্ৰাম্পে অভিযোগ উত্থাপন কৰিছিল। এনেবোৰ অভিযোগ-প্ৰতি অভিযোগে সম্প্ৰতি মাৰ্কিন গণতন্ত্ৰক নেতিবাচকভাৱে প্ৰভাৱিত কৰিছে। জনছ হপকিন্স ইউনিভাৰ্ছিটিৰ ৰাজনৈতিক বিজ্ঞান বিভাগে চলোৱা সমীক্ষাত মাৰ্কিন গণতন্ত্ৰৰ দুৰ্বলতাৰ সন্দৰ্ভত বহু চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহে। সমীক্ষাত ৬৯ শতাংশ ডেম'ক্ৰেট সমৰ্থক আৰু ৬৯ শতাংশ ৰিপাব্লিকান সমৰ্থকে কয় যে গণতন্ত্ৰ ধৰাশায়ী হোৱাৰ শংকা আছে।

বিৰোধীক হতাশ কৰি ২০২৪ত অকলে যুঁজাৰ ইংগিত কেজৰিৱালৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে ২০২৪ৰ লোকসভাৰ নিৰ্বাচনত আপে অকলে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাৰ ইংগিত দিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে বিৰোধীয়ে একত্ৰিত হৈ যুঁজ দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়তে দেওবাৰে কেজৰিৱালে বিৰোধীক হতাশ কৰি ইংগিত দি কয় যে এনেধৰণৰ কোনো মৰ্চাৰ অংশীদাৰ নহয় আপ। আপে নিজকে বিজেপিৰ বিকল্প হিচাপে প্ৰক্ষেপ কৰিছে আৰু সম্প্ৰতি দলে গুজৰাট বিধানসভাৰ নিৰ্বাচনক লৈ সক্ৰিয়তা প্ৰদৰ্শন কৰিছে বুলি কেজৰিৱালে মন্তব্য কৰি কয় যে ২০২৪ৰ লোকসভাৰ নিৰ্বাচনতো আপে অকলে যুঁজ দিব।



তিনি দশকৰ পাছত কাশ্মীৰত খোল খাব চিত্ৰগৃহৰ দুৱাৰ

নিউজ ব্যুৰ', শ্ৰীনগৰ, ১৯ ছেপ্টেম্বৰ ঃ জম্মু-কাশ্মীৰত তিনি দশকৰ পাছত মুকলি কৰা হ'ব চিত্ৰগৃহৰ দুৱাৰ। কালি জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই দুটাকৈ নতুন মাল্টিপ্লেক্সৰ উদ্বোধন কৰিলে। কাইলৈৰ পৰা এই চিত্ৰগৃহত চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। স্মৰ্তব্য যে ১৯৮০ দশকৰ অন্তিম ভাগলৈকে জম্মু-কাশ্মীৰত প্ৰায় এক ডজন চিত্ৰগৃহ আছিল। কিন্তু যোৱা শতিকাৰ ৯০ দশকৰ পৰা এই চিত্ৰগৃহসমূহ এটাৰ পাছত আন এটাকৈ বন্ধ হৈছিল। সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ফলত ৰাজ্যখনত ইমানদিনে চিত্ৰগৃহৰ দৰ্শকৰ বাবে পুনৰ মুকলি কৰাটো সম্ভৱ হোৱা নাছিল। কিন্তু অৱশেষত দেওবাৰে ৰাজ্যখনত দুটাকৈ মাল্টিপ্লেক্স উদ্বোধন কৰা হ'ল। মঙলবাৰৰ পৰা এই চিত্ৰগৃহত প্ৰদৰ্শন কৰা হ'ব আমিৰ খান অভিনীত চলচ্চিত্ৰ 'লাল সিং চড্ডা'।

চীনে আক্ৰমণ কৰিলে টাইৱানক ৰক্ষা কৰিব আমেৰিকাই ঃ ৰাষ্ট্ৰপতি বাইডেন



নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৯ ছেপ্টেম্বৰ ঃ আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে কয় যে যদি চীনে টাইৱানক আক্ৰমণৰ অপচেষ্টা চলায়, তেন্তে মাৰ্কিন সেনা বাহিনীয়ে টাইৱানক সুৰক্ষা প্ৰদান কৰিব। উল্লেখ্য যে চীনে এই স্বশাসিত দ্বীপৰাষ্ট্ৰখন নিজৰ বুলি দাবী কৰি আহিছে। চি বি এছ নিউজৰ এক সাক্ষাৎকাৰত ৰাষ্ট্ৰপতি বাইডেনক সাংবাদিকে এইদৰে প্ৰশ্ন কৰিছিল, 'যদি চীনে টাইৱানক আক্ৰমণ কৰে, তেন্তে আমেৰিকাৰ সেনা বাহিনীয়ে দেশখনক ৰক্ষা কৰিব নে?' এই প্ৰশ্নৰ উত্তৰ দি বাইডেনে কয়, 'হয়, নিশ্চিতভাৱে এনে পৰিস্থিতিত মাৰ্কিন সেনা বাহিনীয়ে টাইৱানক প্ৰয়োজনীয় নিৰাপত্তা প্ৰদান কৰিব।' উক্ত সাক্ষাৎকাৰত বাইডেনে লগতে কয় যে টাইৱান প্ৰসংগত হোৱাইট হাউছৰ নীতি সলনি কৰা হোৱা নাই। টাইৱান সমস্যাটোৰ শান্তিপূৰ্ণ সমাধান আমেৰিকাই বিচাৰে বুলিও বাইডেনে মন্তব্য কৰে।

দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ৪৮৫০লৈ হ্ৰাস, মৃত্যু ১০ জনৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ বিগত দুদিন ধৰি দেশৰ ক'ভিডৰ দৈনিক সংক্ৰমণ পাঁচ হেজাৰৰ উৰ্ধ্বত থকাৰ পাছত যোৱা ২৪ ঘণ্টাত আক্ৰান্তৰ সংখ্যা ৪৮৫৮ জনলৈ হ্ৰাস পালে। দেওবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৫৬৬৪ জন। যোৱা ২৪ ঘণ্টাত কেৰালাত ২০৫০, মহাৰাষ্ট্ৰত ৬০২, তামিলনাডুত ৪৯২, কৰ্ণাটকত ৬০৬, পশ্চিমবংগত ২৬৭ আৰু ওড়িছাত ২০৭ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ১০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

কংগ্ৰেছ সভাপতিৰ নিৰ্বাচনৰ পূৰ্বে ছোনিয়াক সাক্ষাৎ সাংসদ থাৰুৰৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা শশী থাৰুৰে দলৰ সভাপতি নিৰ্বাচনৰ পূৰ্বে আজি কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীক সাক্ষাৎ কৰে। টুইটাৰত আজি নিজে এই কথা প্ৰকাশ কৰিলে কংগ্ৰেছ সাংসদজনে। অৱশ্যে ছোনিয়াৰ স'তে হোৱা আলোচনাৰ সন্দৰ্ভত সবিশেষ প্ৰকাশৰ পৰা বিৰত আছে থাৰুৰ। উল্লেখ্য যে কিছুদিন পূৰ্বে থাৰুৰে দলৰ সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা কৰাৰ ইংগিত দিছিল। কংগ্ৰেছ সভাপতি পদৰ নিৰ্বাচনৰ বাবে ২২ ছেপ্টেম্বৰত অধিসূচনা জাৰি কৰা হ'ব আৰু ২৪-৩০ ছেপ্টেম্বৰলৈকে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব পাৰিব। মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন হৈছে আঠ অক্টোবৰ। একাধিক প্ৰাৰ্থীৰ ক্ষেত্ৰত ১৭ অক্টোবৰত দলীয় নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ১৯ অক্টোবৰত ফলাফল ঘোষণা কৰা হ'ব। থাৰুৰে ছোনিয়াক সাক্ষাৎ কৰাৰ সময়তে কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা ঝাৰখণ্ডৰ প্ৰভাৰী অবিনাশ পাণ্ডেয়েও কংগ্ৰেছ সভানেত্ৰীক সাক্ষাৎ কৰিলে। পাণ্ডেয়ে ঝাৰখণ্ডৰ শেহতীয়া ৰাজনৈতিক পৰিস্থিতিৰ সন্দৰ্ভত ছোনিয়াক অৱগত কৰে।

নিউজিলেণ্ডৰ সবাতোকৈ বৃহৎ চহৰৰ প্ৰতি তৃতীয়জন বাসিন্দাই ত্যাগ কৰিব বিচাৰে অকলেণ্ড, কিন্তু কিয়?

নিউজ ব্যুৰ', অকলেণ্ড, ১৯ ছেপ্টেম্বৰ ঃ নিউজিলেণ্ডৰ সবাতোকৈ বৃহৎ চহৰ অকলেণ্ডৰ এক তৃতীয়াংশ বাসিন্দাই এই চহৰ আগন্তুক পাঁচ বছৰত ত্যাগ কৰিব বিচাৰে। কিন্তু কিয় অকলেণ্ডবাসীয়ে নিজ চহৰ ত্যাগ কৰিব বিচাৰিছে? এক প্ৰতিবেদনৰ তথ্য অনুসৰি, বৰ্ধিত ব্যয়, তীব্ৰ যান-জঁট আৰু নিৰাপত্তাহীনতাৰ কাৰণত অকলেণ্ডত বসবাস কৰা প্ৰতি তৃতীয়জন বাসিন্দাই আগন্তুক পাঁচ বছৰৰ ভিতৰত এই চহৰখন ত্যাগ কৰি আন চহৰত বসবাস কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। 'ষ্টাফ'ৰ দ্বাৰা কৰা সমীক্ষাত অকলেণ্ডত বাস কৰা প্ৰতি পাঁচজন ব্যক্তিৰ দুজনে প্ৰকাশ কৰা মতে এই চহৰত বসবাস কৰি তেওঁ সুখী। অৰ্থাৎ সমীক্ষাৰ তথ্য অনুসৰি অকলেণ্ডৰ প্ৰতি পাঁচজন বাসিন্দাৰ তিনিজনে চহৰখনত বসবাস কৰি সুখী হ'ব পৰা নাই। সমীক্ষাটোৱে ৫৫০০ জন নিউজিলেণ্ডবাসীক সামৰি লৈছিল আৰু ইয়াৰে ৩৩ শতাংশ হৈছে অকলেণ্ডৰ বাসিন্দা। সমীক্ষাত অংশ লোৱা ৬৮ শতাংশ লোকে কয় যে জীৱন-ধাৰণৰ বৰ্ধিত ব্যয় আৰু আবাসগৃহৰ সমস্যাত তেওঁলোক জৰ্জৰিত হৈছে। যান-জঁট আৰু নিৰাপত্তাৰ অভাৱৰ কাৰণতো অকলেণ্ডবাসীয়ে চহৰখনত বসবাস কৰি আনন্দ অনুভৱ নকৰা হৈছে।

ৰেলযোগে নিউ বঙাইগাঁৱলৈ অহা দুই সন্দেহজনক বাংলাদেশী নাগৰিকক আটক

নিউ বঙাইগাঁও জংচনত পুৱতি নিশা ৰাষ্ট্ৰীয় বজৰংগ দলৰ কৰ্মীৰ প্ৰতিবাদ

অগ্ৰদূত ব্যুৰ’
বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ দুজন সন্দেহজনক বাংলাদেশী নাগৰিকক আজি পুৱতি নিশা নিউ বঙাইগাঁও জংচনত আটক কৰিলে বজৰংগ দলৰ একাংশ কৰ্মীয়ে। ইয়াৰ সমান্তৰালকৈ বঙাইগাঁও জিলা সদৰৰ নিউ বঙাইগাঁও চৰকাৰী ৰেল সুৰক্ষা বাহিনী (জিআৰপিএফ)য়ে সন্দেহযুক্ত বাংলাদেশী নাগৰিক দুজনক আটক নকৰাৰ অভিযোগত বঙাইগাঁও আৰু চিৰাং জিলাৰ ৰাষ্ট্ৰীয় বজৰংগ দলৰ কৰ্মীসকলে নিউ বঙাইগাঁও জংচনৰ আৰপিএফৰ কাৰ্যালয়ত প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে আজি পুৱতি নিশা সুমন শ্বেইখ (২৭) আৰু জইথ হাছান (১৮) নামৰ সন্দেহযুক্ত বাংলাদেশী নাগৰিকদ্বয়ক বজৰংগ দলৰ কৰ্মী সকলে আটক কৰে। এক গোপন সূত্ৰৰ পম খেদি বজৰংগ দলৰ কৰ্মীসকলে নিউ বঙাইগাঁও জংচনত অৱস্থান কৰি আছিল। সন্দেহযুক্ত নাগৰিকদ্বয়ে জংচনত ৰেলৰ পৰা নমাৰ লগে লগে বজৰংগ দলৰ কৰ্মীসকলে তেওঁলোকক আটক কৰে। ইয়াৰ পাছতে দুয়োকে ৰেল আৰক্ষীক গতাই দিয়ে। উল্লেখ যে সন্দেহজনক বাংলাদেশী নাগৰিক দুজনক ৰেল আৰক্ষীয়ে প্ৰথমে আটক কৰিবলৈ ইচ্ছা কৰা নাছিল বুলি বজৰংগ দলে অভিযোগ কৰিছে। এই অভিযোগত বজৰংগ দলৰ কৰ্মীসকলে নিউ বঙাইগাঁও জংচনত ৰেল আৰক্ষীৰ বিৰুদ্ধে প্ৰতিবাদত মুখৰ হৈ পৰে।

ইপিনে, নিউ বঙাইগাঁও চৰকাৰী ৰেল সুৰক্ষা বাহিনীৰ সূত্ৰই জনোৱা মতে, আটকাধীন যুৱকদ্বয়ে বাংগালুৰুৰ পৰা পুৰী-কামাখ্যা এক্সপ্ৰেছ যোগে আহি নিউ বঙাইগাঁৱত নামি বিজনীলৈ যোৱাৰ যো-জা চলাওঁতেই বজৰংগ দলৰ কৰ্মীসকলে তেওঁলোকক সন্দেহজনক বাংলাদেশী বুলি আটক কৰি ৰেল আৰক্ষীক হস্তান্তৰ কৰে। সন্দেহজনক বাংলাদেশী বুলি আটক কৰা যুৱকদ্বয়ৰ পৰা ৰেল আৰক্ষীয়ে বিদেশী নাগৰিকৰ কোনো নথিপত্ৰ জব্দ কৰিবলৈ সক্ষম হোৱা নাই বুলি সদৰী কৰিছে। বজৰংগ দলৰ কৰ্মীসকলে গ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ পাছতে সন্দেহযুক্ত বাংলাদেশী নাগৰিক দুজনক ৰেল আৰক্ষীয়ে আটক কৰে। আজি দুয়োকে গুৱাহাটীৰ পাণ্ডুস্থিত ৰেল আৰক্ষীৰ সীমান্ত শাখালৈ প্ৰেৰণ কৰে। ৰেল আৰক্ষীৰ সূত্ৰই জনোৱা মতে, আটকাধীন সুমনৰ ঘৰ বাংলাদেশৰ খুলনা জিলাত আৰু জইথৰ ঘৰ আলীমুৰাদেবাৰী আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত। তেওঁলোকে উত্তৰ বংগৰ পৰা ৰেলযোগে আহি নিউ বঙাইগাঁও ৰেল ষ্টেছনলৈ অহাৰ পাছত চিৰাং জিলাৰ বিজনীলৈ নিজৰ আত্মীয়ৰ ঘৰলৈ যোৱাৰ কথা আছিল বুলি ৰেল আৰক্ষীক জানিবলৈ দিয়ে।

লুইতৰ বালিত চিমেণ্ট মিহলাই

তিনি পৃষ্ঠাৰ পৰা অঞ্চলত কোনকেইটা মথাউৰি দুৰ্বল। যদিহে অভিযন্তাই চৰকাৰক অৱগত নকৰাৰ ফলত বাৰিষা মথাউৰি ভাঙে তেন্তে তাৰ বাবে সংশ্লিষ্ট অভিযন্তাজন দায়ী হ’ব। আকৌ দুৰ্বল মথাউৰি দেখুৱাই দিয়াৰ পাছত নিৰ্মাণ-পুনৰ নিৰ্মাণ নকৰিলে চৰকাৰ দায়ী হ’ব। বিধানসভাত জলসম্পদ মন্ত্ৰীজনে আজি এই কথাও ঘোষণা কৰে যে ৰেলপথসমূহত প্ৰতি পাঁচৰ পৰা সাত কিলোমিটাৰৰ দূৰত্বত একোটাকৈ কালভাৰ্ট স্থাপন কৰা হয় বাবে তুলনামূলকভাৱে বানপানীয়ে ৰেলপথৰ অনিষ্ট নকৰে। গতিকে জলসম্পদ বিভাগেও প্ৰতিটো মথাউৰিতো একোটা নিৰ্দিষ্ট দূৰত্বত শ্লুইছগেট স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা বিভাগে ইতিমধ্যে শতাধিক প্ৰস্তাৱ লাভ কৰিছে যদিও প্ৰথম পৰ্যায়ত জলসম্পদ বিভাগে ৫০খন শ্লুইছগেট স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে। আকৌ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে এছিয়ান ডেভেলপমেণ্টে ৰাজ্যখনলৈ এক বৃহৎ অংকৰ ধন আগবঢ়োৱাৰ কথা সদৰী কৰি কয় যে খহনীয়া প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে দিয়া মুঠতে ১৩ টা প্ৰকল্পত এডিবিয়ে অনুমোদন জনাইছে। ইয়াৰে ভিতৰত ডিব্ৰুগড় জিলাৰ চাবুৱা-শদিয়াৰ বাবে ১৪৮ কোটি টকা, ঢকুৱাখনাৰ বাবে ১৪৪ কোটি টকা, যোৰহাটৰ বাবে ১৮৭.২১ কোটি টকা, মৰিগাঁৱৰ বাবে ২৫০ কোটি টকা, লাহোৱাল-মৰাণৰ বাবে ১৫০ কোটি টকা, শিৱসাগৰলৈ এশ কোটি টকা, গুৱাহাটী পশ্চিমলৈ ১৩১.৯৪ কোটি টকা, বৰপেটালৈ ১৭০ কোটি টকা, পলাশবাৰীলৈ ৭৬ কোটি টকা, গোৱালপাৰালৈ ১১০ কোটি টকা, তেজপুৰলৈ ১৩৮ কোটি টকা, ধুবুৰীলৈ ১৩২ কোটি টকা আৰু নগাঁও জিলাৰ অধীনস্থ অঞ্চলত খহনীয়া প্ৰতিৰোধৰ কামৰ ২২৬.৩০ কোটি টকা আবণ্টন দিছে এডিবিয়ে। এডিবিয়ে অনুমোদন জনোৱা এই প্ৰকল্পসমূহৰ কাম অহা ডিচেম্বৰৰ পৰা আৰম্ভ কৰা হ’ব বুলি জলসম্পদ মন্ত্ৰীজনে সিদ্ধান্ত সদৰী কৰে।

ব্ৰহ্মপুত্ৰৰ বালিত চিমেণ্ট মিহলাই শিলাখণ্ড সৃষ্টিৰে খহনীয়া প্ৰতিৰোধৰ পৰীক্ষামূলক পৰিকল্পনা গ্ৰহণ

খহনীয়া প্ৰতিৰোধৰ বাবে শিলৰ টুকুৰা নৈৰ পাৰত সংস্থাপন কৰাটো সকলোতকৈ শ্ৰেষ্ঠ প্ৰতিৰোধী ব্যৱস্থা বুলি প্ৰতীয়মান হোৱাৰ সূত্ৰে ৰাজ্যৰ জলসম্পদ বিভাগে এইবাৰ ব্ৰহ্মপুত্ৰৰ বালিত চিমেণ্ট মিহলাই শিলাখণ্ড সৃষ্টিৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এই পৰিকল্পনা বাস্তৱায়িত হ’লে খহনীয়া প্ৰতিৰোধৰ সৰ্বোত্তম ব্যৱস্থা কাৰ্যকৰী হ’ব আৰু নিৰ্মাণ ব্যয়ো কম হ’ব। ইতিমধ্যে এই সন্দৰ্ভত বিশেষজ্ঞৰ জৰিয়তে জলসম্পদ বিভাগে পৰীক্ষা-নিৰীক্ষা চলাই থকা বুলি বিভাগীয় মন্ত্ৰী পীযুষ হাজৰিকাই আজি বিধানসভাত সদৰী কৰিছে। একেদৰে জিঅ’ বেগৰ জৰিয়তে খহনীয়া প্ৰতিৰোধ ব্যৱস্থাক অধিক কাৰ্যকৰী কৰিবলৈ জিঅ’ বেগৰ প্ৰতিৰোধী শাৰীৰ পূৰ্বে নৈৰ বক্ষত তিনি শাৰীকৈ পাৰ্কুপাইন স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিভাগে এনেদৰে গ্ৰহণ কৰা প্ৰতিৰোধী ব্যৱস্থাৰ ফলত যোৰহাটৰ নিমাতীঘাটত প্ৰায় ৫০ মিটাৰ দূৰত্বলৈকে নদীৰ পানী পিছুৱাই গৈছে। জিঅ’ বেগৰ সন্মুখত মাথোঁ এটা শাৰীহে পাৰ্কুপাইন দিলে নৈৰ পানীয়ে উটুৱাই নিয়ে বাবে তিনি শাৰীকৈ পাৰ্কুপাইন দিয়াৰ ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

শেহতীয়া বানত ক্ষতিগ্ৰস্ত অঞ্চলক অগ্ৰাধিকাৰ দিয়াৰ সিদ্ধান্ত

হৈ যোৱা বানত ৰাজ্যৰ ৪২টা স্থানত মথাউৰি ভঙাৰ সূত্ৰে এইসমূহ অঞ্চলত অগ্ৰাধিকাৰৰ ভিত্তিত মেৰামতি আৰু প্ৰতিৰোধমূলক কাম কৰিব জলসম্পদ বিভাগে। মঙলদৈৰ পৰা বঙাইগাঁৱলৈকে আৰু বৰাক উপত্যকাতো এইবাৰ বানে তাণ্ডৱ চলোৱাৰ বাবে এইসমূহ অঞ্চলত মেৰামতি আৰু প্ৰতিৰোধমূলক ব্যৱস্থা আগতীয়াকৈ গ্ৰহণ কৰিবলৈ চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰা বুলি মন্ত্ৰী হাজৰিকাই আজি বিধানসভাত সদৰী কৰে। উল্লেখ্য যে বিধানসভাৰ প্ৰশ্নোত্তৰ কালছোৱাত আজি বিধায়ক আমিনুল ইছলাম, আব্দুৰ ৰছিদ মণ্ডল, আব্দুছ ছোবাহান আলী সৰকাৰ, নিজানুৰ ৰহমান আৰু বিধায়ক দিগন্ত বৰ্মনে জলসম্পদ বিভাগৰ বিভিন্ন কাম-কাজক লৈ প্ৰশ্ন উত্থাপন কৰিছিল।

সদন ত্যাগৰ মাজেদি গৃহীত আৰক্ষী

তিনি পৃষ্ঠাৰ পৰা ন্যায়ালয়ৰ গাইডলাইন ভংগ কৰা বুলি বিৰোধীয়ে অভিযোগ কৰাৰ লগতে এই সংশোধনীৰ ফলত আৰক্ষী অধিক বলিয়ান হ’ব তথা পুলিচৰাজ প্ৰতিষ্ঠা হ’ব বুলি কয়। বিধেয়কক লৈ সৰৱ তথা কিছু পৰিমাণে উত্তপ্ত আলোচনাকালত বিধায়িনী দলৰ নেতা দেৱব্ৰত শইকীয়াই কয় যে এই বিধেয়কখন কম সময়ৰ ভিতৰতে অনা হৈছে বাবে ইয়াৰ বিশদ অধ্যয়নৰ প্ৰয়োজন আছে। বিধেয়কখন উচ্চতম ন্যায়ালয়ৰ গাইডলাইনৰ পৰিপন্থী বুলি উল্লেখ কৰি তেওঁ কয় যে এই মৰ্মে আয়োগৰ সদস্য হ’ব লাগে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ। তদুপৰি শইকীয়াই কয় যে আয়োগৰ আঠজন সদস্য এজনো ন্যায়িক সদস্য নহয়।

উল্লেখ্য যে আজি বিৰোধীয়ে বিধেয়কত ১৪টা সংশোধনী প্ৰস্তাৱ উত্থাপন কৰে। কংগ্ৰেছ বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই কয় যে মানুহে আৰক্ষীৰ পৰা ন্যায় বিচাৰ নাপালে। ন্যায় বিচাৰি আয়োগৰ ওচৰলৈ যায়। এই ক্ষেত্ৰত যদি আৰক্ষী বিষয়াই আয়োগৰ নেতৃত্ব দিয়ে তেন্তে ৰাইজে কিমান দূৰ ন্যায় লাভ কৰিব সেয়া প্ৰশ্নৰ বিষয়। তদুপৰি তেওঁ কয় যে অতি কম সময়ৰ ভিতৰত বিধেয়কখন অনা হৈছে। ইয়াক অধ্যয়নৰ বাবে সময় যথেষ্ট কম। সেয়েহে এইখন দলপতিয়ে কোৱাৰ দৰে ছিলেক্ট কমিটীলৈ প্ৰেৰণ কৰিব লাগে। চৰকাৰে ৰাইজৰ বাবে আইন প্ৰণয়নৰ মানসিকতা থাকিব লাগে বুলিও বিধায়কজনে কয়। তদুপৰি তেওঁ কয় এই সংশোধনীৰ জৰিয়তে আৰক্ষীক অধিক ক্ষমতা প্ৰদান কৰা হ’ব। ইয়াৰ অৰ্থ হ’ব যে আৰক্ষীক ‘এনকাউণ্টাৰ’ কৰিবলৈ বলিয়ান কৰা হ’ল। বিধায়ক ৰকিবুল হুছেইনে কয় যে পূৰ্বৰ তৰুণ গগৈৰ চৰকাৰতহে এই সংশোধনী বিধেয়ক উত্থাপন কৰা হৈছিল আৰু বহু বাক বিতণ্ডাৰ পাছত উচ্চতম ন্যায়ালয়ে বিধেয়ক উত্থাপন কৰিবলৈ ৰাজ্য চৰকাৰক বাধ্য কৰাইছিল। ইয়াৰ মূল আত্মা আছিল যে এই বিধেয়কখন ৰাজনৈতিক হ’ব নালাগে, ইয়াত বিধায়ক থাকিব নালাগে। এনে হ’লে ইয়াৰ ৰাজনীতিকৰণ হ’ব আৰু মূল উদ্দেশ্যৰ পৰা বিচ্যুত হ’ব। তেওঁ কয় যে এজনো ন্যায়িক ব্যক্তি বৰ্তমানৰ সংশোধনী বিধেয়কত নাই।

বিধায়ক অখিল গগৈয়ে কয় যে ইয়াৰ নেতৃত্বত অৱসৰপ্ৰাপ্ত জিলা অথবা সত্ৰ ন্যায়াধীশ থাকিব লাগে। উচ্চতম ন্যায়ালয়ৰ গাইডলাইন অনুসৰি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অধ্যক্ষ হ’ব লাগে। তাৰ পৰিৱৰ্তে ডিআইজি অথবা আইজিপিক অধ্যক্ষ দিবলৈ বিচৰা হৈছে। তেওঁ কয় যে ডিআইজি এজনক যদি আৰক্ষীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ চাবলৈ দিয়া হয় তেতিয়াহ’লে উদক ভেটা ৰখীয়াৰ দৰে হ’ব। আৰক্ষীক ৰাজনীতিকৰ পৰা নিলগত ৰাখিবলৈ ন্যায়ালয়ৰ ৰায়দানে কৈছে। অখিলে কয় যে শাসকীয় দলে ৰাজনীতিকক নিজৰ মতে ব্যৱহাৰ কৰে আৰু এই সংশোধনীৰ জৰিয়তে তাৰে ব্যৱস্থা কৰা হৈছে। ন্যায়ালয়ৰ ৰায়দানৰ ওপৰত ভিত্তি কৰি আইনখন প্ৰস্তুত কৰা হৈছে তাৰ পৰিপন্থী ব্যৱস্থাহে লোৱা হৈছে। আৰক্ষীৰ বিৰুদ্ধে অভিযোগ আৰক্ষীয়ে বিচাৰ কৰাটো অতি গুৰুতৰ বিসংগতি বুলি বিধায়কজনে কয়। তেওঁ কয় যে আৰক্ষীয়ে যেতিয়া মানৱাধিকাৰ ভংগ কৰে অথবা ৰাইজৰ বিৰুদ্ধে অৱস্থান গ্ৰহণ কৰে তেতিয়া ৰাইজে যাৰ ওচৰলৈ যাব সেই প্ৰক্ৰিয়াই দুৰ্বল কৰি আনিব বিচাৰে। ভুৱা এনকাউণ্টাৰৰ পৰা আৰক্ষীক বচাবলৈ এনে সংশোধনী অনা বুলি বিধায়কজনে কয়। এইখন বেআইনী বুলিও তেওঁ কয়। বিজেপি চৰকাৰৰ কাৰ্যকালত বহুলোকক হত্যা কৰা হৈছে বুলিও এই প্ৰসংগতে আৰক্ষীৰ বিৰুদ্ধে কয় বিধায়কজনে। এআইইউডিএফৰ আমিনুল ইছলামে কয় যে আইনৰ মূল আধাৰ এই ক্ষেত্ৰত ভংগ কৰা হৈছে। কিয়নো আইনে কৈছে যে কোনেও নিজৰ দোষ-ত্ৰুটিৰ বিচাৰক হ’ব নোৱাৰে, অৰ্থাৎ আমি নিজেই নিজৰ বিচাৰক হ’ব নোৱাৰো। আয়োগৰ যদি নেতৃত্ব আৰক্ষীক দিয়ে তেন্তে তেওঁক বিভাগক উদঙাই দিব নে ঢাকি ৰাখিব বুলিও প্ৰশ্ন কৰে বিধায়কজনে। তেওঁ কয় যে কেৰালাত এই আয়োগৰ নেতৃত্ব দিছে অৱসৰপ্ৰাপ্ত ন্যায়াধীশে।

এই তুমুল বিতৰ্কৰ মাজতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে এই কমিটীখনে আৰক্ষী পৰিদৰ্শক আৰু তলৰ পৰ্যায়ৰ আৰক্ষীৰ অভিযোগহে পৰীক্ষা কৰিব। অৰ্থাৎ উপ-আৰক্ষী অধীক্ষকৰ (ডিএছপি)ৰ পৰা আৰম্ভ কৰি ওপৰৰ বিষয়াৰ বাবে থাকিব পূৰ্বৰ দৰে ৰাজ্যিক পৰ্যায়ৰ দায়বদ্ধতাও। আনহাতে, গুৰুতৰ অভিযোগসমূহ জিলা পৰ্যায়ৰ কমিটীলৈ প্ৰেৰণ কৰা হ’ব। এই ক্ষেত্ৰত বৃহৎ সালসলনি কৰা হোৱা নাই বুলি উল্লেখ কৰি মন্ত্ৰীয়ে কয় যে বহু সময়ত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ নেতৃত্বত থাকিলে আদালতত কৰ্মৰত ন্যায়াধীশজন যদি কোনোৱা সময়ত অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ অধীনত কাম কৰিছিল তেওঁ তেন্তে সাধাৰণতে এই পৰামৰ্শৱলী গ্ৰহণ কৰি লয়। মন্ত্ৰীয়ে এইদৰে কয় যে কেৰালা, তামিলনাডু, গুজৰাট আদিতো এনে দায়বদ্ধতা আয়োগ আছে। ৰাজ্যিক পৰ্যায়ৰ আয়োগৰ কামৰ হেঁচা কমাবলৈ ব্যৱস্থা কৰা বুলিও তেওঁ কয়।

আনহাতে, এই সংশোধনী বিধেয়ক সংবিধানৰ পৰিপন্থী বুলি ছিলেক্ট কমিটীলৈ প্ৰেৰণৰ দাবী অব্যাহত ৰাখে বিৰোধীয়ে। এইদৰে আলোচনাৰ মাজতে বিধায়ক ভুবন পেগুৱে চৰকাৰৰ সমৰ্থনত কয় যে ৰাইজে নিৰ্বাচন কৰি পঠোৱা জনপ্ৰতিনিধিক বিশ্বাস কৰিব নালাগে বুলি বিধানসভাত কোৱা হৈছে। এই বিধানসভাৰ প্ৰতি অপমান। এইদৰে বাদানুবাদৰ মাজতে বিৰোধীয়ে বিধেয়কখন সংশোধনী প্ৰস্তাৱৰ বিপক্ষে মতপ্ৰকাশ কৰি থাকে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিধেয়কৰ সংশোধনীৰ ওপৰত ভোট বিচৰাত দেৱব্ৰত শইকীয়াই এইখন ছিলেক্ট কমিটীলৈ প্ৰেৰণ কৰাৰ বাবে পুনৰবাৰ অধ্যক্ষক অনুৰোধ জনায়। ইয়াৰ পাছতে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি কংগ্ৰেছে সদন ত্যাগ কৰে। একেদৰে অখিলেও সজোৰে কয় যে আপোনালোকে পুলিচৰাজ্য কৰক, এনকাউণ্টাৰ কৰক। এইদৰে কৈ অখিলেও সদনৰ বাহিৰলৈ ওলাই যায়। এআইইউডিএফৰ আমিনুলে কয় যে গুজৰাট মডেল কোনোপধ্যেই গ্ৰহণযোগ্য হ’ব নোৱাৰে। শেহতীয়াভাৱে কে’বাটাও আৰক্ষীৰ বিৰুদ্ধে অভিযোগত উচ্চতম ন্যায়ালয়ে গুজৰাটৰ এনে আয়োগক ভৰ্ৎসনা কৰিছে। গুজৰাট মডেল আমি নামানো বুলি কৈ এআইইউডিএফে সংশোধনী প্ৰত্যাহাৰ নকৰে বুলিও কয়। ইয়াৰ পাছত স্বাভাৱিকতে শাসকপক্ষৰ বিধায়কৰ সংখ্যাৰ বলতে ধ্বনি ভোটত গৃহীত হয় অসম আৰক্ষী সংশোধনী বিধেয়ক ২০২২।

No: TMCH/Miscellaneous Works/97/2015/1104

RE-TENDER NOTICE

Sealed bids (Single envelope system) affixing court fee of Rs. 8.25 (Rupees eight & twenty five paisa) only from the authorized Stockiest / Distributors or authorized dealers are invited for supply of the **BATTERIES & UPS along with SERVICING of existing UPS** to Tezpur Medical College & Hospital, Tezpur. The list of the items along with detailed terms & conditions may be collected on payment of **Rs. 500/-** (Non- Refundable) only from the office of the Medical Superintendent, Tezpur Medical College Hospital, Tezpur during office hours on all working days from 05/09/2022 to 16/09/2022.Presently the date will be extended to 23/09/2022

Prescribed tender documents containing terms and condition can be downloaded from the website www.tmcassam.org which should be accompanied by the requisite tender cost of Rs. 500/- (Non- Refundable)in the form of demand draft payable at Tezpur in favour of **“The Member Secretary, SMET, Tezpur Medical College & Hospital, Tezpur”** payable at Tezpur.

The tenders are to be submitted to the Office of the Medical Superintendent, Tezpur Medical College & Hospital, Tezpur during office hours. Last date & time of submission will be on **23/09/2022, 2 P.M.** Tenders will be opened on the same day at 2.00 P.M in presence of the intending tenders’ or their authorized representatives.

Sd/
Principal cum Chief Superintendent
Tezpur Medical College & Hospital, Tezpur

Janasanyog/C/10374/22

ভেৰগাঁৱৰ পিছলাপাৰাত

ছয় পৃষ্ঠাৰ পৰা সামূহিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু চিকিৎসকে প্ৰাথমিক চিকিৎসা আৰম্ভ কৰে। স্বাস্থ্য বিভাগৰ জিলা যুটীয়া সঞ্চালকে আজি চিকিৎসালয়ত উপস্থিত হৈ চিকিৎসা সেৱাৰ বুজ লয়। আনহাতে, ভেৰগাঁৱৰ মহকুমাধিপতি দীপক ভূঞাই পিছলাপাৰা গাঁও আৰু চিকিৎসালয়ত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ উপৰি বিষক্ৰিয়াৰ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। লগতে খৈৰাবাৰীস্থিত বিকাশ মিত্ৰ আৰু ইন্দ্ৰজিত মিত্ৰৰ গেলামাল দোকানৰ বুট-মগু খাদ্য সুৰক্ষা বিভাগৰ দ্বাৰা জব্দ কৰে আৰু পৰীক্ষা বাবে প্ৰেৰণৰ ব্যৱস্থা কৰে। প্ৰশাসনৰ প্ৰাথমিক তদন্ততে খৈৰাবাৰীৰ উক্ত গেলামাল দোকান দুখনৰ পৰা বিষক্ৰিয়া হোৱা প্ৰসাদৰ বুট-মগু কিনাৰ তথ্য লাভ কৰিছিল। সমগ্ৰ বিষয়টোত ভেৰগাঁও মহকুমা প্ৰশাসনে চোকা দৃষ্টি ৰখা বুলি জনাইছে।

জনজাতি খণ্ড-আবেষ্টনীৰ পৰা

ছয় পৃষ্ঠাৰ পৰা জনজাতি সুৰক্ষা মঞ্চৰ সভাপতি জনকলাল বসুমতাৰী আৰু কাৰ্যকৰী সভাপতি দাওৰাও দেখ্ৰেব নাৰ্জাৰীৰ নেতৃত্বত বিটিচিৰ লগতে সমগ্ৰ অসমৰ জনজাতি খণ্ড-আবেষ্টনীৰ ভূমি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰাৰ দাবীৰে এই ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ধৰ্ণা কাৰ্যসূচীত অৱস্থান গ্ৰহণ কৰা প্ৰতিবাদকাৰীসকলে ‘জনজাতিৰ ভূমি বেদখলমুক্ত কৰক’, ‘জনজাতিৰ ভূমি জনজাতিক ঘূৰাই দিয়ক’ আদি শ্ল’গানেৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। ইপিনে, সংবাদ মাধ্যমৰ আগত বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চৰ কাৰ্যকৰী সভাপতি নাৰ্জাৰীয়ে কয়, ‘মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ক অসম ভূমি-ৰাজহ আইনৰ ১০ নম্বৰ দফা অনুযায়ী বিটিচিৰ লগতে সমগ্ৰ অসমৰ অবৈধ বেদখলকাৰীৰ কবলত থকা জনজাতি খণ্ড-আবেষ্টনীৰ ভূমি অনতিপলমে উচ্ছেদ কৰি মুক্ত কৰাৰ দাবীত আজিৰ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। বিটিচি অঞ্চলৰ তিনি লাখ ৭৯ হেজাৰ ৫০৫ বিঘা জনজাতি খণ্ড-আবেষ্টনীৰ ভূমি বেদখলকাৰীৰ কবলত থকাৰ লগতে ১৬৮ খন জনজাতি গাঁৱৰ ভূমি বেদখলকাৰীয়ে বেদখল কৰি আছে।’ এই ধৰ্ণা কাৰ্যসূচীত প্ৰাক্তন সাংসদ ছানছুমা খুংগুৰ বিছমুতিয়াৰীও উপস্থিত আছিল। ধৰ্ণা কাৰ্যসূচীৰ অন্তত সংগঠনটোৱে কোকৰাঝাৰৰ উপায়ুক্তৰ জৰিয়তে এই সন্দৰ্ভত মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

মুকালমুৱাৰ সোণাপুৰত

ছয় পৃষ্ঠাৰ পৰা চক্ৰ বিষয়াৰ এজাহাৰৰ ভিত্তিত লাট মণ্ডল হুছেইনৰ বিৰুদ্ধে বেলশৰ থানাই ৪০/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰিছিল। তেতিয়াৰ পৰা পলাতক হৈ আছে লাট মণ্ডলজন। আৰক্ষীৰ গোচৰৰ ভিত্তিত নলবাৰী আদালতে লাট মণ্ডল হুছেইনৰ সম্পত্তি জব্দ কৰাৰ বাবে প্ৰশাসনক নিৰ্দেশ দিছিল। আদালতৰ সেই নিৰ্দেশ অনুসৰিয়েই লাট মণ্ডলজনৰ মুকালমুৱাৰ সোণাপুৰত থকা এটা পুখুৰী জব্দ কৰে প্ৰশাসনে। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া উদয় শংকৰ দত্তৰ নেতৃত্বত আৰক্ষী প্ৰশাসনৰ দল এটাই লাট মণ্ডলজনৰ পুখুৰীটো জব্দ কৰে। ইতিমধ্যেই নলবাৰী জিলা উপায়ুক্তই চাকৰিৰ পৰা নিলম্বন কৰিছে লাট মণ্ডলজনক।

মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয়ৰ

ছয় পৃষ্ঠাৰ পৰা জৰিয়তে দিছপুৰস্থিত সচিবালয়লৈ প্ৰেৰণ কৰা হৈছিল। চৌহদত আৱাসগৃহ নথকাৰ ফলত বিষয়া- কৰ্মচাৰীসকলে সদৰ স্থানৰ বাহিৰত থাকে। ফলত বিষয়াক বিচাৰি ৰাইজে হাবাথুৰি খাবলগীয়া হৈছে। ইয়াৰ উপৰি মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয় চৌহদৰ জমি বহু ওখ ঠাইত অৱস্থিত। সেয়েহে কাৰ্যালয়ৰ চৌহদত থকা পকী কুঁৱাটোৰ পানী খৰালি কালত শুকাই যোৱাটো সৰ্বজনবিদিত। সম্প্ৰতি উক্ত স্থানত পুখুৰী খান্দিলে চৰকাৰৰ লক্ষ্য আৰু উদ্দেশ্য সফল নহ’ব। উল্লেখ্য যে মাটিয়া বজাৰৰ কাষতে কুৰুৱাবাৰী আৰু খলাইপাৰা গাঁৱত বহুতো পতিত জলাতল জমি পৰি আছে। উল্লিখিত স্থান বেদখলকাৰীৰ কবলত পৰিছিল যদিও প্ৰায় দুই বছৰ পূৰ্বে মাটিয়া ৰাজহ চক্ৰ কৰ্তৃপক্ষই বেদখলকাৰীক উচ্ছেদ চলাই ঠাইখিনি মুক্ত কৰিছে। ৰজহ চক্ৰ কাৰ্যালয় চৌহদৰ পৰিৱৰ্তে কুৰুৱাবাৰী আৰু খলাইপাৰাৰ পতিত জলাতল জমিত পুখুৰী খনন কৰিলে চৰকাৰৰ লক্ষ্য আৰু উদ্দেশ্য সফল হ’ব। সেয়েহে বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে মাটিয়া ৰাজহ চক্ৰ কাৰ্যালয় চৌহদত অমৃত সৰোবৰ আঁচনিৰ পুখুৰী খননৰ প্ৰস্তাৱ বাতিল কৰি অন্য ঠাইত পুখুৰী খননৰ বাবে জিলা উপায়ুক্তক দাবী জনাইছে অভিযোগকাৰীসকলে। ইপিনে, অভিযোগ পত্ৰৰ প্ৰতিলিপি মাটিয়া ৰাজহ চক্ৰৰ বিষয়া, মাটিয়া উন্নয়ন খণ্ডৰ বিষয়া আৰু মাটিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ প্ৰেৰণ কৰা বুলি জনা গৈছে।

ৰৌতাত অনুষ্ঠিত হ’ব এবছুৰ ৫৫

ছয় পৃষ্ঠাৰ পৰা কাৰ্যসূচীৰে ২০২৩ৰ জানুৱাৰীৰ ২৬, ২৭, ২৮ আৰু ২৯ত চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৰৌতাৰ বড়োলেণ্ড পথাৰত আয়োজনৰ কথা উল্লেখ কৰি এই অধিবেশনতেই দীৰ্ঘদিনীয়া বড়ো সংগ্ৰামৰ পাছত নিজৰ ৰূপায়িত হোৱা তিনিওটা বড়ো শান্তি চুক্তিৰ ওপৰত আলোচনা কৰাৰ লগতে ২০২০ৰ ২৭ জানুৱাৰীত নতুন দিল্লীত স্বাক্ষৰিত তৃতীয় বড়ো শান্তি চুক্তিৰ বিভিন্ন দফাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ভূমিকাৰ ওপৰতো বিস্তৃত আলোচনা হ’ব বুলি উল্লেখ কৰে। তেওঁ লগতে উক্ত অধিবেশনৰ মুকলি সভাত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ উচ্চ পদস্থ ব্যক্তিসকলক নিমন্ত্ৰণ কৰি বড়ো শান্তি চুক্তিৰ সকলো দফাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত তেওঁলোকৰ স্থিতি সম্পৰ্কেও ৰাইজক অৱগত কৰি এবছুই পৰৱৰ্তী কাৰ্যপন্থা নিৰ্ধাৰণ কৰিব বুলি উল্লেখ কৰে। এবছুৰ ৫৫ সংখ্যক ৰৌতা অধিবেশন আদৰণি সমিতিৰ সভাপতি ৰবীন্দ্ৰ মোছাহাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত অধিবেশনখন সাফল্য মণ্ডিত কৰি তুলিবলৈ ২৬খন উপ-সমিতিও গঠন কৰা হয়। অধিবেশনলৈ অহা কোনো প্ৰতিনিধি, দৰ্শক প্ৰতিনিধি আৰু অতিথিসকলৰ আতিথ্যৰ ক্ষেত্ৰত যাতে তিলমানো ত্ৰুটি ৰৈ নাযায় তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো উপ-সমিতি আৰু ৰৌতাবাসী ৰাইজক কাম কৰিবলৈ আদৰণি সমিতিৰ সভাপতি মোছাহাৰীয়ে আহ্বান জনায়।

বড়ো ভাষা-সংস্কৃতিৰ সংগঠক

ছয় পৃষ্ঠাৰ পৰা সংগঠক ৭৫ বছৰীয়া নবীন চন্দ্ৰ মণ্ডলক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উল্লেখ্য যে চিৰাঙৰ বিজনীৰ পৰা প্ৰকাশিত প্ৰথমখন বড়ো দৈনিক বাতৰি কাকত চানচেয়াৰী বড়োলেণ্ড ইংখং’ৰ উদ্যোগত গঠিত ইংখং ৰেলফেয়াৰ ছ’চাইটিয়ে বিগত ২০০৬ৰ পৰা সাহিত্য, সংস্কৃতি, শিক্ষা, সমাজসেৱা, ৰাজনীতি, অৰ্থনীতি ইত্যাদি সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ উল্লেখনীয় অৱদান আগবঢ়াই অহা বিশিষ্ট ব্যক্তিসকললৈ এই বঁটা প্ৰদান কৰি আহিছে। ২০০৬ত বিশিষ্ট ভাস্কৰ ড° শোভা ব্ৰহ্মলৈ প্ৰথমটো ‘মেন অৱ দ্য ইয়েৰ’ বঁটা প্ৰদান কৰা হৈছিল। উক্ত বঁটাত আছে নগদ ২৫ হেজাৰ টকা, এটা মমেণ্টো আৰু এখন মানপত্ৰ আৰু অন্যান্য উপহাৰ। চানচেয়াৰী বড়োলেণ্ড ইংখং কাকতৰ ১৯ সংখ্যক বৰ্ষপূৰ্তিৰ স’তে সংগতি ৰাখি আজি ১৯ ছেপ্টেম্বৰত বিজনীস্থিত কাকতখনৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত নবীন চন্দ্ৰ মণ্ডললৈ চতুৰ্দশ ‘মেন অৱ দ্য ইয়েৰ’ বঁটা প্ৰদান কৰা হয়। আজি এই অনুষ্ঠান উদ্বোধন কৰে পদ্মশ্ৰী ড° মংগলসিং হাজোৱাৰীয়ে। ইংখং পাব্লিকেছনৰ সম্পাদক ৰাজেন বসুমতাৰীয়ে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে ফাদাৰ কুলনদৈস্বামীৰ লগতে বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বড়ো সমাজৰ সভাপতি ৰাজেন্দ্ৰ নাথ বড়ো, বিজনীৰ প্ৰাক্তন বসুমতাৰীসহ কে’বাজনো বিশিষ্ট অতিথি । উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ অৱসৰপ্ৰাপ্ত উচ্চপদস্থ বিষয়া নবীন চন্দ্ৰ মণ্ডল উত্তৰ বংগৰ বড়ো বা মেচসকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই অহা এগৰাকী বিশিষ্ট অগ্ৰণী সংগঠক। তেওঁ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে উত্তৰ বংগত থকা বড়ো বা মেচসকলৰ বাবে বড়ো লোককৃষ্টিৰ বাবে দীৰ্ঘ বছৰে কাম কৰি আহিছে আৰু ইয়াৰ প্ৰভাৱ সম্প্ৰতি বড়ো গাঁওসমূহত বিৰাজমান হৈছে।

গোৱালপাৰাত যুৱ কংগ্ৰেছৰ

ছয় পৃষ্ঠাৰ পৰা পালন কৰে। অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰাকেশ চক্ৰৱৰ্তীৰ উপস্থিতিত গোৱালপাৰা চহৰৰ বৰোবাজাৰস্থিত জিলা কংগ্ৰেছ কাৰ্যালয়ৰ সন্মুখত জিলা যুৱ কংগ্ৰেছৰ উদ্যোগত আৰু গোৱালপাৰা পূব সমষ্টি যুৱ কংগ্ৰেছৰ সহযোগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে নিবনুৱা দিৱস শাক-পাচলিৰ দোকান দি পালন কৰা হয়। লগতে নিযুক্তি কেলেংকাৰিত জড়িত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ পদত্যাগ আৰু গ্ৰেপ্তাৰ কৰি তদন্তৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীত গোৱালপাৰা জিলা যুৱ কংগ্ৰেছৰ সভাপতি ভানুজয় ৰাভা, কাৰ্যকৰী সভাপতি ছকিবুৰ ৰহমান আৰু গোৱালপাৰা পূব সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি আব্দুল আৱালকে ধৰি ভালেসংখ্যক কংগ্ৰেছ কৰ্মী উপস্থিত থাকে।

জল পৰিবহণত ব্ৰহ্মপুত্ৰই মুকলি কৰিব

তিনি পৃষ্ঠাৰ পৰা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ বিকাশৰ নতুন ইঞ্জিন হিচাপে শক্তিশালী কৰি তুলিব।’ আজি বগীবিল আৰু গুইজানত দুটা ফ্লটিং জেটী নিৰ্মাণৰ আধাৰশিলা স্থাপন আৰু বগীবিল নৈৰ কাষৰীয়া জেটীৰ শুভ উদ্বোধন কৰি এই মন্তব্য কৰিছে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীজনে কয় যে অহা জানুৱাৰীত ভাৰতৰ দীৰ্ঘতম নদী ক্ৰুজসেৱা আৰম্ভ কৰা হ’ব, বেনাৰসৰ পৰা এই সেৱাই বগীবিল অভিমুখে যাত্ৰা কৰিব। প্ৰায় চাৰি হেজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ নদীপথছোৱা এই যাত্ৰাই ব্ৰহ্মপুত্ৰৰ লগতে সামগ্ৰিক আন্তঃগাঁথনি আৰু পৰ্যটনত এক নতুন গতি দিব। ডিব্ৰুগড় জিলাৰ বগীবিল আৰু তিনিচুকীয়া জিলাৰ গুইজানত জেটী দুটা অতি উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি অত্যাধুনিক টাৰ্মিনেল হিচাপে নিৰ্মাণ কৰা হ’ব বুলি সোণোৱালে ব্যক্ত কৰে। উল্লেখ্য যে এই দুয়োটা জেটী ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় জলপথ-২ অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰি উলিয়াব। দুয়োটা অত্যাধুনিক টাৰ্মিনেল নিৰ্মাণৰ দায়িত্ব ক’ষ্টেল কনছ’লিডেটেড ষ্ট্ৰাকচাৰ্ছ প্ৰাইভেট লিমিটেডক ইপিচি চুক্তিৰ আধাৰত প্ৰদান কৰা হৈছে। ৮.২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ’ব লগা এই জেটী দুটা অহা বৰ্ষৰ ফেব্ৰুৱাৰীৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখ্য যে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে আজি বগীবিল দলঙৰ সমীপত নৈ কাষৰীয়া অঞ্চল উন্নয়নৰ অংশ হিচাপে উত্তৰ-পূব সীমান্ত ৰেলৱেৰ দ্বাৰা নিৰ্মিত বগীবিল নৈ-কাষৰীয়া যাত্ৰীবাহী জেটীৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে নৈ কাষৰীয়া স্থানৰ উন্নয়নৰ অংশ হিচাপে এখন মুকলি মঞ্চ, এখন ৰেষ্টুৰেণ্ট, আঠটা বায় টয়লেট আৰু ছখন ছাদ নিৰ্মাণৰ পৰিকল্পনা লৈছে এন এফ ৰেলৱেই। এই সমগ্ৰ প্ৰকল্পটোৰ ব্যয় ধাৰ্য কৰা হৈছে ২.৫ কোটি টকা। বগীবিল অঞ্চলক পৰ্যটনৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ মানসেৰে ইতিপূৰ্বে আৰম্ভ হৈছিল এনে উন্নয়নমূলক কাম-কাজ। মন্ত্ৰী সোণোৱালে এই প্ৰসংগত কয় যে ফ্ল’টিং জেটীসমূহৰ বাহিৰেও প্ৰকল্পস্থলীত ফেৰীঘাট, ফ্ল’টিং, ৰেষ্টুৰেণ্ট, ৰাজহুৱা খাদ্য গ্ৰহণৰ ষ্টল, পৰ্যটকৰ ভ্ৰমণ, পিকনিকৰ স্থান, ইক’ ৰিজ’ৰ্ট ইত্যাদিৰো পৰিকল্পনা কৰা হৈছে। ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেড, ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেছন আদিৰ দৰে উদ্যোগসমূহৰ পৰা মাল পৰিবহণৰ বাবেও বগীবিলত এটা স্থায়ী কাৰ্গ’ টাৰ্মিনেল নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। এই সংক্ৰান্তত এখন বিশদ প্ৰকল্প প্ৰতিবেদন (ডি পি আৰ) প্ৰস্তুত কৰা বুলি ভাষণ প্ৰসংগত জনায়।

কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয় যে প্ৰকৃতিয়ে আমাক ব্ৰহ্মপুত্ৰ নদৰ দৰে এক শক্তিশালী সম্পদ প্ৰদান কৰিছে। মহাবাহুৰ অপাৰ শক্তি আৰু সামৰ্থ্যই যুগ যুগান্তৰৰ পৰা আমাৰ সভ্যতা-সংস্কৃতিক সমৃদ্ধিশালী কৰি ৰাখিছে। প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগী হৈছে অসমৰ জনসাধাৰণৰ লগত মহাবাহু ব্ৰহ্মপুত্ৰৰ যি ওতঃপ্ৰোত সম্পৰ্ক আৰু ইয়াৰ যি বৰ্ণিল ইতিহাস, তাক আধাৰ হিচাপে লৈ মাল্টি ম’ডেল এভিনিউক শক্তিশালী কৰি অঞ্চলটোত নিহিত হৈ থকা বিশাল অৰ্থনৈতিক বিকাশৰ সম্ভাৱনা মুকলি কৰা। আমাৰ আন্তৰিক প্ৰচেষ্টা-ৰাষ্ট্ৰীয় জলপথ-২ অৰ্থাৎ ব্ৰহ্মপুত্ৰক পুনৰ শক্তিশালী কৰা, যাতে মাল পৰিবহণৰ বিশাল সম্ভাৱনাই অঞ্চলটোৰ ব্যৱসায়ীসকলক লাভৱান্বিত কৰিব পাৰে আৰু অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশৰ গতি ত্বৰান্বিত কৰে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে পুনৰ কয় যে উজনি অসমৰ ডিব্ৰুগড়কে ধৰি গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া আৰু চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ কিছু অংশ সামৰি বগীবিল টাৰ্মিনেলৰ বাবে প্ৰকল্প প্ৰভাৱিত অঞ্চল গঠন কৰা হৈছে। একেদৰে আভ্যন্তৰীণ নৌ পৰিবহণৰ বিশাল সম্ভাৱনাৰ উন্মুক্তকৰণ, লোহিত আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত ৰিভাৰ ক্ৰুজ ট্যুৰিজিমৰ সমান্তৰালভাৱে নদী ঘাটসমূহৰ উন্নয়ন তথা অঞ্চলটোত পৰিৱেশগতভাৱে অনুকূল অৰ্থনৈতিক বিকাশৰ সুযোগ লাভ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, উত্তৰ-পূব সীমান্ত ৰেলৱে তিনিচুকীয়াৰ সংমণ্ডলীয় ৰেলৱে প্ৰবন্ধক বিজয় কুমাৰ মিশ্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, ডিব্ৰুগড়ৰ লেপেটকটাস্থিত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ মুখ্য পৰিচালন বিষয়া বিজয় কুমাৰ পাল, ডিব্ৰুগড় পৌৰসভাৰ অধ্যক্ষ ড° সৈকত পাত্ৰ, উপাধ্যক্ষ উজ্জ্বল ফুকন, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাৰ লগতে আন আন বিশিষ্ট ব্যক্তিসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

বিজেপি চৰকাৰৰ প্ৰতাৰণাৰ অভিযোগ

ছয় পৃষ্ঠাৰ পৰা চৰকাৰখনে শেহতীয়াকৈ লোৱা ভূমিকাক লৈ সৰৱ হৈ পৰিছে আক্ৰাছু। সংবাদমেলত আক্ৰাছুৰ সভাপতি ক্ষিতীশ বৰ্মন আৰু যুটীয়া সাধাৰণ সম্পাদক কপিল দেৱ সিংহই দেওবাৰে অনুষ্ঠিত সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাত চৰকাৰৰ বিৰুদ্ধে জনগোষ্ঠীটোৰ সকলো দল-সংগঠনক লৈ এখন ঐক্যমঞ্চ গঠন কৰি আন্দোলন গঢ়ি তোলাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা বুলি কয়। লগতে এই সন্দৰ্ভত চলিত ছেপ্টেম্বৰৰ শেষৰফালে এখন সভা অনুষ্ঠিত কৰি সভালৈ কোচ ৰাজবংশী জনগোষ্ঠীৰ সকলো দল-সংগঠনক আমন্ত্ৰণ জনাই এই সভাতেই ঐক্যমঞ্চ গঠন কৰি এইবাৰ চৰকাৰৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়াৰ লগতে জনগোষ্ঠীটোৰ যি জনজাতিকৰণৰ প্ৰাপ্য সেয়া চৰকাৰৰ পৰা আদায় কৰিহে এৰিব বুলিও হুংকাৰ দিয়ে। কাৰণ বাৰম্বাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিব আৰু বাৰম্বাৰ প্ৰতাৰণা কৰিব, এইবোৰ আৰু নচলিব বুলিও স্পষ্ট কৰি দিয়ে। আনহাতে, কাৰ্যনিৰ্বাহক সভাত জনজাতিকৰণৰ দাবীত ছয় জনগোষ্ঠীক ঐক্যমঞ্চৰ আন্দোলনলৈ আক্ৰাছুৱে পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। সেই অনুসৰি, অহা ২২ ছেপ্টেম্বৰত বিধানসভা ঘেৰাও আৰু ২৬ ছেপ্টেম্বৰৰ ২৪ ঘণ্টীয়া অসম বন্ধৰ কাৰ্যসূচীলৈ আক্ৰাছুই পূৰ্ণ সমৰ্থন জনোৱা বুলি সংবাদমেলত সংগঠনটোৰ সভাপতি আৰু সাধাৰণ সম্পাদকে সদৰী কৰে। সংবাদমেলত সভাপতি আৰু যুটীয়া সাধাৰণ সম্পাদকদ্বয়ে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটত দেশৰ পাঁচখন ৰাজ্যৰ ১২ টাকৈ জনগোষ্ঠীক জনজাতিকৰণৰ যি সিদ্ধান্ত গ্ৰহণ কৰিলে আক্ৰাছুৱে তাক আদৰণি জনাই কয় যে ইয়াৰ বিপৰীতে কিন্তু দুৰ্ভাগ্যৰ কথা এয়ে যে চৰকাৰে অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশীসকলৰ জনজাতিকৰণৰ বাস্তৱ পদক্ষেপ গ্ৰহণ নকৰিলে। আজিৰ পৰা দুবছৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে লোকসভা আৰু ৰাজ্য সভাৰ অধিবেশনৰ কাৰ্যক্ৰমণিকাত কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বিষয়টো উল্লেখ কৰিছিল যদিও সংসদত বিষয়টো আলোচনা নকৰাকৈ এৰাই চলিলে। ইয়াৰ উপৰি অসমৰ মন্ত্ৰীক লৈ গঠন কৰা মন্ত্ৰী গোটৰ প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ কেন্দ্ৰীয় চৰকাৰে দিছিল যদিও আজি পৰ্যন্ত অসম চৰকাৰে মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল নকৰিলে। এই কথাবিলাকৰ পৰা এইটো স্পষ্ট উঠিছে যে কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণক লৈ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ সদিচ্ছাৰ অভাৱ। কোচ ৰাজবংশী জনগোষ্ঠীৰ আৱেগ-অনুভূতিক লৈ খেল খেলা বিজেপি চৰকাৰখনে কোচ ৰাজবংশী জনগোষ্ঠীক লৈ চিন্তিত নহয়। সেয়ে আগন্তুক দিনত কোচ ৰাজবংশী ছাত্ৰ সন্থাই পুনৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব। চৰকাৰৰ স’তে আভুৱা ভাঁৰা আলোচনা কেতিয়াও নহ’ব বুলিও সকীয়াই দিয়ে। লগতে অক্টোবৰৰ প্ৰথম সপ্তাহত এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰি সংগঠনটোৱে এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও সংবাদমেলত উল্লেখ কৰে আক্ৰাছুৰ নেতাদ্বয়ে। সংবাদমেলত আক্ৰাছুৰ কে’বাজনো বিষয়ববীয়া উপস্থিত আছিল।

গোৱালপাৰাত ৪০ লক্ষাধিক টকা মূল্যৰ

ছয় পৃষ্ঠাৰ পৰা চলাই চুৰিকাণ্ডৰ লগত জড়িত থকা ছজনকৈ লোক ক্ৰমে অমিত বিশ্বাস, আব্দুল কৰিম, হাছানুৰ আলী, নুৰ আলম, জহিৰুল হক আৰু গোপাল দাসক গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অভিজিৎ দাসে জনোৱা মতে, বিগত কিছুদিন ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তত চুৰিকাণ্ড সংঘটিত হৈ থকাত বিভিন্ন ঠাইত সূত্ৰ লগাই এই ছয় গৰাকী লোকে চুৰিকাণ্ডৰ লগত জড়িত থকা বুলি জানিব পাৰি গ্ৰেপ্তাৰ কৰে আৰু মাৰাথন জেৰা অব্যাহত ৰাখে। আৰক্ষীৰ জেৰাত চুৰিকাণ্ডৰ সকলো তথ্য পোহৰলৈ আহে। সেইমতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা হাছানুৰ আলীয়ে সকলো চুৰিকাণ্ডৰ মাষ্টাৰ মাইণ্ড। হাছানুৰে জহিৰুল হক আৰু নুৰ আলমক লগত লৈ জিলাৰ বিভিন্ন ঠাইৰ লগতে বহিঃজিলাতো চুৰিকাণ্ড সংঘটিত কৰে। তেওঁলোকে চুৰি কৰা সোণ- ৰূপৰ অলংকাৰসমূহ আব্দুল কৰিমৰ হতুৱাই গোপাল দাস আৰু অমিত বিশ্বাসৰ জুৱেলাৰীত জমা কৰে। তাৰ পৰাই সোণ- ৰূপৰ অলংকাৰসমূহ বিক্ৰী কৰে। আৰক্ষীয়ে দুয়োখন জুৱেলাৰীৰ পৰা বৃহৎসংখ্যক সোণ-ৰূপ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চোৰৰ দলটোৱে এখন এএছ-০১-বি ভি-৭৬২২ মাৰুতি ছুইফ্‌ট আৰু এখন এএছ-১৮ জি-০৪৭০ নম্বৰৰ স্কুটী ব্যৱহাৰ কৰিছিল। আৰক্ষীয়ে গাড়ীখনৰ লগতে স্কুটীখনো জব্দ কৰে। উল্লেখ্য যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চোৰৰ দলটোৰ হাছানুৰ আলীৰ বিৰুদ্ধে চুৰি, ডকাইতি, হত্যাৰ কে’বাটাও গোচৰ ৰুজু হৈ আছে বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। প্ৰায় ৪০ লক্ষাধিক টকাৰ সোণ ৰূপৰ অলংকাৰসহ ছজনকৈ চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাটো আৰক্ষীৰ এক বিশাল সফলতা বুলি ক’ব পাৰি।

পাঁচ শীৰ্ষ আৰক্ষী বিষয়া অবিহনে চলি

ছয় পৃষ্ঠাৰ পৰা খালী হৈ থকা অতি গুৰুত্বপূৰ্ণ পদসমূহ হ’ল-অতিৰিক্ত আৰক্ষী অধীক্ষক (সদৰ মুখ্য কাৰ্যালয়), অতিৰিক্ত আৰক্ষী অধীক্ষক (নিৰাপত্তা), অতিৰিক্ত আৰক্ষী অধীক্ষক (সীমান্ত শাখা), উপ-আৰক্ষী অধীক্ষক (বিশেষ শাখা), উপ-আৰক্ষী অধীক্ষক (সীমান্ত শাখা)। দীৰ্ঘদিন ধৰি খালী হৈ আছে নগাঁও আৰক্ষীৰ পাঁচটাকৈ গুৰুত্বপূৰ্ণ পদ। যাৰ পৰিপ্ৰেক্ষিতত বৰ্তমান নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলে আৰু উপ- আৰক্ষী অধীক্ষক ত্ৰিদীপ কুম্বাঙেই নগাঁও আৰক্ষীৰ সকলো কাম পৰিচালনা কৰিব লগা হৈছে। দুইগৰাকী বিষয়াই কৰ্তব্য সফলতাৰে সম্পাদন কৰিলেও গুৰুত্বপূৰ্ণ পাঁচটাকৈ পদ চৰকাৰে পূৰণ নকৰাটো অতি ৰহস্যজনক বিষয়ৰূপে বিবেচিত হৈছে। অথচ একোখন জিলাৰ বাবে অতিৰিক্ত আৰক্ষী অধীক্ষক (সদৰ মুখ্য কাৰ্যালয়) পদটো অত্যন্ত গুৰুত্বপূৰ্ণ। উল্লেখ্য যে নগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (সদৰৰ মুখ্য কাৰ্যালয়) ধ্ৰুৱ বৰাক পদোন্নতিসহ বদলি কৰা হয় যদিও উক্ত স্থানত এই পৰ্যন্ত কোনো এজন বিষয়াক মকৰল কৰা হোৱা নাই। ইপিনে, নিৰাপত্তাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰূপম হাজৰিকাক জৰুৰীভাৱে নিশাৰ ভিতৰতে ১৫ আগষ্টৰ আগত বদলি কৰা হয় যদিও উক্ত পদটো কোন এজন বিষয়াক মকৰল কৰা হোৱা নাই। ঠিক একেদৰে, জিলাখনৰ সীমান্ত শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মানস শইকীয়া নগাঁৱৰ পৰা বদলি হোৱা বছৰেক হ’বৰে হ’ল যদিও উক্ত পদত চৰকাৰীভাৱে কোনো বিষয়াক মকৰল কৰা হোৱা নাই। আনহাতে, নগাঁও আৰক্ষীৰ বিশেষ শাখাৰ উপ-আৰক্ষী অধীক্ষক দীপ্তি মালিক ধুবুৰীলৈ বদলি কৰা হয় যদিও মালিৰ স্থানত এই পৰ্যন্ত কোনো এগৰাকী বিষয়াক চৰকাৰীভাৱে নিয়োগ কৰা হোৱা নাই। নগাঁও আৰক্ষীৰ সীমান্ত শাখাৰ উপ- আৰক্ষী অধীক্ষকজনে অৱসৰ গ্ৰহণ কৰাৰ পাছত উক্ত পদটোত কোনো বিষয়াক নিয়োজিত কৰা হোৱা নাই। এনেদৰে জিলাখনৰ এটাৰ পাছত এটাকৈ খালী হৈ থকা গুৰুত্বপূৰ্ণ আৰক্ষী বিষয়াৰ পদত কাকো নিয়োজিত নকৰাত স্বাভাৱিকতে সমস্যাৰ সৃষ্টি হৈছে নগাঁও আৰক্ষী বিভাগটোত। চৰকাৰীভাৱে কিয় এই পদসমূহ পূৰণ কৰা হোৱা নাই তাক লৈ এতিয়া নগাঁৱত চৰ্চা আৰম্ভ হৈছে। এক সূত্ৰ মতে, নগাঁৱৰ পৰা বদলি হৈ যোৱা একাধিক বিষয়াই নগাঁৱলৈ পুনৰ ঘূৰি আহিবলৈ প্ৰতিযোগিতাত নমাৰ বাবে সমস্যাত পৰিছে গৃহ বিভাগৰ শীৰ্ষ মহল । মন্ত্ৰী-বিধায়কৰ কৃপাধন্য লাভ কৰি একাংশ আৰক্ষী বিষয়াই ‘মঙহা জিলা’ বুলি আৰক্ষীৰ মাজত পৰিচিত নগাঁৱত চাকৰি কৰা মন মেলি তৎপৰতা অব্যাহত ৰাখিছে। ফলত সমস্যা হৈছে ৰাজ্য চৰকাৰৰ গৃহ বিভাগৰ শীৰ্ষ বিষয়াৰ। ১৫ খন পূৰ্ণাংগ আৰক্ষী থানা আৰু ২৮খন আৰক্ষী চকীৰে সমৃদ্ধ নগাঁও জিলাত আৰক্ষীৰ এই শীৰ্ষ বিষয়াৰ পদসমূহ দীৰ্ঘ দিন ধৰি খালী হৈ থকাত বিভিন্ন কামত স্থৱিৰতা আহি পৰা পৰিলক্ষিত হৈছে। ইয়াৰ ফলত ৰাইজেও বিভিন্ন অসুবিধাৰ সন্মুখীন হ’ব লগা হৈছে। নগাঁও জিলাৰ দৰে গুৰুত্বপূৰ্ণ জিলাত পাঁচটাকৈ শীৰ্ষ আৰক্ষী বিষয়াৰ পদ খালী হৈ থকাটো অতি চিন্তনীয় বিষয়ৰূপে চিহ্নিত হৈছে যদিও এই সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষই যেনে ধৰণৰ গুৰুত্ব আৰোপ কৰিব লাগিছিল তেনে ধৰণৰ গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা নাই বুলি সচেতন মহলে অভিযোগ তুলিছে।

জনজাতিকৰণ নকৰাৰ প্ৰতিবাদত চিৰাঙত আক্ৰাছুৰ পুত্তলিকা দাহ

অগ্ৰদূত বাৰ্তা

কাজলগাঁও, ১৯ ছেপ্টেম্বৰ ঃ কোচ ৰাজবংশীসকলক জনজাতিকৰণ নকৰাৰ প্ৰতিবাদত চিৰাঙৰ কাশিকত্ৰা আৰু বাসুগাঁৱত পৃথকে পৃথকে চিৰাং জিলাৰ আক্ৰাছুৱে প্ৰতিমূৰ্তি দাহ কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাজপথত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী অৰ্জুন মুণ্ডাৰ প্ৰতিমূৰ্তি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনটোৱে। শীঘ্ৰেই কোচ ৰাজবংশীসকলক জনজাতিকৰণ নকৰিলে অনাগত দিনত যিকোনো ধৰণৰ আন্দোলন কৰিবলৈ প্ৰস্তুত বুলিও চৰকাৰক সকীয়াই দিয়ে আক্ৰাছু নেতৃত্বই। আক্ৰাছুৰ উপ-সভাপতি হিৰণ্য পাটগিৰি, সহকাৰী সম্পাদক ব্ৰজেন ৰায়সহ বহু সংখ্যক লোক প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে।

ঘগ্ৰাপাৰত দুৰ্ঘটনাত নিহত শিক্ষকৰ আত্মাৰ সদ্‌গতিৰ বাবে দুই শিক্ষানুষ্ঠানৰ শোক সভা

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ১৯ ছেপ্টেম্বৰ ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পাটকতা গাঁও নিবাসী তথা ঘগ্ৰাপাৰ হাইস্কুলৰ সহকাৰী শিক্ষক হেমন্ত কুমাৰ বৈশ্যৰ দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ গুৱাহাটীৰ জিএনআৰচি হাস্পতালত চিকিৎসাধীন অৱস্থাত যোৱা ১৪ ছেপ্টেম্বৰত মৃত্যু হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত কালি তেওঁৰ কৰ্মৰতস্থলী ঘগ্ৰাপাৰ হাইস্কুল আৰু শিক্ষক জীৱনৰ আৰম্ভণি কৰা ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত প্ৰয়াত শিক্ষক বৈশ্যৰ আত্মাৰ সদ্‌গতি তথা চিৰশান্তিৰ বাবে শিক্ষানুষ্ঠান দুখনে অৰ্ধছুটী ঘোষণা কৰি শোক সভা অনুষ্ঠিত কৰে। ঘগ্ৰাপাৰ হাইস্কুলত বিদ্যালয়খনৰ সহকাৰী শিক্ষক কন্দৰ্প কলিতাই আঁতধৰা অনুষ্ঠানত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি বিৰেন কলিতা, প্ৰধান শিক্ষক নাথুৰাম তালুকদাৰ, জ্যেষ্ঠ শিক্ষক গিৰীশ তালুকদাৰ আদিয়ে প্ৰয়াত শিক্ষক হেমন্ত কুমাৰ বৈশ্যৰ শিক্ষকতা জীৱনৰ স্মৃতি আলোকপাত কৰি আবেগিক হৈ পৰে। লগতে উক্ত সভাত প্ৰয়াত শিক্ষক বৈশ্যৰ আত্মাৰ সদ্‌গতিৰ প্ৰতি সন্মান জনাই এক মিনিট মৌন প্ৰাৰ্থনা কৰাৰ উপৰি শিক্ষানুষ্ঠানখনৰ পৰিয়াল বৰ্গই শোকসন্তপ্ত পৰিয়ালত উপস্থিত হৈ এক শোক প্ৰস্তাৱ প্ৰদান কৰে। ইফালে, ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ ছাত্ৰী একতা সভাৰ সভাপতি তথা শিক্ষক অপূৰ্ব কলিতাৰ সভাপতিত্বত অনুষ্ঠিত শোক সভাখনত বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনহৰি কলিতাই সদ্য প্ৰয়াত শিক্ষক বৈশ্যৰ ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত প্ৰায় ১৮ বছৰ ধৰি অবৈতনিক কাম কৰা কালৰ বহু স্মৃতি ৰোমন্থ কৰে। লগতে বিদ্যালয়খনৰ ভালেসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীয়ে প্ৰয়াত শিক্ষকজনৰ স্মৃতি সোঁৱৰে। উক্ত সভাত এক মিনিট মৌন প্ৰাৰ্থনা কৰি এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰি শিক্ষকজনৰ শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ দিয়াৰ ব্যৱস্থা কৰে। উল্লেখ্য যে ঘগ্ৰাপাৰ হাইস্কুলৰ ইংৰাজী বিষয়ৰ শিক্ষক হেমন্ত বৈশ্য নিজ গৃহৰ পাটকাতা গাঁৱৰ পৰা প্ৰতিদিনৰ দৰে সিদিনা নিজৰ মটৰ চাইকেলৰে বিদ্যালয়লৈ আহি থকা সময়তে উক্ত স্থানত মটৰ চাইকেলখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ওপৰত বাগৰি পৰে। পিন্ধি থকা হেলমেট ছিটিকি পৰি যোৱাৰ পৰিপ্ৰেক্ষিত শিক্ষকজনে মূৰ আৰু বুকুত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ইফালে, ঘটনা সংঘটিত হোৱাৰ পাছতেই স্থানীয় ৰাইজে শিক্ষকজনক উদ্ধাৰ কৰি স্থানীয় চিকিৎসালয়লৈ নিয়ে যদিও স্বাস্থ্যৰ অধিক অৱনতি ঘটাত উন্নত চিকিৎসাৰ বাবে পৰিয়ালৰ লোকে গুৱাহাটীৰ জিএনআৰচি চিকিৎসালয়ত ভৰ্তি কৰিছিল। বিগত পাঁচ দিন ধৰি শিক্ষকজনে অতি সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছিল যদিও যোৱা ১৪ ছেপ্টেম্বৰৰ পুৱা তাতে তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ দিনা কৰ্তব্যস্থলী ঘগ্ৰাপাৰ হাইস্কুললৈ নৰশ্বৰদেহ আনি বিদ্যালয় কৰ্তৃপক্ষৰ লগতে অঞ্চলৰ অৰ্ধশতাধিক দল-সংগঠনে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছিল।

ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুথিভঁৰাললৈ দান

অগ্ৰদূত বাৰ্তা

আজাৰা, ১৯ ছেপ্টেম্বৰ ঃ আজাৰা অঞ্চলৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান আজাৰাস্থিত ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুথিভঁৰাললৈ গ্ৰন্থসহ বিভিন্ন সামগ্ৰী দান হিচাপে আগবঢ়াইছে বিদ্যালয়ৰ ১৯৮৫ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ প্ৰাক্তন ছাত্ৰসকলে। কালি বিদ্যালয় প্ৰাংগণত আয়োজিত এক অনুষ্টুপীয়া অনুষ্ঠানত পুথিভঁৰালৰ উন্নয়নৰ বাবে দান আগবঢ়োৱা কাৰ্যসূচী বন্তি প্ৰজ্বলনেৰে মুকলি কৰে কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰসন্ন বৰাই। বিদ্যালয়ৰ ১৯৮৫ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰসকলৰ হৈ ৰাতুল চন্দ্ৰ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত কুমাৰ পাটগিৰিৰ হাতত পুথিভঁৰাল উন্নয়নৰ বাবে দিয়া সামগ্ৰীসমূহ আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হয়। উল্লেখ্য যে বিদ্যালয়ৰ সেই সময়ৰ ২৯ জন প্ৰাক্তন ছাত্ৰই বিদ্যালয়ৰ পুথিভঁৰালৰ উন্নয়নৰ বাবে প্ৰায় এক লাখ টকাৰ সামগ্ৰীসহ গ্ৰন্থ আগবঢ়ায়। আনহাতে, প্ৰতি বছৰে এনেদৰে পুথিভঁৰালৰ উন্নয়নৰ বাবে সহযোগিতা আগবঢ়াই যাব বুলিও প্ৰাক্তন ছাত্ৰসকলে সদৰী কৰে। প্ৰাক্তন ছাত্ৰসকলৰ এনে কাৰ্যক অঞ্চলটোৰ বিদ্বৎ সমাজে ভূয়সী প্ৰশংসা কৰিছে।

শিক্ষাবিদ মাখন চন্দ্ৰ গগৈৰ স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ১৯ ছেপ্টেম্বৰ ঃ চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ উচ্চ শিক্ষা বিভাগত শিক্ষকতা কৰি শৈক্ষিক ক্ষেত্ৰখনলৈ অনবদ্য অৰিহণা আগবঢ়ায় অহা বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী প্ৰয়াত মাখন চন্দ্ৰ গগৈৰ এখন স্মৃতিচাৰণ সভা কালি আদ্যশ্ৰাদ্ধ উপলক্ষে নিজ বাসগৃহত অনুষ্ঠিত হয়। চাৰিং দুই নম্বৰ বাৰুৱতী গাঁৱৰ নিজ বাসগৃহত অনুষ্ঠিত স্মৃতিচাৰণ সভাত অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা 'স্মৰণ সৌৰভ' নামৰ স্মৰণিকা উন্মোচন কৰে চাৰিং ছহিদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° মামনি বড়াই। সাংস্কৃতিক কৰ্মী অজিত শইকীয়া কৰে চাৰিং ছহিদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° মামনি বড়াই। সাংস্কৃতিক কৰ্মী অজিত শইকীয়া আৰু মিলন খনিকৰে আঁতধৰা সভাত স্মৰণিকা উন্মোচন কৰি ড° বড়াই গগৈৰ সমাজ জীৱনৰ কেতবোৰ অৱদান আৰু নিৰ্ভীক ভূমিকাৰ সম্পৰ্কত ভাষণ দিয়ে। শিক্ষাবিদ তথা চাৰিং ছহিদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক তুৰাৰাম খনিকৰে কয় যে শিক্ষাবিদ গগৈৰ মৃত্যুত যিদৰে পৰিয়ালে এজন ভাল অভিভাৱক হেৰুৱালে সেইদৰে সমাজে হেৰুৱালে এজন নিৰ্ভীক সমাজকৰ্মী। অনুষ্ঠানত জ্যেষ্ঠ সমাজকৰ্মী অকণ চন্দ্ৰ খনিকৰ, প্ৰৱক্তা দীপক চন্দ্ৰ বড়া, হেমাংগৰঞ্জন চুতীয়া, সাংস্কৃতিক কৰ্মী চিত্তৰঞ্জন ফুকন, ধৰ্মপ্ৰাণ ব্যক্তি শান্তিৰাম গগৈ, সাংবাদিক ৰাজীৱ দত্ত, পদ্মলোচন খনিকৰৰ লগতে বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকি স্মৃতিচাৰণ কৰে। অনুষ্ঠানৰ পূৰ্বে গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰ উপৰি সহধৰ্মিণী, পুত্ৰ, পৰিয়াল আৰু উপস্থিত ৰাইজে পুষ্পাঞ্জলি অৰ্পণৰে স্মৃতিচাৰণ সভাৰ পাতনি মেলে।

বিষ্ণুলক্ষ্মী নাৰায়ণ মন্দিৰৰ স্থায়ী গৃহৰ নিৰ্মাণ

অগ্ৰদূত বাৰ্তা

মেলামাটি, ১৯ ছেপ্টেম্বৰ ঃ তিতাবৰ সমষ্টিৰ অন্তৰ্গত মেলামাটিৰ পটিয়া গাঁৱত অৱস্থিত শ্ৰীশ্ৰীবিষ্ণুলক্ষ্মী নাৰায়ণ মন্দিৰৰ স্থানীয় গৃহৰ আধাৰশিলা স্থাপন কৰে তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। বিধায়ক বৰুৱাৰ পূৰ্ণ সহযোগিতাৰ জৰিয়তেই পহিলা আহিনৰ পৰা মন্দিৰৰ নিৰ্মাণ কাৰ্যৰ পুনৰাম্ভ হ'ব। এই মৰ্মে পৰহি মন্দিৰৰ পৰিচালনা সমিতিৰ সম্পাদক ললিত কুমাৰ দত্তই সভাত ঘোষণা কৰে। মন্দিৰৰ সভাপতি বিমান শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মন্দিৰ নিৰ্মাণ কাৰ্যত সহযোগিতা কৰাৰ বাবে বিধায়ক বৰুৱাক ৰাইজে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আগন্তুক মাঘত বিষ্ণু নাৰায়ণ মন্দিৰত বিষ্ণু যজ্ঞৰ পবিত্ৰ দিনত মন্দিৰৰ দুৱাৰ ৰাইজৰ বাবে মুকলি হ'ব। সভাত সমিতিৰ উপ-সভাপতি ৰাজু শইকীয়াই মন্দিৰৰ পৰিকল্পনাৰ কথা অৱগত কৰে।

চামগুৰিত তিনিচুকীয়ালৈ নিয়া চুৰি চিমেন্টসহ ট্ৰাক জব্দ

দুই হাৰ্ডৱেৰ ব্যৱসায়ীসহ হেণ্ডিমেনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

চামগুৰি, ১৯ ছেপ্টেম্বৰ ঃ ট্ৰাক চালকৰে মিলি অসৎ পথেৰে চিমেন্ট চুৰি কৰি বেপাৰ কৰিবলৈ ধৰা নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনস্থ সোণাৰিবালি আৰু বৰমাৰ দুজন হাৰ্ডৱেৰ ব্যৱসায়ী ৰঙাঘৰৰ আলহী হ'বলগীয়া হৈছে। ব্যৱসায়ী দুজনৰ লগতে চিমেন্ট কঢ়িয়াই নিয়া ট্ৰাকখনৰ হেণ্ডিমেনজনকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ইপিনে, ঘটনাটোৰ লগত জড়িত ট্ৰাক চালকজন বৰ্তমান পলাতক অৱস্থাত আছে। আৰক্ষীয়ে জনোৱা মতে, যোৱা ১১ ছেপ্টেম্বৰত চামগুৰিৰ ৰঙাগড়াৰ সুৰক্ষা চিমেন্ট কোম্পানীৰ পৰা এএছ-০৯ এচি-৬৬৬১ নম্বৰৰ ট্ৰাকখনত তিনিচুকীয়াৰ ডুমডুমীয়ালৈ ৬০০ বস্তা টপচেম ব্ৰেণ্ডৰ চিমেন্ট বোজাই কৰি পৰিবহণ কৰে। চিমেন্টসমূহৰ পৰিবহণৰ দায়িত্বত আছিল হোজাইৰ এটা পৰিবহণ কোম্পানী; কিন্তু ১৩ ছেপ্টেম্বৰ পৰ্যন্ত চিমেন্টসমূহ ডুমডুমা গৈ নোপোৱাত বিষয়টো সন্দৰ্ভত চামগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে অনুসন্ধান কৰি চিমেন্ট কঢ়িওৱা ট্ৰাকখন হোজাইৰ পৰা জব্দ কৰে। তদুপৰি ট্ৰাকখনৰ হেণ্ডিমেন হোজাই জিলাৰ যমুনামুখ আৰক্ষী থানাৰ অধীনস্থ সৰুপথাৰ গাঁৱৰ ছফিকুল ইছলামৰ পুত্ৰ বাছিৰউদ্দিন (১৮)ক আটক কৰে। ইয়াৰ পাছতে জোলোঙাৰ মেকুৰী ওলাই পৰে। আৰক্ষীয়ে অনুসন্ধান কৰি কালি সোণাৰিবালিৰ আব্দুল ছাত্তাৰৰ পুত্ৰ হবিবুৰ ৰহমান আৰু খাটোৱাল আৰক্ষী থানাৰ অধীনস্থ উত্তৰ শপতকাৰা গাঁৱৰ আমজাদ আলীৰ পুত্ৰ আব্দুল আলীৰ দোকানৰ গুদামত তালাচী চলাই ২৮০ বস্তা চিমেন্ট উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে আব্দুল আলী (৪৮) আৰু হবিবুৰ ৰহমান (৪২)ক গ্ৰেপ্তাৰ কৰে। বাকী চিমেন্টসমূহ উদ্ধাৰ কৰিবলৈ আৰক্ষীয়ে চেষ্টা চলাই আছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে হবিবুৰ ৰহমানৰ সোণাৰিবালিত হবিব হাৰ্ডৱেৰ নামৰ এখন দোকান আছে আৰু আব্দুল আলীৰ ভগামুৰ বৰমাত এখন হাৰ্ডৱেৰ সামগ্ৰীৰ দোকান আছে। চৰ্চা অনুসৰি এই দুজন বেপাৰীয়ে একাংশ ট্ৰাক চালকৰ লগত মিলি চুৰি সামগ্ৰীৰে বেপাৰ কৰি আহিছিল। অভিযোগ অনুসৰি, ৩৭ নম্বৰ ঘাইপথৰ কাষত থকা একাংশ ধাবাত চাহ-ভাত খাবলৈ সোমোৱা ট্ৰাকৰ চালকে চিমেন্ট, ৰড, চাউল আদি চোৰাংকৈ বিক্ৰী কৰি থাকে। এই চুৰি সামগ্ৰীসমূহ ভিতৰুৱা অঞ্চলত স্থাপন কৰা একাংশ দোকানত পাইকাৰী দৰৰ দোকানৰ সমান দামত বিক্ৰী কৰি থকা বুলি চৰ্চা চলি আছিল। কালি চামগুৰি আৰক্ষীয়ে চুৰি চিমেন্টসমূহ উদ্ধাৰ কৰাৰ পাছতে ৰাইজৰ মাজত চলি থকা চৰ্চাসমূহৰ সত্যতা নিৰূপণ হোৱা বুলি পুনৰ চামগুৰি অঞ্চলত চৰ্চা হৈছে। উল্লেখ্য যে চিমেন্ট চুৰিত অভিযুক্ত সোণাৰিবালিৰ ধৃত হবিবুৰে ৩৭ নম্বৰ ঘাইপথটো চাৰিশাৰী যুক্তলৈ উন্নীত কৰাত টিকে কোম্পানীৰ অধীনত বহু লাখ টকাৰ মাটি পেলোৱা ঠিকা কৰিছিল। আনহাতে, বৰমাৰ আব্দুলে নগাঁৱৰ বজাৰ দৰত হাৰ্ডৱেৰ সামগ্ৰী তেওঁৰ দোকানত বিক্ৰী কৰি আছিল। ঘটনাটোৰ মূল অভিযুক্ত পলাতক ট্ৰাকচালক জয়নাল উদ্দিন ওৰফে ৰাহুলৰ অনুসন্ধানত চামগুৰি থানাৰ আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

নাজিৰাৰ গেলেকীত আপৰ যোগদান কাৰ্যসূচীৰ দৃশ্য, সোমবাৰে।

হাম হাস্পতালৰ বৰ্ষপূৰ্তি উদ্‌যাপন ঃ অচিৰেই হোজাইত হ'ব চিকিৎসা মহাবিদ্যালয়

অগ্ৰদূত বাৰ্তা

হোজাই, ১৯ ছেপ্টেম্বৰ ঃ এছিয়া মহাদেশৰ সৰ্ববৃহৎ গ্ৰাম্য দাতব্য চিকিৎসালয় হোজাই হাম হাস্পতালৰ ২৭ সংখ্যক বৰ্ষপূৰ্তি বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। সাতদিনীয়া কাৰ্যসূচীৰে এই কাৰ্যসূচী চলিব। উল্লেখ্য যে প্ৰয়াত হাজী আজমল আলী চাহাবৰ প্ৰচেষ্টাত ১৯৯৫ৰ ১৬ ছেপ্টেম্বৰত শান্তিৰ ন'বেল বঁটা বিজয়ী মাদাৰ টেৰেছাই হোজাইত উপস্থিত হৈ হাম হাস্পতাল দাতব্য চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰিছিল। হাম হাস্পতালৰ ন্যাসৰক্ষী তথা সাংসদ বদৰুদ্দিন আজমলে পতাকা উত্তোলন কৰি কাৰ্যসূচী আৰম্ভ কৰে। অনুষ্ঠানত আজমলৰ লগতে ন্যাসৰক্ষী তথা যমুনামুখৰ বিধায়ক ছিৰাজুদ্দিন আজমলসহ অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ডাঃ জয়ন্ত হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰে হাম হস্পিতালৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ছাইদুল ইছলামে। সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে ডাঃ আল হিলাল চৌধুৰীয়ে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজমল ভ্ৰাতৃদ্বয়ে সভাত ৰাইজক উদ্দেশ্যি কয় যে আমাৰ চিকিৎসকসকলে আমাৰ লগত মানৱ সেৱা কৰি আহিছে। আমি অতি কম সময়ৰ ভিতৰত হোজাইত আজমল মেডিকেল কলেজ স্থাপন কৰিবলৈ প্ৰস্তুতি আৰম্ভ কৰিছো। লগতে ভাষণ প্ৰসংগত কয় যে হোজাই হাম হাস্পতালে প্ৰতিষ্ঠা কালৰ পৰা অনগ্ৰসৰ অঞ্চলৰ দৰিদ্ৰ লোকসকলক চিকিৎসা সেৱা আগবঢ়াই আহিছে। পূৰ্বে হোজাইত চিকিৎসাৰ ক্ষেত্ৰত উপযুক্ত সুবিধা নথকা হোজাইৰ পৰা ৰোগীসকল নগাঁও আৰু গুৱাহাটীত যাবলগীয়া হৈছিল। বিশেষকৈ মহিলাসকলে যাতায়াতৰ ক্ষেত্ৰত ভুগি অহা অসুবিধা দূৰ কৰি হাম হাস্পতালে এই চিকিৎসা সেৱা আগবঢ়াই আহিছে। বিগত ২৭ বছৰে সেৱা আগবঢ়োৱা হাস্পতালখনে বৃহত্তৰ হোজাই জিলাৰ লগতে নগাঁও, কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাৰ ৰোগীসকল উপকৃত কৰিছে। এতিয়া ২১০ বিছনাযুক্ত হাস্পতাললৈ উন্নীত কৰাৰ লগতে উন্নত আন্তগাঁথনিৰে আটকধুনীয়া হাস্পতালখনত ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা ৰোগীসকল আহি জটিল অস্ত্ৰোপচাৰ কৰোৱা পৰিলক্ষিত হয়। দৰিদ্ৰ লোকসকলকো বিভিন্ন ধৰণৰ দাতব্য সহায় প্ৰদান কৰা হয়। ইপিনে, যোৱা বৰ্ষত অ'পিডি ৰোগী ৯০,৮১৪ গৰাকী কেজুৱেলিটি ৰোগী, ১১,৯০৭ গৰাকী আইপিডি ৰোগী, ২৪,১৫৫ গৰাকী চেৰিটেবুল অ'পিডি ৰোগী, ২৮,৮৫০ গৰাকী টুবেৰকুলেচিচ, নতুন ৰোগী ১৫৫ গৰাকী অস্ত্ৰোপচাৰ মেজৰ আৰু মাইনৰ সহ ৯,৩৪৮ গৰাকী সফল বাবে সম্পন্ন কৰা হৈছে। অনুষ্ঠানত আজমল ফাউণ্ডেছনৰ সঞ্চালক ড° খচৰুল ইছলাম, ডাঃ চামছুল হক চৌধুৰী, সমাজকৰ্মী কমল দত্ত, প্ৰভাত কয়েল আৰু আনোৱাৰ হুছেইনসহ বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

শালবাৰীৰ সাউদৰভিঠাত দুৰ্ঘটনা

অগ্ৰদূত বাৰ্তা

শালবাৰী, ১৯ ছেপ্টেম্বৰ ঃ বাগ্‌সাৰ শালবাৰীৰ আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত সাউদৰভিঠাত কালি বিয়লি এক পথ দুৰ্ঘটনা সংঘটিত হয়। সাউদৰভিঠা চ'ক বজাৰত প্ৰবীণ মুছাহাৰী নামৰ লোক এজনে কোনোধৰণৰ কাগজ-পত্ৰ আৰু অনুজ্ঞাপত্ৰ নথকা নম্বৰপ্লেটবিহীন মটৰ চাইকেলেৰে চাৰিজনকৈ লোকক মহটিয়াই নিয়াৰ ফলত এজন লোক গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনা সংঘটিত কৰা চালকজনো কম-বেছি পৰিমাণে আহত হৈছে। গুৰুতৰভাৱে আহত লোকজন আৰু চালকজনক আৰক্ষী আৰু স্থানীয় লোকৰ তৎপৰতাত ততাতৈয়াকৈ সাউদৰভিঠা চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও গুৰুতৰভাৱে আহত লোকজনক পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। গুৰুতৰভাৱে আহত লোকজন বাগ্‌সা ভোটেপোৰাবড়ী চৰ্ণাৰ ৰমেশ হীৰা।

উপায়ুক্ত-আৰক্ষী অধীক্ষকক এনপিএছ কৰ্মচাৰী সংস্থাৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

দেৰগাঁও, ১৯ ছেপ্টেম্বৰ ঃ গোলাঘাট জিলাৰ উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণ মহোদয় আৰু আৰক্ষী অধীক্ষক ৰমনদ্বীপ কৌৰক সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ গোলাঘাট জিলা সমিতিৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। যিহেতু তেওঁলোক দুয়োজন এনপিএছৰ অন্তৰ্গত তেওঁলোকে আমাৰ এই প্ৰচেষ্টাৰ শলাগ লয় আৰু এনপিএছৰ যি ভয়াবহতা তেওঁলোকেও উপলব্ধি কৰিছে বুলি আমাক জানিবলৈ দিয়ে। এই সম্বৰ্ধনা কাৰ্যসূচীত গোলাঘাট জিলা সমিতিৰ সভাপতি দুষ্যন্ত শৰ্মা দাস, সম্পাদক জিসান জংগম বৰা, উপ-সভাপতি ত্ৰৈলোক্য বৰা, সহকাৰী সাধাৰণ সম্পাদক সিদ্ধাৰ্থ ৰাভা, বিমান পাঠৰী আৰু গমাৰি আঞ্চলিক সমিতিৰ সভাপতি বিপিন দাস উপস্থিত থাকে। এই কাৰ্যসূচীৰ পাছতে অৱসৰ গ্ৰহণ কৰা এনপিএছ কৰ্মচাৰীসকলৰ ডিচিআৰজি মোকলাই দিবৰ বাবে কালি সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ গোলাঘাট জিলা সমিতিয়ে স্কুলসমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰাক স্মাৰকপত্ৰ প্ৰদান কৰে।

মাজুলী কানীয়াজানত থলুৱা খাদ্য মেলা সম্পন্ন

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৯ ছেপ্টেম্বৰ ঃ ৰাষ্ট্ৰীয় পোষণ মাহ ২০২২ ৰ লগত সংগতি ৰাখি মাজুলী জিলাৰ সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত সংহত শিশু উন্নয়ন প্ৰকল্প মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্প অধীনৰ কমলাবাৰী কে'বাটাও চক্ৰৰ কানীয়াজানত কালি থলুৱা খাদ্য সম্ভাৰৰ ৰন্ধন প্ৰদৰ্শন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। থলুৱা খাদ্য গ্ৰহণৰ জৰিয়তে কিদৰে প্ৰত্যেক গৰাকী গৰ্ভৱতী মহিলা, প্ৰসূতি মাতৃ, কিশোৰী আৰু শিশু সকল উপকৃত হয় সেই উদ্দেশ্যে কানীয়াজান মডেল অংগনঞ্জাৰী চৌহদত পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত কৰা এখন সভাত মাজুলী জিলাৰ সহকাৰী আয়ুক্ত তথা জিলা সমাজ কল্যাণ বিষয়া দেৱ নাৰায়ণ হাজৰিকা আৰম্ভ কৰে। সমাজৰ সকলো শ্ৰেণীৰ লোকে পুষ্টিহীনতা আৰু ৰক্তহীনতা ব্যাধিৰ পৰা কেনেদৰে মুক্ত হৈ থাকিব পাৰে তথা পৰিপুষ্ট সমৃদ্ধ থলুৱা খাদ্য সম্ভাৰৰ ওপৰত বিষয়াজনে বহলাই আলোকপাত কৰে। উক্ত সভাত মাজুলী সংহত শিশু বিকাশ প্ৰকল্পৰ বিষয়া মণিষা পাইট, জিলা পৰিষদ ৰ সভানেত্ৰী পাপু হাজৰিকা দত্ত, জিলা সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰা,জিলা যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞাই ভাষণ দিয়ে। কালি উক্ত কাৰ্যসূচীত পোষণ অভিযানৰ পংকজ পায়েং,কমলাবাৰী চক্ৰৰ চুপাৰ ভাইজাৰ জ্যোতি বাৰিকৰ উপৰি মাজুলী সংহত শিশু বিকাশ প্ৰকল্পৰ সমূহ মূখ্য সেৱিকা আৰু কৰ্মচাৰী, অংগনৱাড়ী কৰ্মী আৰু সহায়িকা, বহু সংখ্যক গৰ্ভৱতী, প্ৰসূতি আৰু কিশোৰ-- কিশোৰী উপস্থিত থাকে। সভাত অঞ্চলৰ কণ কণ শিশুসকলে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

চাৰ্মাৰছেবুল টিউবৱেল চুৰি

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ১৯ ছেপ্টেম্বৰঃ গোলাঘাট জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ ফৰকাটিঙৰ তিৰুৱালৰ কুমাৰ গাঁও প্ৰাথমিক বিদ্যালয়ত পৰহি নিশা এটা চাৰ্মাৰছেবুল টিউৱেলৰ সা-সাৰ্মঞ্জাল চোৰে চোৰ কৰি উধাও হয়।প্ৰাপ্ত তথ্য মতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দুই লাখ ১০ হেজাৰ অৰ্থ আবণ্টনৰ টিউৱেলটো স্থাপন কাৰ্য অব্যাহত চলি থকা সময়তে সা-সৰঞ্জামখিনি চোৰে চুৰি কৰি নিয়ে। ঘটনাতোৰ সন্দৰ্ভত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিয়ে ফৰকাটিং আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে ।

মৰিগাঁৱত সোণালী জয়ন্তী বৰ্ষৰ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজাৰ মূল খুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ১৯ ছেপ্টেম্বৰ ঃ সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া মৰিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উৎসৱ উদ্‌যাপন সমিতিয়ে কালি পুৱাৰ ভাগত মাংগলিক নীতি-নিয়মৰ মাজেৰে চহৰখনৰ আৱৰ্ত ভৱন আৰু পবিতৰাহাটৰ মাজত থকা মণ্ডল বেৰেকত মূলখুঁটা স্থাপনৰ কাৰ্যসূচী সমাপন কৰে। একৰ পৰা পাঁচ অক্টোবৰলৈ মৰিগাঁও ঐতিহ্যমণ্ডিত বিহুতলী আৰু মণ্ডল বেৰেকত পাঁচদিনীয়াকৈ বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন হ'বলগীয়া মৰিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উৎসৱ উদ্‌যাপন সমিতিয়ে এইবেলি সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা উদ্দেশ্যে পুৱা ভূমিপূজনৰ লগতে মাংগলিক ধ্বনিৰে মূলখুঁটা স্থাপন কৰে। উল্লেখ্য যে ১৯৭৩তেই আৰম্ভ হোৱা মৰিগাঁৱৰ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উৎসৱ উদ্‌যাপন সমিতিয়ে এইবাৰ উদ্‌যাপন কৰিব সোণালী জয়ন্তী বৰ্ষ। উদ্‌যাপন সমিতিয়ে সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি আগন্তুক ২৫ ছেপ্টেম্বৰত মহালয়া উপলক্ষে এটি বৰ্ণাঢ্য শোভাযাত্ৰাৰ আয়োজনৰ প্ৰস্তুতি চলাইছে। তদুপৰি সোণালী জয়ন্তীৰ অনুষ্ঠানত ভক্তপ্ৰাণ ৰাইজৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বতে অনুষ্ঠিত কৰি অহা মৰিগাঁও সদৰ চাৰিআলিৰ পূজাস্থলীৰ পৰিৱৰ্তে এইবাৰ মৰিগাঁও জিলাৰ আৱৰ্ত ভৱন আৰু পবিতৰাহাটৰ মাজত থকা মণ্ডল বেৰেক চৌহদত অনুষ্ঠিত কৰিবলৈ উদ্‌যাপন সমিতিয়ে পূৰ্ণগতিত প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। সোণালী জয়ন্তী উপলক্ষে মৰিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উৎসৱ উদ্‌যাপন সমিতিয়ে 'শক্তিৰূপা' নামৰ এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি চলোৱাৰ উপৰি মৰিগাঁও সদৰ বিহুতলীত আয়োজন কৰা কে'বাটাও সাংস্কৃতিক অনুষ্ঠানত অসমৰ কে'বাগৰাকীও কণ্ঠশিল্পীয়ে অংশগ্ৰহণ কৰিব বুলি উদ্‌যাপন সমিতিয়ে আজি সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। ইপিনে, আজি পুৱা মৰিগাঁও সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজাৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিয়ে ভূমিপূজন মাংগলিক ধ্বনিৰে মূলখুঁটা স্থাপন কৰা সময়ত উদ্‌যাপন সমিতিৰ সকলো বিষয়ববীয়া তথা সদস্যসকলৰ লগতে বহু ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে।

চাৰিদফীয়া দাবীৰে বকোত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ ধৰ্ণা কাৰ্যসূচী

গণতান্ত্ৰিক আন্দোলনৰ ভাবুকি মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

বকো, ১৯ ছেপ্টেম্বৰ ঃ 'ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখন ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰক', 'জনজাতীয় আৰেষ্টনী আৰু খণ্ড ৰক্ষা কৰক', 'বন অধিকাৰ স্বীকৃতি অধিনিয়ম ২০০৬ অতি শীঘ্ৰে কাৰ্যকৰী কৰক', 'বন অধিকাৰ স্বীকৃতি অধিনিয়ম ২০০৬ৰ অধীনত খিলঞ্জীয়া জাতি আৰু জনজাতীয় লোকসকলক ভূমি অধিকাৰ ৰক্ষা কৰক' আদি শ্ল'গানেৰে কঁপি উঠিল বকো গান্ধী মৈদান প্ৰাংগণ। বেনাৰ, ফেষ্টুন, হাতে হাতে প্লেকাৰ্ড লৈ বকো ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচীৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে কামৰূপ জিলা ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ সহযোগত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাই। আৰছু অৰ্থাৎ ৰাভা জাতীয় সংগঠন নিখিল ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিয়ে দীৰ্ঘদিন ধৰি ৰাভা হাছঙত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ সহযোগত পৰিষদখন ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ দাবী জনাই আহিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে সংসদীয় উপ-সমিতি গঠন কৰি দিছে। বৰ্তমানলৈ সংসদীয় উপ-সমিতিখনে ষষ্ঠ অনুসূচীৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা নাই। একেদৰে বন নিবাসী আৰু অনুসূচিত জনজাতিসকলক ভূমি অধিকাৰ প্ৰদানৰ বাবে বন অধিকাৰ স্বীকৃতি অধিনিয়ম ২০০৬ প্ৰণয়ন কৰিছিল। বিগত ১৬ বছৰে ৰাজ্য চৰকাৰে আইনখন কাৰ্যকৰী কৰা নাই। কামৰূপ জিলাৰ বনানীকৰণত বসবাস কৰা খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লোকসকলক আজিলৈকে ভূমি অধিকাৰ প্ৰদান কৰা নাই। ৰাজহ ভূমি আইন ১৮৮৬ৰ দশম অধ্যায়ৰ ধাৰা ১৬০ অনুসৰি জনজাতীয় আৰেষ্টনী আৰু খণ্ডৰ লগতে জনজাতীয় উপ-আঁচনিৰ অন্তৰ্ভুক্ত ভূমি সংৰক্ষিত শ্ৰেণীৰ লোকৰ বাদে অন্যান্য শ্ৰেণীৰ লোকলৈ হস্তান্তৰ বন্ধ আছে। কিন্তু জনজাতীয় আৰেষ্টনী খণ্ড আৰু জনজাতীয় উপ-আঁচনিৰ ভূমি অসংৰক্ষিত শ্ৰেণীৰ লোকলৈ হস্তান্তৰ হৈ আছে। যাৰ বাবে কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাই মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচীত দাবী সমিতিৰ সহযোগত চাৰিটা দাবী জনাই দাবীসমূহ অতি শীঘ্ৰে কাৰ্যকৰী কৰা বাবে বকো ৰাজহ চক্ৰ বিষয়া দিৰস বৰদলৈৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ধৰ্ণা কাৰ্যসূচীত নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰদীপ ৰাভা উপস্থিত থাকি সংবাদ মাধ্যমৰ আগত অৱগত কৰে যে কংগ্ৰেছ চৰকাৰৰ দিনতো উপ-সমিতি গঠন হৈছিল আৰু বিজেপি চৰকাৰখনৰ দিনটো উপ-সমিতি গঠন কৰা হৈছে। বিজেপি চৰকাৰখনে উপ-সমিতি গঠন কৰোতে সীমাবদ্ধ নাথাকি এখোপ আগুৱাই গৈ ৰাভাসকলৰ যি ঐতিহাসিক আৰু নৈতিক অধিকাৰ তাৰ প্ৰতি সন্মান জনাই সমস্যাসমূহ সমাধান কৰিবলৈ দাবী জনায়। নিখিল ৰাভা ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক ফুলেশ্বৰ ৰাভা, মহিলা পৰিষদৰ উপ-সভানেত্ৰী বিচিত্ৰা ৰাভা, কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি অজিত ৰাভা, সাংগঠনিক সম্পাদক অংকুৰ ৰাভা, মহিলা পৰিষদৰ সভানেত্ৰী ৰাণু ৰাভা, সম্পাদিকা সুজিতা ৰাভা, ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি বিদ্যা ৰাভা, সম্পাদক পূৰ্ণচন্দ্ৰ ৰাভা, কামৰূপ জিলা পৰিষদৰ উপ-সভাপতি কম্বুৰাম ৰাভা, জিলা পৰিষদৰ সদস্য শোভাৰাম ৰাভা, বকো আঞ্চলিকৰ সম্পাদক দিব্য ৰাভাৰ উপস্থিতিত কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নমল ৰাভাই কয়, 'বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ কাৰ্যকালৰ সময়তে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদখন ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰক।' ৰাভা জাতীয় সংগঠনৰ দাবীসমূহ পূৰণ নকৰিলে অনাগত দিনত বিভিন্ন ধৰণে প্ৰতিবাদ সাব্যস্ত কৰি যাব বুলি হুংকাৰ প্ৰদান কৰে সাধাৰণ সম্পাদকজনে।

বড়াইগাঁও জিলা স্বাস্থ্য বিভাগৰ দ্বাৰা পলিঅ' প্ৰতিষেধক প্ৰদান অনুষ্ঠান।

আৰু ললিপপ নালাগে ছয় জনগোষ্ঠীক

তিনি পৃষ্ঠাৰ পৰা আমন্ত্ৰণ জনায় যদিও এই আমন্ত্ৰণ ছয় জনগোষ্ঠী ঐক্যমঞ্চই অগ্ৰাহ্য কৰিছে বুলি আজি সদৰী কৰে চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ সভাপতি ধীৰাজ গোৱালা, মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নৱ মৰাণ আৰু তাই আহোম ছাত্ৰ সন্থাৰ যুটীয়া সম্পাদক মিলন বুঢ়াগোহাঁয়ে। ছাত্ৰ নেতাত্ৰয়ে কয়, 'ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়টো ফুটবলৰ দৰে এখন চৰকাৰে আন এখন চৰকাৰলৈ ঠেলা ঠেলি কৰি আছে। তেওঁলোকক স্পষ্ট কৰি দিওঁ যে এইখন ফুটবল খেল নহয়। দীৰ্ঘদিন ধৰি ছয় জনগোষ্ঠীয়ে নিজৰ প্ৰাপ্যৰ দাবীত শান্তিপূৰ্ণ গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। বিজেপি চৰকাৰৰ প্ৰতিশ্ৰুতিত ভোল গৈ পুনৰ ছয় জনগোষ্ঠী প্ৰতাৰণাৰ সন্মুখীন হ'ল। বহুবাৰ এই বিষয়ত আলোচনাৰ ওপৰত আলোচনা হ'ল, পিছে ই কেৱল ভুৱা প্ৰতিশ্ৰুতিহে যে আছিল সেয়া প্ৰমাণিত হ'ল।' উল্লেখ্য যে আন্দোলন ঘোষণাৰ পাছতে পুনৰ চৰকাৰে আলোচনালৈ আমন্ত্ৰণ জনাইছে বুলি সদৰী কৰি ছয় জনগোষ্ঠীৰ নেতৃত্বই পুনৰ কয়, 'অতি হাস্যকৰ বিষয় যে ছয় জনগোষ্ঠীয় ঐক্যমঞ্চই আন্দোলন ঘোষণা কৰাৰ পাছতে অহা ২১ ছেপ্টেম্বৰত আলোচনালৈ আমন্ত্ৰণ জনাইছে ৰাজ্য চৰকাৰে। বৈঠকত মন্ত্ৰীদ্বয় ক্ৰমে ডাঃ ৰণোজ পেগু আৰু পীযুষ হাজৰিকা উপস্থিত থাকিব বুলি জনাইছে। আমাৰ স্পষ্ট মত যে এই আলোচনাত আমি অংশগ্ৰহণ নকৰো। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গঠন হোৱা মন্ত্ৰী গোটে প্ৰতিবেদন শীঘ্ৰে কেন্দ্ৰলৈ প্ৰেৰণ কৰক। প্ৰতিবেদন প্ৰেৰণৰ পাছত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰৰ উপস্থিতিত এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰক। সমাধান সূত্ৰ উলিয়াব নোৱৰা আলোচনাত বহি আৰু ললিপপ বিচৰা নাই ছয় জনগোষ্ঠীৰ ৰাইজে।' উল্লেখ্য যে ছয় জনগোষ্ঠী ঐক্যমঞ্চই ইতিমধ্যে ঘোষণা কৰা অনুসৰি অহা ২২ ছেপ্টেম্বৰত প্ৰতিবাদী কাৰ্যসূচীৰ লগতে অহা ২৬ ছেপ্টেম্বৰত ২৪ ঘণ্টীয়া অসম বন্ধ সৰ্বাত্মক ৰূপত ৰূপায়ণ কৰিবলৈ তৎপৰতা অব্যাহত ৰাখিছে বুলি কয়।

জনজাতিকৰণৰ কৰ্তৃত্ব কেন্দ্ৰীয় চৰকাৰৰহে

তিনি পৃষ্ঠাৰ পৰা সংৰক্ষণ, পূৰ্বৰে পৰা জনজাতিৰ মৰ্যাদা পাই অহা জনগোষ্ঠীকেইটাৰ ক্ষেত্ৰত হ'ব পৰা অসুবিধা ইত্যাদি সমস্ত বিষয় অধ্যয়ন কৰিবলৈ পৰামৰ্শ দিয়ে। ডাঃ পেগুৱে বিধানসভাত সদৰী কৰা তথ্য মতে, ২০১৯ত অসম চৰকাৰে এই সম্পৰ্কত এখন মন্ত্ৰীগোটৰ কমিটী গঠন কৰে আৰু সংশ্লিষ্ট জনগোষ্ঠীসমূহৰ স'তে আলোচনা আৰম্ভ কৰে। মন্ত্ৰীজনে কয় যে এই আলোচনা কালত প্ৰায় প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ নিজৰ ক্ষেত্ৰত সুকীয়া সংৰক্ষণ ব্যৱস্থা দাবী কৰে। মৰাণ, মটক আৰু চুতীয়া জনগোষ্ঠীয়ে তেওঁলোকৰ বাবে আনতকৈ পৃথক সংৰক্ষণ বিচাৰিছিল বুলি ডাঃ পেগুৱে ব্যক্ত কৰে। স্বাভাৱিকতে এই বিষয়টোক লৈ জটিলতাৰ সৃষ্টি হয়। আকৌ অসমত চাহ জনগোষ্ঠী বুলি কওঁতে সৰ্বমুঠ ৯৮টা পৃথক জনগোষ্ঠী আছে। এওঁলোকৰ একাংশই দাবী কৰে যে চাহ জনগোষ্ঠীৰ যিসকল ক্ষুদ্ৰ জাতিয়ে ইতিমধ্যে আন ৰাজ্যত জনজাতিৰ মৰ্যাদা পাইছে, তেওঁলোকক অসমতো জনজাতিৰ মৰ্যাদা দিব লাগে। অৰ্থাৎ বহিঃৰাজ্যত জনজাতিৰ মৰ্যাদা লাভ কৰিছে অসমত থকা ৯৮টা চাহ জনগোষ্ঠীৰ ভিন্ন সম্প্ৰদায়ৰ ৩৬টা সম্প্ৰদায়ে। এই ৩৬ টা সম্প্ৰদায়ক জনজাতিৰ মৰ্যাদা দিয়াৰ প্ৰস্তাৱ উত্থাপনৰ লগে লগে চাহ জনগোষ্ঠীৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আজি বিধানসভাৰ মজিয়াত মন্ত্ৰী ডাঃ পেগুৱে লগতে কয় যে অসম চৰকাৰে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছে যাতে ৰাজ্যখনত পূৰ্বৰে পৰা জনজাতিৰ মৰ্যাদা উপভোগ কৰি থকা জনগোষ্ঠীসমূহে নতুনকৈ জনজাতিকৰণৰ ফলত কোনো ধৰণে ক্ষতিগ্ৰস্ত নোহোৱাকৈ এক সিদ্ধান্ত গ্ৰহণ কৰা যায়। এই প্ৰসংগতে তেওঁ কয় যে সমগ্ৰ বিষয়টো এতিয়া কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ হৈ আছে। অসম চৰকাৰে নিজস্বভাৱে মৰাণ, মটক, চুতীয়া, চাহ জনগোষ্ঠী, তাই আহোম আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলক উন্নয়নৰ গতি যাতে স্তব্ধ নহয়, সেয়া নিশ্চিত কৰিবলৈ প্ৰতিটো জনগোষ্ঠীৰে বিকাশৰ বাবে উন্নয়ন পৰিষদ আৰু স্বায়ত্তশাসিত পৰিষদ গঠন কৰি দিছে। প্ৰতিখন উন্নয়ন পৰিষদ আৰু স্বায়ত্তশাসিত পৰিষদলৈ ৰাজ্য চৰকাৰে ২৫ কোটি টকাকৈ আগবঢ়োৱা বুলিও মন্ত্ৰীজনে ব্যক্ত কৰে। উল্লেখ্য যে আজি বিধানসভাৰ শূন্যকালীন ঘণ্টাত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই বিষয়টো উত্থাপন কৰি অভিযোগ কৰে যে বিগত সময়ছোৱাত ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বিষয়টো ফুটবলৰ দৰে খেলি থকা হৈছে। তেওঁ কয় যে পূৰ্বে ৰাজ্যসভাৰ সাংসদ হৈ থকাৰ সময়ত বৰ্তমানৰ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কেন্দ্ৰীয় চৰকাৰলৈ এক পত্ৰযোগে অনুৰোধ কৰিছিল যে নতুনকৈ কোনো জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিলেও পূৰ্বৰে পৰা জনজাতিৰ সুবিধা ভোগ কৰি থকা জনগোষ্ঠীসমূহৰ সংৰক্ষণ ব্যৱস্থাত যাতে কোনো অধিকাৰ খৰ্ব কৰা নহয়, সেয়া নিশ্চিত কৰিব লাগে। ফলত অসম চৰকাৰেও এখন কমিটী গঠন কৰি এই বিষয়টো অধ্যয়নৰ ব্যৱস্থা কৰিছিল। বিৰোধী দলপতিজনে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত আৰু অধিক বিলম্ব নকৰিবলৈও অনুৰোধ জনায়।

আঠখেলীয়া নামঘৰৰ পৰিচালনাক লৈ

তিনি পৃষ্ঠাৰ পৰা গোলাঘাট জিলাৰ শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰত যিকোনো মুহূৰ্ততে পুনৰ ভয়ানক পৰিস্থিতি সংঘটিত হোৱাৰ আশংকাই দেখা দিছে। এনে আশংকা ঘনীভূত হোৱাত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ চৌহদত আজি শ-শ আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ নিৰাপত্তা বেষ্টনী গঢ়ি তুলিবলৈ প্ৰশাসন বাধ্য হয়। মূল প্ৰৱেশদ্বাৰত আজি কৰ্ণধাৰ সমিতিয়ে তলা ওলমোৱা ঘটনাৰ পাছত পৰিচালনা সমিতিৰ ক্ষমতাক লৈ বিতৰ্কই লগ নেৰা আঠখেলীয়া নামঘৰ প্ৰসংগই পৰিস্থিতি অধিক জটিল হৈ তুলিছে।

নৱগঠিত পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলে আজি পুৱাতে নামঘৰত কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ আহিছিল। তেতিয়াই কৰ্ণধাৰ সমিতিখনে পৰিচালনা সমিতিখনক অবৈধ আখ্যা দি মূলদ্বাৰত তলা লগাই প্ৰৱেশত বাধা প্ৰদান কৰে। এয়াকে লৈ নামঘৰৰ পৰিস্থিতি উত্তপ্ত হৈ পৰে। ঘটনাৰ বিষয়ে অৱগত হৈ পুৱাৰে পৰা জিলাখনৰ কে'বাজনো উচ্চপদস্থ প্ৰশাসনিক বিষয়াসহ বৃহৎসংখ্যক আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ জোৱান নামঘৰ চৌহদত আহি উপস্থিত হয়। উল্লেখ্য যে পূৰ্বৰ পৰিচালনা সমিতিখনে গুৱাহাটী উচ্চ ন্যায়ালয়ত জনোৱা আবেদনৰ ভিত্তিত উচ্চ ন্যায়ালয়ৰ আদেশত আৰু জিলা প্ৰশাসনৰ তত্বাৱধানত যোৱা আঠ ছেপ্টেম্বৰত আঠখেলীয়া নামঘৰৰ ৰংগমঞ্চত এখন সাধাৰণ সভা অনুষ্ঠিত কৰে। উক্ত সভাতে নতুনকৈ এখন আঠখেলীয়া নামঘৰ পৰিচালনা সমিতি গঠন কৰে। সেয়ে আজি নতুন পৰিচালনা সমিতিখনে কাৰ্যভাৰ ল'বলৈ আহিছিল; কিন্তু বৰ্তমানে নামঘৰ পৰিচালনাৰ দায়িত্বত থকা কৰ্ণধাৰ সমিতিয়ে মূল দ্বাৰত তলা লগাই দিয়ে। ফলত নামঘৰৰ সন্মুখতে গোটেই দিনটো অপেক্ষা কৰিবলগীয়া হয় নৱগঠিত পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলে। কৰ্ণধাৰ সমিতিয়ে আঠ ছেপ্টেম্বৰত গঠন কৰা পৰিচালনা সমিতিখন অবৈধ আৰু অসাংবিধানিক বুলি দাবী কৰে। এই ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰো সৃষ্টি হয়। লগতে দূৰ-দূৰণিৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজেও দুৰ্ভোগ ভুগিবলগীয়া হয়। ঘটনা সন্দৰ্ভত ইতিমধ্যে নৱগঠিত পৰিচালনা সমিতিয়ে ঘিলাধাৰী আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। আনহাতে, ঘটনা সন্দৰ্ভত কৰ্ণধাৰ সমিতিৰ একাংশ বিষয়ববীয়াই সংবাদ মাধ্যমৰ আগত কয় যে আঠ ছেপ্টেম্বৰত উচ্চ ন্যায়ালয়ৰ অনুমতি লৈ অবৈধভাৱে এখন ৰাজহুৱা সভা পাতি এখন পৰিচালনা সমিতি গঠন কৰিছে। সেই অবৈধভাৱে গঠন হোৱা সমিতিখনে বলপূৰ্বক নামঘৰত প্ৰৱেশ কৰি বেলেগ এটা পৰিস্থিতি উদ্ভৱ কৰাৰ সম্ভাৱনা দেখা পাইছে কৰ্ণধাৰ সমিতিয়ে। গোলাঘাট জিলা প্ৰশাসনৰ উচটনিৰ ফলতে তেওঁলোকে এনে এটা পৰিস্থিতি সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে বুলিও কৰ্ণধাৰ সমিতিয়ে অভিযোগ কৰে। তেওঁলোকে স্পষ্ট কৰি দি কয়, 'এই অবৈধ সমিতিখনক কোনো কাৰণতে নামঘৰত প্ৰৱেশ কৰি লণ্ডভণ্ড কৰিবলৈ দিয়া নহ'ব। তাৰ বাবে খেলুৱা ৰাইজে যিখিনি ব্যৱস্থা কৰিব লাগে সেইখিনি কৰিছে। নামঘৰটোত সম্পূৰ্ণ খেলুৱা ৰাইজৰ অধিকাৰ আছে। এইটো আমাৰ নিজাববীয়া অনুষ্ঠান। তাত প্ৰশাসনৰ কোনো অধিকাৰ নাই।' নৱগঠিত পৰিচালনা সমিতিখনক সহযোগ কৰাৰ বাবে প্ৰশাসনক তীব্ৰ গৰিহণাও দিয়ে কৰ্ণধাৰ সমিতিৰ বিষয়ববীয়াই। ইয়াৰ বিপৰীতে নৱগঠিত পৰিচালনা সমিতিখনৰ বিষয়ববীয়াই কৰ্ণধাৰ সমিতিখনহে সম্পূৰ্ণৰূপে অবৈধ বুলি দাবী কৰিছে। দিনটো অপেক্ষা কৰাৰ পাছত বিয়লি নৱগঠিত পৰিচালনা সমিতিয়ে আজি নামঘৰত প্ৰৱেশ নকৰি পুনৰ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পাছতে প্ৰশাসনে কৰ্ণধাৰ সমিতিৰ স'তে আলোচনাত মিলিত হৈ পুৱাৰে পৰা তলা মাৰি ৰখা মূল দ্বাৰখন খোলাৰ ব্যৱস্থা কৰে।

ইপিনে, কৰ্ণধাৰ সমিতি আৰু নৱগঠিত পৰিচালনা সমিতিৰ সংঘাতৰ বাবে নামঘৰত এনে অৰাজক পৰিৱেশৰ সূচনা হোৱাত ক্ষুব্ধ হৈ পৰে বহুসংখ্যক স্থানীয় লোক। স্থানীয় লোকসকলে 'নামঘৰত দুৰ্নীতি নচলিব' শ্ল'গানেৰে নামঘৰৰ মূলদ্বাৰৰ সন্মুখতে প্ৰতিবাদ সাব্যস্ত কৰে। আঠখেলীয়া নামঘৰৰ আধ্যাত্মিক পৰিৱেশ বিনষ্ট কৰাৰ সন্দৰ্ভত শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বঁচা গাঁৱৰ প্ৰায় শতাধিক লোকে স্বাক্ষৰ কৰি গোলাঘাটৰ উপায়ুক্তক এখন স্মাৰকপত্ৰও কৰে। সকলো জাতি-ধৰ্মৰ মিলন তীৰ্থ স্বৰূপ আঠখেলীয়া নামঘৰক লৈ দুটা পক্ষৰ টনা-আঁজোৰাই পবিত্ৰ অনুষ্ঠানটোৰ গৰিমা বিঘ্নিত কৰা বুলি আজি সচেতন মহলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এইক্ষেত্ৰত শীঘ্ৰে এক উচিত মীমাংসাৰে সকলো পক্ষকে নামঘৰৰ শান্তি-সম্প্ৰীতি ঘূৰাই আনিবলৈ ৰাইজে আহ্বান জনাইছে। উল্লেখ্য যে আঠখেলীয়া নামঘৰ পৰিচালনা সমিতিৰ ক্ষমতা দখলক কেন্দ্ৰ কৰি দুটা ফৈদৰ মাজত দীৰ্ঘদিন ধৰি সংঘাতৰ সৃষ্টি হৈ আহিছে। ২০১৬ত ঐতিহ্যমণ্ডিত নামঘৰৰ ভিতৰতে দুটা ফৈদৰ মাজত এই বিষয়ত মাৰপিটৰ ঘটনা সংঘটিত হৈ ৰক্তাক্ত পৰিৱেশৰো সৃষ্টি হৈছিল। যাৰ বাবে আজি তলা ওলমোৱা কাণ্ডক লৈ সমগ্ৰ অঞ্চলটোতে চেপা উত্তেজনাই বিৰাজ কৰিছে।

ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা

তিনি পৃষ্ঠাৰ পৰা মৰাণ আৰু মটকৰ অনুসূচীকৰণৰ প্ৰক্ৰিয়াত যুক্তিৰে প্ৰথমৰ পৰাই বিৰোধিতা কৰি আহিছে বৰ্তমানৰ জনজাতি স্বীকৃত জনগোষ্ঠীসমূহে। তাৰ মাজতে শেহতীয়াকৈ আদিবাসী পাঁচটাকৈ সশস্ত্ৰ সংগঠনৰ স'তে স্বাক্ষৰিত চুক্তিত অনুসূচীকৰণৰ সন্দৰ্ভত এটা প্ৰস্তাৱ গ্ৰহণ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই ৰাজ্যৰ আন আন পাঁচটা জনগোষ্ঠীকো অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ কথা প্ৰকাশ কৰাৰ পাছতে আজি মহানগৰীৰ গড়চুকস্থিত চছিঅ' লিটাৰেৰি কমপ্লেক্সত জনজাতি সংগঠনসমূহৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত হয় আৰু জনজাতি সংগঠনসমূহে এই সন্দৰ্ভত পুনৰ নিজৰ স্থিতি স্পষ্ট কৰে। সদৌ অসম ট্ৰাইবেল সংঘৰ সভাপতি সুকুমাৰ বসুমতাৰীৰ সঞ্চালনাত অনুষ্ঠিত তথা নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়ো, ট্ৰাইবেল সংঘৰ সম্পাদক প্ৰধান আদিত্য খাখলাৰী, ট্ৰাইবেল যুথ লীগৰ সভাপতি ধীৰেণ ইংতি, তিৱা ছাত্ৰ সন্থাৰ সভাপতি দীপক আমচং, মিচিং ছাত্ৰ সন্থাৰ সম্পাদক তিলক দলে, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি ৰতন কছাৰী, ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নৃপেন খান্দা, দেউৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল দেউৰী, কাৰ্বি ছাত্ৰ সন্থাৰ সভাপতি ছেমচন টেৰণ, হাজং ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ হাজং, মদাহি কছাৰী ছাত্ৰ সন্থাৰ সভাপতি সুৰেণ মদাহি, শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰবীণ ডেকা, বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ বৰ্মন আৰু কাৰ্বি ছাত্ৰ সন্থাৰ সম্পাদক ভৱেন ফাংচুৱে অংশগ্ৰহণ কৰা বৈঠকত নেতৃত্বই ৰাজ্যৰ উল্লিখিত ছটা জনগোষ্ঠীয়ে জনজাতিৰ মৰ্যাদা লাভ কৰিলে ভূমি আৰু ৰাজহ আইনৰ দশম অধ্যায় ধ্বংসপ্ৰাপ্ত হোৱাৰ লগতে জনজাতিসকলে ভূমি হেৰুৱাব বুলি মত প্ৰকাশ কৰে। সমান্তৰালভাৱে শেহতীয়াকৈ পাঁচটা আদিবাসী সশস্ত্ৰ সংগঠনেৰে স্বাক্ষৰিত শান্তি চুক্তিত প্ৰস্তাৱিত অনুসূচীকৰণ বিষয়টোৰ সন্দৰ্ভত ৰাজ্যৰ জনজাতি ৰাইজ আৰু সংগঠনসমূহক সম্পূৰ্ণ অন্ধকাৰত ৰখা হ'ল বুলি সমন্বয়ৰক্ষী সমিতিখনে ক্ষোভ প্ৰকাশ কৰি বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ এনেধৰণৰ ক্ষতিকাৰক ৰাজনৈতিক প্ৰস্তাৱে বৰ্তমানৰ স্বীকৃত আদিমবাসী জনজাতিসকলক শংকিত কৰি তুলিছে বুলি কয়। জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মুখ্য সমন্বয়ক খাখলাৰীয়ে বৈঠকত হোৱা আলোচনাসমূহৰ সন্দৰ্ভত কয় যে স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে চৰকাৰে গ্ৰহণ কৰা উদ্যোগ নিশ্চিতভাৱে স্মৰণীয় আৰু এই উদ্যোগৰ বাবে সমন্বয়ৰক্ষী সমিতিৰ আজিৰ জৰুৰী বৈঠকে দুয়োখন চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। সমান্তৰালভাৱে শান্তি চুক্তিত অনুসূচীকৰণৰ বিষয়টো সন্দৰ্ভত এটা প্ৰস্তাৱ লোৱা পৰিলক্ষিত হৈছে আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নড্ডাই ৰাজ্যৰ আন পাঁচ জনগোষ্ঠীক অনুসূচিত জনজাতি মৰ্যাদা প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰা মন্তব্যই জনজাতি ৰাইজক শংকিত কৰি তুলিছে। এইদৰে সদৰী কৰি খাখলাৰীয়ে কয় যে চৰকাৰে জনগোষ্ঠীসমূহক অধিকাৰ প্ৰদান কৰিবলৈ যাওঁতে বৰ্তমানৰ স্বীকৃত জনজাতিসকলৰ সাংবিধানিক অধিকাৰ, বিশেষ সুবিধা, সংৰক্ষণ আদি যাতে খৰ্ব নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আজিৰ সভাই চৰকাৰক আহ্বান জনায়।

ইফালে, জনজাতিকৰণৰ দাবী কৰি অহা ৰাজ্যৰ ছটাকৈ জনগোষ্ঠীৰ বিৰুদ্ধে আজিৰ বৈঠকত জনজাতি সংগঠনসমূহৰ নেতৃত্ব সৰৱ হৈ পৰে আৰু জনবহুল তথা অতিকৈ আগবঢ়া এই ছটা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰিলে বৰ্তমানৰ জনজাতিসকলৰ ৰাজনৈতিক, শৈক্ষিক, সামাজিকে আদি সকলো দিশতে ধ্বংসপ্ৰাপ্ত হ'ব বুলি সভাই মত পোষণ কৰে। উল্লিখিত জনজাতি সংগঠনসমূহৰ নেতৃত্বৰ স্বাক্ষৰিত এক প্ৰেছ বাৰ্তাত দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰৰ পাছত যদি এই বৃহত্তৰ সংখ্যাৰ জনগোষ্ঠীসমূহক জনজাতিৰ স্বীকৃতি প্ৰদান কৰা হয়, তেন্তে গাঁও সভাৰ পৰা লোকসভালৈ বৰ্তমানৰ জনজাতিসকলৰ এজনো প্ৰতিনিধি নাথাকিব বুলি উল্লেখ কৰি কোৱা হয়, 'উচ্চ শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তি আৰু চাকৰিৰ ক্ষেত্ৰতো বৰ্তমানৰ জনজাতিসকল সৰ্বকালৰ বাবে বঞ্চিত হ'ব। গাঁওসভাৰ পৰা লোকসভালৈ বৰ্তমানৰ এজনো জনজাতি লোকে প্ৰতিনিধিত্ব কৰিব নোৱাৰিব। সকলোতে সংশ্লিষ্ট ছয় জনগোষ্ঠীৰ লোকেও প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পাৰিব, কাৰণ ভাৰতৰ সংবিধানত অনুসূচিত জনজাতিৰ মাজত কোনো পাৰ্থক্য ৰখা নাই।' প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ জনসংখ্যা ৫০ লাখ বুলি দাবী কৰি অহা তথা অৰ্থনৈতিক, শৈক্ষিকভাৱে আগবঢ়া ছয় জনগোষ্ঠীৰ লগত বৰ্তমানৰ জনজাতিসকলে কোনোপধ্যে ফেৰ মাৰিব নোৱাৰে বুলি জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে উল্লেখ কৰি পুনৰ কয়, '১৯৯৬ত কোচ ৰাজবংশীসকলক জনজাতি মৰ্যাদা প্ৰদান কৰোতে জনজাতিৰ বাবে সংৰক্ষিত মাজুলী সমষ্টিৰ পৰা কৰুণা দত্ত নিৰ্বাচিত হৈ আহিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি চিকিৎসা মহাবিদ্যালয়, অভিযান্তিক মহাবিদ্যালয় আদিত সংৰক্ষিত সিংহভাগ আসন তেওঁলোকেই হস্তগত কৰিছিল।'

ছয় জনগোষ্ঠীয়ে জনজাতি মৰ্যাদা লাভ কৰিলে কাৰ্বি আংলং, ডিমা হাছাও, বিটিআৰ, মিচিং, তিৱা, ৰাভা, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, দেউৰী আদি পৰিষদৰ সংৰক্ষিত আসনত সংশ্লিষ্ট জনগোষ্ঠীৰ লোকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব আৰু ফলত স্বায়ত্তশাসনৰ কোনো অৰ্থই নাথাকিব বুলি জনজাতি সংগঠনসমূহে মত পোষণ কৰি পঞ্চায়তীৰাজ ব্যৱস্থাতো এই জনগোষ্ঠীসমূহৰ আধিপত্য চলিব বুলি কয়। সমান্তৰালভাৱে ছয় জনগোষ্ঠীয়ে জনজাতিৰ মৰ্যাদা লাভ কৰিলে অসম ভূমি আৰু ৰাজহ আইনৰ দশম অধ্যায় ধ্বংসপ্ৰাপ্ত হ'ব আৰু জনজাতিয়ে ভূমি হেৰুৱাব বুলি উল্লেখ কৰি প্ৰেছ বাৰ্তাত কোৱা হয়, 'বিগত সময়ছোৱাত ৰাজ্য চৰকাৰৰ ছয় জনগোষ্ঠীৰ অনুসূচীকৰণৰ প্ৰস্তাৱ ভাৰতৰ মহাপঞ্জীয়ক আৰু ৰাষ্ট্ৰীয় জনজাতি আয়োগে আঠবাৰকৈ নাকচ কৰিছে। তৎসত্বেও কেৱল হ্ৰস্বকালীন ৰাজনৈতিক মুনাফা লাভৰ বাবে ৰাজ্য চৰকাৰে বাৰম্বাৰ কেন্দ্ৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিয়েই আছে; য'ত জনজাতি মৰ্যাদা পাবলৈ ভাৰতৰ সংবিধানে স্থিৰ কৰি দিয়া অৰ্হতাসমূহ ছয় জনগোষ্ঠীয়ে পূৰণ নকৰে।' উল্লেখ্য যে ছয় জনগোষ্ঠীক ভৈয়াম জনজাতিৰ বিপৰীতে অন্যান্য পিছপৰা শ্ৰেণীৰ অধীনতে সৰ্বাধিক সা-সুবিধা প্ৰদান কৰি বৰ্তমানৰ জনজাতিসকলৰ সকলো সাংবিধানিক অধিকাৰ নিৰ্দিষ্ট কৰি ৰাখিবলৈ দুয়োখন চৰকাৰক দাবী জনাই আজিৰ সভাই।

লখিমপুৰত অৰুণাচলীয়ে

তিনি পৃষ্ঠাৰ পৰা চুবুৰীয়া ৰাজ্যই ভূমি বেদখল কৰি আছে বুলি সোধা এক প্ৰশ্নৰ উত্তৰত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি বিধানসভাৰ মজিয়াত প্ৰকাশ কৰিছে ৰাজ্যখনৰ উক্ত বৃহৎ পৰিমাণৰ ভূমি চাৰিখনকৈ ৰাজ্যই বেদখল কৰি ৰখাৰ তথ্য। মন্ত্ৰী বৰাই প্ৰকাশ কৰা তথ্য মতে চুবুৰীয়া অৰুণাচলে ১৬১৪৪ হেক্টৰ মাটি বেদখল কৰি থকাৰ বিপৰীতে নগালেণ্ডে সৰ্বাধিক ৫৯,৪৯০ হেক্টৰ মাটি বেদখল কৰিছে। একেদৰে মেঘালয়ে ৩৪৪১ হেক্টৰ আৰু মিজোৰামে ৩৬৭৫ হেক্টৰ অসমৰ মাটি বেদখল কৰি আছে। মন্ত্ৰী বৰাই সদনক অৱশ্যে জনায় যে অৰুণাচল আৰু মেঘালয়ৰ স'তে সীমা বিবাদ নিষ্পত্তিৰ বাবে প্ৰক্ৰিয়া চলি আছে। অৰুণাচলে অসমৰ মাটি বেদখল কৰাৰ প্ৰসংগত মন্ত্ৰীজনে উচ্চতম ন্যায়ালয়ত চলি থকা গোচৰ এটা সাক্ষ্যদান পৰ্যায়ত আছে। ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত যোৱা ১৫ ছেপ্টেম্বৰত নতুন দিল্লীত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ে আলোচনাৰ মাজেৰে সীমা বিবাদ নিষ্পত্তি কৰিবলৈ চেষ্টা চলোৱাৰ কথা উল্লেখ কৰিছিল। একেদৰে মেঘালয়ৰ স'তেও সীমা বিবাদ নিষ্পত্তিৰ বাবে যোৱা ২৯ মাৰ্চত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত নতুন দিল্লীত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। দুই ৰাজ্যৰ মাজত থকা বিবদমান ১২ টা স্থানৰ ভিতৰত ছটা স্থানৰ বিবাদ নিষ্পত্তিৰ বাবে ব্যৱস্থা লোৱা হৈছে আৰু ছটা স্থানৰ বিবদমান অঞ্চলৰ নিষ্পত্তিৰ বাবেও প্ৰাৰম্ভিক কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰী বৰাই সদনত অৱগত কৰে। উল্লেখ্য যে লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ১০ কিলোমিটাৰ অঞ্চলৰ ভিতৰলৈ অৰুণাচলে বেদখল কৰি থকাৰ অভিযোগ সন্দৰ্ভত ঢকুৱাখনাৰ বিধায়কজনে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী বৰাই কয় যে অঞ্চলটোত কাকৈ আৰু দুলুং সংৰক্ষিত বনাঞ্চলত ক্ৰমে ২.৪০ কিলোমিটাৰ অৰ্থাৎ ১৮.১৪ হেক্টৰ আৰু ৪.১ কিলোমিটাৰ অৰ্থাৎ ৯১৮.৮২ হেক্টৰ ভূমি অৰুণাচলী লোকে বেদখল কৰিছে। দুলুং সংৰক্ষিত বনাঞ্চলত অৰুণাচলী লোকে ছয়খন গাঁও ক্ৰমে ৰাজালী, বমটে, মিডপু, খেৰবাৰী, টানিঅ' আৰু লুমচি স্থাপন কৰিছে। এই গাঁওসমূহত বসবাসৰ লগতে কৃষিকৰ্মও আৰম্ভ কৰিছে অৰুণাচলী লোকে। ২০১৭ত লখিমপুৰ জিলা প্ৰশাসনে বেদখল উচ্ছেদৰ চেষ্টা চলাইছিল যদিও অৰুণাচলী লোকৰ হিংসাত্মক কাৰ্যকলাপৰ বাবে প্ৰশাসন ব্যৰ্থ হৈছিল। সম্প্ৰতি দুয়োখন ৰাজ্যৰ মাজত আলোচনাৰ জৰিয়তে সীমাবিবাদ নিষ্পত্তি কৰিবলৈ ১২ খন আঞ্চলিক কমিটী গঠন কৰা বুলি মন্ত্ৰী অতুল বৰাই সদনত অৱগত কৰে।

অবৈধভাৱে সৰবৰাহ কৰা

তিনি পৃষ্ঠাৰ পৰা অভিযানত আৰক্ষীয়ে জীৱিত অৱস্থাত উদ্ধাৰ কৰা গৰুটোৰ অৱস্থাও সম্প্ৰতি সংকটজনক। এখন ট্ৰাকত তিৰ্পালেৰে ঢাকি পাণ জপাদি জাপি অনাৰ বাবেই গৰুসমূহৰ উশাহ বন্ধ হৈ মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। বোকাখাতৰ মাজেৰে বিভিন্ন সময়ত 'গো-সুৰক্ষা আইন'ক অংগুষ্ঠ প্ৰদৰ্শন কৰি একাংশ অসাধু ব্যৱসায়ীয়ে অবৈধভাৱে গো-সৰবৰাহ কৰি আহিছে। এনে সময়তে এক গোপন সূত্ৰৰ পম খেদি বোকাখাত আৰক্ষীয়ে আজি এক অভিযান চলায়। এই অভিযানৰ সময়তে এখন এএছ-০২ ই-৫৯৯৮ নম্বৰৰ ট্ৰাকখনত পাণ জপাদি জাপি অনা মুঠ ৪৮টা গৰুৰ ভিতৰত ৪৭টাই মৃত অৱস্থাত হয়। ইয়াৰ লগে লগে গৰুভৰ্তি ট্ৰাকখন জব্দ কৰাৰ লগতে আৰক্ষীয়ে গাড়ী চালকক আটক কৰে। একমাত্ৰ জীৱিত গৰুটোৰ অৱস্থাও সম্প্ৰতি সংকটজনক বুলি আৰক্ষীয়ে জনাইছে। প্ৰাপ্ত তথ্য অনুসৰি, গৰুসমূহ ৰজাবাৰীৰ পৰমানন্দ দাস নামৰ এজন লোকৰ এটা বৃহৎ ব্যৱসায়িক অঞ্চলৰ পৰা সংগ্ৰহ কৰি উক্ত ট্ৰাকখনেৰে চামগুৰিৰ বৰমালৈ বুলি সৰবৰাহ কৰা হৈছিল। ট্ৰাকখনৰ ওপৰত লগোৱা তিৰ্পালখন এনেদৰে ঢাকি দিয়া হৈছিল যাতে ট্ৰাকখনত কি আছে; সেয়া আৰক্ষীৰো চকুত নপৰে। এই কাৰ্যৰ বাবেই ট্ৰাকখনৰ ভিতৰত উশাহ-নিশাহ লোৱাত কষ্ট পোৱাৰ ফলতে ৪৭টাকৈ গৰুৱে কৰুণ মৃত্যুক সাৱটি লয়। ইটোৰ ওপৰত সিটো পৰি বা থিয় হৈয়েই গৰুসমূহে অতি কৰুণভাৱে মৃত্যুক সাৱটি লোৱা দৃশ্যই প্ৰতিজন লোকৰে অন্তৰ জোকাৰি যায় আৰু এক আবেগিক পৰিস্থিতিৰ সৃষ্টি কৰে। ইতিমধ্যে ট্ৰাকখনৰ চালক মুছাৰফ হুছেইনক বোকাখাত আৰক্ষীয়ে আটক কৰি সোধপোছ অব্যাহত ৰাখিছে।

ইপিনে, বোকাখাতৰ একাংশ লোকে অভিযোগ কৰে যে বোকাখাতৰ সাপ্তাহিক বিহৰা বজাৰৰ পৰা প্ৰতি দেওবাৰে শ-শ গৰু গোপনে সৰবৰাহ হৈ আহিছে। বোকাখাত আৰক্ষীয়েও ইয়াৰে দুই-এখন গাড়ী জব্দ কৰিয়েই নিজৰ দায়িত্ব সামৰিছে। আজি গৰু সৰবৰাহ কৰা ট্ৰাকখনৰ চালকজনেও সংবাদ মাধ্যমৰ আগত অভিযুক্ত ব্যৱসায়ী দাসৰ নামটো উচ্চাৰণ কৰে। অভিযুক্ত দাসে গৰু মজুত ৰখা অঞ্চলটোত অবৈধ তেল মজুত ৰাখিও চোৰাং বেপাৰ চলোৱা বুলি একাংশ লোকে গুৰুতৰ অভিযোগ উত্থাপিত কৰিছে। উল্লেখ্য যে পূৰ্বেও উক্ত অভিযোগত আৰক্ষীয়ে দাসক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল; কিন্তু মুকলি হৈয়েই তেওঁ এইবাৰ জড়িত হৈ পৰে গৰুৰ অবৈধ ব্যৱসায়ত। উল্লেখ্য যে তেল চুৰিৰ ঘটনাত জড়িত হোৱাৰ অভিযোগৰ বাবে পূৰ্বে অগপৰ পৰা বহিষ্কৃত হ'লেও অভিযুক্ত লোকজনে এতিয়াও আঞ্চলিক দলটোৰ একাংশ শীৰ্ষ নেতাৰ স'তে সু-সম্পৰ্ক বৰ্তাই ৰাখিছে বুলিও একাংশ লোকে অভিযোগ কৰিছে। তদুপৰি, বোকাখাত আৰক্ষীৰ একাংশ লোককো 'মেনেজ' কৰিও দাসে গৰুৰ চোৰাং সৰবৰাহ অব্যাহত ৰখা বুলিও অভিযোগ উঠিছে। ৰাজ্য চৰকাৰ তথা মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মাই আন্তঃজিলা গৰু সৰবৰাহ বন্ধ ৰখাৰ নিৰ্দেশ দিছে যদিও অতি সংগোপনে একাংশ লোকে চলাই গৈছে গৰুৰ এই অবৈধ সৰবৰাহ। বিশেষকৈ নিশাৰ ভাগতেই অধিক গো-সৰবৰাহ অব্যাহত থকা বুলিও এক সূত্ৰই সদৰী কৰিছে। ইপিনে, মৃত গৰুসমূহক ইতিমধ্যে লতাবাৰীলৈ নিয়া হৈছে আৰু তাতেই মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হয়। উশাহ ল'ব নোৱাৰি গৰুকেইটাই মৃত্যুমুখত পৰা বুলি অনুমান কৰা হৈছে যদিও মৰণোত্তৰ পৰীক্ষাতহে প্ৰকৃত ৰহস্য উদ্‌ঘাটন হ'ব।

মানৱ ডেকাৰ নিযুক্তি

তিনি পৃষ্ঠাৰ পৰা ভূমিদাতাসকলৰ পৰিয়ালক তদানীন্তন স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তিৰ প্ৰতিশ্ৰুতি দিছিল; কিন্তু সদ্যঘোষিত চিকিৎসা মহাবিদ্যালয়খনৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষাৰ ফলাফলত ভূমিদাতাসকলৰ পৰিয়ালৰ কোনো এজন সদস্যই উত্তীৰ্ণ নোহোৱাত বিষয়টোক লৈ আৰম্ভ হৈছে ব্যাপক ক্ষোভ আৰু অসন্তুষ্টি। এই বঞ্চনাৰ বিৰুদ্ধে স্থানীয় ৰাইজে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। লখিমপুৰৰ একাংশ বিজেপি নেতাই লখিমপুৰ চিকিৎসা মহাবিদ্যালয়খনত স্থানীয় বিজেপিৰ কিছু সংখ্যক নিষ্ঠাবান কৰ্মীক সংস্থাপিত কৰাৰ বাবে অনুৰোধ জনাইছিল। পিছে দলীয় কৰ্মীসকলৰ এই অনুৰোধ অগ্ৰাহ্য কৰি মুখ্যমন্ত্ৰীয়ে মেধাৰ ভিত্তিতহে নিযুক্তি হ'ব বুলি স্পষ্ট কৰি দিছিল। মুখ্যমন্ত্ৰীৰ এই স্থিতিৰ সূত্ৰে বিজেপিৰ নেতা-কৰ্মীসকলে আশ্বস্ত হৈ আছিল যদিও পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতে এখন বিপৰীত প্ৰতিচ্ছবি স্পষ্ট হোৱাত ক্ষুণ্ণ হৈ পৰিছে বিজেপিৰ নেতা-কৰ্মীসকল। বিধায়ক ডেকাৰ ব্যক্তিগত গাড়ীচালক, ৰান্ধনি, পত্নীৰ সহায়কাৰী তথা আন কে'বাজনো আত্মীয়-স্বজনে নিযুক্তি লাভ কৰাত ই দলৰ ভিতৰচ'ৰাত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। বিধায়ক ডেকাই নিজৰ সমষ্টিৰ দলীয় কৰ্মীক পিঠি দি নিজৰ পৰিয়ালক লৈহে ব্যস্ত হৈ পৰাত বিগত বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ হৈ প্ৰচাৰ চলোৱা নেতা-কৰ্মীসকলৰ আস্থা হেৰুৱাইছে বিধায়কজনে।

লক্ষ্যণীয় যে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাত উকা উত্তৰ বহী জমা দিয়া প্ৰাৰ্থী উত্তীৰ্ণ হোৱাৰ তথ্য পোহৰলৈ আহিছে। আনকি চিকিৎসালয় মহাবিদ্যালয়খনত ১৭ টা পদত একেজন প্ৰাৰ্থী উত্তীৰ্ণ হোৱাৰো তথ্য পোহৰলৈ আহিছে। নিযুক্তিৰ প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছতো বিধায়ক ডেকাৰ পছন্দৰ প্ৰাৰ্থীয়ে নিযুক্তি লাভ কৰা তথা উকা অ'এমআৰ শ্বীট জমা দিয়া প্ৰাৰ্থীও যোগ্য বিবেচিত হোৱাকে ধৰি বিভিন্ন খেলেমেলিৰ বিৰুদ্ধে আছু, যুৱ-ছাত্ৰ পৰিষদকে ধৰি বিভিন্ন দল-সংগঠনে মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰে। মেডিকেল কলেজত বিধায়কৰ গাড়ী চালক, ৰান্ধনি আদিয়ে চাকৰি লাভ কৰাৰ পাছতো স্বচ্ছ আৰু নিকা নিযুক্তিৰ শ্ল'গান দি থকা ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰীৰ পদত্যাগ দাবী কৰি লখিমপুৰৰ বিভিন্ন সংগঠনে আজি ৰাজ্যপাললৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। বিধায়ক ডেকাই দলীয় নেতা-কৰ্মীক পিঠি দি স্বজন-প্ৰীতিত গদগদ হৈ পৰাৰ বিষয়টোক লৈ লখিমপুৰ বিজেপিৰ নেতা-কৰ্মীসকলে মুকলি ক্ষোভ প্ৰকাশ কৰাক লৈ দলৰ মজিয়াতে এতিয়া সৃষ্টি হৈছে ব্যাপক চাঞ্চল্যৰ। লক্ষ্যণীয় যে দলীয় নেতা-কৰ্মীৰ ৰোষত পৰি ৰহস্যজনকভাৱে নিশ্চুপ হৈ ৰৈছে বিধায়ক মানৱ ডেকা।

লিডুৰ অবৈধ ভূ-গৰ্ভস্থ কয়লাখনিত নিহত

তিনি পৃষ্ঠাৰ পৰা কে'বাজনো শ্ৰমিক।

উল্লেখ্য যে মাৰ্ঘেৰিটা মহকুমাৰ লিডুৰ ঐতিহাসিক মালৌ পাহাৰৰ পূব অঞ্চলত অৱস্থিত তথা পাটকাই পাহাৰৰ অংশ বিশেষে চোৰাং কয়লা চোৰৰ দপ্‌দপনিৰ বাবে নিতৌ সংঘটিত হৈ আহিছে কয়লাকেন্দ্ৰিক দুৰ্ঘটনা। কিছুসংখ্যক দুৰ্ঘটনা পোহৰলৈ আহে যদিও মৃত্যুৰ দৰে শোকাৰহ দুৰ্ঘটনাসমূহৰ অধিকাংশই চতুৰ কয়লা চোৰে অতি কৌশলেৰে প্ৰকাশ হোৱাৰ সকলো পথ ৰোধ কৰি ৰখাৰ অভিযোগ আছে। বিশেষকৈ চোৰাং কয়লা উৎপাদিত অঞ্চলসমূহ অসম-অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী। সেই হেতুকে দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱা শ্ৰমিকৰ মৃতদেহসমূহ অসমৰ পৰিসীমা অতিক্ৰম কৰি অৰুণাচলৰ গভীৰ বনাঞ্চলত জীৱ-জন্তুৰ দৰে পুতি ৰখাৰ অভিযোগো দীৰ্ঘদিনীয়া, যাৰ বাবে এনে ঘটনা সততে পোহৰলৈ নাহে। যোৱা নিশাও তেনে এক ঘটনা মালৌ পাহাৰত সংঘটিত হোৱাত তিনিজনকৈ শ্ৰমিকে মৃত্যুক আঁকোৱালি লোৱাৰ লগতে কে'বাজনো শ্ৰমিক আঘাতপ্ৰাপ্ত হয়। সূত্ৰই জনোৱা মতে, অঞ্চলটোৰ কুখ্যাত কয়লা চোৰ জনৈক খানে যোগান ধৰা শ্ৰমিকৰ দ্বাৰা জনৈক ডেভিদৰ নেতৃত্বত নিৰ্মাণ কৰা এটি অবৈধ কয়লাখনিত কাম কৰি থকা অৱস্থাত আকস্মিকভাৱে বিষাক্ত মিথেন গেছৰ বিস্ফোৰণ হয়। ফলত তিনিজন শ্ৰমিক থিতাতে নিহত হোৱাৰ লগতে কে'বাজনো গুৰুতৰভাৱে আহত হয়। মৃত শ্ৰমিক কেইজন বঙাইগাঁও জিলাৰ যোগীঘোপাৰ ছাহিদুল ইছলাম আৰু হুছেইন আলী তথা আনজন গোৱালপাৰা জিলাৰ বগুৱানৰ আছমত আলী বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে চতুৰ কয়লা চোৰ ডেভিদে তিনিওটা মৃতদেহ গভীৰ অৰণ্যত লুকুৱাই ৰাখিছিল যদিও আন একাংশ শ্ৰমিকৰ সহযোগিতাত ঘটনাটো পোহৰলৈ আহে। মৃত শ্ৰমিক কেইজনৰ ওচৰৰ বাসিন্দাই প্ৰায় এমাহৰ আগতে লিডুত খান আৰু ডেভিদ নাগাৰ অধীনত কাম কৰিবলৈ অহা বুলি উল্লেখ কৰি শ্ৰমিক কেইজনৰ পৰিয়ালক ক্ষতিপূৰণ দিবৰ বাবে দাবী উত্থাপন কৰে।

লক্ষ্যণীয় যে মালৌ পাহাৰত দীৰ্ঘদিনৰ পৰা চলি অহা কয়লাৰ চোৰাং বৃহৎ ছিণ্ডিকেটৰ মূলতে হৈছে অঞ্চলটোৰ গাঁওবুঢ়া তথা লিডুৰ কুখ্যাত কয়লা চোৰ তেহন হাখুন। পৰম্পৰা অনুসৰি, পিতৃৰ মৃত্যুৰ পাছত গাঁওবুঢ়াৰ দায়িত্ব লোৱা যুৱক হাখুনে নিজকে পাহাৰীয়া গাঁওখনৰ অবিসম্বাদী জনজাতীয় নেতাৰূপে জাহিৰ কৰি কয়লাৰ চোৰাং বজাৰখন নিজৰ তত্ত্বাৱধানত ৰাখি যধে-মধে কয়লা উৎপাদন আৰু বিক্ৰী কৰি অসমৰ সেউজীয়া পাহাৰখন ধ্বংস কৰাৰ লগতে অসমৰ অৰ্থনীতিত কুঠাৰাঘাত কৰাৰো অভিযোগ উঠিছে। এইজন গাঁওবুঢ়াই শেহতীয়াকৈ কয়লাৰ বৃহৎ ভাণ্ডাৰ থকা মোলং পাহাৰখন অৰুণাচলৰ বুলি দাবী কৰাৰ লগতে অসমৰ ভূমিপুত্ৰ সদৃশ তাংচা জনজাতীয় লোকসকলকো অৰুণাচলী বুলি কৈ বিচ্ছিন্নতাবাদী চিন্তাৰ পৰিৱেশ সৃষ্টি কৰাৰো অভিযোগ উঠিছে। এই চৰকাৰী গাঁওবুঢ়াজনৰ বিৰুদ্ধে বাৰম্বাৰ অভিযোগ উত্থাপিত হৈ আহিছে যদিও আশ্চৰ্যকৰভাৱে তেওঁৰ বিৰুদ্ধে আজিকোপতি কোনোধৰণৰ আইনী ব্যৱস্থা গ্ৰহণ নকৰাত স্থানীয় লোকৰ মাজত কৌতূহলৰ সৃষ্টি হৈছে। ইপিনে, সম্প্ৰতি কয়লাৰ চোৰাং বেহাৰ বিৰুদ্ধে সমগ্ৰ মালৌ পাহাৰ অঞ্চলত লিডু আৰক্ষীয়ে তীব্ৰ অভিযান অব্যাহত ৰাখিছে।

মুক্তি

তিনি পৃষ্ঠাৰ পৰা মান-সন্মানৰ কথা জড়িত হৈ আছে। ভাল নম্বৰ পাবই লাগিব। গতিকে ভায়েকৰ ওপৰত অমানুষিক হেঁচা। দিনে-ৰাতিয়ে তাৰ ওপৰত মানসিক অত্যাচাৰ চলিছে— খোৱা-বোৱা গৌণ, টোপনি গৌণ, জিৰণি গৌণ, খেল-ধেমালি গৌণ। কেৱল পঢ়া-পঢ়-পঢ়া-পঢ়।

এটা সময়ত বেচেৰাটো ভাগি পৰিল। তাৰ মুকলিমূৰীয়া মন জৰ্জৰিত হৈ পৰিল। সি চকুৰে ধোঁৱা-কোঁৱা দেখিবলৈ ধৰিলে। পৰীক্ষাত ভাল নম্বৰ নাপালে কি হ'ব, সেইটো ভাবি সি আতংকিত হৈ পৰিল। ককায়েকৰ ভয়ত সি ত্ৰাহি মধুসূদন দেখিবলৈ ধৰিলে। পুৱা-গধূলি ককায়েকৰ ৰঙা চকু, হুটা মাত তাৰ বাবে অসহ্য হৈ পৰিল। তাৰ দেহৰ সকলো অংগই বিকল হ'বলৈ আৰম্ভ কৰিলে। তাৰ জ্বৰ উঠিল। তমোময় জ্বৰ তাৰ মূৰলৈ উঠিল। সি ভ্ৰম বকিবলৈ ধৰিলে। সি মানুহটো হেৰাই থাকিল। এটুকুৰা মাংসপিণ্ডই এটা সময়ত তাৰ প্ৰাণটোক আৰু ধৰি ৰাখিবগৈ নোৱাৰিলে। অত্যাচাৰীবিলাকক নিস্তাৰ দি সেই নিষ্পাপ শিশুটিয়ে মুক্তি লভিলে— কাৰো কাৰণে যন্ত্ৰণাৰ কাৰক বা চিন্তাৰ কাৰক বা অহংকাৰৰ বা পদমৰ্যাদাৰ প্ৰতি ভাবুকিৰ সৃষ্টি আৰু কোনোদিনে হ'ব নোৱাৰিবলৈ।

এক হৃদয় বিদাৰক কাহিনী। বেজবৰুৱাই লিখিছিল আজিৰ পৰা ৭০/৮০/১০০ বছৰৰ আগতে; কিন্তু আজিও প্ৰযোজ্য হৈ আছে, প্ৰাসংগিক হৈ আছে, এক বিন্দু সলনি কৰাৰ প্ৰয়োজন নোহোৱাকৈ। আজিৰ পিতৃ-মাতৃয়ে সন্তানৰ ওপৰত এনে অত্যাচাৰেই কৰে।

এই অত্যাচাৰৰ পৰা মুক্তি পাবলৈকে বহুত ল'ৰা-ছোৱালীয়ে বহুত উদ্ভট কাম বা আচৰণ কৰি ফুৰে। 'তাৰে জমীন পৰ' নামৰ চিনেমাখনৰ এটা চৰিত্ৰ আছিল তেনেকুৱা। সি ভাল পায় ফটোগ্ৰাফী; কিন্তু বাপেক-মাকে তাত ঠেলি-মেলি সুমুৱাই দিছে আই আই টিত পঢ়িবলৈ। ফলত তাৰ মাজত এটা বিচিত্ৰ মানুহৰ জন্ম হৈছে। সি অহৰহ চেষ্টা কৰি আছে সেই অৱস্থাৰ পৰা মুক্তি পাবলৈ।

আনটো গল্প হ'ল এগৰাকী অবলা বিধৱা নাৰীৰ। তেওঁৰ একমাত্ৰ পুত্ৰ সন্তানৰ কিবা অচিন ৰোগত মৃত্যু হ'ল। কোনো ডাক্তৰৰ ওচৰলৈ তেওঁ তেওঁৰ সন্তানক চিকিৎসাৰ কাৰণে নিব নোৱাৰিলে। তেওঁ দুখীয়া। টকা নাপালে আধুনিক ডাক্তৰে চিকিৎসা নকৰে। ৰোগীলৈ নাচায়েই; কিন্তু তেওঁ য'ত থাকে, তাৰ পৰা হাস্পতাল বহু দূৰ। বেমাৰী ল'ৰাটো লৈ তেওঁ ইমান দূৰ যাব নোৱাৰে। ওচৰে-পাঁজৰে কোনো সদাশয় ব্যক্তিও নাই, যি উপযাচি এখন সহায়ৰ হাত আগবঢ়াবলৈ আহিব। লগতে তাই এঘৰীয়াও। সমাজৰ অমতত তাই বিয়া কৰাইছিল। গিৰীয়েকটো থাকোতে যেনে-তেনে তাইৰ চলি গৈছিল। এতিয়া সিও অচিন বেমাৰত মৃত্যুক সাৱটি লোৱাৰ পাছত তাইৰ অৱস্থা শোচনীয় হৈ পৰিল। ল'ৰাটোৰ স্কুললৈ যোৱাৰ বয়স হোৱাতো তাই তাক স্কুললৈ পঠাব নোৱাৰিলে। ইফালে, তাইৰ মঙহাল দেহৰ ওপৰত বহুতৰ লোলুপ চকু। খুজি-মাগি লোকৰ লেদেনা ওকতিয়ে তাই দুটা পেটৰ ভোক নিবাৰণ কৰিবলৈ চেষ্টা কৰিছিল। সেয়ে গিৰীয়েকৰ মৃত্যুৰ শ্ৰাদ্ধ বিধি তাই একোকে সমাজৰ নিয়ম মতে কৰিব নোৱাৰিলে। ফলত তাইৰ শুদ্ধিয়েই নহ'ল— প্ৰায়শ্চিত্তও নহ'ল। এতিয়া আকৌ পুতেকৰ দহা-কাজ কৰাৰ কথা আহিছে। তাই কৰে কি? কাক ক'ব? কোনে কি সহায় কৰিব? অকলে অকলে মৃতদেহটো নৈৰ কাণত পুতি থৈ তাই ঘৰতে বহি থাকিল। তাতো সমাজৰ জগৰ। শৱ সৎকাৰ বিধিমতে নকৰিলে কেনেকৈ হ'ব?

এফালে সমাজৰ খং, নিয়ম, কঠোৰতা, অমানৱীয়তা, নাৰকীয়তা আৰু আনফালে তাইৰ দাৰিদ্ৰ্য। এফালে লাখ লাখ শত্ৰু সৈন্য; আনফালে অস্ত্ৰহীন এজন মানুহ। এফালে প্ৰথা-পৰম্পৰাৰ বোজা; আনফালে কেৱল জীয়াই থকাৰ তাড়না।

সমাজক তাইৰ নিচিনা 'পাতকী'ৰ পৰা মুক্তি লাগে আৰু তাইকো এনে নিৰ্মম-বজ্জাত সমাজৰ পৰা মুক্তি লাগে।

এই গল্পটোও আজিৰ পৰা ৫০/৬০/৭০ বছৰৰ আগেয়ে লিখা। তথাপি ই একপ্ৰকাৰ অপৰিৱৰ্তিত ৰঊফএথ আজিৰ গল্প বুলি পঢ়িব পাৰি। এই গল্প দুটাৰ প্ৰধান বৈশিষ্ট্য হৈছে যে ইয়াত কাৰ পৰা কোনে কি যুক্তি বিচাৰিছে সেইটো স্পষ্টৰূপত দেখা দিছে। ইয়াত দ্বিধাৰ কথা নাই। অস্পষ্টতাৰ কথা নাই।

কিন্তু আমাৰ সমাজত মুক্তিৰ কথা কোৱা আৰু বহুত মানুহ বা সংগঠন আছে। তেওঁলোক কিন্তু এই মুক্তিৰ কথাটো বা ধাৰণাটোৰ প্ৰতি একেবাৰে স্পষ্ট নহয়।

তাৰ এটা উদাহৰণ হৈছে কৃষক মুক্তিৰ কথা কোৱা মানুহবিলাক। ইয়াত কোন কৃষক, কি মুক্তি, কাৰ পৰা মুক্তি লাগে, একো কথা স্পষ্ট নহয়। অসমততো জমিদাৰী প্ৰথা নাই যে জমিদাৰৰ শোষণৰ পৰা মুক্তি বিচাৰিব! অসমৰ কৃষকে মাটি বন্ধকত থয় ঘৰুৱা টকা-পইচাৰ নাটনি দূৰ কৰিবৰ বাবে। কেতিয়াবা পাৰে, কেতিয়াবা নোৱাৰে মাটিৰ বন্ধকী মোকলাব। নোৱাৰিলে মাটি যায়, পাৰিলে মাটি আকৌ ঘূৰাই পায়। কেতিয়াবা বন্ধকী মাটিৰো ফচল আধিত লয়। এইটোও শোষণৰ শাৰীত নপৰে। সুদখোৰৰ কথাও, একেকোবে কৃষকৰ লগতে সংযুক্ত কৰি দিব নোৱাৰি; কাৰণ বেপাৰী-দোকানী-চাকৰিয়াল আদি বহুত মানুহে সুদত টকা লয়। আনহাতে, ভালকৈ ফঁহিয়াই চালে দেখা যাব যে আমাৰ খেতিয়কসকলৰ পুতৌলগা অৱস্থাৰ বাবে তেওঁলোক নিজেই বেছিকৈ দায়ী। বছৰেকত এটা খেতিহে কৰিব পাৰিবি বুলি তেওঁলোকক কোনেও হাত-ভৰি বান্ধি ৰঙা চকু দেখুৱাই থকা নাই। ধানৰ বাহিৰে আন খেতি কৰিব নোৱাৰিবি বুলিও তেওঁলোকক কোনেও ধমকি দিয়া নাই। উৎপাদন বঢ়াবৰ বাবে মাটিত সাৰ প্ৰয়োগ কৰিব নোৱাৰা বুলিও তেওঁলোকক কোনেও কোৱা নাই। ৰাসায়নিক সাৰৰ বাবে টকা লাগে হয়; কিন্তু ঘৰতে পচন সাৰ কৰি ল'ব নোৱাৰা বুলিও তেওঁলোকক কোনেও কোৱা নাই। জীৱনটো ক্ষণভংগুৰ, গতিকে দিনে-ৰাতিয়ে মদ খাই থাক বুলিও তেওঁলোকক কোনেও কোৱা নাই। বাৰীৰ মাটিত শাক-পাচলি-জালুক-তেজপাত-আমলখি-শিলিখা-অমৰা-মধৰি-ডালিম-আটলাচ-কঁঠাল-আনাৰস আদি নকৰিবি বুলিও কোনেও কোৱা নাই। মাটি এনেয়ে পৰি আছে, গতিকে মাৰোৱাৰী-বিহাৰীক বেচি দিবলৈও তেওঁলোকক কোনেও বাধ্য কৰোৱা নাই। খেতি কৰিলে বুলিয়েই অন্য একো কাম কৰিব নোৱাৰিব বুলিও ক'তো লিখি থোৱা নাই।

গতিকে আমাৰ কৃষকবোৰ নিজেই নিজৰ দাস। গতিকে এই দাসত্বৰ পৰা যদি মুক্তি লাগে, তেন্তে নগৰত ধৰ্ণা দি থকাৰ মানে কি? দিল্লীক গালি পাৰি থকাৰ যুক্তি কি? বিৰলা-আম্বানীৰ ওপৰত বিযোদগাৰ কৰি থকাৰ পৰা কি লাভ হ'ব? সমস্যা চিনাক্ত নকৰাকৈ সমাধান বিচৰাটো বাতুলতা মাত্ৰ।

ঠিক তেনেকৈ সংযুক্ত মুক্তি বাহিনী (সংগঠন) অসমেনো কাৰ পৰা কি মুক্তি বিচাৰিলে সেইটোও বোধগম্য নহ'ল। অসমৰ ৰাজনৈতিক মুক্তি লাগে যদি ব্ৰিটিছৰ পৰাহে বিচাৰিব লাগিছিল। ভাৰতে অসম মুকলি কৰি দিলে ব্ৰিটিছকহে ঘূৰাই দিব। বাবৰে দিল্লী ঘূৰাই দিবলৈ হ'লে ইব্ৰাহীম লোডীকহে দিব লাগিব। ইংৰাজে দিল্লী ঘূৰাই দিবলৈ হ'লে মাৰাঠাসকলকহে দিব লাগিব; কাৰণ লালকিল্লাৰ বাহিৰে সমগ্ৰ দিল্লী তেতিয়া মাৰাঠা সাম্ৰাজ্যৰহে ভিতৰুৱা আছিল বা ফৰাচীবিলাককহে দিব লাগিব, কাৰণ মাৰাঠাবিলাকে ফৰাচী সৈন্যৰ সহায়তহে দিল্লী দখল কৰি আছিল। মোৰ দেউতাৰ মাটি-বাৰী মইহে পাম, মোৰ খুৰাৰ ল'ৰাই নাপায় নহয়! ভাগিন-ভতিজা-ওচৰ চুবুৰীয়াই নাপায় নহয়!

আকৌ, ব্ৰিটিছে অসম আহোমৰ পৰা লোৱাই নাছিল; মানবিলাকৰ পৰাহে লৈছিল। গতিকে ঘূৰাই দিলে মানবিলাককহে দিব লাগিব।

আকৌ যেতিয়া ব্ৰিটিছে অসম মানৰ পৰা ঘিলাধাৰী ৰণৰ পাছত ১৮২২ত লৈছিল, তেতিয়া দৰঙী ৰজা স্বাধীন আছিল— গৌৰীপুৰ, বিজনী, ৰাণী, অভয়াপুৰ সকলো স্বাধীন ৰাজ্য আছিল। গতিকে স্বাধীন অসমৰ মুক্তি বিচৰাসকলে বা কোনখন অসমৰ কথা কৈছে? বড়ো অধ্যুষিত অঞ্চলবোৰ আহোমৰ তললৈ অহাই নাছিল। গতিকে 'মুক্ত' অসমত বড়োসকল থাকিব নে নাই এবাৰ সুধি ল'ব নালাগিছিল জানো? মোকো সুধিব লাগিছিল নহয় মই বা তেনেকুৱা শাসকৰ তলত থাকিবলৈ বিচাৰো নে নাই!

বাঃ এওঁলোক কম মানুহ নহয় দেই! তেওঁলোকক সমৰ্থন কৰাবিলাকো কম নহয় দেই! সীমাই ঠিক নহয়, লক্ষ্যৰে স্থিৰতা নাই; যুঁজিব কাৰ বাবে।

এতিয়া সীমা লৈ কাজিয়া কৰি থকা অৰুণাচল প্ৰদেশ, নগালেণ্ড, মেঘালয়, মিজোৰামে শুদাই এৰিবনে? তদুপৰি আলফা হ'ল এনএছচিএনৰ বহতীয়া ভৃত্য। গতিকে এনএছচিএনে বিচৰা মাটি নিদিওঁ বুলি ক'লে কি হ'ব ভাবিবলৈ পাঠকলৈ এৰিলো।

সাধাৰণ পাঠকক সেয়ে কওঁ যে এইবোৰ একো 'মুক্তি' সংগ্ৰাম নহয়। এইবোৰত ভোল যাব নালাগে। ঐতিহাসিক শুদ্ধতা বা ৰাজনৈতিক পৰিপক্কতা এইবোৰত নাই।

মই আকৌ এবিধ বেলেগ মুক্তিৰ কথাহে ভাবি আছো আজি বহুদিনে। বুদ্ধদেৱৰ দৰে জৰা-ব্যাধি-ক্লেশ আদিৰ পৰা মই মুক্তি বিচৰা নাই। মোৰ আজিৰ সমস্যা ২৭শ বছৰৰ আগৰ বুদ্ধদেৱে কি বুজি পাব? তেওঁ detachmentৰ কথা কৈছে, শান্তি পাবৰ কাৰণে। মোৰ সমস্যা সেইবোৰ একোৱেই নহয়। ১৫শ-১৬শ বছৰীয়া ইছলাম ধৰ্মই আধুনিক মানুহৰ সমস্যা যেনেকৈ সমাধান কৰিব নোৱাৰে, ২৭শ বছৰীয়া বৌদ্ধধৰ্মইও নোৱাৰে, ১০ হেজাৰ বছৰীয়া হিন্দু ধৰ্মইও নোৱাৰে।

মোৰ সমস্যাটো শুনক। মই আমাৰ অসমৰ কথা কৈছো। মই আজি ২০/২৫ বছৰে কিবাকিবি লেখা-মেলা কৰি আছো। বহুত মানুহে মোৰ লিখা ভাল পায় আৰু প্ৰশংসা কৰে। বহুত মানুহে মোৰ লেখাক লৈ মোক গালি পাৰে। মই এই দুই চৰম বিন্দুৰ মাজত অৱস্থান কৰা মানুহ; কিন্তু মই দেখা নাই— যি লেখাবিলাক ভালকৈ সমালোচনা কৰে। গতিকে মই একে ধৰণেই লিখি থাকো। মোৰ একো উন্নতি হোৱা নাই। সমালোচনা মই ভাল পাওঁ। ভূপেন হাজৰিকাই লিখিয়েই থৈ গৈছে যে সমালোচনাৰ অগনিৰে পুৰি মোক উন্নত কৰা। সমালোচনা ভাল কথা। সমালোচনাই ভাল-বেয়া বহুত কথা উলিয়াই আনে। আনকি লেখকে নিলিখা আৰু নভবা কথাও সমালোচকে দেখে। কাৰণ তেওঁৰ চকু বেলেগ। তেওঁ বহুত পঢ়া-শুনা কৰে। তেওঁৰ দৃষ্টিভংগী নিৰপেক্ষ। এই মানুহজন লেখকজনতকৈও বেছি মূল্যৱান সমাজৰ বাবে। কোনোবা এজনে কৈছিল— মই তোমাৰ কোনো কথাকে নামানিব পাৰো— তুমি মোৰ শত্ৰুও হ'ব পাৰা; কিন্তু মই জীৱনৰ শেষ বিন্দু তেজ থকালৈকে তোমাৰ মত প্ৰকাশৰ স্বাধীনতাক ৰক্ষা কৰিম। পৃথিৱীত সকলো উন্নত দেশতেই ভাল সমালোচক আছে। সমালোচনাই উন্নতিৰ প্ৰথম আৰু প্ৰধান চৰ্ত। বুদ্ধদেৱেও কৈ গৈছে— সমালোচনা কৰিহে, বিচাৰ কৰিহে মোৰ কথা গ্ৰহণ কৰিবা। সমাজত সমালোচক আৰু বিপক্ষৰ ইমানেই বেছি প্ৰয়োজন!

আমাৰ মাজত ভাল-বস্তুনিষ্ঠ-সত্যনিষ্ঠ-জ্ঞানী-অধ্যয়নপুষ্ট-সংবেদনশীল মানুহ বৰ কম। গতিকে যিসকলে সমালোচক বুলি কাম চলাই আছে সেইসকলৰ সৰহভাগেই সমাজৰ অপকাৰহে কৰি আছে। ভালক ভাল বুলি কোৱা নাই— বেয়াক বেয়া বুলি কোৱা নাই। গতিকে সমাজ বিপথে পৰিচালিত হৈছে, সমাজৰ গুণগত মান নিম্নৰ পৰা নিম্নতৰ হৈ গৈ আছে। পৰৱৰ্তী প্ৰজন্মবোৰৰ বাবে আমি এখন সবল সমাজৰ ভেটি তৈয়াৰ কৰিব পৰা নাই। কিতাপ-চিনেমা-নাটক-শিল্প-কৃতিৰ সকলোৰে ক্ষেত্ৰতে এই কথাই খাটে।

মোক এতিয়া এই ভয়ংকৰ তমসাচ্ছন্ন অৱস্থাৰ পৰা মুক্তি লাগে। মই অনবৰতে চাৰিওফালে Mediocre মানুহৰ মাজত থাকিবলৈ নিবিচাৰো। মোক ভাল বুদ্ধিদীপ্ত সমালোচনা লাগে। মধ্যবিত্ত বা Mediocrity হা-হুতাশ শুনিবলৈ বাৰ্ট্ৰাণ্ড ৰাছেলে বা বাৰ্ণাৰ্ড শ্ব' কোনেও বিচৰা নাছিল। আমিও নিবিচাৰো। কোনেও বিচাৰিব নালাগে। ভাল সমালোচনাৰ অভাৱেই সমাজৰ স্খলনৰ মূল কাৰণ। মোক এই বৌদ্ধিক মুক্তি লাগে।

ফোন : ৯৮৬৪০-৪৪৪৭০

পঞ্চায়ত সভাপতিৰ পক্ষত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়দান

ক্ষমতাকেন্দ্ৰিক যুঁজত জৰ্জৰিত বৰছলাৰ পশ্চিম বৰগাঁও পঞ্চায়ত

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ১৯ ছেপ্টেম্বৰ ঃ শোণিতপুৰ জিলাৰ বৰছলা বিধানসভা সমষ্টিৰ পশ্চিম বৰগাঁও পঞ্চায়তত ক্ষমতাকেন্দ্ৰিক যুঁজ-বাগৰ অব্যাহত থকাৰ ফলত উন্নয়নমূলক কাম কাজত পৰিছে প্ৰভাৱ। পশ্চিম বৰগাঁও পঞ্চায়তৰ সভাপতি প্ৰফুল্ল দৈমাৰীৰ বিৰুদ্ধে বিগত ১৪ মাহ পূৰ্বে অনাস্থা প্ৰস্তাৱ আনিছিল পঞ্চায়তৰ আঠ গৰাকী ৱাৰ্ড সদস্যই। অনাস্থা প্ৰস্তাৱৰ পাছতে ক্ষমতাচ্যুত হৈছিল প্ৰফুল্ল দৈমাৰী। ইয়াৰ পাছতেই ভাৰপ্ৰাপ্ত সভানেত্ৰীৰ দায়িত্ব লাভ কৰিছিল উপ-সভানেত্ৰী ৰংগীলা বড়ো। প্ৰফুল্ল দৈমাৰীয়ে অনাস্থা প্ৰস্তাৱক প্ৰত্যাহ্বান জনাই যোৱা ২৪/৬/২১ তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ত এক লেখ আবেদন দাখিল কৰিছিল। উক্ত লেখ আবেদনৰ গোচৰ ডব্লিউ পি (চি) ৩৩১৪/২০২১ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ১৮ ছেপ্টেম্বৰত প্ৰফুল্ল দৈমাৰীৰ সপক্ষে ৰায়দান দিয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সুমন শ্যামৰ এজনীয়া বিচাৰপীঠে ৰায়দান দিয়ে প্ৰফুল্ল দৈমাৰীৰ সপক্ষে। আদালতৰ উক্ত ৰায়দানত কোৱা হয় যে শোণিতপুৰ জিলা পৰিষদৰ এনে কোনো কৰ্তৃত্ব নাই এজন নিৰ্বাচিত পঞ্চায়ত সভাপতিক তেওঁৰ পদৰ পৰা অপসাৰণ কৰিব। আদালতৰ এই ৰায়দানৰ সাত দিনৰ ভিতৰত পুনৰ প্ৰফুল্ল দৈমাৰীক পশ্চিম বৰগাঁও পঞ্চায়তৰ সভাপতি ৰূপে কাৰ্যভাৰ দিবলৈ নিৰ্দেশ দিয়ে। আদালতৰ এই আদেশ শোণিতপুৰ জিলা উপায়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, বিহগুৰী আঞ্চলিক পঞ্চায়ত, পশ্চিম বৰগাঁও পঞ্চায়ত আৰু অনাস্থা প্ৰস্তাৱ অনা আঠ গৰাকী ৱাৰ্ড সদস্যলৈ প্ৰেৰণ কৰা হৈছে। ইপিনে, ন্যায়ালয়ৰ ৰায়দানৰ পাছতেই প্ৰফুল্ল দৈমাৰীয়ে পুনৰ পশ্চিম বৰগাঁও পঞ্চায়তৰ সভাপতিৰ আসনত বহিছে। দৈমাৰীয়ে সভাপতিৰ আসনত পুনৰ অধিষ্ঠিত হোৱাৰ পাছতেই আজি পঞ্চায়তৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। উক্ত কাৰ্যনিৰ্বাহক সভাত আঠগৰাকী সদস্যই ন্যায়ালয়ৰ ৰায়দানক প্ৰত্যাহ্বান জনাই পুনৰবাৰ প্ৰফুল্ল দৈমাৰীৰ বিৰুদ্ধে বিভিন্ন অভিযোগ আনি অনাস্থা প্ৰস্তাৱ আনিছে। তাৎপৰ্যপূৰ্ণ বিষয় যে ৰাইজৰ ভোটত নিৰ্বাচিত পঞ্চায়ত সভাপতিগৰাকীয়ে ওৱাৰ্ড সদস্যৰ অনাস্থাৰ বাবে ১৪ মাহে ক্ষমতাৰ পৰা অপসাৰণ হ'বলগীয়া হৈছিল। কিন্তু অনাস্থা প্ৰস্তাৱৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত লেখ আবেদন কৰি তেওঁৰ সপক্ষে ৰায়দান পোৱাৰ পাছতো পুনৰবাৰ ষড়যন্ত্ৰৰ বলি হ'বলগীয়া হৈছে দৈমাৰীয়ে। ক্ষমতাকেন্দ্ৰিক যুঁজ পশ্চিম বৰগাঁও পঞ্চায়তত অব্যাহত থকাৰ ফলত পঞ্চায়ত অঞ্চলটোত উন্নয়নতো প্ৰভাৱ পৰিছে। ৰাইজৰ সেৱা কৰিবলৈ গৈ ক্ষমতাৰ বাবে অনাস্থা প্ৰস্তাৱত ব্যস্ত থকা আঠগৰাকী ৱাৰ্ড সদস্যৰ শেহতীয়া কৰ্মকাণ্ডত অসন্তুষ্ট হৈছে পঞ্চায়তটোৰ ৰাইজ। ৰাইজে শীঘ্ৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে বিভাগীয় কৰ্তৃপক্ষক।

জামুগুৰিহাটৰ টুপীয়াত মুঢ়াদল সমবায় সমিতিৰ বাৰ্ষিক সভা

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৯ ছেপ্টেম্বৰ ঃ শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ টুপীয়াত মুঢ়াদল সমবায় সমিতিৰ কাৰ্যালয় প্ৰাংগণত আজি ২০২২-২৩ৰ বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত মুঢ়াদল সমবায় সমিতিৰ সভাপতি বীৰেন্দ্ৰ নেৰাৰৰ বিদায় বেলাত ফুলাম গামোচা আৰু শৰাইৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে প্ৰশংসাপত্ৰ আৰু ছাতি উপহাৰ প্ৰদান কৰি সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে মুঢ়াদল সমবায় সমিতিৰ সম্পাদক তপন শৰ্মাৰ লগতে অঞ্চলটোৰ বহুকেইখন সমবায়ৰ এজেণ্টে। বিদায়ী সভাপতিজনৰ সন্দৰ্ভত সম্পাদক শৰ্মাই কয় যে ১৯৯৬ৰ পৰা ২০২২ লৈকে একেৰাহে ২৬ বছৰীয়া কাৰ্যকালৰ পৰিক্ৰমাত এজন স্বল্পভাষী, বিনয়ী আৰু কৰ্মমুখী ব্যক্তি হিচাপে নেৰাৰ আমাৰ মনত সদায় বিৰাজমান হৈ থাকিব।

ভাগৱত শিৰোমণি, সংস্কৃত পণ্ডিত অধ্যাপক উমাকান্ত দেৱশৰ্মাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি

সতীশ চন্দ্ৰ শৰ্মা



জন্ম, মৃত্যু আৰু বিবাহ এই তিনিটা বিষয়ৰ ওপৰত কোনেও সঠিকভাৱে ক'ব নোৱাৰে। কিন্তু তিনিওটা বিষয় মানৱ জীৱনৰ অবিচ্ছেদ্য। বিশেষকৈ জন্ম আৰু মৃত্যু। দুয়োটা একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। গীতাত ভগৱান শ্ৰীকৃষ্ণই কৈছে— 'জাতস্য হি ধ্ৰুৱো মৃত্যুঃ ধ্ৰুৱং জন্ম মৃতস্য চ।' অৰ্থাৎ যাৰ জন্ম আছে তাৰ মৃত্যু নিশ্চিত, আৰু মৃত লোকৰ আত্মাই পুনৰ্জন্ম গ্ৰহণ কৰে। মৃত্যু বিষয়টো অতি ৰহস্যাবৃত। ইয়াৰ বিষয়ে ভৱিষ্যদ্বাণী কৰা টান। অতি কঠিন, সংকটকালতো মানুহৰ মৃত্যু নহয়, কিন্তু অতি সামান্য কথাতেই মানুহে মৃত্যুক সাবটি লয়। মৃত্যুৰে কোনো কথাৰ বাবেই ৰৈ নাথাকে। ই অনিবাৰ্য, অৱশ্যম্ভাৱী। মৃত্যুক বশ কৰাৰ উপায় মাত্ৰ এটাই। সেয়া হৈছে কীৰ্তি। নীতিকাৰে কৈছে—

'চলদ্বিত্তং চলচ্চিত্তং চলজ্জীৱন যৌৱনম্।
চলাচলমিদং সৰ্বং কীৰ্তিৰ্যস্য স জীৱতি।'

অৰ্থাৎ ধন, মন, জীৱন, যৌৱন সকলো বস্তুৱেই অথিৰ, কেৱল যাৰ কীৰ্তি আছে তেওঁহে জীয়াই থাকে। আমি যিজন মানুহৰ বিষয়ে ক'বলৈ গৈছো— তেওঁ হৈছে এক মহান আত্মাৰ অধিকাৰী, লোক কল্যাণৰ নিমিত্তে জীৱন ব্যতিপাত কৰা অজস্ৰ শাস্ত্ৰবাৰিধি নিষ্ণাত, জ্ঞান সাগৰৰ সুদক্ষ ডুবাৰু, অধ্যয়ন আৰু অধ্যাপনাকেই জীৱনৰ ধ্যেয়ৰূপে লৈ সকলোকে জ্ঞান বিলাই ফুৰা, সংস্কৃত ভাষা-সাহিত্যৰ খনিকৰ, ভাগৱত শিৰোমণি তথা পণ্ডিত চূড়ামণি সকলোৰে শ্ৰদ্ধাৰ সদ্য প্ৰয়াত উমাকান্ত দেৱশৰ্মা। যোৱা ১০ ছেপ্টেম্বৰৰ নিশা ১২-৪০ বজাত এই ধৰাধাম ত্যাগ কৰি স্বৰ্গপথেৰে গতি কৰিছে। ভূতনাথ শ্মশানত শেষ আশ্ৰয় লোৱা এই বৰেণ্য, শুদ্ধ, সদাচাৰী, হিন্দুত্বৰ পোষক পণ্ডিতগৰাকীয়ে তেওঁৰ নিৰ্মল যশস্যাৰ শীতল ছাঁৰে সমগ্ৰ অসমেই নহয় ভাৰতবৰ্ষকো আচ্ছাদন কৰি ৰাখিছিল। দীৰ্ঘকায়, ক্ষীণতনু, প্ৰলম্ব হস্তৰ অধিকাৰী, মিষ্টভাষী অধ্যাপকগৰাকীয়ে কেৱল যে কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকহে জ্ঞান মাধুৰী বিতৰণ কৰিছিল এনে নহয়; অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বৃহৎ বৃহৎ সভাত আধ্যাত্মিক বিষয়ত উদাত্ত ভাষণ দানেৰে জাতি, সম্প্ৰদায় নিৰ্বিশেষে সকলোকে জ্ঞানৰ সুৰভি দানেৰে জাতি, সম্প্ৰদায় নিৰ্বিশেষে সকলোকে জ্ঞানৰ সুৰভি দানেৰে সুৱাসিত কৰিছিল। তেওঁৰ সংশয় ৰহিত জ্ঞানৰ স্বতস্ফূৰ্ত প্ৰকাশে শ্ৰোতাৰ মন জয় কৰি পুনঃ শ্ৰৱণৰ বাবে উৎসুক কৰি তুলিছিল।

এই গুণমালা বিভূষিত মূৰ্দ্ধন্য ব্যক্তি উমাকান্ত দেৱশৰ্মাৰ জন্ম ১৯৪০ৰ ১৭ নৱেম্বৰত অবিভক্ত কামৰূপ জিলাৰ নলবাৰী মহকুমাৰ (বৰ্তমান জিলা) অন্তৰ্গত কৈঠালকুছিৰ, জোৰাৰ্দ্দিত। তেওঁৰ পিতৃ হৈছে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত সংস্কৃত পণ্ডিত মহামহোপাধ্যায় গংগানাথ শৰ্মা শাস্ত্ৰী। মাতৃ পতিপ্ৰাণা পাৰ্বতী প্ৰিয়া দেৱী। গংগা শাস্ত্ৰীৰ পঞ্চ পুত্ৰৰ তেওঁ দ্বিতীয় পুত্ৰ। বিভিন্ন শাস্ত্ৰ নিষ্ণাত সুপণ্ডিত গংগানাথৰ উপযুক্ত উত্তৰপুৰুষ উমাকান্ত দেৱশৰ্মা। ১৯৭৫ত জীৱনৰ ৩৫ বছৰত তেওঁ সৰ্থেবাৰীৰ সুপ্ৰসিদ্ধ কবিৰাজ ভৱানী শৰ্মাৰ জীয়ৰী অৰুণী দেৱীৰ লগত যুগ্ম জীৱনৰ পাতনি মেলে।

দেৱশৰ্মাৰ শিক্ষা জীৱন আৰম্ভ হয় কৈঠালকুছিৰ ওজাপাৰা প্ৰাথমিক বিদ্যালয়ত। প্ৰাথমিক শিক্ষা সাং কৰি তেওঁ কৈঠালকুছি হাইস্কুলত সপ্তম শ্ৰেণী পৰ্যন্ত অধ্যয়ন কৰে। সেই সময়ত তেওঁৰ সহপাঠী আছিল অসমৰ পুৰাতত্ত্ব বিভাগৰ অৱসৰী সঞ্চালক ৰবীনদেৱ চৌধুৰী। যাৰ ৰক্তত সংস্কৃতিৰ মাধুৰিমা প্ৰবাহিত সিনো কেনেকৈ ইংৰাজী শিক্ষাৰে অলংকৃত হ'ব? উমাকান্ত একেকোবে বাণৰ নগৰী তেজপুৰ পালেগৈ। তাত শোণিতপুৰ প্ৰাচ্য বিদ্যালয়ত মহামহোপাধ্যায় প্ৰয়াত মহেন্দ্ৰ নাথ শাস্ত্ৰীৰ অধীনত ৰত্নমালা ব্যাকৰণ শাস্ত্ৰ অধ্যয়ন কৰে। তাৰ পাছত নলবাৰী সংস্কৃত কলেজত আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ অধীনত শিক্ষা গ্ৰহণ কৰে। তাৰ পাছত জিজ্ঞাসু উমাকান্তই জ্ঞানৰ অন্বেষণত পশ্চিমবংগলৈ যায়। তাতে তাৰকেশ্বৰ ধামত শ্ৰীশ্ৰী জগন্নাথ আশ্ৰম সংস্কৃত মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ লগতে কলিকতা চৰকাৰী সংস্কৃত মহাবিদ্যালয়তে শিক্ষা গ্ৰহণ কৰে। এনেদৰে নিৰৱচ্ছিন্ন অধ্যয়নৰ ফলত তেওঁ ব্যাকৰণ শাস্ত্ৰী, ব্যাকৰণ তীৰ্থ আৰু তৰ্কতীৰ্থ উপাধি লাভ কৰিবলৈ সক্ষম হয়। শেষত শান্তি নিকেতনৰ বিশ্বভাৰতীত গৱেষণা কাৰ্যত ব্ৰতী হ'বৰ বাবে অসম চৰকাৰ আৰু ৰাষ্ট্ৰীয় সংস্কৃতি সংস্থানৰ পৰা বৃত্তি লাভ কৰে; কিন্তু ইতিমধ্যে তেওঁ অসম চৰকাৰৰ পৰা অসম চৰকাৰী সংস্কৃত মহাবিদ্যালয়ত নব্যন্যায় বিভাগত প্ৰবক্তা হিচাপে নিযুক্তি লাভ কৰাত গৱেষণা কাৰ্যৰ পৰা বিৰত থাকিবলগীয়া হয়।

১৯৭৪ৰ অক্টোবৰত উমাকান্ত দেৱশৰ্মাই অসম চৰকাৰী সংস্কৃত মহাবিদ্যালয়ত যোগদান কৰে যিখন পাছলৈ 'কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়' নামেৰে নামাংকিত হয়। সুদীৰ্ঘ ২৮ বছৰ কাল অমৰ ভাৰতীৰ আনুষ্ঠানিক সেৱা কৰাৰ পাছত ২০০২ৰ ৩১ ডিচেম্বৰত তেওঁ অৱসৰ গ্ৰহণ কৰে।

আনুষ্ঠানিক বিদ্যাদানৰ পৰা বিৰত থাকিবলগীয়া হ'লেও অৱসৰৰ পাছত তেওঁ পূৰ্ণোদ্যমে সংস্কৃত ভাষাৰ উন্নতিৰ হকে সামাজিকভাৱে কৰ্ম কৰিবলৈ নিজৰ জীৱনটোক উৎসৰ্গ কৰে। তেওঁ অসমৰ একমাত্ৰ বেদভাষ্যকাৰ, মহামৃত্যুঞ্জয় সাধক আচাৰ্য ভৃগুগিৰি মহাৰাজৰ দ্বাৰা প্ৰতিষ্ঠাপিত 'পঞ্চকন্যা' নামৰ সংস্কৃত বাৰ্তালোচনীখনো সম্পাদনা কৰিছিল আৰু মৃত্যুৰ সময়লৈকে আচাৰ্য ভৃগুগিৰি স্থাপিত 'সংস্কৃত মহাসভা'ৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। সমগ্ৰ অসমজুৰি বিভিন্ন অনুষ্ঠানৰ দ্বাৰা নিমন্ত্ৰিত হৈ ধৰ্মালোচনী সভাসমূহত অতি উচ্চমানৰ আধ্যাত্মিক বক্তৃতা প্ৰদান কৰি শ্ৰোতাক মন্ত্ৰ মুগ্ধ কৰি ৰাখিছিল। বিভিন্ন স্থানত বিষ্ণু যজ্ঞ ৰুদ্ৰযজ্ঞ, দেৱী যজ্ঞত আচাৰ্যৰূপে অংশগ্ৰহণ কৰি যজ্ঞ কৰ্মৰ মাহাত্ম্য বৃদ্ধি কৰিছিল। তেওঁ অসমৰ এজন অদ্বিতীয় ভাগৱত বক্তা আছিল। তেওঁৰ সংস্কৃত শ্লোকৰ উচ্চাৰণ, অৰ্থৰ ভাঙনি তথা বিষয়বস্তুৰ ব্যাখ্যা অতি মনোমোহা আৰু সেই বাবেই লোক সমাদৃত আৰু প্ৰশংসিত। স্মৃতিশাস্ত্ৰৰ বিষয়তো পণ্ডিতগৰাকীৰ স্মৃতিশক্তিও অসাধাৰণৰূপে গণ্য হৈছে। মৃত্যুৰ আগমুহূৰ্তত চেতনা হেৰুওৱাৰ পূৰ্বক্ষণতো তেওঁ গীতাৰ শ্লোক আওৰাইছিল। তদুপৰি তেনে এটা মুহূৰ্ততো তেওঁ সংস্কৃতত মুখতে সংস্কৃত শ্লোক ৰচনা কৰি উপস্থিত ব্যক্তিৰ প্ৰশস্তি গাইছিল।

এনে এজন মৰ্দ্ধন্য পণ্ডিত আমাৰ মাজৰ পৰা গুচি গ'লেও তেওঁৰ ভাৱ-চিন্তা, চেতনা আৰু জ্ঞানৰ প্ৰকাশক গ্ৰন্থকেইখন এৰি থৈ গৈছে। সেইকেইখন হৈছে গুৰু গীতা, প্ৰশস্তি মঞ্জৰী, সনাতনীয় চিন্তন, ভাৰতীয় চিন্তনম্, ন্যায়-পৰিচয়ং আৰু ভট্টদেৱ দৰ্পণম্। তদুপৰি 'ভাৰতৰ নাট্যশাস্ত্ৰ'ৰ প্ৰথম আৰু দ্বিতীয় খণ্ড তেওঁ সম্পাদনা কৰি উলিয়াইছে। উক্ত গ্ৰন্থসমূহৰ দ্বিতীয়খন আৰু শেষৰ তিনিখন গ্ৰন্থ সংস্কৃত ভাষাত ৰচিত হৈছে।

প্ৰয়াত উমাকান্ত শৰ্মাৰ গুণ আৰু কৰ্মই কে'বাটাও সন্মান কঢ়িয়াই আনিছে।

অতি আনন্দ আৰু গৌৰৱৰ কথা যে 'নমামি ব্ৰহ্মপুত্ৰ' অনুষ্ঠানৰ জুবিন গাৰ্গে কণ্ঠদান কৰা শীৰ্ষক গীতটোৰ সংস্কৃত অংশৰ ৰচনাকাৰ হৈছে 'সংস্কৃত ভাষাৰত্ন' উমাকান্ত দেৱশৰ্মা।

সৰ্বমংগলকামী, লোকহিতৈষী, সুমিষ্টভাষী, নয়নানন্দকৰ, সুদৰ্শন, জ্ঞানপুষ্ট এই পুৰুষগৰাকী এজন নৈষ্ঠিক ব্ৰাহ্মণ আছিল যদিও তেওঁ গোড়া ৰক্ষণশীল ব্যক্তি নাছিল। ব্ৰাহ্মণ্য সংস্কৃতিৰ ঘোৰ উপাসক হ'লেও তেওঁ সংস্কাৰবাদী আছিল। বিশ্ব হিন্দু পৰিষদৰ অসম শাখাৰ সভাপতিৰূপে কাম কৰি তেওঁ হিন্দু ধৰ্মৰ কিছু সংস্কাৰৰো পোষকতা কৰিছিল। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ একান্ত ভক্ত শৰ্মা এজন মানৱতাবাদী পুৰুষ আছিল। এনে এজন সমাজহিতৈষী লোকৰ যোৱা ১০ ছেপ্টেম্বৰৰ নিশা জালুকবাৰীস্থিত নিজ বাসভৱনত ৮২ বছৰ বয়সত দেহান্ত ঘটে। তেওঁৰ বিয়োগত অসমে এজন লব্ধপ্ৰতিষ্ঠ, স্থিৰ সিদ্ধান্ত দিব পৰা পণ্ডিতক হেৰুৱালে। আমি সকলোৱে আজি তেওঁৰ পুণ্য আদ্যশ্ৰাদ্ধৰ দিনা আত্মাৰ সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

ওঁ শান্তিঃ ওঁ শান্তিঃ ওঁ শান্তিঃ

ফোন ঃ ৯৪৩৫০-২০৪৩০

বিশ্বনাথৰ ধূলি খেৰবাৰীত ১৩ সংখ্যক বাৰ্ষিক মুকলি কৰম আৰু ঝুমইৰ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৯ ছেপ্টেম্বৰ ঃ বিশ্বনাথ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী ধূলি খেৰবাৰী যুৱক সংঘৰ সৌজন্যত আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থা বৰপথাৰ আঞ্চলিক সমিতিৰ সহযোগত ১৩ সংখ্যক বাৰ্ষিক মুকলি কৰম আৰু ঝুমইৰ প্ৰতিযোগিতা ধূলি খেৰবাৰীত অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ন বজাত পতাকা উত্তোলন কৰাৰ পাছত স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা আয়োজন কৰা হয় । সন্ধিয়াৰ ভাগত কৰম পূজাৰ পৰ্বত প্ৰথমে কৰমডাল কাটি আনি কৰম পূজাৰ মাংগলিক নীতি বিধিৰে পূজা পৰ্ব সম্পন্ন কৰা হয় । ইয়াৰ লগে লগে অনুষ্ঠিত ঝুমুৰ প্ৰতিযোগিতাৰ বিশ্বনাথ জিলাৰ বিভিন্ন স্থানৰ পৰা আমন্ত্ৰিত ঝুমুৰ নৃত্যৰ দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি গীত-নৃত্য প্ৰদৰ্শন কৰে। উক্ত ঝুমুৰ প্ৰতিযোগিতাত বালিজান পাতৰ বস্তিৰ দলে প্ৰথম স্থান দখল কৰাৰ বিপৰীতে বেদেতী চাহ বাগিচা দ্বিতীয় আৰু তেজালপট্টি চাহ বাগিচাৰ ঝুমুৰ দলটোৱে তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। মূল অনুষ্ঠানত প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী বিজয়ী প্ৰতিযোগী তথা প্ৰতিযোগী দলক প্ৰমাণপত্ৰসহ বঁটা বিতৰণ কৰা হয়। অনুষ্ঠানত বৰপথাৰ গাঁও পঞ্চায়তৰ সভাপতিকে ধৰি বালিচাং আৰক্ষী বিষয়া প্ৰমুখ্যে বিশ্বনাথ জিলা আছাৰ সহকাৰী সম্পাদক আৰমান কিণ্ড, শিক্ষা সম্পাদক আশিস তপ্প, বৰপথাৰ আঞ্চলিক সমিতিৰ সভাপতি চামুৱেল বাৰ্লা, ঘিলাধাৰী আঞ্চলিক সমিতিৰ সম্পাদক ধ্ৰুৱ কৰ্মকাৰ, উপ-সভাপতি কিষাণ ভূমিজ, সাংস্কৃতিক সম্পাদিকা গৌতমী চাওতাল, পূব চামগুৰি প্ৰাথমিক গোটৰ সম্পাদক সোমেশ্বৰ গোৱালাকে ধৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

অসমীয়া যুৱমঞ্চৰ মঙলদৈ নগৰ সমিতিৰ অধিবেশন সম্পন্ন ঃ নতুন কমিটী গঠন

বিশেষ সংবাদদাতা

মঙলদৈ, ১৯ ছেপ্টেম্বৰ ঃ বৃহত্তৰ অসমীয়া যুৱমঞ্চৰ মঙলদৈ নগৰ সমিতিৰ দশম বাৰ্ষিক অধিবেশনখন কালি দিনজোৰা কাৰ্যসূচীৰে মঙলদৈ কমলা নিলয়ত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি কালি পুৱা মঞ্চৰ পতাকা উত্তোলন কৰে জিলা সমিতিৰ সভাপতি ৰঞ্জন শৰ্মাই। ইয়াৰ পাছতেই স্মৃতি তৰ্পণ কৰে মঞ্চৰ সচিব প্ৰধান ধনমণি মালাকাৰে। দুপৰীয়া ১২ বজাত মঞ্চৰ দৰং জিলা সমিতিৰ সভাপতি উপেন ডেকাৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাত অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে কেন্দ্ৰীয় সভাপতি বিপুল মহন্ত, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ভুলুমণি শৰ্মা, আপকুৰ কেন্দ্ৰীয় সভাপতি আব্দুল খালেক, দৰং জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভৱেন বৰ্মন, সাংবাদিক পংকজ শৰ্মা, অশ্চিনী শৰ্মা, নৰ শইকীয়া, মঞ্চৰ জিলা সচিব প্ৰধান বিচিত্ৰ শৰ্মাই। ইয়াৰ পাছতেই কেন্দ্ৰীয় সভাপতি বিপুল মহন্তৰ তত্বাৱধানত মঞ্চৰ মঙলদৈ নগৰ সমিতিখন গঠন কৰা হয়। পূৰ্বৰ সচিব প্ৰধান ধনমণি মালাকাৰক সভাপতি, পিংকুমণি শৰ্মাক সচিব প্ৰধান, উজ্বলজ্যোতি ডেকাক মুখ্য উপদেষ্টা আৰু ৰঞ্জন শৰ্মাক উপদেষ্টা হিচাপে লৈ এখন ৩১ জনীয়া শক্তিশালী কমিটী গঠন কৰে।

কৃতী ছাত্ৰক সম্বৰ্ধনা ছাত্ৰ সন্থাৰ

অগ্ৰদূত বাৰ্তা

বৰভাগ, ১৯ ছেপ্টেম্বৰ ঃ নলবাৰী জিলাৰ বৰভাগৰ ক্ষুদ্ৰ ডিংডিঙি গাঁৱৰ এক দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰই সদ্যঘোষিত নীটত ৫৭৪ নম্বৰ লাভ কৰি বৰভাগলৈ গৌৰৱ কঢ়িয়াই আনিছে। ক্ষুদ্ৰ ডিংডিঙি গাঁৱৰ জ্যোতিষ ডেকাৰ পুত্ৰ ধ্ৰুৱজ্যোতি ডেকাৰ এই সফলতাত আজি বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য উপস্থিত হৈ ছাত্ৰজনক সম্বৰ্ধনা জনায়।

জনজাতিকৰণৰ ক্ষেত্ৰত কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক চৰকাৰে প্ৰতাৰণা কৰা সন্দৰ্ভত

জৰুৰীভাৱে কাৰ্যনিৰ্বাহক সভাৰ আহ্বান

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ১৯ ছেপ্টেম্বৰ ঃ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত চৰম প্ৰতাৰণা কৰাত জাঙুৰ খাই উঠিছে কোচ ৰাজবংশী সংগ্ৰাম সমিতি। সমিতিৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক চহেন ৰায়ে প্ৰেৰণ কৰা এক বিবৃতিত কেন্দ্ৰীয় সভাপতি নাৰায়ণ মেধিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেবিনেটে দেশৰ পাঁচ ৰাজ্যৰ ১৫ টা জনগোষ্ঠীক জনজাতিকৰণ কৰা সিদ্ধান্তক আদৰণি জনাই কয় যে দশক-দশক ধৰি কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়টো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এইবেলিও নিৰ্বাচনী ইছ্যু কৰি ৰাখিলে আৰু চৰকাৰখনে জনজাতিকৰণ বিষয়টো ৰাজনৈতিক ইছ্যু হিচাপে লৈ জনগোষ্ঠী কেইটাৰ আশা-আকাংক্ষাত চেঁচাপানী ঢালিলে। বিবৃতিটোত আকৌ উল্লেখ কৰে যে এসময়ৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী মোদীয়ে ২০১৪ৰ লোকসভা নিৰ্বাচনৰ সময়ত বঙাইগাঁৱৰ নিৰ্বাচনী সভাত ডিঙিৰ সিৰ ফুলাই প্ৰতিশ্ৰুতি দিছিল যে বিজেপি চৰকাৰ ক্ষমতালৈ আহিলে ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা হ'ব। কিন্তু সেই প্ৰতিশ্ৰুতি অসাৰ হৈ পৰিল। কেৱল নিৰ্বাচনৰ বতৰত জনগোষ্ঠীয় দল-সংগঠনৰ নেতাৰ লগত মন্ত্ৰী-বিধায়কে আলোচনাত বহি জনগোষ্ঠীয় সংগ্ৰামখন স্তিমিত কৰাতহে লাগি পৰা বুলি সভাপতি মেধিয়ে উল্লেখ কৰে। আনহাতে, ছয় জনগোষ্ঠীয় ঐক্যমঞ্চই ঘোষণা কৰা আন্দোলনক সংগ্ৰাম সমিতিয়ে সমৰ্থন দিয়া বুলি বিবৃতিত উল্লেখ কৰি জনজাতিকৰণৰ দাবীত অহা ২৩ ছেপ্টেম্বৰত ধুবুৰী জিলাৰ ৰতিয়াদহত সংগ্ৰাম সমিতিৰ এখন জৰুৰী কাৰ্যনিৰ্বাহক সভাৰ আয়োজন কৰিছে। উক্ত সভাত প্ৰতিখন জিলা সমিতিৰ সভাপতি, সম্পাদক আৰু বিত্ত সম্পাদকক উপস্থিত থাকিবলৈ বিবৃতিযোগে আহ্বান জনাইছে।

বিদ্যুতৰ বৰ্ধিত মাচুলে জ্বলা-কলা খুৱাইছে ধুবুৰীৰ সাধাৰণ গাঁওবাসীক

ধুবুৰী, ১৯ ছেপ্টেম্বৰ ঃ ধুবুৰী কাছাৰীহাট গাঁও পঞ্চায়তৰ অন্তৰ্গত শৌলমাৰীত ডাঙাৰপাৰ গাঁৱত বিদ্যুতৰ বৰ্ধিত মাচুলৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিমাহত বিদ্যুতৰ মাচুল পৰিশোধ কৰাৰ পাছতো ২০০-৩০০ টকাৰ পৰিৱৰ্তে বিদ্যুতৰ মাচুল আহে ১২০০-১৩০০ টকা। এপিডিচিএলৰ কৰ্মকাণ্ডত অতিষ্ঠ হৈ পৰিছে উক্ত অঞ্চলৰ ৰাইজসকল। দিনে নিশাই দুই চাৰি ঘণ্টা বিজুলী থাকে যদিও বাকীখিনি সময়ত এন্ধাৰতে থাকিব লগা হয় গাঁওবাসীক। পঢ়া-শুনাকে ধৰি ক্ষুদ্ৰ ব্যৱসায়ীসকল বিদ্যুৎ কৰ্তন কৰাত বহু অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। নিয়মীয়া বিদ্যুৎ সেৱাৰ পৰাও বঞ্চিত হৈছে গঞা ৰাইজ। গাঁওখনৰ বিভিন্ন অঞ্চলত এতিয়াও বাঁহৰ খুঁটাৰে বিদ্যুতৰ সংযোগ দিয়া হৈছে। বিদ্যুৎ পৰিবাহিত তাঁৰ ঘৰৰ নিচেই কাষেদি যোৱাৰ উপৰি ঘৰৰ টিঙৰ ওপৰেৰে লৈ যোৱাত শংকিত হৈ পৰিছে উক্ত অঞ্চলৰ ৰাইজ। যিকোনো সময়ত যিকোনো মুহূৰ্তত দুৰ্ঘটনা হ'ব পাৰে বুলি আশংকা প্ৰকাশ কৰে গাঁওবাসী ৰাইজে। বিদ্যুৎ বিভাগৰ এনে আজব কাণ্ডক লৈ বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে গঞা ৰাইজে। বহুবাৰ অভিযোগ কৰাৰ পাছতো কাণসাৰ নাই বিদ্যুৎ বিভাগ কৰ্তৃপক্ষৰ। অঞ্চলবাসী ৰাইজে ধুবুৰী জিলা উপায়ুক্তকে ধৰি বিদ্যুৎ বিভাগৰ কৰ্তৃপক্ষক অতি সোনকালে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়।

ফকিৰাগ্ৰাম মণ্ডল বিজেপিৰ স্বচ্ছ ভাৰত অভিযান তুলসীবিলত

অগ্ৰদূত বাৰ্তা

ফকিৰাগ্ৰাম, ১৯ ছেপ্টেম্বৰ ঃ ভাৰতৰ জনপ্ৰিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ দামোদৰ দাসৰ মোদী জন্মদিন উপলক্ষে পযেকজোৰা কাৰ্যসূচীৰ অংশৰূপে কালি দ্বিতীয় দিনৰ কাৰ্যসূচী ৰূপে স্বচ্ছ অভিযান অনুষ্ঠিত কৰে। ভাৰতীয় জনতা পাটি ফকিৰাগ্ৰাম মণ্ডল অ'বিচি আৰু ফকিৰাগ্ৰাম মণ্ডল বিজেপিৰ উদ্যোগত কোকৰাঝাৰ জিলা অ'বিচি মৰ্চাৰ সহযোগত তুলসীবিল ৰাম নাথ ক্লাবত স্বচ্ছতা অভিযান ৰূপায়ণ কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে ফকিৰাগ্ৰাম মণ্ডলৰ সভাপতি মনোজ কুমাৰ ৰায়, মণ্ডল সাধাৰণ চান মোহন ৰায়, অ'বিচি মৰ্চাৰ সভাপতি মনোৰঞ্জনৰ বৰ্মন, যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক উৎপল চন্দ্ৰ ৰায়ৰ লগতে জিলা, মণ্ডল শক্তি কেন্দ্ৰ আৰু বুথ স্তৰৰ কাৰ্যকৰ্তা সকলো উপস্থিত থাকে।

তৃতীয় শ্ৰেণীৰ পৰাই অংক-বিজ্ঞান

বড়ো মাধ্যমৰ সমস্যা সমাধানৰ দাবী বিধায়ক ইছলাৰীৰ

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ সদনৰ মজিয়াত ৩০ নম্বৰ কোকৰাঝাৰ পূব বিধানসভা সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে বড়ো মাধ্যমৰ পাঠ্যক্ৰমক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে উন্নীতকৰণ কৰাত চৰকাৰক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে। সদনৰ মজিয়াত বিধায়ক লৰেঞ্চ ইছলাৰীয়ে কয় যে ১৯৬৩ৰ পৰা অসমত বড়ো মাধ্যম প্ৰৱৰ্তন হোৱাৰ পাছত বিভিন্ন ঘাত-প্ৰতিঘাতেৰে আজিৰ অৱস্থা পাইছে। পাঠ্যপুথিৰ বাবে আন্দোলন, শিক্ষকৰ বাবে আন্দোলন কৰি ছাত্ৰ-ছাত্ৰীসকলে আনকি বড়ো মাধ্যমৰ পাঠপুথিৰ অভাৱত অসমীয়া মাধ্যমৰ পাঠ্যপুথি পঢ়ি বড়ো ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষা দিব লগা হৈছে বুলি মন্তব্য কৰি বড়ো মাধ্যমৰ বিভিন্ন সমস্যাৰ বিষয়ে উনুকিয়াই দিয়ে লৰেঞ্চ ইছলাৰীয়ে। অৱশ্যে বড়ো মাধ্যমৰ পাঠ্যক্ৰমক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে উন্নীতকৰণ কৰাত চৰকাৰক ধন্যবাদ জ্ঞাপন কৰি বিধায়ক লৰেঞ্চ ইছলাৰীয়ে কয় যে অহা শিক্ষাবৰ্ষৰ পৰা আৰম্ভ হ'বলগীয়া বড়ো মাধ্যমৰ পাঠ্যক্ৰমৰ ক্ষেত্ৰত যাতে কোনোধৰণৰ বেমেজালিৰ সৃষ্টি নহয় তাৰ বাবে চৰকাৰে গুৰুত্ব দিয়া উচিত। তদুপৰি বি টি আৰ চুক্তিৰ ৬.৩ দফা অনুসৰি বিদ্যালয় প্ৰাদেশিকৰণৰ সন্দৰ্ভত চৰকাৰে লোৱা সিদ্ধান্তক আদৰণি জনায়। ইয়াৰ উপৰি মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰাই অংক আৰু বিজ্ঞান বিষয়টো ইংৰাজীত পঢ়ুৱাব খোজাক লৈ হোৱা ভুল বুজাবুজি দূৰ কৰিবলৈ সাহিত্য সভা আৰু ছাত্ৰ সংগঠনসমূহৰ স'তে আলোচনাৰ পোষকতা কৰিছে কোকৰাঝাৰ পূব বিধানসভা সমষ্টিৰ বিধায়ক ইছলাৰীয়ে।

নলবাৰীত 'ৰ'দৰ গান তুমি' উন্মোচন

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৯ ছেপ্টেম্বৰ ঃ 'জাতি আৰু সমাজখনৰ উপকাৰ সাধিবলৈ তথা আগবাঢ়ি যাবলৈ কবি, সাহিত্যিকসকলে নিৰলসভাৱে ইতিবাচক চিন্তাৰ সাহিত্য সৃষ্টি কৰক। কালি এই আহ্বান জনায় বিশিষ্ট শিক্ষাবিদ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° কলনী কুমাৰ ভাগৱতীয়ে। সন্ধিয়া কবি প্ৰনীতা হালৈৰ 'ৰথৰ গান তুমি' শীৰ্ষক কবিতা পুথিখন উন্মোচন কৰি ভাগৱতীয়ে লগতে কয় সৰু সৰু উপনৈ, নৈবোৰ গৈ ব্ৰহ্মপুত্ৰত পৰে, ব্ৰহ্মপুত্ৰ আকৌ গংগাৰ লগত মিলি মেঘনা নামেৰে বংগোপসাগৰত পৰিছে। নদীৰ মোহনাই সদায়ে আকৰ্ষণৰ সৃষ্টি কৰে। বিশ্বৰ বিভিন্ন দেশৰ মানুহৰ চিন্তাধাৰাই ভিন ভিন ভাষাৰ মাধ্যমেৰে বিশ্ব সাহিত্যৰ সাগৰত মিলিত হৈছে বুলি ব্যক্ত কৰে। নলবাৰী সাহিত্য সমাজৰ সভাগৃহত আয়োজিত অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণত কবি ড° বিনয় কুমাৰ মজুমদাৰে কয় যে কবিতা লিখিলেই কবি নহয়। কবিতাত ধনাত্মক বাৰ্তা থাকিব লাগিব। কবি দীপক কুমাৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত আৰু গল্পকাৰ মনীষা তালুকদাৰে আঁত ধৰা অনুষ্ঠানত শিক্ষাবিদ, সাহিত্যিক ড° লীনা ডেকা, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা, চিত্ৰশিল্পী অবিনাশ মজুমদাৰ, সাংবাদিক প্ৰাঞ্জল শৰ্মাসহ ভালেমান লোক উপস্থিত থাকে। প্ৰৱক্তা মুকুন্দ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সাহিত্যিক হীৰেন্দ্ৰ কুমাৰ শৰ্মাই বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা অনুষ্ঠানত কবি প্ৰণৱ চক্ৰৱৰ্তী, গণেশ বৰ্মন, নিবেদিতা ডিম্পল, হেমন্ত পাটগিৰিৰ কবিতা পাঠ আৰু অনামিকা দাসে এটি সংগীত পৰিৱেশন কৰি সমবেত সকলক মুগ্ধ কৰে।

তামুলপুৰৰ আঙাৰকাটাত পানীত পৰি সন্ধানহীন বহিঃৰাজ্যৰ শ্ৰমিক

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৯ ছেপ্টেম্বৰ ঃ তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ কুমাৰীকাটা আৰক্ষী চকীৰ অধীনৰ আঙাৰকাটাত আজি আবেলি পুখুৰীত গা ধুবলৈ গৈ বহিঃৰাজ্যৰ এজন শ্ৰমিক সন্ধানহীন হয়। সন্ধানহীন যুৱকজন ৰাজস্থানৰ চাজিদ খান (১৮)। প্ৰাপ্ত তথ্য মতে, তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ আঙাৰকাটা বগৰীবাৰীত ৰাজস্থানৰ পৰা অহা শ্ৰমিকৰ দল এটা জল জীৱন মিছন আঁচনিৰ নিৰ্মাণৰ কামত নিয়োজিত হৈ আছিল। আজি আবেলি কাম সমাপন কৰি জেহুল খান, মুন চৰিফ, অজিত বাধজাৰা, চাজিদ খান নামৰ শ্ৰমিক কেইজনে এটা পুখুৰীত গা ধুবলৈ নামে। পুখুৰীত গা ধুই সাঁতুৰি থাকোতে চাজিদ খান নামৰ যুৱকজন পুখুৰীটোৰ দ' পানীত অন্তৰ্ধান হয়। হঠাৎ চাজিদ পানীত নিৰুদ্দেশ হৈ পৰাত আন তিনিজন বন্ধুৱে পানীত বিচাৰে যদিও যুৱকজনৰ সন্ধান লাভ নকৰাত কুমাৰীকাটা আৰক্ষী চকীত খবৰ দিয়ে। খবৰ পোৱাৰ লগে লগে কুমাৰীকাটা আৰক্ষী চকীৰ এটা আৰক্ষী দল ঘটনাস্থলীত উপস্থিত হৈ যদিও বাতৰি লিখাৰ পৰলৈকে যুৱকজনৰ সন্ধান লাভ কৰিব পৰা নাই। আৰক্ষী তথা স্থানীয় লোকে সন্দেহ কৰা মতে ভালদৰে সাঁতুৰিব নজনা যুৱকজনৰ পুখুৰীৰ পানীত ডুবি মৃত্যুমুখত পৰিছে। যুৱকজনৰ ঘৰ ৰাজস্থানৰ ভৰতপুৰ জিলাৰ অন্তৰ্গত গুৰগামা আৰক্ষী থানাৰ অধীনৰ ধৰমচালা গাঁৱৰ চুবদিন খানৰ পুত্ৰ।

বৰক্ষেত্ৰীৰ শিয়ালমাৰী চৰত দুই ফৈদৰ মাজত ভূমিকেন্দ্ৰিক সংঘাত

অগ্ৰদূত বাৰ্তা

মুকালমুৱা, ১৯ ছেপ্টেম্বৰ ঃ বৰক্ষেত্ৰীৰ শিয়ালমাৰী চৰত ভূমিকেন্দ্ৰিক সংঘাতত এজন লোকৰ ঘৰ লণ্ডভণ্ড কৰি অগ্নিসংযোগ কৰাৰ অভিযোগ উঠিছে আনটো পক্ষৰ বিৰুদ্ধে। হানিফ আলী নামৰ লোকজনৰ ঘৰ লণ্ড-ভণ্ড কৰি অগ্নিসংযোগ কৰাৰ অভিযোগ উঠিছে। তথ্য মতে এডোখৰ ভূমিক কেন্দ্ৰ কৰি হানিফ আলী আৰু মজিদ আলী নামৰ লোক দুজনৰ পৰিয়ালৰ পূৰ্বৰে পৰা আছিল বিবাদ। সেই ভূমিডোখৰক কেন্দ্ৰ কৰিয়ে কালি হানিফৰ নেতৃত্বত কেইজনমান লোকে মজিদৰ পৰিয়ালৰ লোকক আক্ৰমণ কৰিছিল। আক্ৰমণত মজিদ আলী, সোণাবৰ আলী আৰু চৰবেছ আলী আহত হয়। আজি সেই ঘটনাক কেন্দ্ৰ কৰিয়ে দুয়ো পক্ষৰ মাজত সংঘটিত হয় পুনৰ কাজিয়া। ভূমিকেন্দ্ৰিক সংঘাতত মজিদৰ পৰিয়ালৰ লোকে হানিফৰ বাসগৃহ লণ্ডভণ্ড কৰি অগ্নিসংযোগ কৰাৰ অভিযোগ উঠিছে। ঘটনাস্থলীৰ পৰিস্থিতি শিয়ালমাৰী আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰিব নোৱাৰি নলবাৰী জিলা শীৰ্ষ আৰক্ষী বিষয়াক নিয়োজিত কৰে। অৱশেষত ঘটনাস্থলীত নলবাৰী জিলা আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আৰক্ষীয়ে দুয়োটা ফৈদৰে নজন লোকক সোধপোছৰ বাবে আটক কৰে।

প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে কুলহাটী পঞ্চায়তৰ প্ৰধানমন্ত্ৰী আৱাসগৃহ নিৰ্মাণৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

হাজো, ১৯ ছেপ্টেম্বৰ ঃ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ ভাৰত গঢ়াৰ লক্ষ্য আগত ৰাখি কালি হাজোৰ পঞ্চায়তে পঞ্চায়তে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ আৰম্ভ কৰা হয়। ইয়াৰ সমান্তৰালভাৱে হাজো উন্নয়ন খণ্ডৰ অধীনস্থ কুলহাটী-পাঁচগাঁও পঞ্চায়তৰ অন্তৰ্গত কুলহাটী, পুৰাণপাৰা, বৰদধি আদি অঞ্চলত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ কৰা একাধিক হিতাধিকাৰীৰ ঘৰত গৃহ নিৰ্মাণৰ আৰম্ভ কৰা হয়। কুলহাটী-পাঁচগাঁও পঞ্চায়তৰ সভানেত্ৰী পদুমী দাসে কুলহাটী গাঁৱত এনেদৰেই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ আৰম্ভ কৰি প্ৰধানমন্ত্ৰী মোদীক জন্মদিনৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। তদুপৰি ৰাজ্য চৰকাৰে আজিৰ দিনটোত যুগুত কৰা এক লাখ পিএম গৃহ নিৰ্মাণৰ পৰিকল্পনাক আদৰণি জনাই হাজোৰ কুলহাটী গাঁও পঞ্চায়তেও এই কাৰ্যসূচীৰ অংশীদাৰ হ'বলৈ পায় সন্তুষ্টি প্ৰকাশ কৰে।

বঙাইগাঁৱৰ নিউ কল'নী কালীবাৰীত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ বঙাইগাঁও চহৰৰ নিউ কলনী কালীবাৰীত আজি পুৱা এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। উদ্ধাৰ হোৱা মৃতদেহটো ৰিংকু সৰকাৰৰ বুলি জানিব পৰা হৈছে। উল্লেখ্য যে বঙাইগাঁও চহৰৰ শালবাগান (ছুইটচ্‌ৰ চেণ্টাৰৰ) ৰিংকু সৰকাৰে তেওঁলোকৰ ঘৰত ভাড়াতীয়া হিচাপে থকা ব্যক্তি এজনৰ এএছ-০১-ইএল-১৩৩৩ নম্বৰৰ স্কুটী এখন লৈ যোৱা নিশা প্ৰায় ১২ বজাত বাহিৰলৈ ওলাই গৈছিল যদিও নিশা ঘৰলৈ উভতি অহা নাছিল। ইপিনে, আজি পুৱা ৰাইজে নিউ কলনি কালীবাৰীত মৃতদেহ প্ৰত্যক্ষ কৰি ৰাইজে আৰক্ষী প্ৰশাসনক খবৰ দিয়ে। পাছত বঙাইগাঁও আৰক্ষীৰ শীৰ্ষ বিষয়াকে ধৰি আন আন বিষয়াসকলে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে তদন্ত আৰম্ভ কৰে। ৰাইজে জানিব দিয়া মতে, যুৱকজন ড্ৰাগছ এডিক্টেদ থকাত পৰিয়ালৰ লোকে তেওঁ উত্তৰবংগৰ শিলিগুৰিৰ এখন ৰিহাব চেণ্টাৰত ৰাখিছিল আৰু তাৰ পৰা তেওঁ শনিবাৰে ঘৰলৈ উভতি আহিছিল।

অসম দাপোণ

অগ্ৰদূত

হোজাইত বৃহৎ পৰিমাণৰ গাঞ্জাসহ ছজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

হোজাই, ১৯ ছেপ্টেম্বৰ ঃ হোজাই আৰু যোগীজান আৰক্ষীৰ সহযোগত আজি ৪৫ কেজি গাঞ্জা উদ্ধাৰ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে ছজনকৈ লোকক গ্ৰেপ্তাৰ হোৱা ছজনেই লংকা পাঞ্জাবী বস্তিৰ নিবাসী। ডিমাপুৰৰ পৰা বিহাৰলৈ ৰেলযোগে লৈ গৈ থকা অৱস্থাত গ্ৰেপ্তাৰ কৰে লোককেইজনক। গ্ৰেপ্তাৰ কৰা ব্যক্তিকেইজন ক্ৰমে কৃষ্ণ চকৰি, পৰিমল চৰকাৰ, হাৰাধন দেৱনাথ, নৰোত্তম দাস, হীৰক দাস আৰু সমীৰণ দাস। উল্লেখ্য যে লোকমান্য তিলক নামৰ ৰেলখনত লৈ গৈছিল উক্ত গাঞ্জাখিনি। আৰক্ষীয়ে ইতিমধ্যে এন ডি পি এছ আইনৰ অধীনত গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰে।

নলবাৰী জিলা ভিত্তিত 'বন্দে মাতৰম' গীতত দলীয় নৃত্য প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা

ঘগ্ৰাপাৰ/নলবাৰী, ১৯ ছেপ্টেম্বৰ ঃ প্ৰজ্ঞা ফাউণ্ডেছনৰ উদ্যোগত নলবাৰী জিলা ভিত্তিত বন্দে মাতৰম গীতত দলীয় নৃত্য প্ৰতিযোগিতা এখন কালি নলবাৰী নাট্য মন্দিৰত অনুষ্ঠিত হয়। নলবাৰী জিলা প্ৰজ্ঞা ফাউণ্ডেছনৰ সভাপতি মুনিন দাসে বন্তি প্ৰজ্বলনেৰে আৰম্ভণি কৰা বন্দে মাতৰম নৃত্য প্ৰতিযোগিতাৰ কাৰ্যক্ৰমণিকা অমৰ কিৰণ আৰু ৰাতুল গোস্বামীয়ে আঁত ধৰে। অনুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে প্ৰজ্ঞা ফাউণ্ডেছনৰ সম্পাদক পংকজ ডেকাই। অনুষ্ঠানত প্ৰজ্ঞা ফাউণ্ডেছনৰ নলবাৰীৰ প্ৰভাৰী অনুপ বৰ্মন, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ নলবাৰী জিলা কাৰ্যবাহী হিৰেণ্য দত্ত, বিজেপিৰ সম্পাদক নন্দলাল চৰকাৰ আদিয়ে। প্ৰতিযোগিতাখনৰ বিচাৰকৰ আসনত আছিল ধনবীৰ সূত্ৰধৰ আৰু শিল্পী পম্পী নাথ। অনুষ্ঠানটোত বন্দে মাতৰমৰ ওপৰত তাৎপৰ্য ব্যাখ্যা কৰে শিক্ষাবিদ তথা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নলবাৰী জিলাৰ ব্যৱস্থা প্ৰমুখ যজ্ঞেশ্বৰ গোস্বামীয়ে। প্ৰতিযোগিতাত প্ৰথম ৰাজেন্দ্ৰ নাথ বুজৰবৰুৱা নৃত্য কেন্দ্ৰ, দ্বিতীয় জ্ঞানশ্ৰী কলা তীৰ্থ আৰু অসমৰ জীয়ৰী নৃত্য দলে তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয়।

বৰভাগত অমৃত সৰোবৰ আঁচনিৰ আধাৰশিলা

অগ্ৰদূত বাৰ্তা

বৰভাগ, ১৯ ছেপ্টেম্বৰ ঃ নলবাৰী জিলাৰ বৰভাগৰ ৪৯ (তিনি) নম্বৰ উপৰ বৰভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰাইটকুছিত কালি অমৃত সৰোবৰ প্ৰকল্প এটাৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰে ৰাজ্য চৰকাৰৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। মিছন অমৃত সৰোবৰ আঁচনিৰ ১৩.৪৮ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগা প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰি পাটোৱাৰীয়ে কয় যে সৰোবৰৰ চৌপাশে গছ-গছনি ৰোপণ, পাৰ্ক নিৰ্মাণ কৰি পৰ্যটনৰ পৰিৱেশ গঢ়ি তোলা হ'ব। তেওঁ আঁচনিখন আত্মসহায়ক গোটক হস্তান্তৰ কৰাৰ কথা প্ৰকাশ কৰে, যাতে গোটসমূহে উৎপাদন কৰি স্বাৱলম্বী হ'ব পাৰে। বৰক্ষেত্ৰীৰ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাই আঁতধৰা অনুষ্ঠানত নলবাৰীৰ উপায়ুক্ত গীতিমনি ফুকন, বিজেপিৰ জিলা সভাপতি ডাঃ মৃগাংক তালুকদাৰ, সম্পাদক পুলক শৰ্মা, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকা আদি উপস্থিত থাকে।

কৃষ্ণাই সমবায় সমিতিৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ১৯ ছেপ্টেম্বৰ ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাই সমবায় সমিতি লিমিটেডৰ সৌজন্যত কালি কৃষ্ণাই অঞ্চলৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যৰে এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। কৃষ্ণাই হাব্ৰাঘাট হাইস্কুল প্ৰাংগণত কালি অনুষ্ঠিত অনুষ্ঠানত সভপতিত্ব কৰে যুৱ সমাজ সেৱক চহিবুল ৰছুলে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কৃষ্ণাই সমবায় সমিতিৰ সচিব চায়েদ হুছেইনে। কৃষ্ণাই ছোৱালী হাইস্কুলৰ শিক্ষক তথা সমাজসেৱক আব্দুল হাই আহমেদে আঁত ধৰা সভাত চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত কৃষ্ণাই অঞ্চলৰ বিভিন্ন উচ্চ মাধ্যমিক বিদ্যালয় আৰু কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল আৰু হাই মাদ্ৰাছা শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ কৃতিত্বৰে উত্তীৰ্ণ মুঠ ৬৯ গৰাকী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে অভিনন্দন জনোৱা হয়। কালি পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত সভাত কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জাকিৰ হুছেইন, ধাইগাঁও আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক মেহবুব আলী আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক নকুল কৰ্মকাৰ, আশুডুবি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অশোক নাথ, কৃষ্ণাই পাব্লিক স্কুলৰ অধ্যক্ষ আব্দুল হালিম, ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ একাডেমীৰ অধ্যক্ষ আব্দুল

১৩ পৃষ্ঠাত চাওক

ওদালগুৰি জিলাৰ ৰজাগড়ত দৰং-ওদালগুৰি জিলা নাগাৰা নাম সংঘৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

টংলা, ১৯ ছেপ্টেম্বৰ ঃ দৰং-ওদালগুৰি জিলা নাগাৰা নাম সংঘৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱস যোৱা ১৬ আগষ্টত দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে চাৰি নম্বৰ ৰজাগড় শিৱ মন্দিৰত উদ্‌যাপন কৰা হয়। ১৯৭৯তে জন্মলাভ কৰা নাগাৰা নাম সংঘই দৰঙৰ আপুৰুগীয়া লোক সংস্কৃতি নাগাৰা নামক অসমৰ চুকে-কোণে জনপ্ৰিয় কৰি তোলাৰ লগতে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ নিৰলস প্ৰচেষ্টা অব্যহত ৰাখিছে। অনুষ্ঠানৰ কাৰ্যসূচী মতে কালি পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী মুকলি কৰে দৰং-ওদালগুৰি জিলা নাগাৰা নাম সংঘৰ সভাপতি বিষ্ণু প্ৰিয়ম ৰাভাই। ইয়াৰ পাছতে দৰং-ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা নাগাৰা নামৰ শিল্পীসকলে নাম প্ৰদৰ্শন কৰে। উক্ত কাৰ্যসূচী উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী বিকন ডেকাই। দুপৰীয়া অনুষ্ঠিত হয় সম্বৰ্ধনা আৰু মুকলি সভা। সভাপতি ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সম্পাদক নৱ কুমাৰ শইকীয়াই। উদ্বোধনী ভাষণত শইকীয়াই দৰঙৰ আপুৰুগীয়া সম্পদ নাগাৰা

১৩ পৃষ্ঠাত চাওক

গোৱালপাৰাৰ পলিটেকনিকত চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ অনিৰ্দিষ্টকালীন কৰ্মবিৰতি অব্যাহত

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৯ ছেপ্টেম্বৰ ঃ গোৱালপাৰাৰ পলিটেকনিকত চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ অনিৰ্দিষ্টকালীন কৰ্মবিৰতি অব্যাহত আছে। উল্লেখ্য যে যোৱা ১২ ছেপ্টেম্বৰৰ পৰা পলিটেকনিকৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলে বিভিন্ন দাবীৰে কৰ্মবিৰতি পালন কৰি আছে যদিও এতিয়ালৈকে চৰকাৰে কোনো ধৰণৰ গুৰুত্ব দিয়া নাই। আজিও গোৱালপাৰা চহৰৰ বেলতলাস্থিত পলিটেকনিকৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ ১১ মাহৰ দৰমহা আদায় দিয়া, কৰ্মচাৰীসকলৰ দৰমহা নিয়মীয়াকৰণ কৰা আৰু চাকৰি নিয়মীয়াকৰণ কৰা আৰু বৃদ্ধি কৰা, চতুৰ্থবৰ্গৰ পদসমূহ স্থায়ীকৰণৰ দাবীৰে কৰ্মবিৰতিৰ জৰিয়তে বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে।

শ্ৰীমৎ স্বামী যোগানন্দগিৰি মহাৰাজক অৱমাননা

শক্তি আশ্ৰম শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্যৰ বিৰুদ্ধে বিষোদগাৰ আশ্ৰম পৰিচালনা সমিতিৰ

টংলাত লেখিকা সমাৰোহৰ অধিৱেশনত গ্ৰন্থ উন্মোচন, সোমবাৰে।

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৯ ছেপ্টেম্বৰ ঃ নামনি অসমৰ এসময়ৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ শক্তি আশ্ৰমৰ জন্মদাতা তথা মানৱদৰদী মহান ব্যক্তি প্ৰয়াত শ্ৰীমৎ স্বামী যোগানন্দগিৰি মহাৰাজৰ অৱদানক শক্তি আশ্ৰম শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য নীলৰঞ্জন ৰায়ে অৱমাননা কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে শক্তি আশ্ৰম পৰিচালনা সমিতিয়ে। শক্তি আশ্ৰম পৰিচালনা সমিতিৰ সভাপতি গিৰীন ৰায় আৰু সাধাৰণ সম্পাদক জ্যোতিষ চন্দ্ৰ ৰায়ে উত্থাপিত অভিযোগ মৰ্মে ২০০২ তে শক্তি আশ্ৰমত কে'বাজনো অগ্ৰণী ব্যক্তিৰ একান্ত প্ৰচেষ্টাত শংকৰদেৱ শিশু বিদ্যা নিকেতন খোলাৰ সিদ্ধান্ত লয়; কিন্তু নিকেতন খুলিবলৈ কোনো ঠাই বা ঘৰ নথকাত ব্যক্তি কেইজনে শক্তি আশ্ৰম পৰিচালনা সমিতিৰ সহায় বিচাৰি তেওঁলোকৰ ওচৰ চাপে। তেতিয়া মহান উদ্দেশ্য লৈ অহা শংকৰদেৱ নিকেতন স্থাপন কৰিব বিচৰা ব্যক্তি কেইজনক শ্ৰীমৎ স্বামী যোগানন্দগিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এনেয়ে পৰি থকা চাৰি নম্বৰ ল'ৰাৰ আবাসগৃহটো এক চুক্তি মৰ্মে ২০০৩ৰ পৰা শংকৰদেৱ শিশু বিদ্যা নিকেতনক শ্ৰেণী আৰম্ভ কৰিবলৈ অনুমোদন দিয়ে। চুক্তিখনৰ মৰ্মে শক্তি আশ্ৰম শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ নিজা ঘৰ ভেটি নোহোৱালৈকে শক্তি আশ্ৰম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চাৰি নম্বৰ হোষ্টেলত পাঠদান কৰিব পাৰিব। ইয়াৰ উপৰি নিকেতনৰ চৌহদত নিকেতনৰ লগত জড়িত থকা অনুষ্ঠান আদিহে অনুষ্ঠিত কৰিব পাৰিব। নিকেতনৰ লগত জড়িত নথকা যিকোনো

১৩ পৃষ্ঠাত চাওক

সৰবৰহী ধৰ্মপ্ৰাণা মহিলা বীণা হাজৰিকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৯ ছেপ্টেম্বৰ ঃ নগাঁও জিলাৰ হাতীচোং মৌজাৰ ফুলনিআটিৰ সৰবৰহী, ধৰ্মপ্ৰাণা মহিলা বীণা হাজৰিকা (৮২)ৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁৰ নশ্বৰদেহ আজি পুৱতি নিশা সৎকাৰ কৰা হয়। অমায়িক স্বভাৱৰ, সদা হাস্যময়ী সকলোৰে মাজত মাকন নামৰে পৰিচিত মহিলাগৰাকীৰ বিয়োগত স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নগাঁও জিলা সমিতি, শ্বাইনছ প্লেয়াৰ্ছ, সান্নিধ্য, বৰগছ আদি অনুষ্ঠানেও গভীৰ শোক প্ৰকাশ কৰিছে। পিপিৰূপেও সকলোৰে প্ৰিয়ভাজন মহিলাগৰাকীয়ে মৃত্যুৰ সময়ত পুত্ৰ, বোৱাৰী, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

বিশ্বনাথত ৰাইফল-পিষ্টল জব্দ

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৯ ছেপ্টেম্বৰ ঃ বিশ্বনাথ চাৰিআলিৰ অসম ৰাজ্যিক বাছ আস্থানৰ ভিতৰত বন বিভাগৰ অভিযান। বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ অপৰাধ অনুসন্ধান শাখাই গোপন তথ্যৰ ভিত্তিত বিশ্বনাথ চাৰিআলিৰ ৰাজ্যিক বাছ আস্থানৰ ভিতৰত থকা শ্ৰী শ্যাম ভাণ্ডাৰ নামৰ গুদামটোত বস্তাৰে বান্ধি থোৱা অৱস্থাত দুটাকৈ মাৰণাস্ত্ৰ তথা এটা ৩০৩ ৰাইফল আৰু এটা ৩০৩ পিষ্টল জব্দ কৰাৰ লগতে হনুমান পাণ্ডে আৰু বিহাৰৰ পিংকু মণ্ডল নামৰ দুজনকৈ লোকক গ্ৰেপ্তাৰ কৰে। অভিযুক্ত দুয়োজনৰ বিৰুদ্ধে মাৰণাস্ত্ৰ সৰবৰাহ কৰাৰ লগতে পূৰ্বে চোৰাংচিকাৰীক অবৈধ মাৰণাস্ত্ৰ যোগান ধৰা সন্দৰ্ভত তথ্য লাভ কৰিছে বন বিভাগে।

নগাঁৱৰ ব্যৱসায়িক প্ৰতিষ্ঠানত প্ৰাপ্য মজুৰি বিচাৰি শ্ৰমিকৰ প্ৰতিবাদ

বিশেষ সংবাদদাতা

নগাঁও, ১৯ ছেপ্টেম্বৰ ঃ শ্ৰমিকৰ মজুৰি অনাদায়ক লৈ নগাঁও চহৰৰ মাৰোৱাৰী পট্টিৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি, নগাঁও চহৰত থকা আদিত্য ছুইটছ নামৰ প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰীয়ে প্ৰতিষ্ঠানখনত কাম কৰিবৰ বাবে গুৱাহাটীৰ পৰা পাঁচজন শ্ৰমিকক আনিছিল। দৈনিক হাজিৰা দিয়াৰ প্ৰতিশ্ৰুতিৰে শ্ৰমিককেইজনক অনা হৈছিল, কিন্তু ন দিন উকলি যোৱাৰ পাছতো শ্ৰমিককেইজনক পাৰিশ্ৰমিক দিয়া নাছিল স্বত্বাধিকাৰীয়ে। ইয়াৰ বিপৰীতে আজি পুৱা প্ৰাপ্য ধন বিচাৰোতে শ্ৰমিককেইজনক ভাবুকিহে দিয়ে স্বত্বাধিকাৰীয়ে। ইয়াৰ পাছতে প্ৰতিষ্ঠানখনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

আজি হোজাইত ছহিদ দিৱস পাণিকা সমাজৰ

অগ্ৰদূত বাৰ্তা

হোজাই, ১৯ ছেপ্টেম্বৰ ঃ সদৌ অসম পাণিকা সমাজৰ হোজাই জিলা সমিতিৰ উদ্যোগত হোজাই তেলীবস্তি খেলপথাৰত কাইলৈ এদিনীয়া কাৰ্যসূচীৰে বীৰ দয়াল দাস পাণিকাৰ মৃত্যু তিথি উপলক্ষে ছহিদ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। ১৯৪২ৰ ২০ ছেপ্টেম্বৰত ঢেকিয়াজুলী সদৰ থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ গৈ ইংৰাজৰ গুলিত নিহত হৈছিল ঢেকিয়াজুলী মিজিকা চাহ বাগিচাৰ শ্ৰমিক দয়াল দাস পাণিকা। এই স্বাধীনতা সংগ্ৰামীজনৰ স্মৃতিত পাণিকা সমাজে ২০ ছেপ্টেম্বৰৰ দিনটো ছহিদ দিৱস হিচাপে উদ্‌যাপন কৰি আহিছে। প্ৰকাশিত কাৰ্যসূচী মতে, কাইলৈ পুৱা পতাকা উত্তোলন,

১৩ পৃষ্ঠাত চাওক

বকোত যাত্ৰীবাহী বাছ দুৰ্ঘটনাত ১৭ জন আঘাতপ্ৰাপ্ত

অগ্ৰদূত বাৰ্তা

বকো, ১৯ ছেপ্টেম্বৰ ঃ কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অধীনৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ মৃত্যুদূতত পৰিণত হৈছে। বিগত চাৰি-পাঁচ দিন ধৰি নিতৌ এটাৰ পাছত আন এটা সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈছে ঘাইপথত। সমান্তৰালভাৱে আজি বকোৰ ৰাজাপাৰাত ঘাইপথত ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হ'ল। তীব্ৰবেগী গুৱাহাটী অভিমুখী যাত্ৰীবাহী আল্টা বাছ এখনে প্ৰথমে খুন্দা মাৰে মটৰ চাইকেল আৰোহীক। তাৰ পাছতে নিয়ন্ত্ৰণ হেৰুৱাই বাছখন পথৰ দাঁতিৰ গছত

১৩ পৃষ্ঠাত চাওক

শালনাত সংৰক্ষিত বনাঞ্চলৰ বিৰুদ্ধে কৃষক সভাৰ অভিৱৰ্তন

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

নগাঁও/কলিয়াবৰ, ১৯ ছেপ্টেম্বৰ ঃ কলিয়াবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চকুৰঙা, কঠালগুৰি, লালপাহাৰ, ধল পাহাৰ, বৰজুৰি, লেংটেং, শালবাৰী, হাতীমূৰা আৰু দেওচুৰ গাঁও প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ পৰা সংৰক্ষিত বনাঞ্চললৈ উন্নীত কৰি খিলঞ্জীয়াক উচ্ছেদৰ পৰিকল্পিত ষড়যন্ত্ৰৰ বিৰুদ্ধে আজি নিখিল ভাৰত কৃষক সভাৰ উদ্যোগত শালনা বজাৰত কৃষক সমাৱেশ আৰু অভিৱৰ্তন অনুষ্ঠিত হয়। অভিৱৰ্তন পৰিচালনা কৰে কৃষক নেতা সলিল চক্ৰৱৰ্তী, সমাজকৰ্মী ৰাণা বৰকাকতি আৰু নিখিল ভাৰত কৃষক সভাৰ নগাঁও জিলা সম্পাদক মনোজ সিংহ ৰাজাৰ দ্বাৰা গঠিত সভাপতি মণ্ডলীয়ে। অভিৱৰ্তনৰ আদৰণি ভাষণ আগবঢ়াই কৃষক নেতা সলিল চক্ৰৱৰ্তীয়ে। আজিৰ কৃষক সমাৱেশ আৰু অভিৱৰ্তন উদ্বোধন কৰে প্ৰাক্তন মন্ত্ৰী হলিৰাম তেৰাঙে। বক্তব্য প্ৰদান কৰি তেৰাঙে সকলো একত্ৰিত হৈ সংৰক্ষিত বনাঞ্চলৰ বিৰুদ্ধে আন্দোলন তীব্ৰতৰ কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতে কৃষক সমাৱেশ আৰু অভিৱৰ্তনৰ খচৰা প্ৰস্তাৱ পাঠ কৰে কৃষক নেতা ৰাতুল বৰাই আৰু তাৰ পাছতে খচৰা প্ৰস্তাৱৰ ওপৰত আলোচনা হয়। সকলোৰে মতামত গ্ৰহণ কৰি খচৰা প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত কৰা হয় আৰু ভূমি অধিকাৰ সংগ্ৰাম সমিতি গঠন কৰে। প্ৰায় চাৰি শতাধিক লোকে অংশগ্ৰহণ কৰা কৃষক সমাৱেশ আৰু অভিৱৰ্তনত বিশিষ্ট প্ৰবন্ধকাৰ কিশোৰ কলিতা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা কৃষ্ণ গগৈ, কৃষক সভাৰ ৰাজ্যিক ভাৰপ্ৰাপ্ত সম্পাদক জয়ন্ত গগৈ, আটছা কলিয়াবৰ জিলাৰ সভাপতি মহেন্দ্ৰ নাহক, সমাজকৰ্মী অনুপ গগৈৰ উপৰি শালনা অঞ্চলৰ কৃষক নেতা বজৰং প্ৰসাদ গুপ্তা, নবীন বাৰ্লা, বিমল মেচ, অমৰ আলী, উকাৰাম বসুমতাৰী, বিপুল চাওৰা আৰু প্ৰদীপ ভূইহৰ আদিয়ে বক্তব্য প্ৰদান কৰে।

প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে সমূহীয়া যোগাভ্যাস

অগ্ৰদূত বাৰ্তা

জাগীৰোড, ১৯ ছেপ্টেম্বৰ ঃ অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘৰ মৰিগাঁও জিলা সমিতিৰ সৌজন্যত মণিকাঞ্চন যোগ বিদ্যালয়ৰ সহযোগত জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্মদিন উপলক্ষে এক সমূহীয়া যোগাভ্যাস কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জ্যেষ্ঠ যোগ শিক্ষক মনোৰঞ্জন সৰকাৰে এগছি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰে অখিল ভাৰতীয় যোগ শিক্ষক মহাসংঘৰ মৰিগাঁও জিলা সমিতিৰ সম্পাদক ৰিণ্টু কুমাৰ বৰাই। অনুষ্ঠানত বক্তব্য প্ৰদান কৰে সভানেত্ৰী কল্পনা গোস্বামী আৰু মণিকাঞ্চন যোগ বিদ্যালয়ৰ সমন্বয়ক জয়ন্ত সাগৰ শইকীয়াই। অনুষ্ঠানৰ আৰম্ভণিতে শিশুসকলৰ হাতেৰে এটা কেক কাটি প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিনৰ ওলগ জনোৱাৰ লগতে তেওঁৰ দীৰ্ঘায়ু কামনা কৰা হয়। জন্মদিন উপলক্ষে আয়োজন কৰা সমূহীয়া যোগাভ্যাস অনুষ্ঠানৰ মূলমন্ত্ৰ আছিল যোগৰ দ্বাৰা হৃদৰোগৰ পৰা সুৰক্ষা লাভ কৰা। অনুষ্ঠানত হৃদৰোগৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় প্ৰাণায়াম আৰু আসন অভ্যাস কৰা হয়। অনুষ্ঠানৰ শেষত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন যোগ প্ৰদৰ্শন কৰি ৰাইজক আপ্লুত কৰে। উক্ত অনুষ্ঠানত অখিল ভাৰতীয় যোগ শিক্ষক

১৩ পৃষ্ঠাত চাওক

জামুগুৰি বাৰেচহৰীয়া ৰাইজ সভাৰ সৌজন্যত শংকৰদেৱৰ জন্মজয়ন্তীৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৯ ছেপ্টেম্বৰ ঃ জামুগুৰিহাটৰ অন্যতম প্ৰাচীন আধ্যাত্মিক অনুষ্ঠান বাৰেচহৰীয়া ৰাইজ সভাৰ সৌজন্যত উত্তৰ জামুগুৰিৰ চামধৰা গাঁৰৰ ৰাইজৰ আতিথ্যত অহা পাঁচ আৰু ছয় অক্টোবৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মজয়ন্তী মহোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। ইতিমধ্যে সেই উপলক্ষে এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। বাৰেচহৰীয়া ৰাইজ সভাৰ সভাপতি অতুল চন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত সম্পাদক তোষেশ্বৰ বৰাই আঁত ধৰা আৰু চামধৰা গাঁৱত অনুষ্ঠিত সভাই গঠন কৰা সমিতিখন ক্ৰমে গোপাল বৰাক সভাপতি, জিতেন শইকীয়াক উপ-সভাপতি, দিগন্ত বৰাক সম্পাদক, অৰূপজ্যোতি বৈশ্যক সহকাৰী সম্পাদক, হেমন্ত শইকীয়া, ৰঞ্জিত ভূএগ, জিন্তু বৰা, কুমুদ ৰাজবংশী আৰু অনন্ত ভূএগক প্ৰচাৰ সম্পাদক, ইয়াৰ উপৰি সভাই কমল ৰাজবংশী, জগত শইকীয়া, লীলা ভূএগ, মহেন্দ্ৰ ভূএগ, ৰমেশ বৈশ্য, ফটিক বৰুৱা, গোলাপ বৰুৱা আৰু মন্টু ভূএগক উপদেষ্টাৰূপে মনোনীত কৰে। বাৰেচহৰীয়া যুৱ সভাৰ সভাপতি সঞ্জীৱ ৰাজখোৱা আৰু সম্পাদক হীৰকজ্যোতি বৰাই জানিবলৈ দিয়া মতে, জন্মজয়ন্তীৰ লগত সংগতি ৰাখি অহা দুই অক্টোবৰত ৰাইজ সভাৰ অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ, বৰগীত, ঘোষাকে ধৰি এলানি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। অহা পাঁচ আৰু ছয় অক্টোবৰৰ জন্মজয়ন্তীৰ মূল কাৰ্যসূচী

১৩ পৃষ্ঠাত চাওক

লাহৰীঘাট আঞ্চলিক আমছুৰ শপতগ্ৰহণ

অগ্ৰদূত বাৰ্তা

লাহৰীঘাট, ১৯ ছেপ্টেম্বৰ ঃ সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিৰ অন্তৰ্গত লাহৰীঘাট আঞ্চলিক আমছুৰ নৱ গঠিত সমিতিৰ যোৱা ১৫ ছেপ্টেম্বৰত লাহৰীঘাট বজাৰ পুৰণা বাছ আস্থানত শপতগ্ৰহণৰ লগতে বাল্যবিবাহ, মদ-ভাং, জুৱা, ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত হৈ যায়। শপতগ্ৰহণ আৰু সজাগতা সভাৰ লগত সংগতি ৰাখি সদ্যঘোষিত সৰ্বভাৰতীয় নীট পৰীক্ষাত সফলতা অৰ্জন কৰা লাহৰীঘাট অঞ্চলৰ পাঁচজন কৃতী ছাত্ৰৰ লগতে ৰাজ্য চৰকাৰৰ পৰা কৃতী শিক্ষকৰ বঁটা লাভ কৰা অঞ্চলটোৰ চাৰিজন শিক্ষকক ফুলাম গামোচা, জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায় আমছুৰ লাহৰীঘাট আঞ্চলিক সমিতিৰ তৰফৰ পৰা।

ওদালগুৰি জিলা সাহিত্য সভাৰ পঞ্চম কাৰ্যনিৰ্বাহক সম্পন্ন

■ ওদালগুৰি ৰত্ন বঁটা-২০২২ ধৰণীধৰ মেধিলৈ-গোপাল চন্দ্ৰ ৰাভাৰ কাব্য পুথি 'পুণ্য নদীৰ ঘাট' উন্মোচন

অগ্ৰদূত বাৰ্তা

টংলা, ১৯ ছেপ্টেম্বৰ ঃ ওদালগুৰি জিলা সাহিত্য সভাৰ পঞ্চম কাৰ্যনিৰ্বাহক সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান কালি গেৰুৱা নামঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। পুৰন্দিয়া সাহিত্য সভাৰ উদ্যোগত আৰু গেৰুৱা গাঁও উন্নয়ন সমিতিৰ সহযোগত কালি অনুষ্ঠিত সভাত ওদালগুৰি জিলা সাহিত্য সভাই কে'বাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে।

১৩ পৃষ্ঠাত চাওক

কৃষ্ণাইত গোৱালপাৰা জিলা অধিবিদ্যা পৰিষদৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ১৯ ছেপ্টেম্বৰ ঃ গোৱালপাৰা জিলা অধিবিদ্যা পৰিষদৰ অন্তৰ্গত বিদ্যালয় প্ৰধানসকলৰ নিয়মীয়া মাহিলি সাধাৰণ সভাখন আজি জিলাখনৰ কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। পুৱা ১০ বজাত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে গোৱালপাৰা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক চাদুল্লা খানে। কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জাকিৰ হুছেইনে আঁত ধৰা সভাখনত অধিবিদ্যা পৰিষদৰ কাৰ্যকৰী সভাপতি চাহাবুদ্দিন শ্বেখ, সাধাৰণ সম্পাদক কমল গোস্বামী, উপ-সভাপতি কোবাদ হুছেইন আৰু কুমুদ ৰায় চৌধুৰী, কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মনমোহন দাস, অধিবিদ্যা পৰিষদৰ ৰাজ্যিক সদস্য হৰকান্ত নাথৰ লগতে জিলাখনৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহৰ প্ৰধানসকল উপস্থিত থাকে। আজিৰ সভাত শেহতীয়া মেট্ৰিক পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল গোৱালপাৰা জিলাত কিয় নিম্নগামী হৈছে আৰু কেনেকৈ এই নিম্নগামিতা ঊৰ্ধ্বগামী কৰিব পৰা যায় সেই সন্দৰ্ভত বিতংকৈ আলোচনা হোৱা বুলি কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জাকিৰ হুছেইনে জানিবলৈ দিয়ে। অতি গাম্ভীৰ্যপূৰ্ণ আজিৰ সভাখনত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন নৃত্য-গীতে উপস্থিত সকলোকে আপ্লুত কৰে।

জামুগুৰিত আজি ছহিদ মনবৰ নাথৰ ৮০ সংখ্যক স্মৃতি দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৯ ছেপ্টেম্বৰ ঃ ১৯৪২ৰ স্বাধীনতা আন্দোলনৰ বীৰ ছহিদ মনবৰ নাথৰ ওপজা ভূমি নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰিত কাইলৈ দিনজোৱা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে ৮০ সংখ্যক স্মৃতি দিৱস। ভাৰতৰ স্বাধীনতা আন্দোলনত ব্ৰিটিছৰ গুলিত শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি থানাত প্ৰাণ আহুতি দিয়া স্বদেশ প্ৰেমৰ যুগমীয়া প্ৰতীক এইগৰাকী ছহিদৰ প্ৰতি সন্মান জনাই পূৰ্ব বছৰৰ দৰে এইবাৰো জামুগুৰিৰ ছহিদ মনবৰ নাথ মজলীয়া বিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ লোৱা কাৰ্যসূচী অনুসৰি আছে পুৱা ঊষা কীৰ্তন, নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ দ্বাৰা ছহিদ বেদী উন্মোচন, বন্তি প্ৰজ্বলন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু ১০-৩০ বজাত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু ছহিদ মনবৰ নাথ বিষয়ক ৰচনা প্ৰতিযোগিতা। পুৱা কাৰ্যসূচীৰ অন্তত দিনৰ ডেৰ বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে আমন্ত্ৰিত অতিথি হিচাপে যোগদান কৰিব। সভাত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলে মুখ্য অতিথি, ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰা নিৰ্দিষ্ট বক্তা আৰু ভাস্কৰ্য শিল্পী লক্ষ্যজিৎ বৰাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সভা উদ্বোধন কৰিব ৰামধেনু যুগৰ বিশিষ্ট কথাশিল্পী ভদ্ৰেশ্বৰ ৰাজখোৱাই। সন্ধিয়া ছহিদজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদি গাঁৱৰ প্ৰতি ঘৰ লোকৰ পদূলিত এগছিকৈ বন্তি প্ৰজ্বলন আৰু নিশা ৮-৩০ বজাত সুকণ্ঠী গায়িকা পাপৰি গগৈ আৰু অঞ্চলৰ বাছকবনীয়া শিল্পীসকলৰ দ্বাৰা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব নগাঁও সদৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াকে ইশান সিংহই। উল্লেখ্য যে দেশপ্ৰেমৰ অতুল্য চানেকি দাঙি ধৰি জামুগুৰি গাঁৱক ইতিহাসৰ বুকুত চিৰবন্দিত কৰি ৰখা ছহিদ মনবৰ নাথৰ সাহসৰ অগ্নিশিখাই ৮০ বছৰৰ পাছতো শত সহস্ৰ লোকক দেশপ্ৰেমৰ অগ্নি মন্ত্ৰ দি আহিছে। নতুন প্ৰজন্মৰ বাবে আদৰ্শ আৰু প্ৰেৰণা হৈ ৰোৱা ছহিদগৰাকীৰ স্মৃতি দিৱস অনুষ্ঠানত সকলো ৰাইজৰে সহায়-সহযোগিতা আৰু উপস্থিতি ছহিদ দিৱস উদ্‌যাপন সমিতিৰ হৈ সভাপতি ভুৱন চন্দ্ৰ নাথ, কাৰ্যকৰী সভাপতি অনিল চন্দ্ৰ নাথ আৰু সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে আন্তৰিকতাৰে কামনা কৰিছে।

কাইলৈ অভয় বৰ্মনৰ ৰাজহুৱা সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

সৰ্থেবাৰী, ১৯ ছেপ্টেম্বৰ ঃ জ্যেষ্ঠ অধিবক্তা, বিশিষ্ট সমাজ সেৱী, ৰাজনৈতিক-সাংস্কৃতিক কৰ্মী অভয় বৰ্মনৰ ৭২ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি অহা ২০ ছেপ্টেম্বৰত তেওঁৰ এক ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে জ্যেষ্ঠ অগপ নেতা তথা বৰপেটা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসক সভাপতি, সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰগোবিন্দ শৰ্মাক কাৰ্যকৰী সভাপতি, বিচিত্ৰ ডেকা আৰু গৌৰীকান্ত গোস্বামীক সম্পাদকৰূপে লৈ গঠন কৰা ৰাজহুৱা সম্বৰ্ধনা সমিতিয়ে ব্যাপক প্ৰস্তুতি চলাইছে। সম্বৰ্ধনা অনুষ্ঠান সন্দৰ্ভত সাংবাদিকক জানিবলৈ দি সমিতিৰ সম্পাদক বিচিত্ৰ ডেকাই কয় যে ২০ ছেপ্টেম্বৰৰ পুৱা সৰুক্ষেত্ৰী, চেঙা, পাকা চলন্ত ভাগৱত অধ্যয়ন চক্ৰৰ দ্বাৰা ভাগৱত পাঠ আৰু ন বজাত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। তাৰ পাছত গুণীন্দ্ৰ নাথ দাসৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা মুকলি সভাত অভিনন্দন গ্ৰন্থ 'অক্লান্ত অভয়' উন্মোচন কৰিব

১৩ পৃষ্ঠাত চাওক

শ্ৰীৰামপুৰত আদিবাসী শান্তি চুক্তি স্বাক্ষৰকাৰী পাঁচ সংগঠনৰ নেতৃবৃন্দক আদৰণি

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ১৯ ছেপ্টেম্বৰ ঃ যোৱা ১৫ ছেপ্টেম্বৰত দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ স'তে শান্তি চুক্তি স্বাক্ষৰ কৰি ঐতিহাসিক ক্ষণৰ সাক্ষী হোৱা আদিবাসী জনগোষ্ঠীৰ পাঁচটা যুদ্ধবিৰত সশস্ত্ৰ সংগঠনৰ নেতৃবৃন্দক আজি শ্ৰীৰামপুৰত বিপুলভাৱে আদৰণি জনোৱা হয়। শ্ৰীৰামপুৰ হাইস্কুল খেলপথাৰত চাওতাল কল'নীৰ আদিবাসী সমাজৰ উদ্যোগত আয়োজিত আদৰণি অনুষ্ঠানত সভাপতিত্ব কৰে শ্ৰীৰামপুৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি সুজিত হাছদাই আৰু চুক্তি স্বাক্ষৰকাৰীসকলৰ আদৰণি পৰ্ব দাঙি ধৰে চাওতাল কল'নী গাঁওবুঢ়া সন্থাৰ সাধাৰণ সম্পাদক আব্ৰাহাম মুৰ্মুৱে। চাওতাল কল'নীৰ সমূহ গাঁৱৰ পুৰুষ-মহিলা-ছাত্ৰ-যুৱকসকলে আদিবাসী শান্তি চুক্তিত স্বাক্ষৰ কৰাসকলক আন্তৰিকতাৰে আদৰণি জনায়। উক্ত অনুষ্ঠানত অংশ লোৱা চুক্তি স্বাক্ষৰকাৰীসকল ক্ৰমে বিচিএফৰ অধ্যক্ষ দুৰ্গা হাছদা, আকমাৰ অধ্যক্ষ অসীম হাছদা, আনলাৰ অধ্যক্ষ দীপক নায়ক, আপাৰ অধ্যক্ষ মণ্ডল হাছদা, এছটিএফৰ অধ্যক্ষ পাৰছিয়াচ হেমব্ৰম, আনলাৰ বিভাজিত গোটৰ অধ্যক্ষ অমৃত বেক, বিচিএফৰ বাদল টুডু গোটৰ অধ্যক্ষ তিৰ্কু টুডু, আকমাৰ বিভাজিত গোটৰ অধ্যক্ষ চিনেছ হেমব্ৰমৰ লগতে শান্তি চুক্তিৰ সময়ত উপস্থিত বিচিএফৰ সেনাধ্যক্ষ সুভাষ তিৰ্কি, আকমাৰ উপাধ্যক্ষ সুছেন টিগ্গা, আনলাৰ সেনাধ্যক্ষ পিটাৰ ডং, এছটিএফৰ সেনাধ্যক্ষ জাগিৰ চৰেন, বাদল টুডু গোটৰ বিচিএফৰ সেনাধ্যক্ষ বিল্লিয়াম টুডু আৰু আকমাৰ বিভাজিত গোটৰ উপ-সেনাধ্যক্ষ চুনকা হাছদাক চাওতাল কল'নীৰ ৰাইজৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। পাঁচটা সংগঠনৰ নেতৃবৰ্গক বিপিএফৰ পৰাও আজি আদৰণি জনোৱা হয়। ৰাইজৰ পৰা উষ্ম সম্বৰ্ধনা লাভ কৰি আৱেগিক হৈ পৰা আকমাৰ অধ্যক্ষ জাব্ৰিয়াছ খাখা ওৰফে অসীম হাছদাই এই চুক্তিত থকা ১৬টা দফা সঠিকভাৱে ৰূপায়িত হ'লে অসমত বসবাস কৰা আদিবাসীসকলৰ দীৰ্ঘদিনীয়া জ্বলন্ত সমস্যাসমূহ সমাধান হ'ব বুলি আশা প্ৰকাশ কৰে। চুক্তি স্বাক্ষৰকাৰী সকলোকে ঐক্যবদ্ধ আৰু নিস্বাৰ্থভাৱে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। উক্ত সভাত বিচিএফৰ সেনাধ্যক্ষ সুভাষ তিৰ্কিয়ে আদিবাসী শান্তি চুক্তিৰ ফলত আদিবাসীসকল শোষণ মুক্ত হ'ব। শিক্ষা-দীক্ষাৰ উন্নতিৰ বাবে আদিবাসী সমাজৰ পিতৃ-মাতৃসকলক নিজৰ সন্তানক সুশিক্ষিত কৰাৰ বাবে মনোযোগ দিবলৈ কয়। কৰ্ম-সংস্কৃতিৰ প্ৰতিও গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়। পাঁচটা সংগঠনৰ নেতৃবৃন্দৰ ভাষণৰ মাজতে উক্ত আদৰণি অনুষ্ঠানৰ মুখ্য উদ্যোক্তা বিটিচিৰ কাৰ্যবাহী সদস্য উইলছন হাছদা, শ্ৰীৰামপুৰ সমষ্টিৰ পাৰিষদ সজল কুমাৰ সিংহ আদিবাসী শান্তি চুক্তিত স্বাক্ষৰকাৰীসকলক সম্বৰ্ধনা জনায়।

সংখ্যালঘু মৰ্চাৰ বেজেৰা মণ্ডলৰ কাৰ্যনিৰ্বাহক

অগ্ৰদূত বাৰ্তা

দুমুনিচকী, ১৯ ছেপ্টেম্বৰ ঃ বিজেপি সংখ্যালঘু মৰ্চাৰ বেজেৰা মণ্ডলৰ প্ৰথমখন কাৰ্যনিৰ্বাহক আজি ধোপাতাৰিস্থ বেজেৰা মণ্ডল বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। সংখ্যালঘু মৰ্চাৰ বেজেৰা মণ্ডলৰ নৱনিৰ্বাচিত সভাপতি আমিনুল হকৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত গুৱাহাটী মহানগৰ জিলা সমিতিৰ সভাপতি তপন দাস, সম্পাদক তথা বেজেৰা মণ্ডলৰ প্ৰভাৰী বিজয় পাঠক, বেজেৰা মণ্ডল বিজেপিৰ সভাপতি দিলীপ ডেকা, সম্পাদকদ্বয় ৰুবুল দাস, ভাস্কৰজ্যোতি কলিতা, সংখ্যালঘু মৰ্চাৰ গুৱাহাটী মহানগৰ জিলাৰ সাধাৰণ সম্পাদক চৈয়দ আবু আব্দুল্লা হক, সংখ্যালঘু মৰ্চাৰ বেজেৰা মণ্ডলৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সংখ্যালঘু মৰ্চাৰ বেজেৰা মণ্ডলৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদক ৰিজুল আলীয়ে আঁতধৰা সভাৰ পূৰ্বে শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু দীনদয়াল উপাধ্যায়ৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ কৰা হয়।

হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগত সাতজনক আটক হোজাইত

অগ্ৰদূত বাৰ্তা

হোজাই, ১৯ ছেপ্টেম্বৰ ঃ হোজাইৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত চামৰালি বজাৰত যোৱা ১২ আগষ্টত সংঘটিত হৈছিল এক লোমহৰ্ষক হত্যাকাণ্ড। ভূমি বিবাদৰ পৰিণতিত আব্দুল মন্নান নামৰ এজন লোকক মৰিয়াই হত্যা কৰিছিল একাংশ ভূ-মাফিয়াই। ঘটনা সংক্ৰান্তত মোৰাঝাৰ থানাত ১৭জন অভিযুক্তৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰত লগে লগে মোৰাঝাৰ আৰক্ষীয়ে তদন্তমৰ্মে ফইজ আহমদ, আব্দুল হাচিমসহ আন এজনক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল যদিও বাকী অভিযুক্তসকল পলাতক হৈ আছিল। কালি মোৰাঝাৰ আৰক্ষীয়ে মোৰাঝাৰৰ বিভিন্ন প্ৰান্তত অভিযান চলাই এই হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগ ৰছিদ আহমদ, মাৰুফ আহমেদ, বাবুল আহমেদ, নবিদুল হাছন, তাহিৰুল ইছলাম চৌধুৰী, কমৰুল ইছলাম আৰু নজৰুল ইছলামক আটক কৰে।

৩৭ বছৰত চিনাক্ত হ'ল

তিনি পৃষ্ঠাৰ পৰা চৰকাৰৰ অংশীদাৰ অগপৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এক প্ৰশ্নৰ উত্তৰত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই আজি বিধানসভাৰ মজিয়াত এই তথ্য প্ৰকাশ কৰে। মন্ত্ৰী বৰাই বিধানসভাৰ মজিয়াত জনায় যে অসম চুক্তি অনুযায়ী যোৱা ৩১ জুলাই পৰ্যন্ত চিনাক্ত কৰা হৈছে ১,৪৮,০২২ জন বিদেশীক। মন্ত্ৰীজনে সদনত দিয়া তথ্য মতে এতিয়াও সুদূৰ পৰাহত ভাৰত-বাংলাদেশ সীমান্ত ছীল কাৰ্য। আজিও কৰিমগঞ্জ, ধুবুৰী, কাছাৰ, দক্ষিণ শালমাৰা-মানকাচৰ জিলাত উন্মুক্ত হৈ ৰৈছে প্ৰায় ৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্ত। মন্ত্ৰী বৰাই সদনত প্ৰকাশ কৰা মতে কৰিমগঞ্জত ৩.৫ কিলোমিটাৰ, ধুবুৰীত ৫০.৫০২, দক্ষিণ শালমাৰা-মানকাচৰত ৭.০৮ কিলোমিটাৰ সীমান্ত উন্মুক্ত হৈ আছে। উল্লেখ্য যে ভাৰত-বাংলাদেশ সীমান্তত এতিয়াও উন্মুক্ত হৈ থকা আন্তৰ্জাতিক সীমান্তৰ অংশখিনি নদী সীমান্তৰ বাবে ছীল কৰাটো সম্ভৱ হোৱা নাই। ইফালে গুৱাহাটীৰ উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠন কৰা কমিটীয়ে ৰাজ্য চৰকাৰৰ হাতত দাখিল কৰা প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ল নে বুলি বিধায়কজনে সোধা প্ৰশ্নৰ উত্তৰত অসম চুক্তি ৰূপায়ণ মন্ত্ৰীজনে কয় যে উক্ত প্ৰতিবেদনখন অসম চুক্তি ৰূপায়ণক বিভাগক দাখিল কৰা হোৱা নাই।

কৃষ্ণাই সমবায় সমিতিৰ কৃতী ছাত্ৰ-ছাত্ৰীক

১২ পৃষ্ঠাৰ পৰা আজিজ, টুকুৰা হাইস্কুলৰ প্ৰধান শিক্ষক জাকিৰ হুছেইন, কৃষ্ণাই এম এম মেম'ৰিয়েল হাইস্কুলৰ প্ৰধান শিক্ষক নুৰুল ইছলাম আহমেদ, কৃষ্ণাই মণ্টেছৰি হাইস্কুলৰ প্ৰৱন্ধক গীতাৰ্থ শৰ্মা আদিকে ধৰি কে'বাজনো বিশিষ্ট লোকে ভাষণ প্ৰদান কৰে। ধাইগাঁও আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক মেহবুব আলী আহমেদে ভাষণ প্ৰসংগত কয় যে শিক্ষাৰ ক্ষেত্ৰত মূল ভূমিকা ল'ব পাৰে অভিভাৱক-অভিভাৱিকাসকলে। কাৰণ ঘৰখনৰ সুস্থ পৰিৱেশে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যৎ সুদৃঢ় কৰাত সহায় কৰে। আনহাতে, কৃষ্ণাই পাব্লিক স্কুলৰ অধ্যক্ষ আব্দুল হালিমে ইংৰাজীত দিয়া চমু ভাষণত কয় যে কৃতী ছাত্ৰ-ছাত্ৰীসকল মাথোঁ তেওঁলোকৰ পৰিয়ালৰে নহয় অঞ্চলটোৰ বাবেও একো একোটা অমূল্য সম্পদ স্বৰূপ। সংস্কৃত শ্লোক আওৰাই দিয়া সুমধুৰ ভাষণত কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জাকিৰ হুছেইনে কয় যে বিশ্বৰ বিভিন্ন সভ্যতা কালৰ বুকুত হেৰাই গ'লেও ভাৰতৰ ঐতিহ্যমণ্ডিত যি সভ্যতা তাৰ জিলমিলনি আজিও বিদ্যমান। ভাৰতীয় সভ্যতাই জ্ঞান আৰু প্ৰজ্ঞাৰ কথা কৈ আহিছে যুগে যুগে। জীৱনত আগবাঢ়িবলৈ শিক্ষাই হৈছে প্ৰধান সম্পদ। ছাত্ৰ-ছাত্ৰীসকলে এই কথা পদে পদে অনুভৱ কৰিব লাগিব। অধ্যক্ষ হুছেইনে লগতে কয়। ইপিনে, নিজৰ সাৱলীল ভাষণত শিক্ষক আব্দুল হাই আহমেদে কয় আজিৰ আধুনিকতাৰ যুগত ছাত্ৰ-ছাত্ৰীসকলো আধুনিক মানসিকতাৰ হোৱাটো নিতান্তই আৱশ্যক। বহু অভিভাৱকে নিজৰ সন্তানক ম'বাইল হাতত তুলি দিবলৈ ইতস্ততঃবোধ কৰে। এয়া অনুচিত। ম'বাইল বা ইণ্টাৰনেট জগতখন বিভিন্ন জ্ঞানৰ ভাণ্ডাৰ। মাথোঁ চকু ৰাখিব লাগিব তেওঁলোকৰ সন্তানে যাতে অধ্যয়নৰ বাহিৰে ম'বাইল ফোন গেম খেলা আদিৰ দৰে অনৰ্থক কামত বেছিকৈ ব্যৱহাৰ কৰিব নোৱাৰে। আনহাতে, সমবায়ৰ সচিব চায়েদ হুছেইনে আনুষ্ঠানিকভাৱে কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাবলৈ পাই আপ্লুত হৈ পৰা বুলি উল্লেখ কৰি কয় যে সময়ৰ সোঁতত হেৰাই নগৈ এইসকল কৃতীমানে ভৱিষ্যতে একো একোটা ধ্ৰুৱতৰা সদৃশ হৈ ৰাজ্য বা দেশত নিশ্চয় জিলিক ৰ'ব। শেষত সভাপতি চহিবুল ৰছুলৰ সাৱলীল বক্তব্যৰে অভিনন্দন অনুষ্ঠানৰ সামৰণি পৰে।

শ্ৰীমৎ স্বামী যোগানন্দগিৰি মহাৰাজক

১২ পৃষ্ঠাৰ পৰা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ অনুমতি দিয়া নহ'ব বুলি চুক্তিখনত উল্লেখ আছে; কিন্তু শেহতীয়াভাৱে নিকেতনৰ প্ৰধান আচাৰ্য নীলৰঞ্জন ৰায়ে আশ্ৰম পৰিচালনা সমিতিৰ লগত থকা চুক্তি উলংঘা কৰি দৃষ্টিকটু হোৱাকৈ নীতিবহিৰ্ভূতভাৱে কিছুমান সংগঠনৰ বেনাৰত কিছুমান কাৰ্যসূচী অনুষ্ঠিত কৰা কাৰ্যই সহজভাৱে ল'ব পৰা নাই শক্তি আশ্ৰম পৰিচালনা সমিতিয়ে। সমিতিৰ সভাপতি-সাধাৰণ সম্পাদকসহ অন্যান্য সদস্যসকলে কৰা অভিযোগ মৰ্মে চিথিলাৰ নিৰোদ বৰ্মন নামৰ এজন ব্যক্তিয়ে একমাত্ৰ নিজৰ স্বাৰ্থ পূৰণৰ উদ্দেশ্যে আত্মকেন্দ্ৰিকভাৱে বজাৰ খুলি লোৱা এছবি ফাউণ্ডেছনৰ বেনাৰত কিছুমান অনুষ্ঠান পাতিবলৈ আৰম্ভ কৰে। যি শক্তি আশ্ৰম পৰিচালনা সমিতিৰ সহ্যৰ বাহিৰত। যিগৰাকী মহান ব্যক্তি স্বামী যোগানন্দগিৰিৰ মহানুভৱতাৰ ফলত বৃহৎ শক্তি আশ্ৰম অঞ্চলৰ জন্ম হৈছে। যিখন আশ্ৰমত অসমৰ লগতে ভাৰতৰ বিভিন্ন প্ৰান্তৰ মহান ব্যক্তি, শিক্ষাবিদ, ৰাজনীতিবিদ, মন্ত্ৰী-নেতাৰ আগমন ঘটিছিল। নামেই যাৰ পৰিচয় আছিল। প্ৰধান আচাৰ্যজনে স্বামী যোগানন্দগিৰিক অৱমাননা কৰি সমাজ-অঞ্চলত কোনো অৱদান আগবঢ়োৱাটো দূৰৈৰে কথা ৰাইজে চিনি নোপোৱা আত্মসিদ্ধিৰ কাৰণে নিৰোদ বৰ্মন নামৰ ধুৰন্ধৰ-চতুৰ ব্যক্তিজনে পিতৃ-মাতৃক বিক্ৰী কৰি একমান ধন সংগহৰ বাবে আহিলা স্বৰূপে ব্যৱহাৰ কৰা এছবি ফাউণ্ডেছনৰ নামত যি অনুষ্ঠান কৰি অনুষ্ঠিত আছে সেয়া কেতিয়াও মানি লোৱা নহ'ব। অকল সেয়াই নহয় সুদূৰ ধুবুৰী জিলাৰ তামাৰহাট অঞ্চলৰ পৰা আহি শক্তি আশ্ৰমৰ নিকেতনৰ প্ৰধান আচাৰ্যৰূপে কাম কৰা ব্যক্তিয়ে স্থানীয় ৰাইজ-অঞ্চলৰ আবেগ-অনুভূতি-মৰ্মবেদনা কি বুজিব বুলি পৰিচালনা সমিতিয়ে মন্তব্য কৰে। প্ৰধান আচাৰ্যজনে স্থানীয় শিক্ষাবিদ প্ৰয়াত জিতেন বৰ্মন, প্ৰয়াত যামিনী বৰুৱাৰ নামতো যদি অনুষ্ঠান পাতিলেহেঁতেন ক'বলগীয়া নাছিল; কিন্তু তাকে নকৰি চিথিলা অঞ্চলত ৰাইজৰ লগত সম্পৰ্ক নৰখা নিৰোদ বৰ্মনে পিতৃ শৰৎ বৰ্মন আৰু মাতৃ বিমলা বৰ্মনৰ প্ৰথম বৰ্ণৰে খোলা সংগঠন এছবি ফাউণ্ডেছনৰ বেনাৰত কাম কৰি থকাৰ ফলত নিকেতনখনৰ শিক্ষাৰ ক্ষেত্ৰত শৈক্ষিক পৰিবেশ ভালেখিনি বিনষ্ট হোৱা বুলি অভিযোগ কৰে। আনকি প্ৰধান আচাৰ্যজনৰ ব্যৱহাৰৰ ফলত আচাৰ্য-আচাৰ্যাবৃন্দৰ মাজত মনোমালিন্যৰ সৃষ্টি হোৱা বুলিও অভিযোগ উত্থাপন কৰে। ইপিনে, নিকেতনৰ পৰিচালনা সমিতিৰ লগত কোনো ধৰণৰ আলোচনা নকৰাকৈ নিজৰ খেয়াল-খুচি মতে আচাৰ্য-আচাৰ্যাক নিযুক্তি দিয়া বুলিও অভিযোগ উঠিছে। অকল সেয়াই নহয় অভিভাৱকসকলোকো দুৰ্ব্যৱহাৰ কৰাৰ ফলত বহু অভিভাৱক প্ৰধান আচাৰ্যৰ বিৰুদ্ধে ক্ষুব্ধ হৈছে বুলিও পৰিচালনা সমিতিখনে অভিযোগ কৰে। নিৰোদ বৰ্মনৰ ভ্ৰাতৃ তথা নিকেতনখনৰে আচাৰ্য সুভাষ বৰ্মনেও স্বামী যোগানন্দগিৰি মহাৰাজৰ কি অৱদান আছে বুলি কৈ স্বামীজীক যি ধৰণে চৰম অপমান-অৱমাননা কৰিছে সেয়া সহ্যৰ বাহিৰত। স্বামীজীৰ মাটিতে থকা নিকেতনত চাকৰি কৰি জীৱিকা নিৰ্বাহ কৰি স্বামীজীকে অপমান কৰিব সেয়া শক্তি আশ্ৰম পৰিচালনা কমিটীয়ে কেতিয়াও মানি নলয়। অসম শিশু শিক্ষা সমিতিৰ নিয়ম অনুসৰি নিকেতনৰ পৰিচালনা সমিতিয়ে নিকেতনখনক পৰিচালনা কৰে তথা নিকেতনৰ প্ৰধান আচাৰ্যৰ পৰা আচাৰ্য-আচাৰ্যাৰ নিযুক্তি দিয়ালৈকে সকলো কৰ্তৃত্ব থাকে। কিন্তু শক্তি আশ্ৰম নিকেতনৰ ক্ষেত্ৰত সম্পূৰ্ণ বিপৰীত। প্ৰধান আচাৰ্য ৰায়ৰ মতেহে নিকেতনৰ পৰিচালনা সমিতি পৰিচালিত হয়। সেয়ে বজাৰত ৰায়ে পৰিচালনা সমিতিত মোৰ মানুহ, মোক কোনে কি কৰিব পাৰে বুলি প্ৰচাৰ কৰি ফুৰা বুলি শক্তি আশ্ৰম পৰিচালনা সমিতিয়ে অভিযোগ কৰে। সেয়ে শক্তি আশ্ৰম পৰিচালনা সমিতিয়ে অহা ডিচেম্বৰৰ ভিতৰত প্ৰধান আচাৰ্য ৰায়ক নিকেতনৰ পৰা অব্যাহতি দিবলৈ অন্যথা স্বামী যোগানন্দগিৰি মহাৰাজৰ ভেটিৰ পৰা নিকেতনখন উঠাই লৈ যাবলৈ নিকেতনৰ পৰিচালনা সমিতি আৰু অসম শিক্ষা সমিতিক অনুৰোধ জনোৱাৰ উদ্দেশ্যে এক প্ৰস্তাৱ লোৱা হয় বুলি শক্তি আশ্ৰম পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে।

ওদালগুৰি জিলা সাহিত্য সভাৰ পঞ্চম

১২ পৃষ্ঠাৰ পৰা ওদালগুৰি জিলা সাহিত্য সভাই প্ৰদান কৰি অহা 'ওদালগুৰি ৰত্ন বঁটা-২০২২' বৰ্ষৰ বাবে সাহিত্যিক-পেঞ্চনাৰ, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধৰণীধৰ মেধিক প্ৰদান কৰা হ'ব সভাই আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানত। আনহাতে, পৰৱৰ্তী জিলা সমিতিৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদক নিৰ্বাচনৰ বাবে নৃপেন্দ্ৰ কুমাৰ শৰ্মাক মুখ্য নিৰ্বাচনী বিষয়া, অধিবক্তাদ্বয় প্ৰাণেশ্বৰ লোমগা আৰু সমৰজিৎ শৰ্মাক লৈ নিৰ্বাচনী সমিতি এখন গঠন কৰে। আদিত চন্দ্ৰ কলিতাক আহ্বায়ক, প্ৰতাপ ভট্টাচাৰ্য, অজয় কলিতা, লোহিত ডেকাক সদস্য ৰূপে লৈ এখন শৈক্ষিক সোঁৱৰণী বঁটা প্ৰদান উপ-সমিতি গঠন কৰে। ভ্ৰাম্যমাণ পুথিভঁৰালৰ অগ্ৰগতি, আকাশ উপ-সমিতি, পত্ৰিকা, ২০২৩ৰ জানুৱাৰীত গৰীয়াঝাৰ কালীখোলাত পৰৱৰ্তী জিলা অধিবেশন, ষষ্ঠ কাৰ্যনিৰ্বাহক সভা ইকৰাবাৰী সাহিত্য সভাত, শৈক্ষিক বঁটা প্ৰদান, আজীৱন সন্মিলন, জীৱনী কোষ প্ৰকাশ জিলা, ইতিহাস সংকলন প্ৰকাশ আদি কে'বাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। জিলা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট লেখক হৰেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ পূৰ্বে পুৰন্দিয়া সাহিত্য সভাৰ শিল্পীবৃন্দই সমবেত সংগীতেৰে আৰম্ভ কৰে। পুৰন্দিয়া সাহিত্য সভাৰ সভাপতি খগেন্দ্ৰ নাথ বৰাই আদৰণি ভাষণ আগবঢ়োৱা সভাত ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক ড° পবিত্ৰ শৰ্মাই সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰে। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি কলিতাই অক্লান্ত সাহিত্য কৰ্মী বয়োজ্যেষ্ঠ ব্যক্তি গোপাল চন্দ্ৰ ৰাভাৰ নৱতম কাব্য পুথি 'পুণ্য নদীৰ ঘাট' উন্মোচন কৰি লেখকক উৎসাহ-উদ্দীপনা যোগায়। শাখাবিলাকক জিলা আৰু অসম সাহিত্য সভাৰ ৰচিদ বহী বিতৰণ, শতদল, স্বৰ্ণ শাখাৰ স্বীকৃতি পত্ৰ প্ৰদান কৰা সভাত জিলা সাহিত্য সভাৰ অন্তৰ্গত বিভিন্ন শাখা তথা প্ৰতিনিধিবৰ্গ সভাত উপস্থিত থাকি আৰু আয়োজক পুৰন্দিয়া সাহিত্য সভাৰ লগতে গেৰুৱা গাঁও উন্নয়ন সমিতিক সভাখন সাফল্যমণ্ডিত কৰা বাবে জিলা সাহিত্য সভাৰ সম্পাদক ড° শৰ্মাই শলাগৰ শৰাই আগবঢ়াই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধৰণীধৰ মেধি, দেৱৰাজ সাপকোটা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ভদ্ৰকান্ত শৰ্মা, কমলেশ্বৰ শৰ্মা, অখিল কলিতা, উপ-সভাপতি আদিত চন্দ্ৰ কলিতা, সহকাৰী সম্পাদকদ্বয় দ্বীপেন বৰা, তপেশ্বৰ ৰাভা, সাংবাদিক পেঞ্চনাৰ ইমৰাণ হুছেইন, সুগন্ধি কবিতাৰ সম্পাদক গৌতম জ্যোতি তালুকদাৰ প্ৰমুখ্যে বিভিন্ন শাখাৰ বিষয়ববীয়া উপস্থিত থকা সভাত জাতীয় সংগীতেৰে সভাৰ সামৰণি পৰে।

কাইলৈ অভয় বৰ্মনৰ ৰাজহুৱা সম্বৰ্ধনা

১২ পৃষ্ঠাৰ পৰা বিশিষ্ট শিক্ষাবিদ অক্ষয় কুমাৰ মিশ্ৰই। এই সভাতে বৰ্মনৰ স্বৰচিত আন এখন গ্ৰন্থ উন্মোচন কৰিব ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুণ্ড শৰ্মাই। সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিব প্ৰাক্তন সাংসদ তথা সদৌ অসম উকীল সন্থাৰ সভাপতি ডেভিড লেজাৰ, জ্যেষ্ঠ অধিবক্তা ধৰণীধৰ বৰ্মন আৰু সদৌ অসম দেৱ দামোদৰ সংঘৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰেন্দ্ৰ নাথ ডেকাই। বিয়লি বাৰেৰণনীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বাপুজী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট লোকশিল্পী পৰেশ ভূঞাই। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু তাৰ পাছত সাংস্কৃতিক অনুষ্ঠানৰ দ্বিতীয় অংশ অনুষ্ঠিত হ'ব। উল্লেখ্য যে ১৯৫১ত ঐতিহাসিক লছিমা গাঁৱত জন্মগ্ৰহণ কৰা বৰ্মনে বি বৰুৱা মহাবিদ্যালয়ত পঢ়ি থাকোতে ছাত্ৰ ৰাজনীতিৰ লগত জড়িত হৈ পৰে। জাতীয়তাবাদী চিন্তাধাৰাৰ বৰ্মনে ১৯৭৮ত অসম জাতীয় দলত যোগদান কৰে। ১৯৭৯ৰ পৰা ১৯৮৩লৈকে চলা অসম আন্দোলনত বৰ্মনে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সৰুক্ষেত্ৰী অঞ্চলত এজন আগশাৰীৰ নেতা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত তেওঁ অগপত যোগদান কৰে আৰু দলৰ বৰপেটা জিলাৰ এজন আগশাৰীৰ নেতা হিচাপে পৰিচিত হৈ পৰে। ১৯৯১ আৰু ২০০১ত তেওঁ অগপৰ পৰা সৰুক্ষেত্ৰী বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰে যদিও জয়ী হ'ব নোৱাৰিলে। বিধায়ক নিৰ্বাচিত হ'ব নোৱাৰিলেও সমষ্টিটোৰ বাবে তেওঁ ভালেমান উন্নয়নমূলক কাম কৰিবলৈ সক্ষম হয়। এজন ৰাজনৈতিক কৰ্মী হোৱাৰ উপৰি বৰ্মন এজন বিশিষ্ট সাংস্কৃতিক কৰ্মীও। গুৱাহাটী অনাতাঁৰ আৰু দূৰদৰ্শনৰ স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী বৰ্মন এজন সুকণ্ঠী লোকগীতৰ শিল্পী। পেছাত অধিবক্তা বৰ্মন এজন আদৰ্শ কৃষক আৰু মৎস্যপালক। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা তেওঁৰ অৱদানৰ চিন স্বৰূপে অহা ২০ ছেপ্টেম্বৰত তেওঁৰ ৭২ সংখ্যক জন্মদিনত তেওঁৰ এখন অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱাৰ লগতে ৰাজহুৱাভাৱে সম্বৰ্ধনাৰ জনোৱাৰ ব্যৱস্থা কৰা হৈছে।

গোৱালপাৰা-লক্ষীপুৰ পৌৰসভাৰ পদেন সদস্যৰূপে আজমলৰ শপতগ্ৰহণ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৯ ছেপ্টেম্বৰ ঃ ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ বদৰুদ্দিন আজমলে আজি গোৱালপাৰা আৰু লক্ষীপুৰ পৌৰসভাৰ পদেন সদস্য হিচাপে শপতগ্ৰহণ কৰে। গোৱালপাৰা আৰু লক্ষীপুৰ পৌৰসভাৰ পৌৰপতিৰ লগতে দুয়োখন পৌৰসভাৰ পৌৰ আয়ুক্ত-আয়ুক্তা, কাৰ্যবাহী বিষয়াসকলৰ উপস্থিতিত গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত জিলা উপায়ুক্ত খনিন্দ্ৰ চৌধুৰীয়ে সাংসদজনক পৃথকে পৃথকে গোৱালপাৰা আৰু লক্ষীপুৰ পৌৰসভাৰ পদেন সদস্য হিচাপে শপতবাক্য পাঠ কৰায়। শপতগ্ৰহণ অনুষ্ঠানৰ পাছতে এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলে উপস্থিত থাকি বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙি ধৰে।

আজি হোজাইত ছহিদ দিৱস

১২ পৃষ্ঠাৰ পৰা ছহিদ তৰ্পণ, বৃক্ষৰোপণ, সাংস্কৃতিক শোভাযাত্ৰা, কুইজ প্ৰতিযোগিতা আৰু সন্ধিয়া বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে বুলি জিলা পাণিকা সমাজৰ হৈ সম্পাদক বাবুৰাম পাণিকা আৰু উদ্‌যাপন সমিতিৰ হৈ সভাপতি ব্ৰিজলাল পাণিকাই সংবাদ মাধ্যমক জনাইছে।

প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে

১২ পৃষ্ঠাৰ পৰা মহাসংঘৰ উপ-সভানেত্ৰী অনামিকা উপাধ্যায়, সহকাৰী সম্পাদিকা সীমা দেৱী, মণিকাঞ্চন যোগ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নিৰ্মল চন্দ্ৰ বৰুৱা, সম্পাদক তথা যোগ শিক্ষক অনন্ত বৰা, উপ-সভাপতিদ্বয় পুলকেশ কৌশিক, উৎপল বৰা আৰু সহযোগী যোগ শিক্ষক নিপুমণি বৰা উপস্থিত থাকি অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলে।

বকোত যাত্ৰীবাহী বাছ দুৰ্ঘটনাত

১২ পৃষ্ঠাৰ পৰা তীব্ৰবেগত খুন্দা মাৰে। দুৰ্ঘটনাটোত বাছখনৰ প্ৰায় ১৭ গৰাকী আৰোহী আঘাতপ্ৰাপ্ত হয়। বাছখনৰ চালক বহু সময় আৱদ্ধ হৈ থাকে বাছত। প্ৰায় আধা ঘণ্টাতকৈও অধিক সময় চালকৰ আসনত আৱদ্ধ হৈ থকাৰ পাছত স্থানীয় লোকৰ তৎপৰতাত আঘাতপ্ৰাপ্ত চালকজনক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। একেদৰে আঘাতপ্ৰাপ্তসকলক বকো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। তথ্য মতে, মটৰ চাইকেল আৰোহীক বচাবলৈ গৈ বাছখনৰ চালকে সংঘটিত কৰে এই দুৰ্ঘটনা। গুৱাহাটী অভিমুখী মা আমিনা নামৰ বাছখনৰ নম্বৰ এ এছ-০১ আই চি-৯০৪১১/মটৰ চাইকেল আৰোহীজন সুস্থ অৱস্থাত আছে। দুৰ্ঘটনাৰ পাছতে ঘটনাস্থলীত ততাতৈয়াকৈ উপস্থিত হয় বকো আৰক্ষী। চালকসহ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত তিনিজনক জি এম চি হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। এওঁলোক হ'ল ফকিৰগঞ্জৰ নিবাসী ক্ৰমে চালক নৰুল হক (৪০), যাত্ৰী আমিৰুদ্দিন (৫০), গোৱালপাৰাৰ যাত্ৰী লক্ষীপুৰ নিবাসী মেহমুদ আলম হক (২৩)। একেদৰে ফকিৰগঞ্জ নিবাসী যাত্ৰী মেহাদ আলম (২৩)ক উন্নত চিকিৎসাৰ বাবে গোৱালপাৰা চিভিল হাস্পতালত প্ৰেৰণ কৰা হৈছে।

ওদালগুৰি জিলাৰ ৰজাগড়ত

১২ পৃষ্ঠাৰ পৰা নামক কেতিয়াও বিকৃত কৰিবলৈ দিয়া নহ'ব বুলি সকীয়াই দিয়ে। নাগাৰা নামক পেৰেডী, আধুনিক গীতলৈ টানি আনি বহুৱালী নকৰিবলৈ সাৱধান কৰি দিয়ে নাগাৰা নামৰ শিল্পীসকলক। সভাত সদৌ অসম নাগাৰা নাম সংঘৰ সভাপতি তথা জনপ্ৰিয় নাগাৰা নামৰ পাঠক বলো বৈশ্যই নিৰ্দিষ্ট বক্তাৰ ভাষণত নাগাৰা নামক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ নাগাৰা নাম সংঘ বদ্ধপৰিকৰ বুলি কয়। তদুপৰি সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষ নীলধৰ ডেকা, কোচ ৰাজবংশী সন্মিলনীৰ নেতা ধৰ্ম দাস প্ৰমুখ্যে বহু সংখ্যক লোক উপস্থিত থাকে। সভাতে জ্যেষ্ঠ শিল্পী বিপিন ৰাভা, দেবেন ডেকা আৰু দ্বীজেন ডেকাক নাগাৰা নাম সংঘই ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। সভাৰ আঁত ধৰে দৰং-ওদালগুৰি জিলা নাগাৰা নাম সংঘৰ সম্পাদক লক্ষ্যধৰ দাসে।

জামুগুৰি বাৰেচহৰীয়া ৰাইজ

১২ পৃষ্ঠাৰ পৰা অনুসৰি পাঁচ অক্টোবৰত পুৱা প্ৰাতঃ প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, নাম-প্ৰসংগ আৰু বিয়লি কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান, গুৰুৰত্ন কমল ৰাজবংশীলৈ সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভা। উল্লেখ্য যে বাৰেচহৰীয়া ৰাইজ সভাৰ উপদেষ্টা তথা ধলাইবিল নিবাসী বিশিষ্ট শিক্ষাবিদ কমল ৰাজবংশীয়ে নাগশংকৰ উচ্চ মাধ্যমিক বিদ্যালয়ত ৩৯ বছৰ আৰু কাষৰীয়া খনাগুৰিৰ বেচৰকাৰী খণ্ডৰ ভাস্কৰজ্যোতি আদৰ্শ বিদ্যাপীঠত ২১ বছৰ মুঠ চাৰি কুৰি বছৰ শিক্ষকতাৰে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক পোহৰৰ বাট দেখুওৱাৰ বাবে নাশংকৰৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান আলোকৰ উদ্যোগত বৃহত্তৰ নাগশংকৰবাসী ৰাইজে 'গুৰুৰত্ন' উপাধি প্ৰদান কৰাত ৰাইজ সভাই গৌৰৱবোধ কৰে আৰু তেওঁৰ এই বিৰল সন্মান প্ৰাপ্তিৰ বাবে অভিনন্দনসহ সম্বৰ্ধনা জনাব। নিশালৈ চামধৰা গাঁৱৰ যুৱকসকলৰ দ্বাৰা 'যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞ' ভাওনাৰে প্ৰথম নিশাৰ কাৰ্যসূচীৰ সমাপ্তি ঘটিব। ঠিক সেইদৰে দ্বিতীয় দিনা প্ৰাতঃপ্ৰসংগৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানত পুৱা নাম-প্ৰসংগ, মহিলাৰ দিহানাম আৰু বিয়লি অনুষ্ঠিত হ'বলগীয়া ধৰ্মালোচনী সভাত বাৰেচহৰীয়া ৰাইজ সভাৰ সভাপতি অতুল চন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিতব্য উক্ত সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰিব চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা গৰুখুঁটি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকাই। নিৰ্দিষ্ট বক্তাৰূপে শ্ৰীশ্ৰী বটদ্ৰৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী আৰু সন্মানীয় অতিথিৰূপে অসম বৈদিক বৈষ্ণৱ মহিলা মহাসভাৰ প্ৰধান সম্পাদিকা মনোমতী গগৈয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

বিদ্যুতৰ মাচুল বৃদ্ধিৰ বিষয়ে আজিও

তিনি পৃষ্ঠাৰ পৰা এপিডিচিএল কৰ্তৃপক্ষই মাচুল বৃদ্ধি কৰা বুলি স্বীকাৰ কৰিছে, মুখ্যমন্ত্ৰীয়ে স্মাৰ্ট মিটাৰৰ আসোঁৱাহ দূৰ কৰিবলৈ বিভাগক নিৰ্দেশ দিছে, সেই সময়তো নিজৰ বিভাগতে কি ঘটি আছে সেই বিষয়ে তথ্য বা পৰিকল্পনা নাই শক্তি মন্ত্ৰী নন্দিতা গৰ্লোছাৰ। আজি বিধানসভা চৌহদত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত শক্তিমন্ত্ৰীগৰাকীয়ে বিদ্যুৎ মাচুল বৃদ্ধিৰ প্ৰসংগত কয় যে বিল বাঢ়িছে বুলি ৰাইজে অভিযোগ কৰিছে, গতিকে বিষয়টো তেওঁ চাই ল'ব। এতিয়াও বিষয়টো চায়ে আছে বুলি মন্তব্য কৰি শক্তিমন্ত্ৰীগৰাকীয়ে কয় যে এই বিষয়টো চৰকাৰৰ অৱগত। মাচুল বৃদ্ধি পোৱা বুলি চৌদিশে উত্থাপিত অভিযোগৰ পাছতো মন্ত্ৰীগৰাকীয়ে কয় যে বিল বঢ়াৰ বাবে ৰাইজৰ অসুবিধা হৈছে যদিও কিয় বিল বাঢ়িছে তাৰ কাৰণ জানিবলৈ কিছু সময় লাগিব। 'কিমান দিনৰ ভিতৰত বিল বঢ়াৰ কাৰণ পোহৰলৈ আহিব' বুলি সাংবাদিকে সোধা প্ৰশ্নত শক্তিমন্ত্ৰীগৰাকীৰ উত্তৰ, 'কিমানদিন লাগে নাজানো, কেনেকৈ বিল বাঢ়িছে ভালকৈ চাবহে লাগিব। বিল বঢ়াৰ কমপ্লেইন চাই দিম।' এনেদৰেই ৰাজ্যত শেহতীয়াকৈ সৰ্বাধিক চৰ্চিত বিষয়টোক লৈ গা এৰা দিয়া উত্তৰ ৰাজ্যৰ শক্তিমন্ত্ৰীগৰাকীৰ। যি সময়ত বিদ্যুতৰ অভাৱনীয় মাচুল বৃদ্ধিৰ বিৰুদ্ধে মহিলাসকলে হাতে হাতে বিদ্যুৎ মিটাৰ লৈ ৰাজপথলৈ প্ৰতিবাদ কৰিবলৈ ওলাই আহিছে, গুৱাহাটীৰ ছয়মাইলকে ধৰি একাংশ বিদ্যুৎ বিভাগৰ কাৰ্যালয়ত জনতাই স্বতঃস্ফূৰ্ত প্ৰতিবাদ আৰম্ভ কৰিছে সেই সময়তো এই জনস্বাৰ্থজড়িত বিষয়টোক 'চাই দিম' বুলি সাধাৰণ মন্তব্যৰে এৰাই চলিব বিচাৰিছে শক্তিমন্ত্ৰীগৰাকীয়ে। স্বাভাৱিকতে বিদ্যুতৰ মাচুল বৃদ্ধিৰ পাছত এতিয়া শক্তিমন্ত্ৰীৰ ভূমিকা-অজ্ঞতাকলৈও সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

কন্যকাৰ লাভৰ অংশ ক'ত খৰচ কৰে ?

তিনি পৃষ্ঠাৰ পৰা কংগ্ৰেছ বিধায়ক জাকিৰ হুছেইন শিকদাৰ। মাথোঁ আঠজন ব্যক্তিৰে গঠিত হোৱা এখন বহুমুখী পামত কিয় ১১৭৬ বিঘা চৰকাৰী মাটি আবণ্টন দিয়া হ'ল বুলি প্ৰশ্ন উত্থাপন কৰি বিধায়কজনে এই পামৰ পৰা আৰ্জিত লাভৰ অংশ ক'ত খৰচ হয় তাৰ তথ্য বিচাৰে চৰকাৰৰ পৰা। বিধায়কজনৰ মতে, শাসকীয় দলৰ বিধায়ক পদ্ম হাজৰিকা কন্যকা বহুমুখী পামৰ সভাপতি। শাসকীয় দলৰ বিধায়কৰ নেতৃত্বত গঠন হোৱা বাবেই কন্যকালৈ ৰাজ্য চৰকাৰে ১১৭৬ বিঘা মাটি আবণ্টন দিলে নেকি বুলিও প্ৰশ্ন কৰে। শিকদাৰে আজি সদনৰ কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মৰ অধীনত 'কিছুমান পঞ্জীয়নভুক্ত এন জি অ', ক্লাব, পাম আৰু বেচৰকাৰী সংস্থাসমূহে সমাজ আৰু ৰাইজৰ হকে কাম কৰিম বুলি চৰকাৰৰ পৰা সা-সুবিধা গ্ৰহণ কৰাৰ পাছত নিজৰ ব্যক্তিগত স্বাৰ্থও পূৰণ কৰে' শীৰ্ষক বিষয়টো উত্থাপন কৰি কয় যে কন্যকা বহুমুখী পামখনে চৰকাৰৰ পৰা বৃহৎ পৰিমাণৰ ভূমি লাভ কৰাৰ লগতে সাংসদ পুঁজিৰ পৰা এই পামখনলৈ ২০ লাখ টকা, বিধায়ক পুঁজিৰ পৰা আঢ়ৈ লাখ টকা, দুগ্ধ উৎপাদন বৃদ্ধি সম্পৰ্কীয় পুঁজিৰ পৰা ৰাজ্য চৰকাৰে এক কোটি টকা আবণ্টন দিছে। ইমান বৃহৎ পৰিমাণৰ ধন লৈ এই পামখনে ক'ত কেনেকৈ কি কাম কৰি আছে বুলি তেওঁ প্ৰশ্ন কৰে। ৰাজ্যৰ বিত্তমন্ত্ৰীক উদ্দেশ্যি এই পামখনৰ প্ৰসংগত দৃষ্টি আকৰ্ষণ কৰি বিধায়ক শিকদাৰে চৰকাৰৰ পৰা এই কথাও জানিব বিচাৰে যে পামখনলৈ যিহেতু চৰকাৰৰ পৰা বৃহৎ পৰিমাণৰ ধন আৰু ভূমি আবণ্টন দিয়া হৈছে গতিকে এই পামখনে অৰ্জন কৰা লাভৰ অংশ ক'ত খৰচ কৰা হয় ? বিধায়কজনে অভিযোগ কৰে যে পামখনে ভিন্ন ক্ষেত্ৰৰ পৰা লাভ কৰা বৃহৎ অংকৰ ধনৰাশি মাথোঁ আঠজন ব্যক্তিৰ মাজতে ভাগ-বাটোৱাৰা হয়। চৰকাৰৰ পৰা পুঁজি লাভ কৰা এন জি অ', পাম আদিৰ পৰা চৰকাৰে দিয়া ধন ব্যৱহাৰৰ প্ৰমাণপত্ৰ ল'ব লাগে বুলিও তেওঁ দাবী উত্থাপন কৰে।

উল্লেখ্য যে বিধায়ক শিকদাৰে কন্যকাৰ প্ৰসংগত কৰা এই মন্তব্যৰ প্ৰত্যুত্তৰত বিত্তমন্ত্ৰী অজন্তা নেওগে কন্যকা বহুমুখী পামখন এখন খোলা কিতাপ বুলি অভিহিত কৰে। বিত্তমন্ত্ৰীৰ মতে, কন্যকাৰ কথা লুকুৱাবলগীয়া একো নাই। এজন দক্ষ বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত গঢ় লৈ উঠা কন্যকা বহুমুখী পামখন ৰাজ্যখনৰ বাবে এক আদৰ্শ বুলিও তেওঁ মন্তব্য কৰে। কংগ্ৰেছ বিধায়কজনৰ বিৰুদ্ধে উষ্মা ভৰা কণ্ঠৰে অজন্তা নেওগে কয় যে কোনোবাই ভাল কাম কৰিলে ভাল বুলি ক'ব লাগে, ৰাজনৈতিক দৃষ্টিকোণেৰে চাব নালাগে। বিত্তমন্ত্ৰীগৰাকীয়ে কন্যকাৰ সপক্ষে স্থিতি লৈ কয় যে বিধায়ক হাজৰিকাই কন্যকাৰ জৰিয়তে বহুসংখ্যক নিবনুৱা সংস্থাপন-স্বনিৰ্ভৰশীল হোৱাৰ ব্যৱস্থা কৰিছে। সমবায় আইন মতে পাম এখনৰ লাভৰ অংশ পামখনৰ সকলো সদস্যই ভোগ কৰিব লাগে। উল্লেখ্য যে কেৱল কন্যকাই নহয়, ৰাজ্যখনৰ বহু বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাই ভাল কাম কৰি আছে বুলি বিত্তমন্ত্ৰী নেওগে মন্তব্য কৰে। এই প্ৰসংগতে তেওঁ কয় যে বিধানসভাৰ মজিয়াৰ পৰা এনে এক বাৰ্তা যাব নালাগে যাতে এন জি অ'বোৰৰ মনোবল ভাঙি যায়। কন্যকাৰ সমৰ্থনত বিত্তমন্ত্ৰীগৰাকীয়ে গৰুখুঁটি প্ৰকল্পৰ কথাও ব্যক্ত কৰি বিধায়ক শিকদাৰক আহ্বান জনায় যে কন্যকাৰ দৰে এনে প্ৰকল্পসমূহক সমালোচনা কৰাতকৈ শিকদাৰে নিজেও নিজৰ সমষ্টিত এনে প্ৰকল্প গঢ়ি তোলক। সমালোচনা কৰিব লগা একো নাই বুলি মন্তব্য কৰি মন্ত্ৰী অজন্তা নেওগে ভাল কামৰ বাবে কন্যকা বহুমুখী প্ৰকল্পক প্ৰশংসা কৰিবলৈহে বিধায়কজনক আহ্বান জনায়।

শিক্ষাৰ মাধ্যমক লৈ পুনৰ উত্তপ্ত সদন

তিনি পৃষ্ঠাৰ পৰা শিক্ষানীতিৰ সন্দৰ্ভত বিভাগীয় মন্ত্ৰী ডাঃ পেগুৱে মিছা তথ্য দাঙি ধৰাৰ অভিযোগ আৰু এই গুৰুত্বপূৰ্ণ বিষয়ত তেওঁক বক্তব্য প্ৰদানৰ বাবে কম সময় দিয়াৰ অভিযোগ তুলি অধ্যক্ষৰ আসনত থকা উপাধ্যক্ষৰ সন্মুখত গৈ প্ৰতিবাদ সাব্যস্ত কৰে। তাৰ পাছতে পাঁচ মিনিটৰ কাৰণে বিধায়ক গগৈক সদনৰ পৰা নিলম্বন কৰা হয়। সমান্তৰালভাৱে বিষয়টোৰ সন্দৰ্ভত বিধায়ক ভৰত নৰহে চৰকাৰক তৃতীয় শ্ৰেণীৰ পৰিৱৰ্তে ষষ্ঠ শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যম শিক্ষা প্ৰৱৰ্তন কৰাকে ধৰি বিভিন্ন দিশৰ ওপৰত বক্তব্য প্ৰদান কৰি থকাৰ মাজতে মন্ত্ৰী পীযুষ হাজৰিকাই নৰহৰ সন্তানৰ অধ্যয়নক লৈ প্ৰশ্ন উত্থাপন কৰাৰ পাছতে পুনৰ উত্তপ্ত হৈ পৰে সদন। ইয়াৰ পাছতে কিছু সময়ৰ কাৰণে সদন পুনৰ আৰম্ভ হয় যদিও সমগ্ৰ বিষয়টোৰ ওপৰত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে দিয়া উত্তৰত সন্তুষ্ট নহৈ বিধায়ক অখিল গগৈয়ে সদন ত্যাগ কৰাৰ কিছু সময়ৰ পাছতে বিৰোধী কংগ্ৰেছেও সদন ত্যাগ কৰে। উত্তৰত মন্ত্ৰী ডাঃ পেগুৱে ঠাই বিশেষকৈ আঞ্চলিক ভাষাসমূহকো মাতৃভাষাৰূপে গণ্য কৰা হ'ব বুলি মন্তব্য কৰাৰ পাছতে পুনৰ কিছু সময়ৰ কাৰণে উত্তপ্ত হৈ পৰে সদন। এআইইউডিএফৰ দুই বিধায়ক ক্ৰমে আমিনুল ইছলাম আৰু ৰফিকুল ইছলামে সকলো ভাষাই যদি মাতৃভাষা হয়, অসমীয়া ক'ত বুলি প্ৰশ্ন কৰে আৰু এসময়ত মিঞাভাইসকলেই অসমীয়া ভাষা ৰক্ষাৰ দায়িত্ব ল'ব লাগিব বুলি মন্তব্য কৰে। উল্লেখ্য যে এই বিষয়টোৰ সন্দৰ্ভত চৰকাৰৰ স্থিতি স্পষ্ট কৰি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়, 'চিবিএছইৰ অধীনত ৰাজ্যৰ প্ৰতিটো সমষ্টিতে আদৰ্শ বিদ্যালয় সংগঠনৰ দ্বাৰা ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ খোলা হ'ব। নিৰ্বাচিত কিছু সংখ্যক বিদ্যালয়ত ইংৰাজী মাধ্যমৰ শাখা খোলা হ'ব। একেদৰে গণিত আৰু বিজ্ঞান বিষয়ৰ পাঠ্যপুথি ইংৰাজী মাধ্যমত ছপা কৰা হ'ব।' এই ক্ষেত্ৰত চৰকাৰৰ স্থিতি স্পষ্ট বুলি মন্তব্য কৰি মন্ত্ৰী ডাঃ পেগুৱে পুনৰ কয়, 'ইংৰাজী শিক্ষাৰ জ্ঞান আমাৰ শিক্ষাৰ্থীসকলৰ প্ৰয়োজন। ভাষাবিদসকলে কৈছে এটি শিশুৱে ১৪ বছৰৰ সময়লৈকে বা ইয়াৰ আগৰ সময়ছোৱাত ভাষাৰ জ্ঞান ভালদৰে আয়ত্ত কৰিব পাৰে। তেওঁলোকে দুবছৰ বয়সৰ পৰাই এটি শিশুৰ ভাষা শিক্ষাৰ আৰম্ভ হয় বুলি কৈছে। সমান্তৰালভাৱে এটা ভাষা ভালদৰে ক'বলৈ বা লিখিবলৈ ৯০ শতাংশ সেই সংশ্লিষ্ট ভাষা শিকিব লাগিব। এই ৯০ শতাংশ ভাষা জ্ঞান লাভ কৰিবলৈ ২৫শৰ পৰা তিনি হেজাৰ শব্দ আয়ত্ত কৰিবলগীয়া হ'ব বুলি ভাষাবিদসকলে কৈছে। ফলত যিমানে বয়স গৈ থাকিব, সিমানে ই সংকুচিত হৈ পৰিব আৰু শব্দ আয়ত্ত কৰাৰ সংখ্যাৰ বোজা বৃদ্ধি পাব। সেয়ে তৃতীয় শ্ৰেণীৰ পৰা ভাষা জ্ঞান আয়ত্ত কৰাৰ উপযুক্ত সময়।' ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ সন্দৰ্ভত বিৰোধীয়ে উত্থাপন কৰা বিষয়সমূহৰ সন্দৰ্ভতো মন্ত্ৰী ডাঃ পেগুৱে ৰাজ্যৰ চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস পোৱা নাই, বৰঞ্চ বৃদ্ধিয়ে পাইছে বুলি দাবী কৰি ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভত শীঘ্ৰে এখন শ্বেতপত্ৰ প্ৰকাশৰ কথা ঘোষণা কৰে।

ইফালে, বিষয়টোৰ সন্দৰ্ভত বিৰোধী দলপতি শইকীয়াই প্ৰথমে ৰাজ্যৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে মাত্ৰ ৩২৬ কোটি টকা ব্যয়কে ধৰি বহু বিদ্যালয়ত স্নাতক শিক্ষকৰ অভাৱ, ৩০ শতাংশ শিক্ষাৰ্থীয়ে বিগত বৰ্ষত শিক্ষা আধাতে এৰা আদি বিষয়সমূহ উত্থাপন কৰি গণিত-বিজ্ঞান বিষয় ইংৰাজীত পাঠদান কৰা বিষয়টো সদনৰ দৃষ্টিগোচৰ কৰে। ইয়াৰ আঁত ধৰি উপ-দলপতি হুছেইন চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস পোৱাৰ বাবে দায়ী কোন বুলি প্ৰশ্ন কৰাৰ সমান্তৰালভাৱে বিধায়ক আমিনুল ইছলামে ৰাজ্যত চৰকাৰী শিক্ষা সংকুচিত হোৱা বুলি মন্তব্য কৰে। একেদৰে বিধায়ক অখিল গগৈয়ে ১৮৩৬-৭২লৈ ৰাজ্যত মাতৃভাষাৰ পৰিৱৰ্তে বাংলা ভাষা প্ৰৱৰ্তন সেই সময়ৰ বিদ্যালয় পৰিদৰ্শক উইলিয়াম ৰবিনচনৰ প্ৰতিবেদনৰ ভিত্তিত হৈছিল বুলি উল্লেখ কৰি এতিয়া শিক্ষামন্ত্ৰী ডাঃ পেগুৱে ৰবিনচনৰ ভূমিকা লৈছে বুলি কটাক্ষ কৰে। তেওঁ লগতে সদনত মন্ত্ৰী ডাঃ পেগুৱে মিছা তথ্য দি বিপথে পৰিচালনা কৰা বুলিও অভিযোগ তোলে। উল্লেখ্য যে যি সময়ত খ্ৰীষ্টান মিছনেৰীসকলে অসমীয়া মাধ্যমত পাঠদান কৰোৱাৰ প্ৰতি আগ্ৰহী হৈছে সেই সময়ত চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমত পাঠদান কৰোৱা বিষয়টো সকলো জাতীয় দল-সংগঠনে বিৰোধিতা কৰাৰ পাছতে চৰকাৰৰ আঁকোৰগোঁজ স্থিতি দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰে জ্যেষ্ঠ বিধায়ক নৰহে। সমান্তৰালভাৱে তেওঁ বড়ো ভাষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা সিদ্ধান্তক আদৰণি জনাই মিচিং, কাৰ্বি, দেউৰী আদি ভাষাসমূহৰ ক্ষেত্ৰত প্ৰস্তাৱ গ্ৰহণ কৰিও কিয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ উপৰি এই আলোচনাত অংশগ্ৰহণ কৰি বিধায়ক মনোৰঞ্জন তালুকদাৰে দেশে স্বাধীনতাৰ ৭৫টা বছৰ অতিক্ৰম কৰিলে যদিও আজিও ঔপনিবেশিক চিন্তাৰ পৰা মুক্ত হ'ব পৰা নাই বুলি মন্তব্য কৰি কেৱল আইএএছ, আইপিএছ বিষয়া নিৰ্মাণ কৰাটোৰেই শিক্ষাৰ উদ্দেশ্য হ'ব নোৱাৰে বুলি কয়।

এসময়ত অসমীয়া ভাষা ৰক্ষাৰ দায়িত্ব মূৰপাতি ল'ব লাগিব মিঞা ভাইসকলে

ইফালে, ৰাজ্যৰ জনজাতীয় আঞ্চলিক ভাষাসমূহ ঠাই বিশেষে বিদ্যালয়সমূহৰ মাতৃভাষা ৰূপে প্ৰযোজ্য হ'ব বুলি উত্তৰত মন্ত্ৰী ডাঃ পেগুৱে সদৰী কৰাৰ পাছতে এআইইউডিএফৰ দুই বিধায়ক কমে আমিনুল ইছলাম আৰু ৰফিকুল ইছলামে তেনে পৰিস্থিতিত অসমীয়া ভাষাৰ কি দশা হ'ব বুলি প্ৰশ্ন উত্থাপন কৰাৰ পাছতে উত্তপ্ত হৈ পৰে সদন। বিধায়ক আমিনুলে কয়, 'আজি যদি বড়ো, মিচিং, কাৰ্বি যদি মাতৃভাষা হয়, অসমীয়া ভাষাৰ কি হ'ব ? যদি অসমীয়া ভাষাক আঞ্চলিক ভাষা বুলি কয়, অসম বিধানসভাতে যদি অসমীয়া ভাষাৰ এইটো ৰূপ হয় ? ইয়াত অসমীয়া কোন ?' বিধায়কজনৰ এই প্ৰশ্নত মন্ত্ৰী ডাঃ পেগুৱে এইটো এটা বেলেগ বিষয় আৰু সমগ্ৰ বিষয়টো আনফালে নিনিবলৈ আহ্বান জনোৱাৰ মাজতে মন্ত্ৰী পীযুষ হাজৰিকাই লোকপিয়লত কি লিখে বুলি প্ৰশ্ন উত্থাপন কৰাত পুনৰ উত্তপ্ত হৈ পৰে সদন। মন্ত্ৰী হাজৰিকাই কয় যে কংগ্ৰেছৰ এজন সাংসদে পৃথিৱীত নথকা এটা নতুন ভাষাৰ সৃষ্টি কৰিছে। এই ভাষাক জনপ্ৰিয় নকৰিবলৈ তেওঁ এআইইউডিএফক আহ্বান জনায়। উল্লেখ্য যে এই সন্দৰ্ভত সদন উত্তপ্ত হৈ থকাৰ মাজতে বিধায়ক ৰফিকুলে 'কা'ৰ জৰিয়তে লাখ লাখ বিদেশী আহিব আৰু অসমীয়া ভাষা আঞ্চলিক ভাষা হ'ব বুলি মন্তব্য কৰি অসমীয়া ভাষাৰ ৰক্ষাৰ বাবে মিঞাভাইসকলে দায়িত্ব ল'ব লাগিব বুলি কয়।

গোৱালপাৰাৰ দহিকটাত বনৰীয়া হাতীয়ে ভাঙিলে বিদ্যালয় গৃহ

অগ্ৰদূত বাৰ্তা
কৃষ্ণাই, ১৯ ছেপ্টেম্বৰ ঃ গোৱালপাৰা জিলাত অব্যাহত আছে বন্যহস্তীৰ উপদ্ৰৱ। বিগত প্ৰায় ৩০ বছৰে বনৰীয়া হাতীয়ে সমগ্ৰ জিলাখনতে ধ্বংসলীলা চলাই আহিছে। যোৱা নিশাও জিলাখনৰ দহিকটা অঞ্চলত বনৰীয়া হাতীয়ে সন্ত্ৰাস চলায়। বন্যহস্তীৰ জাকটোৱে ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰে দহিকটা মধ্য ইংৰাজী বিদ্যালয় গৃহ। বিদ্যালয় গৃহৰ দুটা কোঠা ভঙাৰ লগতে ভাঙি লণ্ডভণ্ড কৰে শ্ৰেণীকোঠাৰ ডেস্ক-বেঞ্চসমূহো। উল্লেখ্য যে এই বিদ্যালয়খন কেৱল যোৱা নিশাই যে বনৰীয়া হাতীয়ে ভাঙিলে তেনে নহয়, ইয়াৰ পূৰ্বেও সাতবাৰকৈ বিদ্যালয় গৃহটো বন্যহস্তীয়ে ভাঙি থৈ গৈছে বুলি স্থানীয় লোকে জানিবলৈ দিছে; কিন্তু তাৰ পাছতো আজিলৈকে চৰকাৰ তথা বন বিভাগে এটকাও ক্ষতিপূৰণ নিদিলে বিদ্যালয়খনক। যাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়ৰ শিক্ষক তথা ৰাইজে নিজৰ গাঁঠিৰ ধন খৰচ কৰি হাতীয়ে ভাঙি থৈ যোৱা বিদ্যালয় গৃহ মেৰামতি কৰি ল'বলগীয়া হৈছে। আজিও দেখা গ'ল একেই দৃশ্য। আজি পুৱাই বিদ্যালয়খনত উপস্থিত হৈ শিক্ষক তথা স্থানীয় ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে নিজেই চাফ-চিকুণ কৰি শ্ৰেণীকোঠাসমূহ পাঠদানৰ বাবে সাজু কৰা দেখিবলৈ পোৱা যায়। সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজে চৰকাৰৰ প্ৰতি আহ্বান জনাইছে হাতীয়ে যাতে পুনৰ বিদ্যালয়খন ভাঙিব নোৱাৰে আৰু শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত যাতে কোনো অসুবিধাৰ সৃষ্টি নহয় তাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বিভাগীয় কৰ্তৃপক্ষই।

কলিয়াবৰত পিতৃৰ প্ৰহাৰত পুত্ৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ১৯ ছেপ্টেম্বৰ ঃ কলিয়াবৰত পাৰিবাৰিক কন্দলৰ ভয়ংকৰ পৰিণতি। পিতৃৰ প্ৰহাৰত নিহত হয় পুত্ৰ। কলিয়াবৰৰ নিজ চিলাবন্ধা গাঁৱত সংঘটিত হৈছে এই হৃদয়বিদাৰক ঘটনাটো। নিজ চিলাবন্ধা গাঁৱৰ হৰেণ বৰা নামৰ ব্যক্তিজনে যোৱা নিশা গৃহ কন্দলৰ পৰিণতিতে পুত্ৰ সঞ্জীৱ বৰাক চোকা অস্ত্ৰৰে প্ৰহাৰ কৰে। পিতৃৰ প্ৰহাৰত ঘৰৰ ভিতৰত থকা বিছনাত সঞ্জীৱ বৰাৰ ৰক্তাক্ত দেহ পৰি ৰয়। ইয়াৰ পাছতে ১০৮ এম্বুলেন্সৰ সহায়ত আহত সঞ্জীৱক জখলাবন্ধা চিকিৎসালয়লৈ অনা হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তেজপুৰ মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। পিতৃ হৰেণ বৰাই আহত পুত্ৰক আৰক্ষীৰ সহায়ত তেজপুৰলৈ লৈ যায় যদিও চিকিৎসালয়তে মৃত্যু হয় পুত্ৰ সঞ্জীৱ বৰাৰ। আনহাতে, হত্যাকাৰী পিতৃক আৰক্ষীয়ে লগে লগে আটক কৰে। ঘটনাস্থলীত কুঁৱৰীটোল থানাৰ আৰক্ষী উপস্থিত হৈ অধিক তথ্যৰ বাবে তদন্ত আৰম্ভ কৰিছে।

জামুগুৰিহাটত চোৰাং কাঠসহ গাড়ী-কাঠফলা মেচিন জব্দ

অগ্ৰদূত বাৰ্তা
নদুৱাৰ, ১৯ ছেপ্টেম্বৰ ঃ জামুগুৰিহাটৰ ডিপলোঙা বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীয়ে বিশেষ সূত্ৰৰ পম খেদি আজি জব্দ কৰিলে চোৰাং কাঠসহ এখন বলেৰ' গাড়ী আৰু কাঠফলা মেচিন। দেওবাৰে নিশা বনকৰ্মীৰ দলটোৱে জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত জীয়া ভৰলী নদীৰ সমীপৰ অঞ্চলত জব্দ কৰে কাঠভৰ্তি এখন বলেৰ' পিকআপ ভান। ডিপলোঙা বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীসকলে এ এছ-১২ চি চি-০৩৮৬ নম্বৰৰ নথিপত্ৰবিহীন বলেৰ' পিকআপখন জব্দ কৰে যদিও কোনো লোকক আটক কৰিবলৈ সক্ষম নহ'ল। পথতে গাড়ী থৈ পলাই যায় জব্দকৃত গাড়ীখনৰ চালক-হেণ্ডিমেন। জব্দকৃত গাড়ীৰ পম খেদি আজি পুৱা বৰদিকৰাই মিচিং গাঁৱত ডিপলোঙা বন বিভাগৰ দলটোৱে এক অভিযান চলোৱাত কাঠ মিলৰ লগতে চোৰাং কাঠফলা মেচিন জব্দ কৰিবলৈ সক্ষম হয়।

শ্ৰীৰামপুৰত আৰক্ষীয়ে জব্দ কৰা চুপাৰি দাহ

অগ্ৰদূত বাৰ্তা
শ্ৰীৰামপুৰ, ১৯ ছেপ্টেম্বৰ ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে জব্দ কৰা ৩২ বস্তা ২,২৪০ কিলোগ্ৰাম চুপাৰি আজি দাহ কৰি বিনষ্ট কৰে। উল্লেখ্য যে আৰক্ষীয়ে কিছুদিন পূৰ্বে শ্ৰীৰামপুৰত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত অভিযান চলাই অবৈধভাৱে সৰবৰাহ কৰা চুপাৰিসমূহ জব্দ কৰিছিল। উক্ত জব্দকৃত চুপাৰিসমূহ আদালতৰ নিৰ্দেশ মৰ্মে আজি আৰক্ষীয়ে শ্ৰীৰামপুৰত দাহ কৰে। আৰক্ষীৰ কটকটীয়া নিৰাপত্তাৰ মাজত তথা গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মা, মহকুমা খাদ্য সুৰক্ষা বিষয়া চন্দ্ৰমিতা বসুমতাৰী, গোসাঁইগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অমৰজ্যোতি বাইলুং বৰুৱা আৰু শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ উপস্থিতিত ৩২টা বস্তাত থকা ২,২৪০ কিলোগ্ৰাম চুপাৰি দাহ কৰা হয়। দাহ কৰা চুপাৰিৰ বজাৰ মূল্য প্ৰায় সাত লক্ষাধিক টকা হ'ব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।

ডিমৌত সদৌ তাই আহোম ছাত্ৰ সন্থাৰ প্ৰতিবাদ ঃ প্ৰধানমন্ত্ৰীৰ পুত্তলিকা দাহ

অগ্ৰদূত বাৰ্তা
ডিমৌ, ১৯ ছেপ্টেম্বৰ ঃ আজি ডিমৌ নগৰৰ মাজমজিয়াত ডিমৌ চাৰিআলিৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰত সদৌ তাই আহোম ছাত্ৰ সন্থাই অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ পৰা বাদ পৰাৰ প্ৰতিবাদত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিমূৰ্তি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ২০১৪তে মোদীয়ে অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও আজি পৰ্যন্ত সেই প্ৰতিশ্ৰুতি সম্পন্ন নকৰিলে। এনে প্ৰতাৰণা, প্ৰবঞ্চনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আটাছু কৰ্মীসকলে বিজেপি চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি ডিমৌ নগৰৰ আকাশ-বতাহ কঁপাই তোলে। লগতে অহা ২৬ ছেপ্টেম্বৰতো অসম বন্ধ কাৰ্যসূচী পালন কৰিব বুলি প্ৰতিবাদকাৰী আটাছু কৰ্মীসকলে উল্লেখ কৰে। কাৰ্যসূচীত আটাছুৰ শিৱসাগৰ মহকুমাৰ সম্পাদক সুমিত কুমাৰ সন্দিকৈ, আটাছুৰ ডিমৌ আঞ্চলিকৰ সভাপতি মুন দুৱৰা, সম্পাদক দেৱাশীষ গগৈ, আটাছুৰ শিৱসাগৰ জিলাৰ উপ-সভাপতি নিপন বৰুৱা আদি উপস্থিত থাকে।

কলিয়াবৰত এটা নিশাতেই দুখনকৈ গাঁৱত বন্যহস্তীৰ তাণ্ডৱ

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ১৯ ছেপ্টেম্বৰ ঃ কলিয়াবৰত এটা নিশাতেই দুখনকৈ গাঁৱত বন্যহস্তীৰ সন্ত্ৰাসে জনসাধাৰণক সন্ত্ৰাসিত কৰি তুলিছে। কলিয়াবৰৰ বাঘৰচুক আৰু চামধৰা গাঁৱত অব্যাহত আছে বন্যহস্তীৰ তাণ্ডৱ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত জনাঞ্চলত প্ৰৱেশ কৰা বন্যহস্তীয়ে উপদ্ৰৱ চলাইছে কলিয়াবৰৰ গ্ৰামাঞ্চলত। বন্যহস্তীৰ সন্ত্ৰাসে নিদ্ৰাহৰণ কৰিছে গাঁওবাসীৰ। যোৱা নিশা বাঘৰচুক গাঁৱৰ মনমোহন শইকীয়াৰ গুদাম ঘৰটোৰ পকী বেৰ ভাঙি বন্যহস্তীয়ে চলায় সন্ত্ৰাস। একে নিশাই চামধৰা গাঁৱৰ নাৰায়ণ চন্দ্ৰ বৰাৰ পকী ভড়াল ঘৰটো ভাঙি বন্যহস্তীয়ে কে'বা মোন ধান নষ্ট কৰে। উল্লেখ্য যে বিগত সময়ছোৱাতো বন্যহস্তীয়ে ব্যক্তি দুজনৰ গৃহত কে'বাবাৰো ক্ষতিসাধন কৰিছিল। বন বিভাগক খবৰ দিয়াৰ পাছতো এই পৰ্যন্ত বন বিভাগৰ কোনো লোক উপস্থিত নোহোৱাৰ অভিযোগ তুলিছে ভুক্তভোগীয়ে।

দোতমাৰ সমীপৱৰ্তী ডাঙাৰকুটী গাঁৱত যুৱক নিৰুদ্দেশ



অগ্ৰদূত বাৰ্তা
দোতমা, ১৯ ছেপ্টেম্বৰ ঃ কোকৰাঝাৰ জিলাৰ দোতমা আৰক্ষী আৰক্ষী চকীৰ অন্তৰ্গত ডাঙাৰকুটী গাঁৱৰ নিবাসী সুমিত্ৰা ৰায়ৰ পুত্ৰ ব্ৰজেন ৰায় যোৱা ৩০ আগষ্টৰ পৰা নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে চাৰিওফালে বিচাৰ-খোচাৰ কৰি যুৱকজনৰ সন্ধান লাভ কৰিব নোৱৰাত দোতমা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে যুৱকজনৰ বিচাৰ-খোচাৰ কৰে যদিও আজিলৈকে যুৱকজনৰ কোনো শুংসূত্ৰ লাভ কৰিব পৰা নাই। উপায়বিহীন হৈ পৰিয়ালৰ লোকে আজি সংবাদমাধ্যমৰ কাষ চাপে আৰু সংবাদমাধ্যমৰ জৰিয়তে অসমবাসী ৰাইজক যুৱকজনক ক'ৰবাত দেখা পালে ৮৭৬১০৯৭৭১০ নম্বৰত অথবা ওচৰৰ আৰক্ষী থানাত খবৰ দিবলৈ অনুৰোধ জনায়।

কপাহবাৰী এম ই স্কুলত চুৰি

তিনি চোৰক আটক ঃ চুৰি সামগ্ৰী উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
হোজাই, ১৯ ছেপ্টেম্বৰ ঃ হোজাই জিলাৰ লংকা শিক্ষা খণ্ডৰ অন্তৰ্গত কপাহবাৰী এম ই স্কুলত দুদিন পূৰ্বে সংঘটিত হৈছিল এক চুৰিকাণ্ড। চোৰে বিদ্যালয়খনৰ দৰ্জা ভাঙি লৈ গৈছিল ডিজিটেল কম্পিউটাৰ, এডমিছন ৰেজিষ্টাৰকে ধৰি বহু সা-সামগ্ৰী। দুমাহত তিনিবাৰকৈ বিদ্যালয়খনত চুৰিকাণ্ড সংঘটিত হোৱাত ভাগি পৰিছিল শিক্ষকসকল। ঘটনা সংক্ৰান্তত প্ৰধান শিক্ষকে হোজাইৰ মোৱাঝাৰ থানাত এটি গোচৰ তৰে। হোজাই আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই সমগ্ৰ ঘটনাৰ বুজ লৈ আৰম্ভ কৰে তদন্ত আৰু চোৰে উক্ত চুৰি সামগ্ৰীসমূহ হোজাইৰ নীলবাগানৰ এখন কম্পিউটাৰ দোকানত বিক্ৰী কৰিবলৈ আনোতেই দোকানখনৰ চিচিটিভি ফুটেজৰ ভিত্তিত অভিযান চলাই আটক কৰে কপাহবাৰীৰ বিভিন্ন স্থানৰ পৰা তিনি চোৰক। ধৃত চোৰৰ পৰা বহু সামগ্ৰীও উদ্ধাৰ কৰে আৰক্ষীয়ে। আনহাতে, বিদ্যালয়ৰ পৰা সেই নিশা চুৰি হোৱা এডমিছন ৰেজিষ্টাৰখনৰ কোনো শুংসূত্ৰ ওলোৱা নাই বৰ্তমানলৈকে। আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ধৃত চোৰ তিনিটা নাবালক হোৱাৰ বাবে আৰক্ষীয়ে তিনিওকে শংকৰদেৱনগৰ আদালতত হাজিৰ কৰাত আদালতে জামিনত মুকলি কৰি দিয়ে।

মেৰাপানীত কাঠফুলা খাই একেটা পৰিয়ালৰে তিনিজন অসুস্থ, চিকিৎসাধীন

অগ্ৰদূত বাৰ্তা
মেৰাপানী, ১৯ ছেপ্টেম্বৰ ঃ গোলাঘাট জিলাৰ মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত চিচুপানীৰ দিনেশপুৰ গাঁৱত বনৰীয়া কাঠফুলা ভক্ষণ কৰি একেটা পৰিয়ালৰে তিনিজনকৈ লোক অসুস্থ হৈ চিকিৎসাধীন হ'বলগীয়া হয়। তথ্য মতে, হাবিৰ পৰা অনা কাঠফুলা আজি পুৱাৰ সাঁজত খোৱাৰ পাছতেই পৰিয়ালৰ লোকসকলৰ বমি আৰু শৌচ হয়। ইয়াৰ কিছুসময়ৰ পাছতেই আটাইকেইজন দুৰ্বল হৈ পৰে। লগে লগে স্থানীয় ৰাইজৰ সহযোগত ১০৮ মৃত্যুঞ্জয় সেৱাৰ জৰিয়তে মেৰাপানী চিকিৎসালয়ত ভৰ্তি কৰে। আক্ৰান্তসকল ক্ৰমে মমিতা দৈমাৰী (৩৮) আৰু বিনীতা দৈমাৰী (৪০)। আনহাতে, দুবছৰীয়া শিশুটিৰ নাম প্ৰিন্সী দৈমাৰী। তিনিওকে উন্নত চিকিৎসাৰ বাবে গোলাঘাট অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে।

বৰাজোল পঞ্জাৱ নেছনেল বেংকৰ শাখাত গ্ৰাহক অনুপাতে কৰ্মচাৰীৰ অভাৱ

প্ৰখৰ গৰমক নেওচি ধন উলিয়াবলৈ গ্ৰাহকৰ লানি নিছিগা সোঁত

গ্ৰাহকসকলে ধন আদান-প্ৰদান কৰাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হোৱাৰ উপৰি বৃদ্ধ-বৃদ্ধা তিনি-চাৰি ঘণ্টা থিয় দি নিজৰ জমাকৃত ধন উলিয়াব লগা হৈছে বুলি অভিযোগ উঠিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজিও বেংক শাখাটোত উক্ত ঘটনা সংঘটিত হয়। প্ৰাপ্ত অভিযোগ মতে, বেংক শাখাটোৰ কৰ্মচাৰীসকলে আজি দিনৰ ১০-২১ বজালৈ আহি নোপোৱাত গ্ৰাহকসকলে প্ৰখৰ গৰমকো নেওচি নিজৰ গাঁঠিৰ ধন উলিওৱাৰ বাবে ভিৰ কৰা পৰিলক্ষিত হয়। বেংক শাখাটোত উক্ত ভিৰৰ বাবে এক অভাৱনীয় পৰিস্থিতি হোৱাত মহিলা গ্ৰাহক এগৰাকী বুকুত আঘাতপ্ৰাপ্ত হয়। ইফালে, বেংক শাখাটোত গ্ৰাহক অনুপাতে প্ৰয়োজনীয় কৰ্মচাৰী বহিবলৈ আসন, বিশুদ্ধ খোৱাপানী, একাংশ কৰ্মচাৰীয়ে গ্ৰাহকক দুৰ্ব্যৱহাৰ কৰা আদিৰ শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ উৰ্দ্ধতন কৰ্তৃপক্ষক অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে দাবী জনাইছে।

কলিয়াবৰত টেম্প'ত উদ্ধাৰ নিচাযুক্ত ড্ৰাগছ ঃ ধৃত দুজন

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ১৯ ছেপ্টেম্বৰ ঃ কলিয়াবৰত এইবাৰ উদ্ধাৰ হৈছে নিচাযুক্ত ড্ৰাগছ। ড্ৰাগছ উদ্ধাৰৰ লগতে কলিয়াবৰৰ জখলাবন্ধা আৰক্ষীৰ জালত পৰিছে দুই ড্ৰাগছ সৰবৰাহকাৰী। প্ৰায় চাৰি গ্ৰাম হেৰ'ইনসহ দুই ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে ৩৫ টাকৈ কণ্টেইনাৰত সৰবৰাহকাৰীৰ পৰা উদ্ধাৰ কৰিছে সন্দেহযুক্ত হেৰ'ইন। ধৃত দুই ড্ৰাগছ সৰবৰাহকাৰী চিকনি-বৰহোলাৰ আকাশ গুপ্তা আৰু বাঘজানৰ বিজয় সিং বুলি জানিব পৰা গৈছে। এএছ-০২-চিচি-২২১৯ নম্বৰৰ এখন টেম্প'ত সন্দেহযুক্ত হেৰ'ইনখিনি সৰবৰাহ কৰোঁতেই টেম্প'খন জব্দ কৰে জখলাবন্ধা আৰক্ষীয়ে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে ইতিমধ্যে।

বাহাৰঘাটৰ উপ-পথত আৱদ্ধ চিমেণ্টভৰ্তি ট্ৰাক

অগ্ৰদূত বাৰ্তা
বাহাৰঘাট, ১৯ ছেপ্টেম্বৰ ঃ আজি পুৱাই নলবাৰী আৰু কামৰূপ জিলাৰ প্ৰধান সংযোগী পথ মৰোৱা কমলপুৰ পথৰ লোক নিৰ্মাণ বিভাগে নদীৰ বালিৰে পুতি বনোৱা এটি উপ-পথত এখন চিমেণ্টভৰ্তি ট্ৰাক আৱদ্ধ হৈ থকাত তিনি-চাৰিঘণ্টা ধৰি অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা অচল হৈ পৰিছিল। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীকে অফিচ-কাছাৰীক যোৱাসকলে বিকল্প পথ ল'বলৈ বাধ্য হৈ পৰিছিল। তাৰ ফলত ৰাইজে যোগাযোগ সম্পূৰ্ণৰূপে বন্ধ কৰি দিছিল। যাৰ ফলত ৰাইজে যন্ত্ৰণা ভোগ কৰিব লগা অৱস্থা হৈছিল। এ এছ-০১ জি চি-৯৩৫৩ নম্বৰৰ উক্ত ট্ৰাকখনেও প্ৰয়োজনতকৈ বেছি ওজন কঢ়িয়াই আনিছিল বুলি একাংশ ৰাইজে অভিযোগ তুলিছে। মটৰ পৰিবহণ আইন অনুসৰি ট্ৰাকখনৰ বহন ক্ষমতা মুঠ সাত টন কিন্তু উক্ত ট্ৰাকখনে ১৩ টন মাল কঢ়িয়াই প্ৰশাসনৰ চকুত ধূলি দি উক্ত পথেৰে যাবলৈ বিচৰাত বিপদত পৰিল চালকসহ সহযোগীজন। অৱশেষত এখন এক্সকেভেটৰৰ দ্বাৰা ট্ৰাকখন উঠাই গন্তব্য স্থানলৈ গতি কৰে।

অমৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি
২০ ছেপ্টেম্বৰ, ২০২২
ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনত প্ৰাণ আহুতি দিয়া স্বাধীনতা সংগ্ৰামী কনকলতা বৰুৱা, মুকুন্দ কাকতি, কুশল কোঁৱৰ, কমলা মিৰি, লেৰেলা কছাৰী, মহিৰাম কোচ, [illegible] চুতীয়া, খহুলী দেৱী, ৰতন কছাৰী, মঙল কুৰ্কু, কুমলী দেৱী, [illegible], মনিৰাম কছাৰী, তিলেশ্বৰী বৰুৱা, মনবৰ নাথ, নুমলী নাথ, [illegible] চুতীয়া, কলাই কোচ, [illegible], [illegible], [illegible], তিলক ডেকা, ঠগীৰাম সুত, বলোৰাম সুত, ভোগেশ্বৰী ফুকননী, মদন বৰ্মন, ৰাউতা কোচ, তিলেশ্বৰ কোচ, [illegible] দাস, [illegible], লক্ষীৰাম হাজৰিকা, নিধন কছাৰীকে ধৰি
অসমৰ অমৰ ছহিদসকলৰ পবিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি যাচিলোঁ।
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
জনসংযোগ/ডি/১২৪৭৪/২২
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in

খেলো ইণ্ডিয়া পূৰ মণ্ডল জুনিয়ৰ ছোৱালী-যুৱ মহিলা বক্সিং প্ৰতিযোগিতা

কোৱাৰ্টাৰত অসমৰ ১১ গৰাকী বক্সাৰ

জুনিয়ৰ আন্তৰ্জাতিক বক্সিঙত ১৯ টা পদক জয় কৰি ঘৰলৈ আহিল ভাৰতীয় দল

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ চলিত খেলো ইণ্ডিয়া পূৰ মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলাৰ মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ত এতিয়ালৈকে অসমৰ ১১ গৰাকী বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়া চমুকৈ বি এফ আয়ে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ সহযোগত দেশত মহিলা বক্সিঙৰ নতুন প্ৰতিভা বিচাৰি উলিওৱাৰ বাবে যি অভিলাসী আঁচনি হাতত লৈ চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত লৈছে তাৰেই প্ৰথমখন প্ৰতিযোগিতা সম্প্ৰতি গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত পূৰ্ণগতিত চলি আছে। জুনিয়ৰ ছোৱালীৰ শাখাত অসমৰ ছগৰাকী বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৰাজ্যৰ পাঁচ গৰাকী বক্সাৰে যুৱ মহিলা শাখাৰ অন্তিম আঠত স্থান নিশ্চিত কৰিছে। আজি নিশা আৰু কাইলৈ জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা শাখাৰ কোৱাৰ্টাৰ ফাইনেল মেচ সমুহ অনুষ্ঠিত হ'ব। জুনিয়ৰ ছোৱালীৰ ৪৬ কিলোগ্ৰাম শাখাত অসমৰ ইলাজ্যোতি পেগু, বিজেতা ব্ৰহ্ম আৰু স্বাগতা লক্ষ্মী কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৪৮ কিলোগ্ৰাম শাখাত ভাগ্যশ্ৰী ৰাভা আৰু ৰিম্পী পেগু তথা ৫০ কিলোগ্ৰাম শাখাত ভাৰতী কুমাৰীয়ে কোৱাৰ্টাৰ ফাইনেল খেলিব। ইয়াৰে চাৰিগৰাকী বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত মণিপুৰৰ বক্সাৰৰ মুখামুখি হ'ব। ইফালে, যুৱ মহিলাৰ ৫২ কিলোগ্ৰাম শাখাত অসমৰ পূণ্যৱতী কুলি আৰু ৰশ্মী বালা বসুমতাৰীয়ে পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেল খেলিব। আনহাতে, ৫৪ কিলোগ্ৰাম শাখাত অসমৰ সংগীতা দাস, মাইনাও বড়ো আৰু আইকন মিলিয়ে মণিপুৰৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেল খেলিব। উল্লেখ্য যে নখন ৰাজ্যৰ প্ৰায় দুশ প্ৰতিযোগীয়ে চলিত খেলো ইণ্ডিয়া পূৰ মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ত অংশ লৈছে। প্ৰতিযোগিতাখনত অসমসহ অংশগ্ৰহণ কৰা নখন ৰাজ্য হ'ল অৰুণাচল প্ৰদেশ, বংগ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰা। প্ৰতিযোগিতাৰ জুনিয়ৰ ছোৱালীৰ ওজন শাখা ১৩ টা। আনহাতে, যুৱ মহিলাৰ ওজন শাখা ১২ টা। জুনিয়ৰ আৰু যুৱৰ প্ৰতিটো ওজন শাখাৰে ছেমিফাইনেলিষ্ট চাৰিগৰাকীকৈ বক্সাৰে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা সমাপন হোৱাৰ পাছত অহা ডিচেম্বৰত গুৱাহাটীত হ'ব ফাইনেল ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপখন। অন্য তিনিটা মণ্ডলৰ পৰাও জুনিয়ৰ আৰু যুৱৰ প্ৰতিটো ওজন শাখাৰে ছেমিফাইনেলিষ্ট চাৰিগৰাকীকৈ বক্সাৰে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। ফাইনেল প্ৰতিযোগিতাৰ প্ৰথমৰ পৰা শীৰ্ষ ১০ গৰাকীক প্ৰাইজমানি প্ৰদান কৰা হ'ব।

ভাৰত-অষ্ট্ৰেলিয়াৰ প্ৰথম টি-২০ আজি

মোহালি, ১৯ ছেপ্টেম্বৰ ঃ অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলাৰ যি পৰিকল্পনা লৈছিল তাৰেই প্ৰথমখন মেচ কাইলৈ ম'হালীত অনুষ্ঠিত হ'ব অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতে প্ৰথমে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ ল'ব। স্বাভাৱিকতে এই ছখন মেচ টীম ইণ্ডিয়াৰ বাবে নিজৰ শক্তি আৰু ৰণনীতি বুজি পোৱাৰ এক সুযোগ। উল্লেখ্য যে অহা ১৬ অক্টোবৰৰ পৰা অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব ভাৰতে। বি চি চি আয়ে ইতিমধ্যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দল ঘোষণা কৰাৰ লগতে বিশ্বকাপৰ পূৰ্বে ঘৰত অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা টি-২০ শৃংখলাৰ বাবেও ভাৰতীয় দল ঘোষণা কৰিছে। কাইলৈ পৰা হ'বলগা তিনিখনীয়া শৃংখলা অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দলটো হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, ঋষভ পন্ত , দীনেশ কাৰ্তিক , হাৰ্দিক পাণ্ডিয়া, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ভুৱনেশ্বৰ কুমাৰ, মহম্মদ ছামি, হৰ্যল পেটেল, দীপক চাহাৰ আৰু যশপ্ৰীত বুমৰাহ।

দাওহাৰু মুংখলং ফুটবল প্ৰতিযোগিতাৰ ব্যাপক প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা,কোকৰাঝাৰ,১৯ ছেপ্টেম্বৰ ঃ অইন অইন বছৰৰ দৰে এইবেলিও কোকৰাঝাৰ জিলাৰ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জন্মনগৰী দোতমাত অনুষ্ঠিত হব ২৪ সংখ্যক দাওহাৰু মুংখলং ছহিদ ফুটবল প্ৰতিযোগিতা ।অহা ১৬ অক্টোবৰৰ পৰা দোতমা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হবলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাখনক লৈ আয়োজক সমিতিয়ে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে ।দাওহাৰু মুংখলং ট্ৰফীৰ আয়োজক সমিতিৰ সভাপতি শংকৰলাল ব্ৰহ্মাই জানিবলৈ দিয়া মতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিয়োগিতাখনত বংগ , মেঘালয় ,মণিপুৰ আৰু মিজোৰামকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ ১০ টাৰো অধিক ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ আগশাৰীৰ দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাৰ চেম্পিয়ন দলক ৭৫ হেজাৰ টকাৰ চেকসহ ট্ৰফী আৰু ৰাৰ্ণাচআপ দলক ৫০ হেজাৰ টকাৰ চেকসহ ট্ৰফী প্ৰদান কৰা হব।

স্বাধীনতা দিৱস কাপ ফুটবলত অইল ইণ্ডিয়া ছেমিফাইনেলত

অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১৯ ছেপ্টেম্বৰ ঃ নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল লীগৰ অন্তিমখন খেলত আজি দুলীয়াজানৰ অইল ইণ্ডিয়া ফুটবল ক্লাবে চমকপ্ৰদ প্ৰদৰ্শনৰে যোৱাবাৰৰ ৰাণাৰ্ছ আপ কেৰালা ইউনাইটেড এফ চিক ৩-০ গ'লত হৰুৱাই নিজ গ্ৰুপত শীৰ্ষস্থান অৰ্জনৰে ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আনহাতে, এইটো গ্ৰুপত অসম ৰাইফলছ দলে দ্বিতীয়স্থানৰে ছেমিফাইনেলত স্থান সুৰক্ষিত কৰে। মিণ্টু বড়ো, আক্ৰাং নাৰ্জাৰী আৰু মিলন বসুমতাৰীয়ে অইল ইণ্ডিয়াৰ হৈ গ'লকেইটা দিয়ে। দিবা-নৈশ খেলখন পৰিচালনা কৰাত ৰেফাৰী বাজু টিছক্সক সহায় কৰে চাহজাহান আলী চৌধৰী, নিৰ্মল ভটাচাৰ্যী আৰু পবিত্ৰ বৰাই। কাইলৈ কোনো খেল নাই। অহা ২১ ছেপ্টেম্বৰত প্ৰথমখন ছেমিফাইনেলত দুলীয়াজানৰ অইল ইণ্ডিয়া এফ চিয়ে নগাঁৰৰ সঞ্জীৱন সমাজৰ বিৰুদ্ধে খেলিব।

কলচী ক্লাব ছেমিফাইনেলত

অগ্ৰদূত বাৰ্তা, নদুৱাৰ, ১৯ ছেপ্টেম্বৰ ঃ শোনিতপুৰ জিলাৰ জামুগুৰিহাটৰ টুপিয়া পাঁচগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগ অনুষ্ঠিত চিদানন্দ বৰা আৰু অৱনী প্ৰসাদ বৰা সোঁৱৰনী প্ৰাইজমানী ফুটৱল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন কোৱাটাৰ ফাইনেলত ৰঙপাৰাৰ কলচী ফুটৱল ক্লাবে নগাঁও জিলাৰ সঞ্জীৱনী ফুটৱল ক্লাৱক ৩-২ গ'লৰ ব্যৱধানত পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ দ্বিতীয়খন কোৱাটাৰ ফাইনেল খেলত কাৰ্বিআংলং জিলাৰ কুৰডক ফুটৱল দলৰ মুখামুখি হ'ব বিশ্বনাথ জিলাৰ মনাবাৰী ফুটৱল দলৰ।

কুৰুৱাভাষা ক্লাব পৰৱৰ্তী ৰাউণ্ডত

অগ্ৰদূত বাৰ্তা, মাটিয়া, ১৯ ছেপ্টেম্বৰ ঃ গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়াঙ্গনত চলি থকা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত কুৰুৱাভাষা ফুটবল ক্লাৱে ৪-৩ গ'লৰ ব্যৱধানত জামবাৰী জান্টি ক্লাৱ ফুটবল দলক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ সাজু হৈছে অসমৰ শ্বুটাৰ শৌৰ্য শৰ্মা

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ উত্তৰ পূব শ্বুটিঙং চেম্পিয়নশ্বিপৰ ২৫ মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টল, ২৫ মিটাৰ চেন্টাৰ ফায়াৰ পিষ্টল আৰু ৫০ মিটাৰ ফ্ৰি পিষ্টলত ক্ৰমে সোণ আৰু ব্ৰঞ্জৰ পদক জয়ী শ্বুটাৰ শৌৰ্য শৰ্মা সাজু হৈছে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ হৈ পদক জয় কৰিবলৈ। উল্লেখ্য যে উত্তৰ পূব মণ্ডল শ্বুটিঙত তিনিটা পদক জয় কৰা ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উপসচিব শৌৰ্য শৰ্মাই কৰ্মব্যস্ততাৰ মাজতো অব্যাহত ৰাখিছে অনুশীলন। ৰাজস্থানৰ মহীপাল সিং ৰাথোৰৰ অধীনত প্ৰশিক্ষণ লাভ কৰা বিষয়াগৰাকীয়ে অলপতে অৰ্জুন বঁটা বিজয়ী শ্বুটাৰ সত্যেন্দ্ৰ কুমাৰৰ তত্বাৱধানত উত্তৰ প্ৰদেশৰ দাদৰিত এটা চৈধ্য দিনীয়া শিবিৰত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। ২০০৭ ত আগ্ৰাত অনুষ্ঠিত সপ্তদশ সদৌ ভাৰত জি ভি মাভালাংকাৰ শ্বুটিং চেম্পিয়নশ্বিপত সোণৰ পদক জয়ী কৰি প্ৰথম অসমীয়া সোণ জয়ী হিচাপে পৰিগণিত হৈছিল শৰ্মা। ২০০৭ ত গুৱাহাটী ৰাষ্ট্ৰীয় ক্ৰীড়াটো দহ মিটাৰ এয়াৰ পিষ্টল ইভেন্টত ৱাইল্ড কাৰ্ড এন্টিৰে অসমক প্ৰতিনিধিত্ব কৰা শ্বুটাৰ গৰাকীয়ে মাজতে শ্বুটিঙ ৰেঞ্জ এৰি দিল্লীলৈ ইউ পি এচ চিৰ প্ৰস্তুতিৰ বাবে গুচি গৈছিল যদিও ২০১৫ চনত অসম অসামৰিক সেৱাৰ বিষয়া হিচাপে নিযুক্তি লাভ কৰাৰ পাছত ৰেঞ্জলৈ প্ৰত্যাবৰ্তন ঘটাইছিল । চলিত বৰ্ষত সপ্তদশ সদৌ অসম শ্বুটিঙত দহ মিটাৰ এয়াৰ পিষ্টলকে ধৰি মুঠ চাৰিটা শাখাত চাৰিটাকৈ সোণৰ পদক লাভ কৰিছিল।

নাহৰকটীয়াত সাৰংগ বুঢ়াগোহাঁই ক্লাব ফুটবল প্ৰতিযোগিতা আৰম্ভ

নাহৰকটীয়া, ১৯ ছেপ্টেম্বৰ ঃ নাহৰকটীয়া ক্ৰীড়া সন্থাৰ সাৰাংগ বুঢ়াগোঁহাই সোঁৱৰণী ফুটবল প্ৰতিযোগিতাখন আজিৰে পৰা নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত আৰম্ভ হৈছে। আজি অনুষ্ঠিত উদ্বোধনী খেলখনত জয়পুৰ তৰুণ সংঘই লেংগেৰীজান গছণাৰ ক্লাৱক ৫-১ গলত পৰাজিত কৰে। উদ্বোধনী অনুষ্ঠানত নাহৰকটীয়া ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি তথা সাৰাংগ বুঢ়াগোঁহাইৰ পিতৃ ক্ৰীড়া সংগঠক প্ৰদীপ বুঢ়াগোঁহাই , নাহৰকটীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰাঞ্জল সোণোৱাল, কছাৰী স্বায়ত্ব পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য বিশ্বজিৎ সোণোৱাল, প্ৰাক্তন ৰাজ্যিক খেলুৱৈ ৰাতুল গগৈ, সন্থাৰ কাৰ্যকৰী সভাপতি অমূল্য গগৈ, সাধাৰণ সম্পাদক পলাশ কোঁৱৰ, যুটীয়া সম্পাদক পংকজ সোণোৱাল, ফুটবলৰ যুটীয়া সম্পাদক অসীম হাজৰিকা আৰু দীপু নিৰ্মলীয়া, ভলীবলৰ সম্পাদক ভাস্কৰ গগৈ আদি উপস্থিত থাকে। আজিৰ খেলখন পৰিচালনা কৰে হৰেশ্বৰ সন্দিকৈ , ৰাজ কুমাৰ দেৱ, সুব্ৰত বৰ্মন আৰু শক্তি প্ৰধানে।

ৰেজেক আলী ফুটবলত ফেৰেংগা ছেমিত

অগ্ৰদূত বাৰ্তা, ঘগ্ৰাপাৰ, ১৯ ছেপ্টেম্বৰ ঃ ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ঘগ্ৰাপাৰ হাইস্কুল খেল পথাৰত চলি থকা ৰেজেক আলী সোঁৱৰণী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতা আজি অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল খেলত বিজনী ফেৰেংগা দলে ৪-০ গ'লত ছয়গাঁও জনজাতি ক্ৰীড়া সন্থাক পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। আজিৰ খেলখন উদ্বোধন কৰে ডিম্বেশ্বৰ বেজবৰুৱাই। খেলখন পৰিচালনা কৰে দুলু তালুকদাৰ, গকুল দাস,ধ্ৰুৱ কলিতা আৰু আনচাৰউদ্দিন আহমেদে। অহা ২১ ছেপ্তেম্বৰত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেল গৰেশ্বৰ টাউন ক্লাব আৰু অৰিঅ'ৰ এফ চি খানাপাৰাৰ মাজত অনুষ্ঠিত হ'ব।

জি এছ এ ফুটবল লীগ

পুলিচ-জি টি চিৰ ড্ৰ, ফ্ৰন্টিয়াৰৰ চমকপ্ৰদ জয়

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ গুৱাহাটী ক্ৰীড়া সন্থাৰ চলিত আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগৰ আজি অসম পুলিচ ব্লুজ আৰু গুৱাহাটী টাউন ক্লাবৰ মাজৰ খেলখন ১-১ গ'লত ড্ৰ হয় । পুলিচৰ ৰাকেশ দাসে ১৬ মিনিটত গ'ল কৰি অগ্ৰগতি দিয়ে যদিও জিটিচিৰ ৰিপুঞ্জয় দেউৰীয়ে ৫৭ মিনিটত গ'ল কৰি সমতা স্থাপন কৰে। আনহাতে, জীৰেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি ফ্ৰন্টিয়াৰ ক্লাবে ৰোমাঞ্চকৰ মেচত নাৰেংগী এছচিক ৪-৩ গ'লত পৰাস্ত কৰে ।ৰূপজ্যোতি ৰাভা আৰু অজয় ৰাভাই ক্ৰমে ১০ আৰু ২১ মিনিটত গ'ল দি ফ্ৰন্টিয়াৰক অগ্ৰগতি দিয়ে যদিও নাৰেংগীয়ে চন্দন বৰ্মন (২৪ মিনিট) আৰু অভিজিত ৰয় জ্ঞ৩৪মিনিট)গ্নৰ গ'লৰ সহায়ত সমতা স্থাপন কৰে ।ইয়াৰ পাছত ৪১ মিনিটত চন্দনে পুনৰ গ'ল দি নাৰেংগীক অগ্ৰগতি দিয়ে । কিন্তু ফ্ৰন্টিয়াৰে থমকি নৰৈ আক্ৰমণ অব্যাহত ৰাখে আৰু অজয় কছাৰীয়ে ৫৮ আৰু ৬৯ মিনিটত দুগ'ল দি বিজয় নিশ্চিত কৰে । কাইলৈ ছুপাৰ ডিভিজনত এফচি গ্ৰীণভেলীয়ে নৱজ্যোতি ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

নতুন দিল্লীৰ এক অনুষ্ঠানত ক্ৰিকেটাৰ কপিল দেব

যোৰহাট ক্ৰীড়া সন্থাৰ জুনিয়ৰ ফুটবল প্ৰশিক্ষণ শিবিৰ আৰম্ভ

কাকজান উপ-ক্ৰীড়া সন্থা ছেমিফাইনেলত

যোৰহাট, ১৯ ছেপ্টেম্বৰ ঃ যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুস্থিত হোৱা আন্তঃ উপ ক্ৰীড়া সন্থা লীগ ফুটবল প্ৰতিযোগিতাত আজিৰ খেলত কাকজান উপ ক্ৰীড়া সন্থাই টিয়ক উপ ক্ৰীড়া সন্থাক ৬-১ গ'লত পৰাভূত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কাকজানৰ হৈ ডেনিয়েল চাওৰাই চাৰিটা, বিনয় চেতিয়া আৰু অংকুমনি বড়াই এটাকৈ গল দিবলৈ সক্ষম হয়। আনহাতে টিয়কৰ হৈ প্ৰাঞ্জল চাহানীয়ে একমাত্ৰ গলটো দিয়ে। ছেমিফাইনেলত কাকজান মুখামুখি হব পূৱ যোৰহাটৰ। আনখন ছেমিফাইনেলত অংশ গ্ৰহণ কৰিব উত্তৰ পূৱ ক্ৰীড়া সন্থা আৰু মৰিয়নীয়ে। ফুটবল বিভাগৰ সম্পাদক ফাইজউদ্দিন আহমেদে অৱগত কৰিছে যে দূৰ্গাপূজা পিছত ছেমিফাইনেল আৰু ফাইনেল অনুষ্ঠিত হ'ব। **প্ৰশিক্ষণ শিবিৰ আৰম্ভ ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাই আজিৰ পৰা প্ৰশিক্ষক হেমিদুৰ ৰহমানৰ নেতৃত্বত ১৭ বছৰ অনুৰ্ধ খেলুৱৈৰ বাবে ফুটবল প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰিছে। শিবিৰৰ শুভাৰম্ভনি কৰে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জুল খাউণ্ডে, ফুটবল বিভাগৰ সহকাৰী সম্পাদক দিগন্ত দত্তই আতধৰা অনুষ্ঠানত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উপসভাপতি দ্বিজেন শইকীয়া, চিৰঞ্জীৱ বড়া, যুটীয়া সম্পাদক বিমান বুঢ়াগোহাই, ফুটবল সম্পাদক ফাইজউদ্দিন আহমেদ, সদস্য জগত বড়া উপস্থিত থাকে। শিবিৰত ৭০ গৰাকীৰ অধিক ফুটবল খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছে।

প্ৰাইজমানি ফুটবলৰ প্ৰস্তুতি

গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ গুৱাহাটী কাহিলীপাৰাৰ ওদালবাক্ৰা মৰ্ণিং ক্লাবৰ সৌজন্যত অহা ২৪ আৰু ২৫ ছেপ্টেম্বৰ, শনি আৰু দেওবাৰে দুদিনীয়াকৈ আয়োজন কৰা হৈছে প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা । খেলাৰ স্থান ওদালবাক্ৰা জনজাতীয় যুৱ কল্যাণ পৰিষদৰ খেলপথাৰ । প্ৰতিযোগিতাৰ যোগদান মাচুল ২৫০০ টকা আৰু চেম্পিয়ন তথা ফাইনেলিষ্ট দলে লাভ কৰিব ক্ৰমে ৩০ আৰু ২০ হেজাৰ টকা ।লগতে থাকিব ব্যক্তিগত পুৰস্কাৰো । যোগদানৰ অন্তিম দিন ২২ ছেপ্টেম্বৰ । মুঠ ১৬ টা দলৰ মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হব আৰু প্ৰথমে যোগাযোগ কৰা দলবোৰক যোগদানৰ সুযোগ দিয়া হক্সব । যোগদান কৰিবলৈ ইচ্ছুক দলক ৮৬৩৮৮-০৯০৪৮, ৮৭৫২০-৫০৯৬২,৮৬৩৮১-০০২৭৫ অথবা ৮৬৩৮৪-৫৩৭৪৪ নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে । প্ৰতিযোগিতাখন আয়োজনত ওদালবাক্ৰা মৰ্ণিং ক্লাবক সহযোগিতা আগবঢ়াইছে বৃহত্তৰ ওদালবাক্ৰা জনজাতীয় যুৱ কল্যাণ পৰিষদ, ওদালবাক্ৰা ৰাভা জনজাতি উন্নয়ন সমিতি, মিলিজুলি সংঘ আৰু ইভিনিং ক্লাবে।

বড়োলেণ্ড গেলেন্টছ গ'ল্ডকাপ ফুটবল প্ৰতিযোগিতা

চিৰাংদুৱাৰ এফ চি ছেমিফাইনেলত

অগ্ৰদূত বাৰ্তা ,টংলা,১৯ ছেপ্টেম্বৰ ঃ ডিমাকুছি আঞ্চলিক এবছু আৰু ডিমাকুছি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ৰূপালী জয়ন্তী বৰ্ষৰ বড়োলেণ্ড গেলেন্টছ গ'ল্ডকাপ ফুটবল টুৰ্ণামেন্টত ইউনাইটেড চিৰাংদুৱাৰ এফ চিয়ে শিলিগুৰি এছ এছ বি দলক ৭-১ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত সৰ্বভাৰতীয় আমন্ত্ৰণমূলক প্ৰতিযোগিতাখনৰ আজিৰ খেলত চিৰাংদুৱাৰৰ যোছেফ মায়োৱা, লৈথো বসুমতাৰী আৰু মনেশ্বৰ মোছাহাৰীয়ে দুটাকৈ গল দিয়ে। আনহাতে, হৰপ্ৰীত সিঙে এটা গ'ল কৰে। এছ এছ বি দলৰহৈ অভিমন্যু প'লে পেনাল্টী কিকৰ জৰিয়তে একমাত্ৰ গ'লটো পৰিশোধ কৰে। চিৰাংদুৱাৰৰ যোছেফ মায়োৱাক মেচখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটাৰে পুৰস্কৃত কৰা হয়। কাইলৈ প্ৰতিযোগিতাৰ অন্তিমখন কোৱাৰ্টাৰত মণিপুৰৰ ট্ৰাও এফ চিয়ে ওদালগুৰি দৈমালু ক্লাবৰ মুখামুখি হ'ব।

গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ খেলুৱৈ অহাৰ আৰম্ভণি।

আপুনি কেৱল নিজৰ কথাই ভাবিছে, মোদী চাহাব

টোকাত প্ৰধানমন্ত্ৰীক দোষাৰোপ কৰি আত্মহত্যা কৃষকৰ

নিউজ ব্যুৰ'
পুনে, ১৯ ছেপ্টেম্বৰ ঃ যোৱা শনিবাৰে আঠটা চিতাবাঘ জংঘলত এৰি ৰাজকীয় ভংগীৰে জন্মদিন পালন কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ইয়াৰ দুদিনৰ পাছতে অৰ্থাৎ আজি প্ৰধানমন্ত্ৰীক কাঠগড়াত থিয় কৰি আত্মহত্যা কৰিলে দেশৰ এজন কৃষকে। আনকি আৰক্ষীয়েও এই কথা স্বীকাৰ কৰিছে। প্ৰধানমন্ত্ৰীৰ প্ৰতি অত্যন্ত ক্ষোভ উজাৰি আত্মহত্যাৰ পথ বাচি ল'লেও অৱশ্যে মৃত্যুৰ প্ৰাক্‌ক্ষণতো কৃষকজনে সৌজন্যতাবোধ প্ৰদৰ্শনত কাৰ্পণ্য কৰা নাই। আত্মহত্যাৰ টোকাত প্ৰথমে প্ৰধানমন্ত্ৰী মোদীক জন্মদিনৰ শুভেচ্ছা জনোৱাৰ পাছতহে তেওঁৰ প্ৰতি থকা অভিযোগসমূহ উল্লেখ কৰে কৃষকজনে। মহাৰাষ্ট্ৰৰ এই কৃষকজনৰ আত্মহত্যা আৰু আত্মহত্যাৰ টোকাই সমগ্ৰ দেশতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

আৰক্ষী সূত্ৰই জনোৱা মতে, প্ৰায় ৪৫ বছৰীয়া কৃষকজনৰ নাম দশৰথ লক্ষ্মণ কেদাৰি। পুনেৰ জুন্নাৰ তালুকৰ ৰাদগাঁও আনন্দ গাঁৱৰ নিবাসী দশৰথে আজি ঘৰৰ কাষৰে এটা পুখুৰীত জাঁপ দি আত্মহত্যা কৰে। এনে আত্মহত্যাৰ ঘটনা সততে ঘটি থাকে যদিও এনে বিস্ফোৰক আত্মহত্যাৰ টোকা সচৰাচৰ দেখা নাযায়। আৰক্ষীয়ে জনাইছে যে দশৰথে তেওঁৰ মৃত্যুৰ বাবে প্ৰধানমন্ত্ৰী মোদীকে দায়ী কৰিছে। সেই বিষয়ত তেওঁ আত্মহত্যাৰ টোকাত সবিস্তাৰে লিখি গৈছে। জনাইছে নিজৰ দুৰ্দশাৰ কাহিনী। ফচলৰ ন্যূনম মূল্যক লৈ অসন্তোষৰ কথা আৰু ঋণ আদায় কৰ্মীয়ে কিদৰে উৎপীড়ন চলাইছিল সেই কথাও জনাইছে তেওঁ। লগতে নিজৰ কৰুণ অৱস্থাৰ বাবে মহাৰাষ্ট্ৰ চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰধানমন্ত্ৰী মোদীক দায়ী কৰি গৈছে কৃষকজনে।

উল্লেখ্য যে ক'ভিড অতিমাৰী আৰু অতিবৃষ্টিৰ বাবে ক্ষতিগ্ৰস্ত হৈছে কৃষকসকল। তাৰ পাছতো প্ৰধানমনত্ৰী মোদীয়ে কোনো ব্যৱস্থা নল'লে বুলি দশৰথে অভিযোগ কৰিছে। নিজৰ আত্মহত্যাৰ টোকাত তেওঁ ন্যূনতম সহায়ক মূল্যৰো দাবী কৰিছে। তেওঁ লিখিছে, 'আমাৰ হাতত ধন নাই। ইফালে মহাজনে অপেক্ষা কৰিবলৈ সন্মত নহয়। কি কৰিম আমি? পিঁয়াজ বজাৰলৈ নিয়াৰে সামৰ্থ নাই।' ইয়াৰ পাছতে দশৰথে আত্মহত্যাৰ টোকাত লিখিছে, 'আপুনি কেৱল নিজৰ কথাই ভাবিছে মোদী চাহাব। আপুনি নিশ্চয় ফচলৰ ন্যূনতম মূল্য নিশ্চিত কৰিব লাগিব। আপুনি দেশৰ কৃষি ব্যৱস্থাক দিশ দেখুওৱাত ব্যৰ্থ। কৃষকসকলে কি কৰিব?' দশৰথে লগতে জনায় যে তেওঁৰ দৰে কৃষকক 'ঋণ আদায়কাৰী সংস্থাৰ বিষয়াসকলে উৎপীড়ন চলাইছে। এই কথা উল্লেখ কৰি তেওঁ লিখিছে, 'বিচাৰ লাভ কৰিবলৈ কাৰ ওচৰলৈ যাম? আজি আপোনাৰ নিষ্ক্ৰিয়তাৰ বাবে মই আত্মহত্যা কৰিছো। অনুগ্ৰহ কৰি ফচলৰ ন্যূনতম মূল্যৰ ব্যৱস্থা কৰক। ইয়া আমাৰ অধিকাৰৰ ভিতৰত পৰে।'

ম্যানমাৰত কাৰাৰুদ্ধ ১৪৫ সাংবাদিক

কাৰাগাৰত থকা বাৰ্মিজ সাংবাদিকৰ মুকলিৰ দাবী প্ৰেছ এম্বেল কেম্পেইনৰ

নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ বিশ্বৰ সংবাদ মাধ্যমৰ সুৰক্ষা আৰু অধিকাৰ সংস্থা প্ৰেছ এম্বেল কেম্পেইন (পিইচি)-এ যোৱা বছৰৰ সামৰিক অভ্যুত্থানৰ পাছৰ পৰা ম্যানমাৰত কৰ্মৰত সাংবাদিকসকলৰ ওপৰত ধাৰাবাহিক আতিশয্য চলোৱাৰ লগতে বহু কেইগৰাকী সংবাদকৰ্মীক কাৰাগাৰলৈ নিক্ষেপ কৰা কাৰ্যত গভীৰ উদ্বেগ প্ৰকাশ কৰে। আটকাধীন সকলো সাংবাদিকৰ বাবে নিৰপেক্ষ বিচাৰ নিশ্চিত কৰাৰ বাবে কৰ্তৃপক্ষক আহ্বান জনাইছে পিইচিয়ে।

দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰখনৰ ৰাজধানী য়াংগনৰ সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি, বিবিচি বাৰ্মিজৰ এজন ফ্ৰিলান্স ৰিপ'ৰ্টাৰক যোৱা ১৫ ছেপ্টেম্বৰত ইনছেইন কাৰাগাৰৰ এখন সামৰিক আদালতে কাৰাদণ্ড বিহে। উল্লেখ্য যে ইতিপূৰ্বে আন এক গোচৰত তিনি বছৰৰ বাবে কাৰাবাস খাটিছিল এইছ টিইটি খিনেক নামৰ মহিলা সাংবাদিকগৰাকীয়ে। যোৱা বছৰৰ ১৫ আগষ্টত তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰা হৈছিল, তেতিয়াৰে পৰা য়াংগনৰ কুখ্যাত কাৰাগাৰতে এবছৰৰো অধিক সময় কাৰাৰুদ্ধ হৈ আছে। জনপ্ৰিয় সাংবাদিকগৰাকীয়ে বিবিচিৰ বাবে 'খান চাৰ কী' নামৰ এটা বাৰ্মিজ ভাষাৰ কাৰ্যসূচী ৰূপায়ণ কৰিছিল। য'ত তেওঁ দৰিদ্ৰতাপীড়িত দেশখনত আসন্ন গৃহযুদ্ধৰ পটভূমিত বহুতো বাৰ্মিজ ৰাজনৈতিক আৰু সামাজিক নেতাৰ কাহিনী বৰ্ণনা কৰিছিল। এনেবোৰ কাৰণতে সামৰিক জান্তাৰ টাৰ্গেট হৈ পৰে সাংবাদিকগৰাকী।

মনকৰিবলগীয়া যে ২০২১ৰ এক ফেব্ৰুৱাৰীত সংঘটিত অভ্যুত্থানৰ পাছত, সামৰিক শাসকে বহুতো সংবাদ মাধ্যমক ম্যানমাৰৰ ভিতৰত তেওঁলোকৰ কাৰ্যালয় বন্ধ কৰিবলৈ বাধ্য কৰায়। এতিয়ালৈকে প্ৰায় ১৪৫জন সাংবাদিকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোকৰ এক-তৃতীয়াংশ এতিয়াও বন্দী হৈ আছে। সামৰিক শাসকৰ এই অগণতান্ত্ৰিক কাৰ্যৰ বিৰুদ্ধে গৰজি উঠিছে প্ৰেছ এম্বেল কেম্পেইন চমুকৈ পিইচিয়ে। আন্তঃৰাষ্ট্ৰীয় সাংবাদিক সংগঠনটোৰ সভাপতি ব্লেজ লেম্পেনে কয়, 'আমি সামৰিক কৰ্তৃপক্ষৰ দ্বাৰা সকলো সাংবাদিকৰ চৰ্তহীন মুক্তি দাবী কৰো।' উল্লেখ্য যে ম্যানমাৰত শেহতীয়াকৈ গৃহযুদ্ধৰ দৰে পৰিস্থিতিৰ সন্মুখীন হৈছে য'ত সৈন্যসকলে বিভিন্ন সংগঠনৰ গণতন্ত্ৰপন্থী কৰ্মীসকলক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। আনহাতে, সামৰিক শাসক বিৰোধী গোটেও তেওঁলোকৰ আত্মীয় আৰু শুভাকাংক্ষীসকলৰ স'তে সামৰিক বাহিনীক লক্ষ্য কৰি লোৱাৰ বাবে হাতত অস্ত্ৰ তুলি লৈছিল। এনে প্ৰেক্ষাপটত সাংবাদিকসকলে এক কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছে।

আগন্তুক সপ্তাহৰ এনিশাৰ আকাশত তিৰবিৰাব বৃহস্পতিয়ে

৭০ বছৰৰ পাছত পৃথিৱীৰ একেবাৰে কাষলৈ আহিব 'গুৰুগ্ৰহ'

> সূৰ্যৰ আন গ্ৰহসমূহৰ স'তে পৃথিৱীৰ দূৰত্বৰ এই তাৰতম্যৰ কাৰণ হৈছে সিহঁতৰ কক্ষপথৰ আকাৰ। পৃথিৱী বা বৃহস্পতি, কাৰোৱে কক্ষপথ সম্পূৰ্ণ গোলাকাৰ নহয়। সেয়ে দুটা গ্ৰহে পৃথক দূৰত্বত ইটোৱে সিটোক অতিক্ৰম কৰে। মহাকাশ গৱেষকসকলৰ দাবী, ২৬ ছেপ্টেম্বৰত পৃথিৱী আৰু বৃহস্পতিৰ মাজত দূৰত্ব ৫৮ কোটি কিলোমিটাৰলৈ হ্ৰাস পাব।

নিউজ ব্যুৰ'
নিউ য়ৰ্ক, ১৯ ছেপ্টেম্বৰ ঃ চলিত মাহৰ এটা নিশাৰ প্ৰতিটো ক্ষণত আকাশত উজ্জ্বল ৰূপত দেখা যাব বৃহস্পতিক। কাৰণ সৌৰজগতৰ বৃহত্তম গ্ৰহটো সেইদিনা পৃথিৱীৰ বহু কাষত আহি উপস্থিত হ'ব। সেই দিনটোতে পৃথিৱী আৰু বৃহস্পতিৰ দূৰত্ব একেবাৰে হ্ৰাস পাব। বিগত ৭০ বছৰত দুই প্ৰতিবেশী গ্ৰহৰ মাজত দূৰত্ব ইমান হ্ৰাস পোৱা নাছিল। মহাকাশ বিজ্ঞানীসকলে জনোৱা মতে, অহা ২৬ ছেপ্টেম্বৰত 'গুৰুগ্ৰহ' পৃথিৱীৰ অনেক কাষলৈ গুচি আহিব। সেই নিশা প্ৰতিটো ক্ষণতে আকাশত বৃহস্পতি গ্ৰহটোৱে তিৰবিৰাই থাকিব। পৃথিৱীৰ বিপৰীতে সূৰ্য আৰু বৃহস্পতি উভয়ে একেটা দিশত থাকিব। ফলত সূৰ্যৰ দৰেই বৃহস্পতিও পূবফালে উদয় হৈ পশ্চিম দিশে অস্ত যাব।

সূৰ্যৰ আন গ্ৰহসমূহৰ স'তে পৃথিৱীৰ দূৰত্বৰ এই তাৰতম্যৰ কাৰণ হৈছে সিহঁতৰ কক্ষপথৰ আকাৰ। পৃথিৱী বা বৃহস্পতি, কাৰোৱে কক্ষপথ সম্পূৰ্ণ গোলাকাৰ নহয়। সেয়ে দুটা গ্ৰহে পৃথক দূৰত্বত ইটোৱে সিটোক অতিক্ৰম কৰে। মহাকাশ গৱেষকসকলৰ দাবী, ২৬ ছেপ্টেম্বৰত পৃথিৱী আৰু বৃহস্পতিৰ মাজত দূৰত্ব ৫৮ কোটি কিলোমিটাৰলৈ হ্ৰাস পাব। স্বাভাৱিক অৱস্থাত এই দূৰত্ব থাকে ৯৬ কোটি কিলোমিটাৰ। নাছাই এক বিবৃতিত জনাইছে যে ২৬ ছেপ্টেম্বৰত যিহেতু বৃহস্পতি পৃথিৱীৰ অনেক কাষলৈ গুচি আহিব, সেয়ে পৃথিৱীৰ পৰা গ্ৰহটোক অনেক স্পষ্ট আৰু উজ্জ্বল দেখা যাব। এই ঘটনা অতি বিৰল। নাছাৰ সূত্ৰই আকৌ কৈছে যে সেই নিশা চন্দ্ৰৰ বাহিৰে আকাশৰ আন গ্ৰহ-নক্ষত্ৰৰ ভিতৰত বৃহস্পতি গ্ৰহকে সবাতোকৈ উজ্জ্বল ৰূপত দেখা যাব। অৱশ্যে পৃথিৱীৰ পৰা বৃহস্পতিক খালী চকুৰে দেখা নাযাব। বিজ্ঞানীসকলে জনাইছে যে গ্ৰহটো চাব বিচাৰিলে টেলিস্কোপৰ সাহায্য ল'ব লাগিব। নাছাৰ এজন বিষয়াই কয়, 'ভাল দূৰবীনৰ মাধ্যমেৰে মূল গ্ৰহৰ উপৰি বৃহস্পতিৰ তিনি-চাৰিটা উপগ্ৰহো দেখা যাব পাৰে। গেলিলিওৱে সপ্তদশ শতিকাত দূৰবীনৰ মাধ্যমেৰে প্ৰথমে এই উপগ্ৰহসমূহ দেখা পাইছিল।'

উল্লেখ্য যে কেৱল ২৬ ছেপ্টেম্বৰেই নহয়, বৰঞ্চ ইয়াৰ আগে-পিছেও বহু কেইদিনৰ নিশাৰ আকাশত বৃহস্পতিক দেখা যাব বুলি জনাইছে বিজ্ঞানীসকলে। অৱশ্যে বতৰ বেয়া থাকিলে মেঘাচ্ছন্ন আকাশত একোৱেই দেখা পোৱা নাযাব।

ব্ৰিটেইনে শেষ বিদায় দিলে ৰাণী তৃতীয় এলিজাবেথক

■ দেশ-বিদেশৰ কে'বাশ ৰাষ্ট্ৰনেতা-হেজাৰ হেজাৰ লোকৰ উপস্থিতিত উইণ্ডছ'ৰ প্ৰাসাদৰ ৰাজকীয় ভ'ল্টত শায়িত কৰা হ'ল ৰাণীৰ কফিন ■ স্বামী ফিলিপ আৰু পিতৃ-মাতৃৰ সমীপতে থলে শৱদেহ ■ গভীৰভাৱে আবেগিক ৰজা চাৰ্লছৰ চকুত বিৰিঙিল চকুপানী

নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ ব্ৰিটেইনৰ জনপ্ৰিয় ৰাণী তথা বিশ্বৰে এগৰাকী শক্তিশালী নেত্ৰী তৃতীয় এলিজাবেথৰ কফিন আজি অৱশেষত শায়িত কৰা হ'ল উইণ্ডছ'ৰ প্ৰাসাদৰ ৰাজকীয় ভল্টত। প্ৰাসাদৰ স্পেইন জৰ্জ প্ৰাৰ্থনা গৃহত এই অন্তিম ক্ৰিয়া সম্পন্ন কৰা হয়। ব্ৰিটেইনৰ এই পৰ্যন্ত সৰ্বাধিক দীৰ্ঘ কাৰ্যকাল অতিবাহিত কৰা ৰাণীৰ মৃত্যুত ৰাষ্ট্ৰখনে পালন কৰা ১০ দিনীয়া শোকৰ আজি সমাপ্তি ঘটিল। যোৱা আঠ ছেপ্টেম্বৰত স্কটলেণ্ডৰ বালমোৰাল প্ৰাসাদত মৃত্যু হৈছিল ৯৬ বছৰীয়া ৰাণীৰ। ১৯৫২ত তেওঁ ব্ৰিটেইনৰ ৰাণীৰূপে গাদীত বহিছিল।

ভগৱানে ৰজাক ৰক্ষা কৰক এই প্ৰাৰ্থনাৰে আজি সমাপ্তি ঘটে ৰাণী তৃতীয় এলিজাবেথৰ শেষকৃত্য। তেওঁক সমাধিস্থ কৰা হয় পিতৃ-মাতৃ আৰু প্ৰয়াত স্বামীৰ কফিনৰ কাষতে। এক ঐতিহাসিক অন্ত্যেষ্টিক্ৰিয়া আৰু সামৰিক সমদলৰ মাজেৰে লণ্ডনৰ পৰা হেজাৰ হেজাৰ লোকে ৰাণীৰ কফিনৰ স'তে শেষ যাত্ৰা কৰি উইণ্ডছৰ প্ৰাসাদলৈ যায় আৰু প্ৰিয় ৰাণীক শেষ বিদায় যাচে।

ব্ৰিটেইনৰ এই ৰাষ্ট্ৰীয় মৰ্যাদাৰ অন্ত্যেষ্টিক্ৰিয়াত খ্ৰীষ্টান ধৰ্মৰ প্ৰতি থকা তেওঁৰ গভীৰ বিশ্বাস আৰু ৰাজ সিংহাসনত অৱস্থান কৰি আগবঢ়োৱা সেৱাৰ বাবে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। চলিত বৰ্ষতে তেওঁৰ ৭০ বছৰীয়া কাৰ্যকাল সম্পন্ন হৈছিল। ক্ৰমাৎ ভংগুৰ হ'বলৈ ধৰা ব্ৰিটিছ সাম্ৰাজ্যত সৰ্বাধিক দীঘলীয়া সময়ৰ বাবে ৰাজত্ব কৰা তৃতীয় এলিজাবেথে ৰাষ্ট্ৰৰ মুৰব্বীৰূপে বৃহৎ জনপ্ৰিয়তা অৰ্জন কৰিছিল। বিদেশতো তেওঁ যশস্যা আৰ্জিবলৈ সক্ষম হৈছিল। আজি ছঘণ্টাজোৰা অনুষ্ঠানত বিশ্বৰ কে'বাশ ৰাষ্ট্ৰনায়কে তেওঁক শেষ শ্ৰদ্ধা জনায়। ১৯৬৪ত ব্ৰিটেইনৰ প্ৰয়াত প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলৰ ৰাষ্ট্ৰীয় অন্ত্যেষ্টিক্ৰিয়াৰ পাছত ব্ৰিটেইনৰ ইতিহাসত আজি দ্বিতীয় এলিজাবেথৰ ৰাষ্ট্ৰীয় মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া কৰা হয়। চেণ্ট্ৰেল লণ্ডনৰ পৰা হেজাৰ হেজাৰ লোকে পদব্ৰজে তেওঁৰ কফিন প্ৰাসাদলৈ কঢ়িয়াই নিয়ে। চেন জৰ্জ উপাসনা গৃহত ৰাষ্ট্ৰশাসকৰ প্ৰতীক তেওঁৰ মুকুট আদি কফিনৰ পৰা আঁতৰাই থোৱা হয়। বিগত চাৰিদিন ধৰি সাত লাখ ৫০ হেজাৰ ব্ৰিটেইনৰ নাগৰিকে তেওঁলৈ শেষ শ্ৰদ্ধা যাচিছে। আজি প্ৰাসাদত কফিন অনাৰ পূৰ্বে নাগৰিকসকলে বহুলানি সমদল কৰে। ৰাজকীয় পৰম্পৰা আৰু ৰাণীৰ জীৱনত প্ৰতিফলিত হোৱাকৈ আজি অনুষ্ঠানৰ আয়োজন কৰা হৈছিল।

মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেন, ফ্ৰান্সৰ ইমানুৱেল মেক্ৰ', কানাডাৰ মুখ্যমন্ত্ৰী জাষ্টিন ট্ৰুডু, স্পেইনৰ ৰজা, ওমানৰ চুলতান, মাচাকুৰ ৰাণী, জাপানৰ সম্ৰাট ৰাণুহিতকে ধৰি সমগ্ৰ বিশ্বৰ মুৰব্বীসকল এই অনুষ্ঠানত উপস্থিত থাকে। ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰেও ব্ৰিটেইনৰ প্ৰয়াত ৰাণীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আজি অনুষ্ঠানৰ প্ৰাৰ্থনা পৰ্বৰ সমাপ্তিৰ সময়ত ৰাষ্ট্ৰজুৰি দুই মিনিট সময় মৌনতা অৱলম্বন কৰা হয়। বাছ, বিমান আদি সকলোৰে যাত্ৰা এই সময়ছোৱাত বন্ধ ৰখা হয়।

ৰাণীৰ কফিন ৰাজকীয় পতাকাৰে আবৃত্ত কৰি কঢ়িয়াই নিয়া হৈছিল। এই অনুষ্ঠানত ব্ৰিটেইনৰ ৰজা ৰাণীৰ পুত্ৰ তৃতীয় চাৰ্লচৰ চকুপানীৰে ভৰি পৰা দেখা গ'ল। মন কৰিবলগীয়া যে ৰাণীৰ শেষ যাত্ৰাত অংশ ল'লে সামৰিক বাহিনীৰ ১০ হেজাৰ সদস্যই। বিভিন্নজনে আজি কালি নিশাৰে পৰা শেষ যাত্ৰাৰ দৃশ্যৰ সাক্ষী হ'বলৈ বাকিংহাম প্ৰাসাদৰ সমীপত নিদ্ৰা যাপন কৰে। এইদৰে নিশা যাপন কৰা সকলৰ বিভিন্নজনে কয় যে তেওঁলোকৰ শ্ৰদ্ধাঞ্জলি যচাৰ বাবে এয়াই জীৱনত প্ৰথম আৰু শেষ সুযোগ। মন কৰিবলগীয়া যে এই শেষ যাত্ৰাৰ পৰিকল্পনা কে'বা দশক ধৰি কৰা হৈছিল আৰু ইয়াক স্বাক্ষৰ কৰি থৈছিল ৰাণীয়ে নিজেই।

অনুষ্ঠানত অংশ লৈ বাইডেনে কয় যে এই ক্ষতিয়ে এক বৃহৎ শূন্যতাৰ সৃষ্টি কৰিলে, যাক কেতিয়াও পূৰণ কৰিব পৰা নাযায়। ৰজা চাৰ্লচৰ প্ৰতিটো পদক্ষেপ, প্ৰতিটো যাত্ৰাতে প্ৰয়াত ৰাণী লগতে থাকিব বুলিও বাইডেনে সাংবাদিকক কয়। ৰজা চাৰ্লচে কয় যে বিভিন্ন শোকবাৰ্তা আৰু বিশ্বজুৰি দেশসমূহৰ পৰা লাভ কৰা সমৰ্থনত তেওঁ গভীৰভাৱে আবেগিক হৈছে। অনুষ্ঠানত ৰজা চাৰ্লচৰ লগতে তেওঁৰ পত্নী পাটৰাণী কেমিলা, ৰজাৰ পুত্ৰ হেৰি, তেওঁৰ পত্নী মেগান তথা ৰাজ সিংহাসনৰ উত্তৰাধিকাৰী যুৱৰাজ উইলিয়াম সপৰিবাৰে সন্তানসহ উপস্থিত থাকে। দিনজোৰা অনুষ্ঠানৰ পাছত আবেলিলৈ পুনৰ ব্ৰিটেইনৰ জীৱনযাত্ৰা স্বাভাৱিক হৈ পৰে। শোককালত বন্ধ থকা ছুপাৰ মাৰ্কেট আৰু বাৰবোৰৰ সিংহভাগেই আজি মুকলি কৰা হয় যদিও ৰাজপৰিয়ালে অধিক সাতদিন শোক পালন কৰিব লাগিব।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

যুদ্ধৰত ইউক্ৰেইনৰ আকাশত 'এলিয়েন বাহন'

সঁচাকৈয়ে এলিয়েন নে, নে এয়া ৰাছিয়াৰ নতুন ষড়যন্ত্ৰ

নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ যুদ্ধৰত ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ আকাশত দেখা যায় বহুতো ইউএফঅ'। ইয়াকে লৈ ৰাজধানী চহৰখনত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। চহৰবাসীৰ মন্তব্য এয়া ৰাছিয়াৰ নতুন কিবা পদক্ষেপৰ অংশ বিশেষ নহয়তো। আনহাতে, ইউক্ৰেইনৰ বিজ্ঞানীসকলে এই চকচকীয়া উৰণীয়া বস্তুবোৰ চিনাক্ত কৰিবলৈ সক্ষম হোৱা নাই। অৱশ্যে এতিয়ালৈকে পোৱা ছবি আৰু ভিডিঅ'বোৰ পৰীক্ষা কৰি আছে। উল্লেখ্য যে ইউক্ৰেইন আৰু ৰাছিয়াই ফেব্ৰুৱাৰীৰ পৰা যুদ্ধৰত হৈ আছে। যুদ্ধ অব্যাহত থকাৰ মাজতে ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ আকাশত অচিনাক্ত ফ্লাইং অবজেক্ট ইউএফঅ' দেখা যায়। ইউক্ৰেইনৰ চৰকাৰী বৈজ্ঞানিক প্ৰতিষ্ঠান 'মেইন এষ্ট্ৰোনমিকেল অবজাৰ্ভেটৰী'য়ে সমগ্ৰ বিষয়টো পৰ্যবেক্ষণ কৰিছে। মনকৰিবলগীয়া যে দেশখনৰ মুখ্য বৈজ্ঞানিক প্ৰতিষ্ঠান 'নেছনেল একাডেমী অৱ চাইন্সছ'ৰ অধীনত কাম কৰে 'মেইন এষ্ট্ৰোনমিকেল অবজাৰ্ভেটৰী'য়ে। যেতিয়া দুখন দেশৰ মাজত যুদ্ধ লাগে তেতিয়া উভয় দেশে যুঁজাৰু বিমান, মিছাইল, ৰকেট আৰু ড্ৰোনৰ উজ্জ্বল ছবি তেওঁলোকৰ আকাশত দেখা নিত্যনৈমিত্তিক ঘটনা; কিন্তু ইউক্ৰেইনৰ আকাশত দেখা দিয়া 'এলিয়েন বাহন'বোৰ বিজ্ঞানীসকলে চিনাক্ত কৰিব নোৱাৰিলে। আনহাতে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ চোৰাংচোৱা সংস্থাই কৈছে যে এই ইউএফঅ'বোৰ কোনো ধৰণৰ সামৰিক সঁজুলি হয় নে নহয় সেয়া পৰীক্ষা কৰি থকা হৈছে বুলি প্ৰকাশ কৰে। প্ৰতিবেদন অনুসৰি ইউক্ৰেইনৰ জ্যোতিৰ্বিজ্ঞানীসকলে দিনটোত কিয়েভৰ আকাশত প্ৰত্যক্ষ কৰা দ্ৰুত উৰণীয়াবোৰ কম দৃশ্যমান আছিল। এই বস্তুবোৰ কিয়েভৰ চাৰিওফালৰ গাঁওবোৰত দেখা গৈছিল। বিজ্ঞানীসকলে কিয়েভ আৰু তাৰ পৰা ১২০ কিলোমিটাৰ দক্ষিণে ভিনাৰিভকা গাঁৱত দুটা বিশেষ প্ৰকাৰৰ বতৰ বিজ্ঞান কেমেৰা স্থাপন কৰিছে। ইয়াৰ জৰিয়তে তেওঁলোকে আকাশৰ ওপৰত তীক্ষ্ণ নজৰ দিয়ে। এই ইউএফঅ'বোৰৰ ছবি এই কেমেৰাবোৰত বন্দী কৰা হয়। কেমেৰাৰ ছবিবোৰ অধ্যয়ন কৰা বিজ্ঞানীসকলে কৈছিল যে এই উৰণীয়া বস্তুবোৰ কোনো প্ৰকাৰে প্ৰাকৃতিক ঘটনা নাছিল। অধ্যয়নটো পৰিচালনা কৰা দলটোৱে কৈছিল যে আমি এনে বহুতো উৰণীয়া বস্তু দেখিছিলো যাৰ আচৰণ বুজি পোৱা নাছিলো; কিন্তু আমি উৰণীয়া বস্তুক কিয়েভ আৰু ইয়াৰ চাৰিওফালে সকলো ঠাইতে দেখিছিলো। বিজ্ঞানীসকলে এই ইউএফঅ'বোৰক দুটা শ্ৰেণীত বিভক্ত কৰিছে। প্ৰথম মহাজাগতিক আৰু দ্বিতীয় ফেণ্টম। মহাজাগতিক বস্তুবোৰ হৈছে সেইবোৰ যি আকাশৰ পিছফালে এক উজ্জ্বলতা সৃষ্টি কৰে। বিভিন্ন চৰাই যেনে চুইফঞ্জট, ফালকন আৰু ঈগলৰ নামেৰে জনা হয়। ই অকলে উৰে বা দলবদ্ধভাৱে উৰা দেখা যায়। ফেণ্টম হৈছে, ইউএফঅ' যিবোৰ ৰঙত ডাঠ, অৰ্থাৎ আন্ধাৰ। সেইবোৰ সম্পূৰ্ণৰূপে ক'লা দেখা যায়। সিবোৰে ওপৰত পৰা পোহৰ শোষণ কৰে। এইটো বিশ্বাস কৰা হয় যে ফেণ্টমবোৰ ১০ ৰ পৰা ৪০ ফুট বহল। প্ৰতি ঘণ্টাত ৫৩ হেজাৰ কিলোমিটাৰ বেগত উৰা মাৰে। আনহাতে, পৃথিৱীত তৈয়াৰ কৰা বেলিষ্টিক মিছাইলৰ সৰ্বাধিক গতি হৈছে প্ৰতি ঘণ্টাত ২৪ হেজাৰ কিলোমিটাৰ। ইউক্ৰেইনৰ 'মেইন এষ্ট্ৰোনমিকেল অবজাৰ্ভেটৰী'য়ে এইবোৰ কেনে ধৰণৰ ইউএফঅ' এই পৰ্যন্ত বিচাৰি উলিয়াবলৈ বা সঠিক ৰহস্য ভেদ কৰিবলৈ সক্ষম নহ'ল।



শ্ৰমৰ জৰিয়তে পথাৰ আৰু বজাৰ দখলৰ প্ৰয়াস

শোণিতপুৰ নবিলত চাৰিশ মহিলাৰ সেউজ বিপ্লৱ

ষ্টাফ ৰিপ'ৰ্টাৰ
তেজপুৰ, ১৯ ছেপ্টেম্বৰ ঃ শ্ৰমৰ জৰিয়তে পথাৰ আৰু বজাৰ দখলৰ আন এক প্ৰয়াস শোণিতপুৰৰ চাৰিশ মহিলাৰ। ইতিমধ্যে যোৱা বছৰত কৃষিৰ জৰিয়তে লাভৰ মুখ দেখি এক আদৰ্শ স্থাপন কৰা এইসকল মহিলাই আজি নতুন উদ্যমৰে নামিছে কৃষি পথাৰত। উল্লেখ্য যে শোণিতপুৰ জিলা কৃষি বিভাগৰ উদ্যোগত বিহগুৰিৰ পুঠিমাৰীত চাৰিশৰ অধিক উদ্যমী মহিলাৰে গঠিত জয়মতী কৃষি উৎপাদক গোটৰ সেউজ বিপ্লৱে ইতিমধ্যে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰিছে। বিহগুৰিৰ পুঠিমাৰী, বাপুভেটি, নবিলকে ধৰি ২৫খন গাঁৱৰ উদ্যমী মহিলাসকলে কৃষিৰ জৰিয়তে গঢ়ি তুলিছে অন্যন্য নিদৰ্শন। আজি জিলা কৃষি বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান আঁচনিৰ (এনএফএছএম)ৰ অধীনত আৰু জয়মতী কৃষি উৎপাদক গোটৰ সহযোগত প্ৰায় ৩৫০ বিঘা মাটিত মাটিমাহৰ বীজ সিঁচাৰ আৰম্ভণি কৰা হয়। জিলা কৃষি বিষয়া পংকজ শইকীয়া, এপাৰ্টৰ বিষয়ববীয়াসকলৰ উপস্থিতিত জয়মতী কৃষি উৎপাদক গোটৰ সম্পাদিকা কমল কুমাৰী বড়োৱে নিজেই ট্ৰেক্টৰ চলাই যান্ত্ৰিক পদ্ধতিৰে মাটিমাহৰ বীজ সিঁচি অন্যান্য মহিলাসকলক উৎসাহিত কৰে। বিগত বৰ্ষত এশ বিঘা মাটিত ৰঙালাও, আঠশ বিঘা মাটিত সৰিয়হ আৰু ২০ বিঘা মাটিত আলু খেতি কৰি প্ৰায় ২৫ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হোৱা জয়মতী কৃষি উৎপাদক গোটে নবিল গাভৰু কৃষি মহিলা উৎপাদক গোট আৰু জননী কৃষি মহিলা উৎপাদক গোটৰ সহযোগত মহিলাসকলে নিজেই ট্ৰেক্টৰৰে হালবাই মাটিমাহৰ খেতি আৰম্ভ কৰিছে।

কৃষি উৎপাদক গোটটোৰ চাৰিশ মহিলাই দুগুণ উৎসাহৰে কৃষি কাৰ্যত জড়িত হৈ এই বৰ্ষত ৩৫০ বিঘা মাটিত মাটিমাহ, এশ বিঘা মাটিত আলু, দুহেজাৰ বিঘা মাটিত সৰিয়হ আৰু এহেজাৰ বিঘা মাটিত ৰঙালাও খেতিৰ কাম আৰম্ভ কৰিছে। আজি ন-বিলত ৭০ বিঘা মাটিত জয়মতী কৃষি উৎপাদক গোটৰ মহিলাসকলে মাটিমাহৰ বীজ সিঁচে। উপস্থিত মহিলাসকলক উন্নত প্ৰযুক্তিৰে মাটিমাহ খেতি কৰাৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰে শোণিতপুৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ৰজি চুতীয়াই। লগতে ট্ৰেক্টৰত জিৰ' টিলেজ ছিদ ড্ৰিল লগাই কেনেকৈ মাটিমাহৰ খেতি কৰিব পাৰি এই বিষয়ে প্ৰশিক্ষণ আগবঢ়াই বিশ্বনাথৰ কৃষি যন্ত্ৰ প্ৰশিক্ষণ আৰু পৰীক্ষণ কেন্দ্ৰৰ বিষয়াসকলে।

এই অনুষ্ঠানতে ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে শোণিতপুৰ জিলা কৃষি বিভাগৰ উদ্যোগত মহিলাসকলক সজাগ কৰাৰ উদ্দেশ্যে এখন সজাগতা সভাৰো আয়োজন কৰা হয়। এই সজাগতা অনুষ্ঠানতে শিশু, গৰ্ভৱতী মহিলা, দুগ্ধপান কৰাই থকা মহিলাসকলৰ পৰিপুষ্টি বিকাশৰ বাবে ল'বলগীয়া পদক্ষেপৰ বিষয়ে কৃষি আঁচনি বিষয়া ৰঞ্জিতা গোস্বামীয়ে বিশদ বিৱৰণ আগবঢ়ায়।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com